সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

# সোণালী

২০০৪ – ০৫ বৰ্ষ



অমৃত কুমাৰ গুৰুং

সম্পাদক




কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা শ্ৰীযুতা ৰতিপ্ৰভা গগৈ




কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত মানিক বৰুৱা



সোণাৰি মহাবিদ্যালয়
তেজস্বি নাবধীতমস্তু
SONARI COLLEGE

*Presented to :-* S-1

Book No.
Sonari College Library

............................................................

............................................................

............................................................

*With best Compliments from :-*

EDITOR
SONALI - XVIII,
2004-05

# SONALI

THE ANNUAL MAGAZINE OF SONARI COLLEGE

VOLUME XVIII | EDITORAL BOARD | 2004-05


**OUR HONOURED ADVISERS**

Prof. Binanda Mohan | Prof. Dipanjali Gogoi | Prof. Sunil Dutta

**MEMBERS**

Binoy Baruah
Ishani Baruah
Madhurjya Phukan
Pallabi Pritom Baruah

**EDITOR : AMRIT KR. GURUNG**

**COVER PAGE DESIGN :** Nabajoyati Gogoi


**COVER PAGE THEME**

Let us live in peace and laughter.
Let us think something higher.
Let us choose right or wrong.
Let us achive our golden goal.


**PUBLISHER :** Sonari College Students Union, 2004-05

**D. T. P. :** Unique D. T. P. Centre, Sonari

**PRINTED :** Bishwa Offset Printers, Sapekhati




# SONALI

***The Sonari College Magazine***

## তেজস্বি নাৱধীতমস্তু ঃ

ওপৰত মহাবিদ্যালয়ৰ প্ৰতীকটি প্ৰদৰ্শন কৰা হৈছে। প্ৰতীকটিত উল্লেখিত সংস্কৃত বাক্যটি তৈত্তিৰীয়োপনিষদৰ পৰা উদ্ধৃত। 'তেজস্বি নাৱধীতমস্তু' (তেজস্বি নৌ অধীতম্ অস্তু)ৰ আমাৰ দুয়োৰে (ছাত্ৰ-অধ্যাপক) অধ্যয়ণ আৰু অধীত বিষয়সমূহ উজ্বল হওঁক।

উক্ত উপনিষদৰ ব্ৰহ্মবল্লী অধ্যায়ৰ প্ৰথম অনুবাক্যৰ আৰম্ভতে এটি মঙ্গলাচৰণ আছে। তাত অধ্যয়ণ আৰম্ভ কৰাৰ আগতেই শিষ্য আৰু আচাৰ্য উভয়ে এইদৰে প্ৰাৰ্থনা কৰিছে— "শং নো মিত্ৰঃ শং বৰুণঃ.... ঋতং ৱদিষ্যামি। সত্যং ৱদিষ্যামি। তন্মা মৱতু।....সহ নাৱৱতু। সহ নৌ ভুনক্ত। সহ বীৰ্যং কৰৱাৱহৈ। তেজস্বি নাৱধীতমস্তু। মা ৱিদ্বি যাৱহৈ। ওঁ শান্তিঃ শান্তিঃ শান্তি।।" ইয়াৰ অৰ্থ মিত্ৰ বা সূৰ্য্য আমাৰ প্ৰতি মঙ্গলদায়ক হওঁক। বৰুণ আমাৰ প্ৰতি মঙ্গলদায়ক হওঁক। যিটো চিৰন্তন তাকহে কম। যিটো সত্য তাকহে কম। সি মোক ৰক্ষা কৰক। ....আমাৰ উভয়কে পালন কৰক। আমাৰ দুয়োকে আহাৰ দিয়ক। আমি দুয়ো একেলগে বিদ্যা উপাৰ্জনৰ কাৰণে প্ৰয়োজনীয় বীৰ্য্য বা শক্তি লাভ কৰিবলৈ যত্ন কৰোহক। আমাৰ দুজনৰ অধ্যয়ন আৰু অধীনত বিষয়সমূহ তেজস্বি অৰ্থাৎ উজ্বল্য যুক্ত হওঁক। আমি যেন পৰস্পৰে বিদ্বেষ নকৰো। ওঁ শান্তিঃ শান্তিঃ শান্তিঃ। শংকৰাচাৰ্য্যৰ ব্যাখ্যাত আছে— "তেজস্বি নাৱৱয়োস্তেজস্বিনোধীতং স্বধীতমস্তু। আৱয়োঃ আমাৰ দুজনৰ অধীতম্— অধীত বিষয়, তেজস্বি স্বধীতম (সু + অধীতম্), অস্তু।

এই বাক্যৰ তাৎপৰ্য্য হ'ল— অধ্যয়নৰ প্ৰথম অৱস্থাতেই এটি সজ উদ্দেশ্যৰ প্ৰতি সংকল্প গহণ। এই অধ্যয়ন যাতে তেজঃযুক্ত, উজ্বল, বুদ্ধিদীপ্ত আৰু জ্ঞানৰ আলোকেৰে উদ্ভাসিত হয়— আঁৰ নথকা হয়। এই অধ্যয়ন যাতে সকলোৰে কল্যাণকাৰক হয়, তাৰ কাৰণে কেৱল ছাত্ৰ সকলৰে নহয় ছাত্ৰ-অধ্যাপক উভয় সমাজৰে সংকল্প গ্ৰহণ। ইয়াত ছাত্ৰ আৰু অধ্যাপক ঘনিষ্ঠতৰ সম্বন্ধৰ ইংগিত দিয়া হৈছে আৰু সেই আদৰ্শ দাঙি ধৰা হৈছে। এই মহাবিদ্যালয়ৰ ছাত্ৰ-অধ্যাপক সকলো মিলি এখনি বিশেষ সমাজ- এটি বিশেষ পৰিয়াল - আগত এটা স্থিৰ লক্ষ্য— আমাৰ অধ্যয়ণ জ্ঞানগৌৰৱৰ আলোকেৰে, উজ্বলতাৰে উদ্ভাসিত হৈ উঠক।

প্ৰতীকৰ বাবে উক্ত বাক্যটি নিৰ্বাচন কৰি দিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মূৰব্বী অধ্যাপক ডঃ মুকুন্দ মাধৱ শৰ্মা, এম. এ., পি. এইচ. ডি., ডি. লিট (কলি), কাব্যতীৰ্থদেৱে আৰু প্ৰতীকটি আঁকি দিছে চিত্ৰ শিল্পী শ্ৰী শৰৎ বৰুৱাদেৱে। দুয়োলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

# আমি যি সকলৰ ওচৰত কৃতজ্ঞ

- ড. কুলেন্দু পাঠক
  উপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়
- শ্ৰীযুত শৰৎ বৰকটকী
  বিধায়ক তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি
- শ্ৰীযুত তপন কুমাৰ গগৈ
  সাধাৰণ সম্পাদক, সদৌ অসম ছাত্ৰ সন্থা
- মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত গোলাপ বৰ গোহাঁই, শ্ৰীযুত ৰবিন চন্দ্ৰ কোঁৱৰ, শ্ৰীযুত সুৰেশ দাস, স্বৰ্গীয়া কমলাৱতী দাস শইকীয়া
- মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা তথা ছাত্ৰ একতা সভাৰ সভানেত্ৰী শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ
- মহাবিদ্যালয়ৰ ভাৰ প্ৰাপ্ত উপাধ্যক্ষ শ্ৰীযুত মাণিক বৰুৱা
- আলোচনী বিভাগৰ উপদেষ্টা—শ্ৰীযুত বিনন্দ মহন , শ্ৰীযুত সুনীল দত্ত, শ্ৰীযুক্তা দিপাঞ্জলী গগৈ
- মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা
- মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দ
- মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকল
- সম্পাদনা সমিতিৰ সমূহ বিষয়ববীয়া সকল
- যি সকলৰ লিখনিৰে আলোচনীখন প্ৰকাশ কৰিবলৈ সক্ষম হৈছো
- বিভিন্ন কাৰণত যিসকলৰ লিখনি প্ৰকাশৰ বাবে বিবেচিত নহ'ল।
- যিসকল উদ্যমী ছাত্ৰ-ছাত্ৰীয়ে আমাক উৎসাহ যোগাইছিল
- বেতুপাতৰ শিল্পী নৱজ্যোতি গগৈ
- সদৌ শেষত 'ইউনিক ডি.টি.পি.' ৰ স্বত্বাধিকাৰী আৰু "বিশ্ব অফ্‌ছেট্ প্ৰিন্টাৰ্ছ" ৰ স্বত্বাধিকাৰী ও সমূহ কৰ্মকৰ্তাক শ্ৰদ্ধাৰে সোঁৱৰিছো।



## উচৰ্গা

২০০৪ চনৰ প্ৰলয়ংকাৰী 'ছুনামী'ত যিসকল আমাৰ মাজৰ পৰা আঁতৰি গ'ল, ১৫ আগষ্ট ২০০৪ তাৰিখত ধেমাজিত যিসকল নিৰপৰাধী শিশুৰে সন্ত্ৰাসবাদীৰ কুটাঘাটমূলক কাৰ্যৰ বলি হ'ল আৰু আমাৰ জ্ঞাতসাৰে হওঁক বা অজ্ঞাতসাৰেই হওঁক আমি যিসকলক হেৰুৱাইছো সেইসকলৰ পবিত্ৰ স্মৃতিত 'সোণালী'ৰ এই সংখ্যাটি উচৰ্গা কৰিলো।

**Sri Sarat Barkotoky**, MLA
106, Sonari LAC

Ph. : 0361-2261269 (R)
03772-256737 (Sonari)

Date 13-06-05

## MESSAGE



*It gives me immense pleasure to know that the Sonari College Students' Union is going to publish its 18th Annual Sonari College Magazine recently College Magazine is the Forum for vertilating the thoughts and ideas of the students and I hope the Magazine will definitely contain valuable articles and other writings which will be beneficial for the betterment of the student community as well as for the socio-economic development of the society. The noble endeavour for the greater interest of the student community is really appreciable.*

*I thanks the organisers and wish the Magazine a grand success.*

13/6

(SARAT BARKOTOKY)



সদৌ অসম ছাত্র সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781 014
Website : htta//aasu.m 2014.net
Phone : 2571130, 2602890

প্ৰসঙ্গ ঃ

দিনাংক ঃ ৮/০৭/০৫

## শুভেচ্ছা-বাণী

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'সোণালী' প্ৰকাশৰ দিহা কৰা হৈছে বুলি জানিব পাৰি নথৈ আনন্দিত হৈছো। মহাবিদ্যালয়ৰ আলোচনী হৈছে মহাবিদ্যালয়ৰ 'দাপোণ স্বৰূপ' আৰু ইয়াৰ প্ৰকাশৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক ও বৌদ্ধিক বিকাশত সহায়ক হয়। 'সোণালী'ৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক ও বৌদ্ধিক চিন্তাৰ উত্তৰণ, সৃজনীশীল প্ৰতিভাৰ বিকাশ ঘটিব বুলি আশা ৰাখিছো। তাৰ লগতে আলোচনীখনত সোণাৰি মহাবিদ্যালয়ৰ বিভিন্ন ক্ষেত্ৰসমূহ আৰু স্থানীয় অঞ্চলটিৰ বিভিন্ন দিশে গুৰুত্ব পাব বুলি আশা ৰাখিলো।

সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, সমূহ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকললৈ শুভেচ্ছা আৰু 'সোণালী'ৰ দীৰ্ঘায়ু কামনা কৰিলো।

শ্ৰদ্ধাৰে—

(শংকৰ প্ৰসাদ ৰায়)
সভাপতি
সদৌ অসম ছাত্ৰ সন্থা

(তপন কুমাৰ গগৈ)
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা



Binanda Mohan
Adviser



Dipanjali Gogoi
Adviser



Sunil Dutta
Adviser

# EDITORIAL BOARD



Amrit Kr. Gurung
Editor



Madhurjiya Phukan
Member



Binoy Baruah
Member



# ‘সোণালী’ৰ এই সংখ্যাত সমৃদ্ধ হৈছে ০০০





## কবিতা
(৭১ - ৭৯)

● সাগৰপ্লাৱন টিপমীয়া ● হিৰেশ্বৰ দাস ● আকাশদ্বীপ ৰজাফুকন
● মনালিছা ৰাজকোঁৱৰ ● জিনামণি গগৈ ● পুলক গগৈ ● যমুনা কোঁৱৰ
● ৰূমীশ্যামলীমা বড়া ● তেগমণি প্ৰধান ● বাবুল ভৰলুৱা ● অনুজ চাংমাই
● বিৰাজপ্ৰতিম গগৈ ● দেৱব্ৰত লাহন ● শংকৰ উপাধ্যায় ● আঞ্জুম আৰা হক
● নাৰায়ণ তেলী ● মুকুল বৰুৱা

## তথ্য সমৃদ্ধ প্ৰবন্ধ (৩ - ৩৮)





➲ বিকল্পৰ সন্ধানত শকুন্তলা ○ ৰতিপ্ৰভা গগৈ
➲ বৃহত্তৰ অসমীয়া জাতি গঠনত বিষ্ণু ৰাভাৰ অৰিহণা ○ দিলীপ ৰঞ্জন বৰুৱা
➲ সফলতা অৰ্জনৰ পথ ○ টংকেশ্বৰ বৰুৱা
➲ মিচিং সমাজ আৰু সংস্কৃতিৰ চমু আভাস ○ জেলসিং ৱেইন
➲ সাহিত্যৰ বিখণ্ডিত জগতত তুলনামূলক সাহিত্য ○ বাবুল ভৰলুৱা
➲ অজন্তাৰ চিত্ৰকলা ○ ঈশানী বৰুৱা
➲ সাম্প্ৰতিক অসমৰ সমস্যা আৰু যুৱসমাজৰ কৰণীয় ○ জীতা বসুমতাৰী
➲ জীৱনৰ সৌন্দৰ্য ভোগ ○ মুনমী কোঁৱৰ
➲ অসমৰ সমস্যা আৰু সমাজৰ প্ৰভাৱ ○ খঞ্জন বৰুৱা
➲ অসমৰ চাহ জনগোষ্ঠীৰ লোকসকল আৰু তেওঁলোকৰ কলা-সংস্কৃতি ○ সাগৰ তাঁতী
➲ গ্ৰন্থমেলা ঃ ইতিহাস আৰু বৰ্তমান ○ মিনু কোঁৱৰ
➲ তাই খাময়াঙসকলৰ ‘পয়লেং’ উৎসৱ ○ টিনামণি শ্যাম
➲ বৰ্তমান সময়ত তথ্যপ্ৰযুক্তিৰ আৱশ্যকতা ○ ৰূমী শ্যামলীমা বড়া
➲ জ্যোতিপ্ৰসাদৰ কবিতাৰ বিশ্লেষণ ○ পল্লৱী প্ৰিতম বৰুৱা
➲ সৰ্বজন বিদিত এক ভয়াবহ ব্যাধি ড্ৰাগছ ○ মুকুল বৰুৱা
➲ এগৰাকী মহীয়সী নাৰী ঃ মাদাৰ টেৰেছা ○ ৰূণামনি ৰংছোৱাল
➲ কলেজীয়া জীৱনত কৰ্তব্যৰ সচেতনতা ○ গীতাঞ্জলি শ্যাম
➲ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অপুৰণীয় সম্পৰ্কৰ সমাধান ক’ত ? ○ ত্ৰিবেণী গগৈ

## ২টি ভ্ৰমণ কাহিনী
(৩৯ - ৪৪)

➲ কলঙ্গুপাৰলৈ আমাৰ এক স্মৰণীয় যাত্ৰা ○ বিনয় বৰুৱা
➲ হিমালয়ৰ ৰাণী দাৰ্জিলিং ঃ Where the pines needle the sky ○ মাধুৰ্য্য ফুকন





## গল্প সম্ভাৰ (৪৫ - ৫৮)

➲ মুক্ত পক্ষীৰ গান ○ লৱণ বড়া
➲ ক’ব নোৱাৰা কথাফাঁকি ○ অনিল গগৈ
➲ দুখৰ মাজত সুখৰ চকুলো ○ সোমেশ্বৰ কুৰ্মি
➲ অকৃতজ্ঞ ○ পুষ্পাঞ্জলি চেতিয়া
➲ আত্মানুভৱ ○ পিঞ্জুমণি গগৈ
➲ মহাবিদ্যালয়ত আয়োজিত গল্পৰ কৰ্মশালাত বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সমৃদ্ধ এমুঠি গল্প শিৰোনাম ঃ পুহ

# ২ টি বিক্ষিপ্ত চিন্তা


⊃ সুখৰ সন্ধানত ○ তেগমণি প্ৰধান (৩০)
⊃ অৰণ্যৰ উচুপনি ○ অনিতা কুৰ্মী (৩৬)





(৫৯ - ৬৩)





মহাবিদ্যালয়ৰ প্ৰাচীৰ প্ৰত্ৰিকা 'প্ৰত্যয়'ৰ প্ৰথম সংখ্যা (৬৪ - ৭০)

সোণাৰি মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰাক্তন অধ্যক্ষকেইজনৰ চমু সাক্ষাৎকাৰ (৮০ - ৮২)

English Section ... (৮৬ - ৯৭)






⊃ A Visit to Mysore ○ Mamee Baruah
⊃ Some Medicinal Plants .... Economy ○ Tirthajyoti Das
⊃ Sericulture Industry in India ○ Krishna Thakur
⊃ Literary hope of India : Navodaya Vidyalaya Samiti ○ Kalyan Konwar
⊃ Beauty ○ Ainu Phukan
⊃ Superstition Mind Evil ○ Mandira Rajkumari
⊃ Love ○ Sarif Ali
⊃ Remembering You ○ Alibhushan Paul

বৰ্তমান সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তথা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰী তপন কুমাৰ গগৈৰ লগত এটি অন্তৰংগ মুহূৰ্ত (৮৩ - ৮৫)





Photo Section (৯৮ - ১০৪)

ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ বাৰ্ষিক প্ৰতিবেদন (১০৫ - ১১৩)




# সম্পাদকীয় একলম ......



"সময় গতিশীল
নতুন কিনো হয় যে
অতীত শ্মৃৰণি
ওচৰ হয় গতিকে
সুদূৰ দূৰণিত .....।"

মানুহে কয় ঘাত-প্ৰতিঘাতেই জীৱন, সদায় শুনি থকা বা দেখি থকা ইতিবাচক/নেতিবাচক ঘটনাৰ বিৰতিহীন প্ৰাবল্যই স্পৰ্শ কৰি গৈছে বিশ্বৰ প্ৰতিটো প্ৰান্তৰ। অৱধাৰিত ভাৱে জীৱজগতৰ প্ৰাণী হিচাপে আমি জানো বিছিন্ন ইয়াৰ পৰা ? নিশ্চয় নহয় আৰু হ'ব নোৱাৰো। কিন্তু এই মানুহে পতা বছৰৰ হিচাপত এটা বছৰে মেলানি মাগি আন এটা বছৰ যেতিয়া সোমাইহি ক'ব নোৱাকৈয়ে মনত এৰি অহা বছৰটোলৈ বেয়া লাগে, বেয়া লাগে দিনবোৰলৈ, কাৰণ ইয়াতেই সোমাই থাকে আমাৰ অজস্ৰ অভিজ্ঞতা। ইয়াৰে কেতবোৰ ভাল আৰু কেতবোৰ বেয়া। কিন্তু ভাল-বেয়া এই অভিজ্ঞতাবোৰ স্মৃতি হৈ ৰৈ যায়, কিছুমান মূহূৰ্ত নষ্টালজিয়া হৈ এৰি অহা দিনবোৰৰ কথা সোঁৱৰায়।

আজি যেন বিশ্বৰ প্ৰতিটো প্ৰান্ত সমস্যাৰ কড়াল গ্ৰাসত আছন্ন। প্ৰতিটো দিনতেই বিশ্ববাসীয়ে ন-ন সমস্যাৰ সন্মুখীন হ'ব লগীয়া হৈছে। সেইবোৰ প্ৰাকৃতিক পৰিঘটনাই হওঁক বা মানৱ সৃষ্ট কাৰণতেই হওঁক। ইয়াৰ ফল যে ভয়াবহ আৰু তাক যে আমি মানৱজাতি আৰু সমগ্ৰ জীৱকুলেই মুকাবিলা কৰিব লাগিব সেয়া ধ্ৰুৱপ। ৰাজনৈতিক পৰিস্থিতি, কেতবোৰ ৰাষ্ট্ৰৰ আকোঁৰগোজ অগ্ৰাসননীতি যুদ্ধ বিগ্ৰহ, সন্ত্ৰাসবাদী কাৰ্যকলাপ মানুহৰ ব্যক্তিগত লাভালাভৰ কাৰণে হিংসা-অসূয়া ইত্যাদিত কিমান মানুহ বলি হৈছে তাৰ কোনো লেখ-জোখ নাই। এইবোৰ বহু পৰিমানে ৰোধ কৰিব পাৰিলেও, মানুহৰ বাঢ়ি অহা প্ৰয়োজনৰ খাতিৰত প্ৰকৃতিৰ ওপৰত সদায় অবাধ ধ্বংস যজ্ঞ চলাই অহা হৈছে। এই বনাঞ্চলৰ ধ্বংস কৰাৰ ফলত প্ৰকৃতিৰ ভাৰসাম্যতা বিনষ্ট ঘটিছে। ফলত অতিবৃষ্টি, অনাবৃষ্টি, গোলকীয় উত্তাপ বৃদ্ধি, কৃষি শস্যৰ উৎপাদন হ্ৰাস আদিৰ দৰে নানান আহুকলীয়া সমস্যাৰ সৃষ্টি হৈ মানৱ জাতিৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। প্ৰকৃতিৰ পৰিঘটনাৰে সন্মুখীন হোৱাত আমি ব্যৰ্থ তাক শেহতীয়াকৈ হোৱা ছুনামিয়ে প্ৰমাণ কৰিলে। ওপৰত উল্লেখ কৰা সমস্যাৰে ছুনামিৰ লগত কোনো সংগতি নাথাকিলেও এইটো কথা ক'ব পাৰি আমি জীৱশ্ৰেষ্ঠ বুলি দম্ভ মৰা মানৱ জাতি প্ৰকৃতিৰ ওচৰত অসহায়। এই ছুনামিৰ ফলত প্ৰায় ডেৰ লক্ষ মানুহৰ মৃত্যু ঘটাৰ উপৰিও কিমানযে সম্পত্তিৰ লোকচান হ'ল তাৰ কোনো হিচাপ নাই। বৰ্তমান আটাইতকৈ চিন্তনীয় আৰু চৰ্চিত বিষয়টো হ'ল গোলকীয় উষ্ণতা বৃদ্ধি। যোৱা শতিকাটোত পৃথিৱীৰ পূৰ্বৰ সাধাৰণ উষ্ণতাতকৈ ৬° ছেঃ বৃদ্ধি ঘটিছে। এনেদৰে তাপমান বৃদ্ধি ঘটিলে পাছলৈ কি হ'ব ভাবি গাৰ নোম শিঁয়ৰি উঠে। কল-কাৰখানা, গাড়ী-মটৰৰ পৰা ওলোৱা ধোঁৱাত থকা কাৰ্বন-ডাই-অক্সাইড আৰু বনাঞ্চলৰ ধ্বংস যজ্ঞই এই উষ্ণতা বৃদ্ধিৰ কাৰণ বুলি বিজ্ঞানীমহলে কৈছে। গতিকে এতিয়াই গোটেই বিশ্ব সজাগ হোৱাৰ সময় আহি পৰিছে।

পৃথিৱীৰ কথা আলোচনা কৰিছোহে, কিন্তু আমাৰ অসমবাসী জানো সমস্যাৰ উৰ্দ্ধত ? সাম্প্ৰতিক অসমৰ যি হিংসা-সন্ত্ৰাস, ৰাজনৈতিক খাম-খেয়ালি, বানপানী, নিবনুৱা ইত্যাদি সমস্যাই ভয়াবহ ৰূপত আহি দেখা দিছেহি। সেইবোৰ সমস্যাৰ সন্মুখীন হ'ব লাগিব প্ৰগতিৰ পথেৰে। কিন্তু আচল কথা হ'ল প্ৰগতিৰ বাবে যি কৰ্মসংস্কৃতি লাগে সেয়াই অসমীয়াৰ মাজৰ পৰা যেন দিনকদিনে লোপ পাই গৈছে। আমি যেন এতিয়াও সময়মতে কাম কৰাৰ অভ্যাস গোটাব পৰা নাই। অফিছ-দপ্তৰ, কৰ্ট-কাছাৰি, বিদ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠান বিশেষকৈ সভা-সমিতি কেতিয়াও সময়মতে আৰম্ভ হোৱা দেখা নাযায়। সময়ৰ সদ ব্যৱহাৰ কৰিব নজনা জাতিয়ে বৰ্তমান প্ৰতিযোগিতাৰ পৃথিৱীত খোজ পেলাব পাৰিব বুলি মোৰ মনে নধৰে। ভূতৰ ওপৰত দানহ পৰাদি হয়তো কেৱল অসমতেই এক প্ৰকাৰৰ বন্ধ-সংস্কৃতি গঢ়ি উঠিছে। নিজৰ স্বাৰ্থৰ খাতিৰত ৰাজনৈতিক সংগঠনেই হওঁক বা দল-উপদলে

মাত্র নিজৰ ক্ষমতা প্ৰদৰ্শন বা দাবী পূৰণ কৰিবৰ বাবে ঔচিত্য-অনৌচিত্য বিচাৰ নকৰি হকে-বিহকে বন্ধ দিয়াৰ ফলত ৰাজ্যৰ কিমান লোকচান হৈছে ভাবিলে আচৰিত লাগে। আমি যেন ক্ৰমশঃ পশ্চাদ্‌মুখী হৈ পৰিছো। ইয়াৰ জবাব দিব লাগিব সময়ৰ সদ ব্যৱহাৰ কৰি, নহয় জানো .... ?

এতিয়া আহোঁ আলোচনীখনৰ প্ৰসংগলৈ। এখন মহাবিদ্যালয়ৰ আলোচনী প্ৰস্তুত কৰি উলিওৱাটো নিতান্তই সহজ কাম নহয়। এনে ধৰণৰ কাম আৰু অধিক কঠিন হৈ পৰে যেতিয়া আনৰ পৰা সহায়-সহযোগিতা কোনো ক্ষেত্ৰতে পোৱা নাযায়। মহাবিদ্যালয়ৰ মুখপত্ৰখনে নিশ্চয় মহাবিদ্যালয়খনৰ গৌৰৱ বহন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য সৃষ্টিয়ে— ভৱিষ্যতৰ প্ৰতিশ্ৰুতি বহন কৰে। তেওঁলোকৰ সাহিত্য প্ৰতিভা, শিল্পানুভূতিৰ উমান লোৱাৰ ই এক মাধ্যম সেইবাবে ইয়াক প্ৰকাশ কৰোঁতে এক সংগবদ্ধ প্ৰচেষ্টাৰ প্ৰয়োজন হয়। আলোচনীখনৰ কামত কৰ্মৰত হৈ থাকোতে মই বহু ক্ষেত্ৰত হতাশ হ'বলগীয়া হৈছিলো। এইটো স্বীকাৰ্য আমাৰ সোণাৰি মহাবিদ্যালয়ৰ প্ৰায় পোন্ধৰশ ছাত্ৰ-ছাত্ৰীৰ মাজত লেখা-মেলা কৰা ছাত্ৰ-ছাত্ৰীৰ অভাৱ নাই। কিন্তু তেওঁলোকৰ পৰা আশানুৰূপ সঁহাৰি নাপালো বুলি ক'লেও ভুল নহয়। ছাত্ৰ-ছাত্ৰীসকলৰ কিয় ইমান অনিহা বুজি নাপালো। ছাত্ৰ-ছাত্ৰীসকলৰ উপৰিও মহাবিদ্যালয়ৰ মুৰব্বী অধ্যাপকসকলক ব্যক্তিগতভাৱে লগ কৰিও হতাশ হ'বলগীয়া পৰিস্থিতিত পৰিছিলো। তেওঁলোকৰ বহুতে সময়ত মূৰ পোলোকা মৰা যেন হে লাগিল। তথাপি কেইজনমান উদ্যমী ছাত্ৰ-ছাত্ৰী আৰু শ্ৰদ্ধাৰ প্ৰবক্তাবৃন্দৰ সহায়ত 'সোণালী'খন আপোনালোকৰ হাতত তুলি দিব পাৰিলো। সাহিত্য সম্পৰ্কে মোৰ তিলাৰ্ধও জ্ঞান আছে বুলি নাভাবো। একমাত্ৰ মোৰ হেঁপাহ আৰু কেইজনমান বন্ধু-বান্ধৱীৰ উৎসাহ আৰু জনদিয়েক প্ৰবক্তাৰ প্ৰেৰণাৰ বলতহে মই যেন আলোচনীখন প্ৰকাশ কৰাত সফল হ'লো। ইয়াৰ বাবে মই শ্ৰদ্ধাৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা শ্ৰীযুতা ৰতিপ্ৰভাগগৈ বাইদেউ, বিনন্দ মহনছাৰ, সুনীল দত্তছাৰ, ৰঘুনাথ কাগয়ুংছাৰ, দীপাঞ্জলি বাইদেউলৈ মোৰ ধন্যবাদ থাকিল। মোৰ প্ৰতিটো মুহূৰ্ততে ছাঁৰ দৰে থাকি মোক সহায় আগবঢ়োৱা মৰমৰ বন্ধুবৰ অনাদি, বিজিত, ডেভিদ, সুৰেশ, নৱ, ভাৰ্গৱ, অনিল, বিশ্ব, বিনয়, মাধুৰ্য, ৰিতু আৰু ভাতৃপ্ৰতীম চান্ত, চন্দ্ৰ, নয়ন, ভৱ, সন্তোশ, অমল (চত্), অপু, অৰূপ, দেৱজিৎ শ্যামলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাসমূহ বিকাশৰ উদ্দেশ্যে মোৰ কাৰ্যকালত মই দুদিনীয়া কাৰ্যসূচীৰে কবিতা আৰু গল্পৰ কৰ্মশালা অনুষ্ঠিত কৰিছিলো, নাজানো ছাত্ৰ-ছাত্ৰীসকল কি ধৰণে উপকৃত হ'ল। মোৰ আশা, পাছৰ কাৰ্যনিৰ্বাহকে আৰু এনেকুৱা সৃষ্টিশীল পদক্ষেপ গ্ৰহণ কৰিব।

আলোচনীখনি প্ৰস্তুত কৰোঁতে অজানিতে যিবোৰ ভুল-ভ্ৰান্তি ৰৈ গৈছে সেইবোৰ যদি আঙুলিয়াই দিব পাৰে তেনেহ'লে আগন্তুক বৰ্ষৰ আলোচনীখনি সৰ্বাঙ্গ সুন্দৰ ৰূপত আপোনালোকৰ হাতত তুলি দিব পাৰিম বুলি আশা ৰাখিলো।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই অভাজনক আকৌ আগন্তুক ২০০৫-০৬ বৰ্ষৰ আলোচনীখন সম্পাদনা কৰিবলৈ সুবিধা দিয়াৰ কাৰণে সকলোকে ধন্যবাদ যাচিলোঁ। সদৌ শেষত 'সোণাৰি মহাবিদ্যালয়' আৰু 'সোণালী'ৰ উত্তৰোত্তৰ উন্নতিৰ কামনাৰে—

অমৃত কুমাৰ গুৰুং
সম্পাদক, আলোচনী বিভাগ
২০০৪-০৫ বৰ্ষ





# বিকল্পৰ সন্ধানত শকুন্তলা

✍ ৰতিপ্ৰভা গগৈ
(ভাৰপ্ৰাপ্ত অধ্যক্ষা, সোণাৰি মহাবিদ্যালয়)

ভাৰতৰ অৰ্থনীতিৰ এটি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি থকা চাহ-উদ্যানৰ লগত জড়িত হৈ থকা নাৰী চাহ-শ্ৰমিকসকলৰ অৱস্থা অতি দুখ লগা। ভাৰতবৰ্ষই স্বাধীনতা লাভৰ সোণালী জয়ন্তীবৰ্ষ পাৰহৈ হীৰক জয়ন্তীত ভৰি দিবলৈ আগবাঢ়িছে অথচ ভাৰতৰ সাধাৰণ জনতাই দাসত্বৰ শিকলি খহাব পৰা নাই। নাৰী চাহ-শ্ৰমিকসকলে প্ৰকৃত মৰ্যাদা পোৱা দূৰৰে কথা চিৰদিন উপেক্ষিতা হৈয়ে ৰ'ব লগা হৈছে। স্বাধীন ভাৰতৰ সংবিধানত নাৰী-পুৰুষ সকলো নাগৰিকৰ সমান মৰ্যাদা। অসম তথা ভাৰতক সেউজ বুলীয়া কৰা এই নাৰী চাহ-শ্ৰমিকসকলৰ কিন্তু আজিও কম মজুৰি, অধিক পৰিশ্ৰমেৰে তেওঁলোকৰ অৱহেলিত জীৱনৰ মূল্য নিৰূপিত হৈ আহিছে। কলম কৰা, পাত তোলা, নলা কটা আদি কাম পুৰুষৰ সমানেই কৰিব লগা হয়। গৰ্ভৱতী নাৰীৰ বাবেও কোনো শ্ৰম ৰেহাইৰ ব্যৱস্থা নাই। সন্তান জন্ম দিয়া, লালন-পালন কৰা আদি সাংসাৰিক কাম কৰাৰ উপৰিও চাহ বাগিচাত পুৰুষৰ সমানে শ্ৰমদান কৰিব লগা হয়। 'ফাল্টু' শ্ৰমিকসকলৰ মজুৰি কম। গতিকে নাৰী শ্ৰমিকসকলৰ বেছিভাগকে 'ফাল্টু' কৰি ৰাখি বাগিচাসমূহে অধিক লাভৰ কথা চিন্তা কৰে। এনে অমানৱীয়, নিৰ্দয় ব্যৱস্থা আজিও চাহ বাগিচাসমূহত বাহাল আছে। প্ৰসূতি ছুটীৰ লগতে চিকিৎসা আদি অন্যান্য সা-সুবিধাৰ পৰাও তেওঁলোক বঞ্চিত। স্থায়ী নাৰী শ্ৰমিকসকলক প্ৰসূতি ছুটী , চিকিৎসাৰ সা-সুবিধা আদি দিয়া হয় ; 'ফাল্টু' শ্ৰমিকসকলক দিব লগা নহয়। গতিকে 'ফাল্টু' শ্ৰমিকক বাগিচা কৰ্তৃপক্ষই বেছি গুৰুত্ব দিয়ে অধিক লাভৰ আশাত।

আনহাতে প্ৰায়বোৰ বাগিচাতে 'শিশু প্ৰতিপালন গৃহ' নাই। কেঁচুৱাক চোৱাচিতা কৰিবৰ বাবে বয়সত ডাঙৰ সন্তানক দায়িত্ব দিয়া হয়। চিৰা ভাজি, সান্দহ খুন্দি ল'ৰা-ছোৱালীক খুওৱাৰ ব্যৱস্থা কৰা হয়।

এনে অমানৱীয় ব্যৱস্থা কিমান দিন চলিব ? এখন বাগিচাৰ 'ফাল্টু' নাৰী শ্ৰমিক এগৰাকীৰ এটি কাহিনী উল্লেখ কৰিবলৈ মন গৈছে। 'চকুৰে চকুৰে কি চালা মইনা—'। 'মইনা'ৰ চকুলৈ চায়ে বিয়া পাতিলে। 'সত্ লগন, সত্ বিহাও'। ফোঁট লগুন নোলোৱাকৈয়ে তাই গুছি আহিছিল, প্ৰিয়জনৰ হাতত ধৰি, নতুন দিগন্তৰ সন্ধানত। দিন বাগৰিল, এটি দুটিকৈ তিনিটি সন্তানৰ মাতৃ হ'ল। অৱশেষত তিনিটি সন্তানৰ মাতৃৰ দেহাটো পুৰণি হ'বলৈ ধৰিলে। নতুন দেহৰ সন্ধানত নমা গিৰীয়েকক এৰি তাই গুছি আহিল। নিজৰে সৈতে চাৰিটা পেট পোহাৰ দায়িত্ব তাই অকলে বহন কৰিব লগা হ'ল। ডাঙৰটোক হোটেলত কাম কৰিবলৈ দিলে (শিশু শ্ৰমিক আইনত নিষিদ্ধ, কিন্তু শিশু শ্ৰমৰ বিনা বহুতৰে জীৱন অচল)। সাত বছৰীয়া জীয়েকক ডেৰ বছৰীয়া সৰু পুতেকৰ দায়িত্ব দি তাই মানুহৰ ঘৰে ঘৰে কেতিয়াবা হাজিৰা বা বন্ধোৱা কাম কৰি উপাৰ্জনৰ পথ মোকলালে। পাতৰ সময়ত বাগিচাত 'ফাল্টু' শ্ৰমিক হিচাপে পাত তোলা কাম কৰে। গোটেই দিনটোৰ কাৰণে কামলৈ ওলাব লাগে। গতিকে পুৱাতেই জীয়েক-পুতেকৰ খোৱাৰ ব্যৱস্থা কৰি আহে। মালভোগ ধানৰ চিৰা ভাজি খুন্দি অথবা ৰুটি কৰি দিনৰ আহাৰৰ যোগাৰ দি পুৱা ৭-৩০ বজাত ওলাই অহা মাক গৈ ঘৰ সোমাই গধূলি ৪ বজাৰ পাছত। এইয়ে দৈনন্দিন ৰুটিন। ইতিমধ্যে মৰমৰ সৰু ভনীয়েকৰ বিলাই-বিপত্তিৰ খবৰ পাই ডাঙৰ বায়েকে আহি মেল পাতিলে ভনীজোঁৱাইৰ ওপৰত। কিন্তু ভনীজোঁৱায়েকে ইমান সহজতে ধৰা দিবনে ? জে-শাহুৱে খঙৰ ভমকত কৈছে— "ছুতে নাই পালে কি হবেক। দীঘল ডাং দিয়ে পিটব। পিটব ত পিটবই ।" ভনীজোঁৱায়েকৰ গাত হাত দিয়া নিষিদ্ধ। সেই বুলিয়ে ভনীজোঁৱাইৰ অতপালি সহ্য কৰি যাবনে ? 'বিকল্প' হিচাপে শকুন্তলাৰ বায়েকে বিচাৰি উলিয়াইছে 'দীঘল ডাং'। হাতেৰে চুব নালাগে অথচ ভনীয়েকক কৰা অত্যাচাৰৰ প্ৰতিশোধ লব। কণ্ব-মুনিৰ আশ্ৰমত নহ'লেও প্ৰকৃতিৰ ৰম্য-কাননত লালিতা-পালিতা শকুন্তলা আৰু বায়েকৰ সাহস আছে। পুৰুষ শাসিত সমাজত শৃঙ্খলাৰ নামত বিশৃঙ্খলাৰ সৃষ্টি কৰা নাৰীৰ অনুকূলে নোযোৱা নিয়মৰ বিকল্প হিচাপে নিজেই বিচাৰি উলিয়াইছে "দীঘল ডাং"। চকুৰ পানীৰে গাৰু তিয়াবলৈ তেওঁলোকে শিকা নাই। দুই হাতেৰে আজুৰি পেট প্ৰৱৰ্তাব লগা হোৱা

> সমাজৰ সচেতন ব্যক্তিসকলৰ মুখত শিক্ষিতা নাৰীসকলৰ মুখত যি সাংস্কৃতিক বিপ্লৱৰ কথা শুনা যায় এই সকল নাৰীয়ে তাৰ 'ভূ-ভটং' একো নাপালেও সোঁতৰ বিপৰীতে যাব পৰা সৎ-সাহস তেওঁলোকৰ আছে।

এইসকল নাৰী বিভিন্ন শোষণৰ বলি হ'লেও ; অজ্ঞতা, নিৰক্ষৰতা আদি তেওঁলোকৰ প্ৰতিবন্ধী হ'লেও, প্ৰতিবাদ কৰিবৰ জোখাৰে কিন্তু সাহস আছে।

সমাজৰ সচেতন ব্যক্তিসকলৰ মুখত শিক্ষিতা নাৰীসকলৰ মুখত যি সাংস্কৃতিক বিপ্লৱৰ কথা শুনা যায় এই সকল নাৰীয়ে তাৰ 'ভূ-ভটং' একো নাপালেও সোঁতৰ বিপৰীতে যাব পৰা সৎ-সাহস তেওঁলোকৰ আছে। নাৰী-মুক্তি, নাৰী অধিকাৰ আদিৰ দাবীত দলবদ্ধ হ'বৰ জোখাৰে তেওঁলোক জ্ঞাত হ'লেও প্ৰতিবাদী কণ্ঠৰ দৃঢ়তা তেওঁলোকৰ আছে। এই শক্তিৰ অপচয় হ'বলৈ নিদি নাৰী সংগঠনসমূহে সচেতন নাৰী-পুৰুষ উভয়ে গুৰুত্ব দিলে লক্ষ্যত উপনীত হোৱাত নিশ্চয় সুচল হ'ব। চাহ-বাগিচাৰ লগত জড়িত সংগঠনসমূহেও এই শক্তিৰ সমুচিত ব্যৱহাৰত চকু দিয়া উচিত।

বৰ্তমান চিক্‌মিক্ ভোগৰ পোহৰত কাঁচকে হীৰা বুলি ভবাৰ সময়ত বাগিচা কৰ্তৃপক্ষ, সংশ্লিষ্ট সংগঠনসমূহে তেওঁলোকৰ অজ্ঞতাৰ সুযোগ গ্ৰহণ নকৰি এই কথা গভীৰভাৱে উপলব্ধি কৰা উচিত— "পশ্চাতে ফেলেছ যাৰে যে সদা পশ্চাতে টেনেছে।" যান্ত্ৰিকভাৱে সংৰক্ষণৰ দফা একোটা (১০ বছৰীয়া অথবা ৫ বছৰীয়া) সকলোতে সংযোজিত কৰি দিলেই দেশৰ প্ৰগতি সম্ভৱ নহয়। বিজ্ঞান-প্ৰযুক্তিবিদ্যাই বিশ্বক এখন গাঁৱলৈ পৰিৱৰ্তন কৰাৰ সময়ত আমি সকলোৱে খৰখোজেৰে আগনাবাঢ়িলে অস্তিত্ব ৰক্ষাৰ সংকটত পৰিব লাগিব। তাৰ বাবে বিকল্প পথৰ সন্ধানৰ সময় উকলি গৈছে। বিষ্ণু-জ্যোতি, কবিগুৰু আদি সকলো প্ৰবাদ পুৰুষক সক্ৰিয়তাৰে পিছত থকা সকলক আগবঢ়াই অনাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। 'একোটা মানুহ একোটা পৰ্বত' সদৃশ। এনে আপ্তবাক্যলৈ লক্ষ্য ৰাখি 'মানৱ-সম্পদ' ৰক্ষাৰ দায়িত্ব সকলোৰে। ☆

মানুহক ঘৃণা কৰাটো সহজ কথা, কিন্তু মানুহক ভালপাবলৈ চেষ্টা কৰাটো কঠিন কথা।

— সৰ্বপল্লী ৰাধাকৃষ্ণণ

ৰাতি যিমানেই কঠিন হ'ব প্ৰভাতো সিমানেই উজ্জ্বল হ'ব। চাৰিওফালৰ পৰা অনুকাৰ আৱৰি ধৰিলেও ভয় নকৰিবা।

— জ্যোতিপ্ৰসাদ আগৰৱালা

কাপুৰুষালী হিংসাত কৈ ঘিণ লগা বস্তু যি মানুহে শৃংখলা ৰক্ষা কৰি চলে তেওঁ কৰ্মৰ ৰহস্য বুজিব পাৰিছে, আত্মত্যাগ শৃংখলা আৰু আত্ম সংযম নহ'লে মুক্তি হোৱাৰ কোনো আশা নাই। শৃংখলা নোহোৱাকৈ আত্মত্যাগ কৰিলে একো ফল নহয়।

— মহাত্মা গান্ধী

যিজন মানুহক সংগীতৰ মৃদু মধুৰ গুঞ্জন ধ্বনিয়ে আনন্দ দিব নোৱাৰে তেওঁক বিশ্বাসঘাটক অথবা নিষ্ঠুৰ বুলি অভিহিত কৰিব পাৰি।

— শেক্সপিয়েৰ





# বৃহত্তৰ অসমীয়া জাতি গঠনত বিষ্ণু ৰাভাৰ অৰিহণা

✍ দিলীপ ৰঞ্জন বৰুৱা, প্ৰবক্তা
অৰ্থনীতি বিভাগ

'বিষ্ণু ৰাভা'— এই নামটো উচ্চাৰণ কৰিলেই আমাৰ মনলৈ আহে এজন প্ৰকৃত অসম প্ৰেমীৰ কথা। ৰাভা আছিল অসমৰ সমন্বয়ৰ প্ৰতীক। তেওঁ এখন বৃহত্তৰ অসমৰ পৰিকল্পনা কৰিছিল তথা বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰয়াস কৰিছিল। বিষ্ণু ৰাভা আছিল এক সংগ্ৰামী ব্যক্তি। তেওঁৰ চিন্তাধাৰা আছিল সাম্যবাদী। ভাৰতবৰ্ষক ধনতন্ত্ৰৰ পৰিবৰ্তে গণতন্ত্ৰত পৰিণত কৰাৰ বাবে তেওঁ আজীৱন সংগ্ৰাম কৰি গ'ল। এনে এক পটভূমিতে আমি বৃহত্তৰ অসমীয়া জাতি গঠনত তেওঁৰ অৰিহণাসমূহ আলোচনা কৰিব পাৰো।

অসমখন এক বিভিন্নতাৰ ক্ষেত্ৰ। নানা জাতি-উপজাতি, নানা ভাষা-ভাষী, নানা ধৰ্মালম্বী লোকেৰে পৰিপূৰ্ণ এই অসম। ইয়াৰ প্ৰতিটো জাতি-গোষ্ঠীৰ নিজস্ব সাহিত্য, কৃষ্টি-সংস্কৃতি, পৰম্পৰা আছে। ইমান বিলাক ভিন্নতা থকা সত্বেও ৰাভাই বিচাৰিছিল এক সন্মিলিত জাতি। দুখীয়া-নিচলা, খাটিখোৱা লোকৰ দুখ মোচনৰ বাবে তেওঁলোক ঐক্যবদ্ধ হ'ব লাগিব। ৰাভাই জনগণৰ প্ৰকৃত স্বাধীনতা বিচাৰিছিল। সাম্যৰ ভিত্তিত গঠিত এখন সমাজত হালোৱা-হজুৱা, কৃষক-বনুৱা সকলোৱে সমমৰ্যদাৰে বাস কৰিব পাৰে। সেয়ে তেওঁ অসমৰ বিভিন্ন কোণত সিঁচৰতি হৈ থকা জাতি-গোষ্ঠীসমূহক বুজাবলৈ চেষ্টা কৰিছিল, সি বিলাকক এক কৰাৰ চেষ্টা কৰিছিল। ৰাভাই গণেশৰ এটা দাঁত থকাৰ দৰে অসমীয়া একতা বিচাৰিছিল। সেই দাঁতটোৰ দৰেই জনসাধাৰণক একগোট কৰি সংঘবদ্ধ কৰিব খুজিছিল। তেওঁৰ মন আছিল সকলো ধৰ্ম, ভাষা, শ্ৰেণীগোষ্ঠীৰ মানুহক ঐক্যবদ্ধ কৰি ইন্দ্ৰধনু অসম গঢ়াৰ। তেওঁ কৈছিল—

"হে অসমীয়া ৰাইজ ! অসম মৰিমূৰ হ'লে অসমীয়াও মৰিব। অসমীয়াৰ লাখ-বিলাখ বছৰৰ সাধনাৰ ফলত পোৱা ব্ৰহ্মপুত্ৰৰ দৰে বিশাল-বিৰাট অসমীয়া কৃষ্টিও লুপ্ত হ'ব। এই লুপ্ত ৰাজ্যৰ বুকুত, শ্মশানৰ মৰুভূমি সদৃশ শূণ্যতাৰ বুকুত পূৰ্বপুৰুষসকলৰ শাও-শপনি ভৰা অভিশাপ গুমৰি উঠিব। আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত অসমখন মৰিবলৈ নিদিওঁ। অসমৰ বুকুত বৈচিত্ৰৰ মালা ঐক্যৰ ডোলেৰে গুঁঠি, দুনাই শক্তিশালী নতুন অসমীয়া জাতি গঢ়ো ; শক্তিমান ন-অসম গঢ়ি সমন্বিত শকতিৰ সুন্দৰতম ন-অসমীয়া সংস্কৃতি ৰঁচো ; সোণৰ অসম গঢ়ি আশাৰ ৰংঘৰ, আকাংক্ষাৰ কাৰেংঘৰ কামনা-বাসনাৰ তলাতল ঘৰ সাজো।"

অসমীয়া কোন ? আজিৰ সময়ত ই এক জটিল প্ৰশ্ন। কিন্তু ৰাভাৰ বাবে ই অতিশয় সহজ আৰু স্পষ্ট। ৰাভাৰ মতে "অসমত বাস কৰা সকলো জাতি-উপজাতি, ভাষা-ধৰ্মৰ লোক খাটি অসমীয়া, যি সকলে অসমক মাতৃভূমি বা পিতৃভূমি হিচাবে গ্ৰহণ কৰি অসমৰ সৰ্বাংগীন উন্নতিৰ হকে দেহে-প্ৰাণে কাম কৰে।" তেওঁ কৈছিল— "অসমত বাস কৰা সকলো হিন্দু, মুছলমান, শিখ, খৃষ্টান, বঙালী, লালুং, চুতীয়া, দেউৰী, মিচিং, আদি, বড়ো, ৰাভা, চাহ মজদুৰ, কোচ, কলিতা, বামুণ, গোঁসাই, মহন্ত, কাৰ্বি, মৰাণ, আহোম, মটক, জৈন, বৌদ্ধ সকলোকে সমানে উন্নত কৰিব লাগিব আৰু যি নতুনকৈ অসমলৈ আহি অসমকে মাতৃভূমি হিচাবে গ্ৰহণ কৰিব খোজে, তেওঁলোককো অসমীয়া ভাষা, কৃষ্টি-সংস্কৃতি শিকাই ঠাঁচত গঢ়ি লব লাগিব। অসমীয়া জাতি এটা উমৈহতীয়া জাতি আৰু অসমীয়া ভাষা এটা উমৈহতীয়া ভাষা। সত্য যেনেকৈ কোনো এটা ধৰ্ম, ভাষা বা শ্ৰেণীৰ ব্যক্তিগত সম্পদ নহয়, তেনেকৈ অসমীয়া জাতি আৰু ভাষাও কোনো এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ ব্যক্তিগত জাতি বা ভাষা নহয়।"

অসমীয়া জাতি বিভিন্ন সৰু সৰু জাতি-সম্প্ৰদায়-গোষ্ঠীৰ সন্মিলিত জাতি। একেদৰে বিভিন্ন জনগোষ্ঠীৰ বিভিন্ন বংশোদ্ভৱ লোকৰ ভাষাৰ অপূৰ্ব মিশ্ৰণত সৃষ্টি হৈছে অসমীয়া ভাষা। বৰ্তমান আমাৰ মাজত বহু খেলিমেলিৰ সৃষ্টি হৈছে। ৰাভাৰ মহান আদৰ্শৰ বিপৰীতে আজি আমি কৰিছো কি ? আমাৰ মাজত হিংসা-দ্বেষ, অসূয়া-অপ্ৰীতি বৃদ্ধি পাইছে। এতিয়া আমি আমাৰ পৃথক সত্তাৰ প্ৰতিহে জাগৃত। বড়ো, কাৰ্বিসকল যেন অসমীয়া নহয়। তেওঁলোকৰ মাজত পৃথক ৰাজ্যৰ দাবী উঠিব লাগিছে। জনজাতি-অজনজাতি, বামুণ-আহোম, হিন্দু-মুছলমান, সংখ্যালঘু-সংখ্যাগুৰু আদি মানসিকতাই অসমখন ছানি ধৰিছে। এটা গোষ্ঠীৰ লগত আন এটা গোষ্ঠীৰ কন্দল হ'ব ধৰিছে। মহান অসমীয়া জাতিৰ মূলসূতিৰ পৰা যেন সকলো বিচ্ছিন্ন হৈ যাব। ই অসমীয়া জাতিৰ বাবে শুভলক্ষণ নহয়, অসমবাসীৰ অধঃপতনৰ সূচনাহে। আৰ্য, অনাৰ্য, দ্ৰাবিড়, নিষাদ, কিৰাত, মংগোলীয়, অষ্ট্ৰিক আদি জাতিসমূহৰ সংমিশ্ৰণত গঢ় লৈ উঠা এই সকলো জাতিৰ সংমিশ্ৰণত লাখ লাখ বছৰৰ সাধনাৰ ফলত গঢ় লৈ উঠা অসমীয়া জাতি, ইয়াৰ সংস্কৃতিত বিচ্ছিন্নতা আৰু কলুষতাই শিপা মেলিছে। অৱশ্যে ৰাভাই কোৱাৰ দৰে এনে এক প্ৰবাহক বাধা দিবলৈ হ'লে সকলো জাতি সমানে উন্নত কৰা প্ৰয়োজন। তাৰোপৰি এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হ'বলৈ হ'লে উভয়ে উভয়ৰ বিষয়ে সম্যক জ্ঞান লাভ কৰা উচিত। নিজৰ ধৰ্ম, কৃষ্টি, সমাজ, সংস্কৃতিৰ উপৰিও আনৰ ধৰ্ম, কৃষ্টি, সমাজ-

সংস্কৃতিৰ বিষয়ে গভীৰ জ্ঞান থকা উচিত। ৰাভাদেৱে লিখিছিল— "বড়ো-কছাৰীসকল হাড়ে-হিমজুৰে অসমীয়া। এওঁলোক অসমীয়া সভ্যতাৰ দাপোন।"

এই খিনিতে এটা কথা বিশেষ মন কৰিবলগীয়া যে যদিও ৰাভাই এটা সন্মিলিত অসমীয়া জাতি, মিশ্রিত সংস্কৃতিৰ পোষকতা কৰিছিল তথাপি তেওঁ সৰু সৰু জাতি, শ্ৰেণী বা গোষ্ঠীসমূহৰ নিজস্বতাখিনি লোপ পাব লাগে বুলি ভাবিছিল বুলি ধৰিলে ভুল কৰা হ'ব। শংকৰদেৱৰ সংস্কৃতি বড়ো-কছাৰীৰ অতিকৈ আপোন বুলি উল্লেখ কৰি তেওঁ কৈছিল— "কোনো শ্ৰেণী, জাতি বা গোষ্ঠীক নিজৰ ধৰ্ম, সংস্কৃতি, ভাষা আৰু সাহিত্য বাদ দিবলৈ মই কোৱা নাই ; নিজস্ব বৈশিষ্ট্যখিনি শক্তিশালী কৰি, উমৈহতীয়া অসমীয়া সংস্কৃতি হিচাবে শংকৰদেৱৰ মহান সংস্কৃতি আদৰি ললেহে অসমীয়া জাতি একতাবদ্ধ হ'ব আৰু অসমীয়া জাতি শক্তিশালী হ'ব। লাখ লাখ বছৰীয়া ভিন ভিন অসমীয়া জাতি-উপজাতি আৰু জনজাতিসকলৰ বৈশিষ্ট্যৰ মাজেৰে ঐক্যৰ গাঁঠনিৰে গাঁঠি মহান অসমীয়া জাতি হিচাপে বাচিবলৈ দিম আৰু লাখ লাখ বছৰ সাধনাৰ ফলত লভা অসমীয়া কৃষ্টি আৰু সংস্কৃতি যাউতিযুগীয়াকৈ ৰচি পুনৰ চিৰ উজ্জ্বল কৰি তুলিম।"

এক বৃহত্তৰ অসমীয়া জাতি গঠনৰ মানসেৰে বিষ্ণু ৰাভা সোমাই গৈছিল জনতাৰ মাজলৈ। তেওঁ জনগণৰ গভীৰৰ পৰা গভীৰতম প্ৰদেশলৈ সোমাই পৰি দুখীয়া-নিচলা, শোষিতৰ মৰ্মবেদনা উপলব্ধি কৰিছিল। কাৰণ তেওঁ বুজিছিল যে এটা জাতিৰ মনৰ মাজত সোমাই তাক ভালকৈ বুজিব নোৱাৰিলে সমন্বয় বিচৰা অৰ্থহীন। অজ্ঞাতবাসৰ কালছোৱাত তেওঁ শদিয়াৰ পৰা ধুবুৰীলৈ অসমৰ বিভিন্ন প্ৰান্তত ভ্ৰমি ফুৰিছিল। এই সময়ছোৱাতে তেওঁ বিভিন্ন জাতি-জনগোষ্ঠীৰ সংস্কৃতিৰ কঠীয়া সংগ্ৰহ কৰিছিল। বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতিৰ মাজত বহু মিল তেওঁ দেখা পাইছিল। একেদৰে শংকৰী কলা-কৃষ্টিৰ পোহাৰ তেওঁ অসমৰ চুকে-কোণে মেলিছিল। সুৰৰ মাধ্যমেৰে, গীতৰ মাধ্যমেৰে অসমৰ সকলো লোকক একতাবদ্ধ কৰি শোষণৰ বিৰুদ্ধে যুঁজ দিয়াৰ মন্ত্ৰৰে তেওঁ সকলোকে দীক্ষিত কৰিব বিচাৰিছিল। বিভিন্ন সংস্কৃতিৰ সম্পদ বুটলি ঐক্য সংহতিৰ মালা গাঁঠিছিল।

১৯৪৬ চনত প্ৰকাশ পোৱা বিষ্ণু ৰাভাৰ 'অসমীয়া কৃষ্টিৰ চমু অভাস' নামৰ পুস্তিকাখনত ৰাভাই উল্লেখ কৰিছে— "অসমীয়া কৃষ্টি-সংস্কৃতি আৰু সভ্যতা নিৰ্যাতীত, নিষ্পেষিত, দুখীয়া, গাঁৱলীয়া কৃষক, বনুৱা অসমীয়াইহে আজিও অৱহেলিতভাৱে জীয়াই ৰাখিব পাৰিছে, যি বিলাকেৰে আজিও আমি গৌৰৱ অনুভৱ কৰিব পাৰো, অসমীয়া বুলি জগতত চিনাকি দিব পাৰো। গতিকে অসমীয়া জাতিৰ মৃত্যুবান হোজা, দুখীয়া, গাঁৱলীয়া অসমীয়াৰ হাততহে।" তেওঁ জমিদাৰ, হাকিম, পুঁজিপতি, চাহ বাগিচাৰ মালিক আদি লোকসকলক প্ৰকৃত অসমীয়া বুলি আখ্যা দিবলৈ টান পাইছিল। কাৰণ তেওঁলোকৰ টকা আছে, সুবিধা লাভৰ বাবে মুনাফালোভী এই শ্ৰেণীয়ে দুৰ্বল লোকসকলক শোষণ কৰিব বিচাৰে আৰু বাপতি সাহোন অসমীয়া সংস্কৃতিক উপহাস কৰে। সেয়েহে বৃহত্তৰ অসমীয়া জাতিসত্বাৰ অনিষ্ট সাধন হোৱাৰ পৰা দুখীয়া নিচলাক সাৱধান কৰি দিছে। ৰাভাৰ মতে সাময়িক স্বাৰ্থৰ বাবে এই চাম লোকে দুখীয়া হোজা লোকসকলক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। ধৰ্ম সম্প্ৰদায় আদিৰ কথা কৈ সুযোগ আদায়ৰ চেষ্টা কৰে। এই দুৰভিসন্ধি লোকসকলৰ কথাত ভোল গৈ জনসাধাৰণে নিজৰ ভিতৰতে খোৱা কামোৰা কৰি মৰে। ধূৰন্ধৰ, ক্ষমতালোভী এচাম লোকে ধৰ্মীয় গোড়ামী আৰু প্ৰতিক্ৰিয়াৰ সুবিধা লৈ সমাজত সাম্প্ৰদায়িকতাৰ বীজ ৰোপন কৰে। কিন্তু স্বাৰ্থ সিদ্ধিৰ পাছত সিহঁত টুপাই বুৰ মাৰে।

জাতীয় ভাষাৰ প্ৰয়োগেহে এটা জাতিৰ বিকাশ সবল কৰিব। বৰ্তমান আমাৰ মাজত এনে এটা প্ৰৱণতাই গঢ় লৈছে যে আমি অসমলৈ অহা বিহাৰী, ৰাজস্থানী, উৰিয়া, বঙালী আদি লোকৰ লগত অসমীয়াত কথা পতাৰ পৰিবৰ্তে অশুদ্ধ ভঙা-ভঙা হিন্দীৰ প্ৰয়োগ ঘটাই হাঁহিয়াতৰ পাত্ৰ হওঁ। এয়া অসমীয়া জাতিৰ বাবে অতিশয় লজ্জাজনক। বিষ্ণু ৰাভাই কৈছিল— "আমাৰ ভাগ্য আৰু ভৱিষ্যত যি সকলৰ হাতত সেই অসমীয়া স্কুলীয়া ল'ৰা, কলেজৰ অসমীয়া ছাত্ৰ আৰু অসমীয়া বেপাৰীসকলৰ প্ৰতি প্ৰত্যেক স্বদেশানুৰাগী অসমীয়াৰ অনুৰোধ হোৱা যুগুত যেন তেওঁলোকে কোনো স্বদেশীৰ লগত বিদেশী কিম্বা বঙালী ভাষাৰে কথা নকয়। অন্ততঃ অসমত এইবিলাক মানুহৰ লগত বিদেশী ভাষাৰে কথা কোৱা অসমীয়াৰ পক্ষে কেৱল দুৰ্বলতাৰ চিনহে। বিদেশী অসমলৈ আহে যেতিয়া সিহঁতে অসমীয়া ভাষা শিকি লোৱা উচিত। কিন্তু বিকৃত বিদেশী ভাষা শিকি বিদেশীৰ মনত সন্তোষ জন্মাবলৈ অসমীয়াই সাজু হৈ থকা হাঁহিয়াতৰ কথা।"

বহুতে ৰাভাক সংকীৰ্নমনৰ জাতীয়তাবাদী বুলি ক'ব বিচাৰে। কিন্তু প্ৰকৃততে তেওঁ তেনে নাছিল। মহাত্মা গান্ধীয়ে কৈছিল— "জাতীয়তাবাদী নোহোৱাকৈ আন্তৰ্জাতীয়তাবাদী হোৱাটো অসম্ভৱ।" একেদৰে ৰাভায়ো ধাৰণা কৰিছিল যে মাতৃভূমিক ভাল পোৱাকৈ বিশ্বক ভাল পাব নোৱাৰি।

বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰচেষ্টাত আন এটা লক্ষ্য কৰিবলগীয়া বিষয় হৈছে ৰাভাই অসমীয়া জনসাধাৰণক স্বাৱলম্বী হ'বলৈ শিকাই ছিল। শোষণ-নিৰ্যাতনৰ পৰা মুক্তি লভিবলৈ হ'লে ৰাজনৈতিক স্বাধীনতা লাগিব। কিন্তু অৰ্থনৈতিক স্বাধীনতা অবিহনে ৰাজনৈতিক স্বাধীনতা অৰ্থহীন। তেওঁ প্ৰতিজন অসমীয়াক পৰিশ্ৰমী আৰু স্বাৱলম্বী হ'বলৈ কৈছিল।

ৰাভাৰ বৃহত্তৰ অসমীয়া জাতি গঠনৰ পৰিকল্পনাক অসমৰ জনসাধাৰণে বাস্তৱত ৰূপ দিয়া চেষ্টা কৰিব— বিভিন্ন জনগোষ্ঠীৰ মাজত বিভেদ নিৰ্মূল হ'ব। এখন সৰ্বাংগসুন্দৰ অসম গঢ়ি উঠিব— তাৰেই কামনা কৰিলো।

(বিঃ দ্ৰঃ লিখকৰ উক্ত লিখনিটো কমাৰগাঁও আঞ্চলিক সাহিত্য সভাই ইং ১৯৮৮ চনৰ ২০ জুন তাৰিখে বিষ্ণু ৰাভাৰ ১৯ তম্ মৃত্যু দিৱসৰ দিনা আয়োজন কৰা 'ৰাভা দিৱস' অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ আসনৰ পৰা পূৰ্ব নিৰ্দিষ্ট বিষয়ৰ ওপৰত লিখকে আগবঢ়োৱা লিখিত অভিভাষণ)

☆





# সফলতা অৰ্জনৰ পথ

✍ টংকেশ্বৰ বৰুৱা, প্ৰবক্তা
গণিত শাস্ত্ৰ বিভাগ

সাৰ্থক জীৱন অতিবাহিত কৰিবলৈ নিবিচৰা মানুহ নাই। অৰ্থাৎ সাৰ্থকতা সকলোৰে মনোকামনা যাৰ অন্য নাম কৃতকাৰ্যতা বা সফলতা। কিন্তু ই সকলোৰে বাবে সহজলভ্য নহয়। জীৱনত সফলতা অৰ্জন কৰা বা নকৰা বহুতো কাৰণ থাকে, তাৰে কিছু কাৰণ বিচাৰ বা বিশ্লেষণ এই চমু লিখনীৰ যোগেদি আগবঢ়োৱাৰ প্ৰয়াস কৰিছো।

মানুহৰ কৰ্মজীৱনৰ সফলতাৰ কথা ক'বলৈ যাওঁতে বিফলতাৰ কথা আহি পৰে। কাৰণ সফল নোহোৱা মানেই বিফলতা। সাধাৰণভাৱে ক'বলৈ হ'লে বিফলতাৰ কাৰণসমূহ হ'ল— এলাহ, বিশৃংখলতা, কৰ্মকুশলতাৰ অভাৱ, সময়ৰ অপচয়, ধনৰ অসৎ ব্যৱহাৰ, দায়িত্বহীনতা, সঠিক সিদ্ধান্তৰ অভাৱ ইত্যাদি। গতিকে উক্ত কাৰক বিলাকৰ পৰা এৰাই চলিব পাৰিলে বা সঠিকভাৱে নিৰূপণ কৰি চলিব পাৰিলেই সফলতাৰ পথ ৰচনা কৰিব পাৰি।

আকৌ দেখা যায়, কেতিয়াবা এজন সফলতাৰ মুখ দেখা ব্যক্তিয়েও এটা সময়ত বিশৃংখল আৰু দুৰ্নীতিৰে জোঁট-পোট খাবলগীয়া হয়। এনে আচৰণৰ কথা লক্ষ্য কৰিলে ইংৰাজী তিনিটা E আখৰ যুক্ত শব্দই মান নিৰ্ণয় কৰে, শব্দ কেইটা হ'ল— Education, Environment আৰু Experience। সুশিক্ষাই যেনেকৈ সৎ হ'বলৈ শিকাই তেনেকৈ কাম কৰাৰ স্থান, ধৰ্মীয় আৰু সাংস্কৃতিক, সামাজিক আৰু ঘৰুৱা পৰিবেশৰ লগতে ৰাজনৈতিক পৰিবেশেও সফলতাৰ পথত যথেষ্ট প্ৰভাৱ পেলায়। শিক্ষা আৰু পৰিবেশৰ লগতে অভিজ্ঞতায়ো আচৰণ তথা দৃষ্টিভংগীত প্ৰভূত প্ৰভাৱ পেলায়। অৱশ্যেই আমি বিফলতাক ঢাকি ৰাখিব বিচাৰো কিছুমান কাৰণৰ দ্বাৰা, যেনে— ভাগ্যহীনতা, বয়স, দৰিদ্ৰতা, সময়ৰ অভাৱতা, পৰিয়ালৰ দায়িত্ব, সহায়ৰ অভাৱ, সুযোগ-সুবিধাৰ অভাৱ, স্বাস্থ্যহীনতা, যোগাযোগৰ অভাৱ ইত্যাদিৰে। বেঞ্জামিন্ ফ্ৰেংকলিন্, যি নিজৰ অতি দৰিদ্ৰতাৰ পৰা গৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি হৈছিল, তেখেতে এষাৰ কথা কৈছিল— "অজ্ঞতাতকৈ শিকিবলৈ ইচ্ছা নকৰাটো বেছি লাজৰ কথা।" প্ৰকৃত পক্ষত ক্ষমতাক কামত নলগোৱাটোহে বিফলতাৰ বিশেষ কাৰণ হ'ব পাৰে।

> "অজ্ঞতাতকৈ শিকিবলৈ ইচ্ছা নকৰাটো বেছি লাজৰ কথা।" প্ৰকৃত পক্ষত ক্ষমতাক কামত নলগোৱাটোহে বিফলতাৰ বিশেষ কাৰণ হ'ব পাৰে।

সফলতাৰ মাপকাঠি হ'ল— পৰিশ্ৰম আৰু চেষ্টা। বিনা পৰিশ্ৰমে যেনেকৈ সফল হ'ব নোৱাৰি বিনা চেষ্টাইও সফল হ'ব নোৱাৰি। ভাগ্যক ধিয়াই থকাটো মানুহৰ নিয়ম হ'লেও ইংৰাজীৰ এষাৰ কথা প্ৰণিধান যোগ্য—God helps them who helps themselves. যি নিজে চেষ্টা কৰে সেইজনকহে ভগৱানে সহায় কৰে। এই ক্ষেত্ৰত এটা গল্প উনুকিয়াব পাৰি— এজন মানুহে ভগৱানে সহায় কৰিব বুলি ভাবি বানপানীৰ মাজৰ এটুকুৰা ঠাইত বহি আছিল। তেওঁৰ বিশ্বাস যে ভগৱানে তেওঁক বচাব। তেওঁৰ ওচৰলৈ এখন নাও আহিল— তেওঁ তাত নুঠিল। আকৌ কিছু অপেক্ষাৰ পাছত এখন হেলিকপ্টাৰ আহিল তাতো তেওঁ নুঠিল, ভগৱানে বচাব বুলি ভাবি; শেষত তেওঁ পানীত ডুব গৈ মৰিল। মৰাৰ পাছত তেওঁ খঙেৰে ভগৱানৰ ওচৰ পালেগৈ, তেতিয়া ভগৱানে তেওঁক ক'লে— "সেই নাও আৰু হেলিকপ্টাৰখন কোনে পঠাইছিল বুলি ভাবিছিলি, মূৰ্খ।" হাত সাবটি চাই থকাজনক ভগৱানে কেতিয়াও সহায় নকৰে।

সময় নিৰূপণ কৰি চেষ্টা কৰাটো সফলতাৰ অন্য এক দিশ। কোন সময়ত কি দৰকাৰ তাক পাবলৈ চেষ্টা কৰাটো অতি প্ৰয়োজন। এবাৰ এজন ছাত্ৰই দাৰ্শনিক এজনৰ ওচৰলৈ গৈ কেনেকৈ সফলতা বা কৃতকাৰ্যতা অৰ্জন কৰিব পাৰি সুধিলে। দাৰ্শনিকজনে ঘপহকৰে ছাত্ৰজনক দ' পানীলৈ নি ছাত্ৰজনৰ মূৰটো পানীৰ মাজত হেঁচি ধৰিলে, ছাত্ৰজনক কক্‌বকাই মৰিবৰ আগমুহূৰ্তত এৰি দি সুধিলে কক্‌বকাই থকা সময়ত তেওঁক কি দৰকাৰ হৈছিল। ছাত্ৰজনে উত্তৰ দিলে 'বতাহ' বুলি। তেতিয়া দাৰ্শনিকজনে ক'লে সেই সময়ত বতাহ পাবলৈ আকুল হ'লেহে তেওঁ বতাহ পাব। সেইদৰেই ছাত্ৰই শিক্ষা গ্ৰহণৰ বাবে আকুল হ'লেহে সফলতা অৰ্জন কৰিব পাৰিব। সেয়েহে চেষ্টা সফলতাৰ অন্যতম মূলকাৰণ। যিটো আজি আমাৰ ভবিষ্যত-সন্ধানীসকলৰ বাবে অধিক প্ৰয়োজন হৈ পৰিছে। সম্প্ৰতি সফলতাৰ পথ বিচাৰি প্ৰকৃত পথৰ পৰা আঁতৰি যোৱা সকলক শিক্ষা, পৰিশ্ৰম আৰু চেষ্টাই যে সফলতা অৰ্জনৰ সন্ধান দিব পাৰে সি সূৰ্যৰ পোহৰৰ দৰেই উজ্জ্বল আৰু বাস্তৱ সত্য। ☆

# মিচিং সমাজ আৰু সংস্কৃতিৰ চমু আভাস

> “মিচিঙসকলে নিজক মিচিং বুলিহে পৰিচয় দিয়ে। মিৰি নামটো কেতিয়া আৰু কেনেকৈ হ'বলৈ পালে সঠিক জনা নাজায়। তথাপি ‘মিৰি’ বা ‘মিৰ্’ (পুৰোহিত) নামটোৰ পৰা মিৰি হোৱা বুলি অনুমান কৰা হৈছে।”

জেলসিং ৱেইন
স্নাতক ২য় বৰ্ষ

নানা জাতি আৰু জনজাতিৰ সমাবেশেৰে অসমখন হ'ল সমন্বয়ৰ থলী। অসমত বসবাস কৰা এই জনজাতিসকলৰ ভিতৰত মিচিং জনজাতি অন্যতম। নৃতাত্বিক বিচাৰ মতে এওঁলোক মংগোলীয় মান-তিব্বতী শাখাৰ অন্তৰ্ভুক্ত। মিচিঙসকলক সাধাৰণতে ‘মিৰি’ বুলি জনা যায়। ‘মিৰি’ শব্দটো অসমৰ ভৈয়ামৰ লোকে দিয়া নাম। মিচিঙসকলে নিজক মিচিং বুলিহে পৰিচয় দিয়ে। মিৰি নামটো কেতিয়া আৰু কেনেকৈ হ'বলৈ পালে সঠিক জনা নাজায়। তথাপি ‘মিৰি’ বা ‘মিৰ্’ (পুৰোহিত) নামটোৰ পৰা মিৰি হোৱা বুলি অনুমান কৰা হৈছে।

মিচিং সংস্কৃতি মূলতে মংগোলীয় যদিও দীৰ্ঘকাল ধৰি অসমত বসবাস কৰি ইয়াৰ আৰ্যমংগোলীয় অষ্টিক আদি নানা জাতি-উপজাতিৰ যৌগিক সংস্কৃতিৰ প্ৰবাহত পৰি কিছু পৰিমাণে সলনি হোৱাতো স্বাভাৱিক। মিচিঙসকলে বহু কালৰ পৰাই অসমত বসবাস কৰি ইয়াৰ বৃহত্তৰ অসমীয়া সমাজৰ আচাৰ-ৰীতি-ভাষা-ধৰ্ম আদি গ্ৰহণ কৰিবলগীয়াত পৰিছে। গতিকে মূল মংগোলীয় সংস্কৃতি বিৰাজ কৰিলেও তেওঁলোকৰ মাজত অসমৰ আৰ্য সংস্কৃতিৰ প্ৰভাবো কম নহয়। এনেবোৰ আলোচনা পণ্ডিত-গৱেষকসকলৰ কাৰণে সম্ভৱ। এই প্ৰবন্ধত মাত্ৰ মিচিং সংস্কৃতিৰ কেইটামান দিশহে আলোচনা কৰিবলৈ আগবাঢ়িছো।

বাসস্থান আৰু সমাজ ব্যৱস্থা ঃ উজনি অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰে শোণিতপুৰ, লখীমপুৰ, ধেমাজি জিলা আৰু দক্ষিণপাৰে গোলাঘাট, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া জিলাৰ নৈ-উপনৈসমূহৰ ব্ৰহ্মপুত্ৰৰ লগত সংলগ্ন স্থানত, নদীৰ পাৰত, মথাউৰিৰ কাষত, চৰ-চাপৰিত কাঠ-বাঁহ-বেত-খেৰ আদিৰে চাং-ঘৰ সাজি গাঁও পাতি মিচিং জনজাতিসকলে বসবাস কৰে। দিখৌমুখ, দিচাংমুখ, সোৱণশিৰি, ভৰলী আদি নদী পাৰ, পৃথিৱীৰ বৃহত্তৰ নদী-দ্বীপ মাজুলী, গোগামুখ, চিলাপথাৰ, জোনাই, শদিয়া আদিয়ে মিচিঙসকলৰ বসতি প্ৰধান অঞ্চল। মিচিঙসকলৰ মাজত পাগ্ৰ, চায়াং, অয়ান, দামবুগ, দৌঃলু আদি দল বা খেল আছে। তেনে দল বা খেল অনুসৰিহে তেওঁলোকে গাঁও পাতে। অৰ্থাৎ পাগ্ৰ খেল বা দলৰ গাঁৱত চায়াং খেল বা চায়াং খেলৰ গাঁৱত দৌঃলু খেল বা আন খেলৰ পৰিয়াল সাধাৰণতে পোৱা নাযায়।

মিচিং সমাজ ব্যৱস্থা গণতান্ত্ৰিক পদ্ধতিৰে নিয়ন্ত্ৰিত। একোখন গাঁও বা দল (খেল) অনুযায়ী পতা গাঁওসমূহত একোজনকৈ ‘গাম’ অৰ্থাৎ গাঁওবুঢ়া থাকে। গাম বা গাঁওবুঢ়াই কৌবাং বা মেল নতুবা সভাৰ যোগেদি গাঁও পৰিচালনা কৰে। তেনে কৌবাঙত গাঁৱৰ বয়সস্থ ব্যক্তি, পৰিয়ালৰ মূৰব্বী, সাবালক আদিয়ে অংশ গ্ৰহণ কৰে। কৌবাঙত (সভাত) মিচিং তিৰোতাই যোগদান নকৰে যদিও মিচিং সমাজৰ মাজত পুৰুষ-নাৰীৰ মৰ্যদা সমান বুলি ধৰা হয়। সামাজিক বিচাৰ মেল-মোকৰ্দমা, মাটি-বাৰীৰ কাজিয়া, কইনা অপহৰণ আদি বিভিন্ন বিচাৰ কৌবাঙত কৰা হয়। এনে কৌবাঙৰ শেষ সিদ্ধান্ত গাঁওবুঢ়াৰ দ্বাৰা লোৱা হয়। ইয়াৰ উপৰি কৌবাঙৰ কিছুমান সিদ্ধান্তক কাৰ্যকৰী কৰিবৰ কাৰণে গাঁৱৰ মৃম্বৃৰ যাঃমেঃ (ডেকা-গাভৰু) অনুষ্ঠানে পালন কৰাত সহায় কৰে। গাঁৱৰ সোঁ মাজত মূৰং-ঘৰ বা ৰাজহুৱা ঘৰ ডেকা আৰু গাভৰুৰ বাবে ৰাতি থাকি গাঁওখনৰ পহৰা দিয়াৰ ব্যৱস্থাও মিচিং সমাজত আছিল। অসমীয়াত মূৰং-ঘৰ নামটো ডেক চাং আৰু গাভৰু চাং নামে খ্যাত। বৰ্তমান আধুনিক শিক্ষা পোৱাৰ লগে লগে এই মূৰং-ঘৰ আৰু ডেকা-গাভৰুৰ অনুষ্ঠানবোৰ নাইকিয়া হৈ আহিছে। শিক্ষিত ডেকাই গাঁৱৰ অনুশাসন নমনা হৈ পৰিশ্ৰম নকৰা হ'ল। তাৰ ফলত মিচিং সংস্কৃতিৰ আপুৰুগীয়া অনুষ্ঠান বিলুপ্তমুখী হৈছে।

কৃষি উৎসৱ আৰু পূজা-পাতল ঃ মিচিঙসকল কৃষিজীৱি জনজাতি। ঝুম খেতিৰ পদ্ধতিত চৰ-চাপৰিত তেওঁলোকে আহু ধানৰ খেতি কৰে। পূৰ্বে তেওঁলোকে খেতিৰ বাবে







পঃবৰত ছাই মদ (পঃৰ আপং) তৈয়াৰ কৰা এটি দৃশ্য

কোৰ-কুঠাৰ-হাতুৰি আদি ব্যৱহাৰ কৰিছিল যদিও শালি খেতি কৰিবলৈ লোৱাৰ পৰা আন কৃষিজীৱিসকলৰ দৰেই মিচিং খেতিয়কেও নাঙল-যুঁৱলী ব্যৱহাৰ কৰিবলৈ ধৰে।

কৃষিজীৱি মিচিঙসকলে শস্যৰ মংগল কামনাৰে কিছুমান উৎসৱ পালন কৰে। এনে উৎসৱৰ ভিতৰত আলি আয় লৃগাং প্ৰধান। ফাগুন মাহৰ প্ৰথম বুধবাৰে এই উৎসৱ পালন কৰা হয় ধান, আলু আদি ৰোপণৰ কাৰ্যৰে। পথাৰ শস্যৰে ধানৰ ভঁৰাল ভৰি পৰক বুলি পৃথিৱী মাতৃ আৰু পূৰ্বপুৰুষক স্মৰণ কৰি তেওঁলোকৰ আশীৰ্বাদ এই উৎসৱত বিচৰা হয়। ধান, আলু আদি শস্য নগজা পৰ্যন্ত পাঁচ দিন গেনা (taboo) পালন কৰা হয়। গেনা পালন কৰোতে বাঁহ কটা, মাটি খন্দা, কণী খোৱা, মাংস জুইত পুৰি খোৱা আদি কাম তেওঁলোকে নকৰে।

পঃৰাগ্ বা নৰা চিগা বিহু মিচিঙসকলৰ আন এটি উল্লেখযোগ্য উৎসৱ। সাধাৰণতে খেতি চপোৱাৰ পিছত গাঁৱৰ ডেকা-গাভৰুসকলে ৰাইজৰ সহযোগত সৃষ্টিকৰ্তা, পৃথিৱীৰ মাতৃ, পূৰ্বপুৰুষসকলৰ তোষণৰ অৰ্থে আৰু এই সকলৰ পৰা মংগল কামনা কৰি এই উৎসৱ উদ্‌যাপন কৰে। পঃৰাগ্ উৎসৱৰ আন এটা বিশেষত্ব হ'ল এই উৎসৱ উদ্‌যাপন কৰা গাঁওখনে দূৰণীয়া মিচিং গাঁৱৰ ডেকা-গাভৰুক আলহী হিচাবে নিমন্ত্ৰণ কৰে। ডেকা-গাভৰু আলহীবোৰক ‘মিনম’ বুলি মিচিঙত কোৱা হয়। পঃৰাগ্ আৰু আলি আঃয়ে লৃগাং উৎসৱৰ নীতি-নিয়মৰ কিছু প্ৰভেদ থাকিলেও দুয়োটা উৎসৱতে নৃত্য-গীতৰ অপূৰ্ব সমাবেশ হয়। এই দুটা উৎসৱৰ বাদেও অসমীয়া বহাগ বিহু আৰু মাঘ বিহুকো অনুৰূপভাৱে পালন কৰে।

মিচিঙসকলৰ পূজা-পাতলৰ ভিতৰত ‘দবুৰ’ উল্লেখযোগ্য। এই পূজা একোখন গাঁৱত ৰাজহুৱাকৈ নতুবা একোটা পৰিয়ালে ব্যক্তিগতভাৱে পালন কৰে। ঘৰৰ বা গাঁওখনৰ অপায়-অমংগল দূৰীকৰণ, দীঘলীয়া অসুখ-বিসুখৰ আৰোগ্য কামনা, খেতি-বাতি আশা কৰা মতে চপাবলৈ পোৱা ইত্যাদি কাৰণ বিলাকৰ বাবে দবুৰ পূজা কৰা হয়। ৰাজহুৱা দবুৰ পূজাবোৰ সাধাৰণতে গাহৰি, কুকুৰা দি পালন কৰে। দবুৰ পূজাৰ দিনা গাঁৱলৈ অমিচিং লোক অহাৰ নিষেধাজ্ঞা থাকে। গাঁৱৰ চাৰিসীমাত বিশেষ প্ৰতীকধৰ্মী সীমাৰেখাৰে চিন দিয়া হয়। এনে সীমাৰেখা অমান্য কৰি কোনোবাই জ্ঞাতে বা অজ্ঞাতে দবুৰ পূজা চলি থাকোতে গাঁওখনলৈ প্ৰবেশ কৰিলে দণ্ড পোৱাতো নিয়ম। দবুৰ পূজাৰ গেনা পাৰ নোহোৱা পৰ্যন্ত তেনে ব্যক্তিক ৰাইজে বান্ধি ৰাখে।

ভাষা সাহিত্য আৰু নৃত্য-গীত ঃ মিচিং ভাষা তিব্বতধৰ্মী ভাষাগোষ্ঠী উত্তৰ অসম শাখাত পৰিয়াল ভুক্ত। তেওঁলোকৰ ভাষাৰ নিজা লিপি নাই আৰু সেয়ে তেওঁলোকৰ লিখিত পুৰণি সাহিত্য পোৱা নযায়। আজিকালি অৱশ্যে ৰোমান লিপিৰে ভাষাবোৰ লিখাৰ চেষ্টা কৰা হৈছে আৰু মিচিং অধ্যুষিত অঞ্চলত এই ভাষা প্ৰাথমিক বিদ্যালয় পৰ্যায়ত অন্তৰ্ভুক্ত কৰা দেখা গৈছে। মিচিং ভাষা বিকাশত মিচিং অগেম কৌবাং বা মিচিং সাহিত্য সভাই গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দেখা যায়।

মৌখিক লোক-সাধু আৰু লোকগীতেৰে চহকী মিচিঙসকল অতিশয় নৃত্য-গীত প্ৰিয়। বিভিন্ন উৎসৱ-পাৰ্বন, পূজা-পাতল আনকি গাঁৱলৈ সন্মানীয় অতিথি আহিলেও মিচিং ডেকা-গাভৰুৱে নৃত্য-গীত পৰিৱেশন কৰে। দুম-দুম বা ঢোল, পেম্পা বা পেঁপা, গুংগাং বা গগণা, বাঁহী ইত্যাদি বাদ্যযন্ত্ৰ নৃত্য-গীতত ব্যৱহাৰ কৰে। অই নিঃ তম্ আৰু ঢোলৰ চেওৰ লগত সাধাৰণ বিহু নৃত্য-গীতত ব্যৱহাৰ কৰা হয়। অই নিঃ তম্ আৰু ঢোলৰ চেওৰ লগত সাধাৰণ বিহু নৃত্য প্ৰদৰ্শন কৰাৰ উপৰি মিচিং গাভৰুৱে মাছ ধৰা, কোৰ মৰা, জাবৰ পেলোৱা, ধান সিঁচা, ধান কটা, কাপোৰ বোৱা ইত্যাদি দৃশ্য নৃত্যৰ যোগেদি প্ৰদৰ্শন কৰে। উৎসৱ-পাৰ্বন-বিহুত ডেকা-গাভৰুৰ লগতে ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ীসকলোৱে ভাগ

ল'ব পাৰিলেও ডেকা-গাভৰুৰ নৃত্য প্ৰদৰ্শনৰ সময়ত একমাত্ৰ ডেকা-গাভৰুৱে যোগদান কৰা নিয়ম।

বয়ন শিল্পৰ ক্ষেত্ৰত মিচিং ছোৱালীসকল নৈপুন্য। মিচিং শিপিনীয়ে নিজৰ লাগতীয়াল ৰিবিগাছৰ, ত্ৰগেগাছৰ (মেখেলা চাদৰ), দুমৌৰ্ (গামোচা) আদি নিজে তাতশালত বয়। বগা, ৰঙা, সেউজীয়া আদি বিভিন্ন ৰঙেৰে চুকীয়া, কোণীয়া, ঘূৰণীয়া আৰু সমান্তৰাল ৰেখাৰে নানা ধৰণৰ ফুল তেনে কাপোৰত বয়। 'গাদু' (জিম কাপোৰ), মিবু গালুক (পুৰোহিত চোলা) আদি মিচিং শিপিনীৰ উৎকৃষ্ট বয়ন শিল্পৰ চানেকি।

বিবাহ পদ্ধতি ঃ পুংখানুপুংখ ৰূপে বিচাৰ কৰিলে মিচিং সমাজৰ বিবাহ পদ্ধতি আন সমাজৰ লগত বহুতো পাৰ্থক্য দেখা যায়। দুগ্‌লা যামনৌ লাঃনাম (পলুৱাই নি পতা বিয়া), মিদাং বা সামাজিকভাৱে পতা বিয়া, কুমচু জচু বা সেৱা সৎকাৰ জনাই পতা বিয়া এই তিনিটা পদ্ধতিত সাধাৰণতে মিচিঙসকলৰ বিবাহ কাৰ্য সম্পাদন কৰে। একেই অপৃণ বা গোত্ৰৰ মাজত বিবাহ নিষিদ্ধ মিচিঙসকলৰ উপাধিকে অপৃণ বা গোত্ৰ বুলি ধৰা হয়, যেনে— য়েইন অপৃণ বা গোত্ৰই একেই উপাধি বা গোত্ৰ য়েইনৰ লগত বিবাহ হ'ব নোৱাৰে। য়েইন আৰু পাংগিং দুয়োটা বেলেগ উপাধি, সেয়ে তেনে উপাধি অপৃণ বা গোত্ৰৰ মাজত বিবাহ হ'ব পাৰে। কিছুমান উপাধি বেলেগ হ'লেও বিবাহ হোৱাত নিষেধাজ্ঞা আছে, যেনে— য়েইনৰ লগত টায়ে উপাধিৰ লোক, দলে গোত্ৰৰ লগত কটুম, কুলি কামান আদি গোত্ৰৰ লগত বিবাহ নহয়। উল্লিখিত উপাধিসমূহৰ উপৰি বিভিন্ন দল বা খেলৰ বহুতো উপাধিৰ লোক আছে। সিহঁতৰ মাজতো উপাধি বা গোত্ৰৰ প্ৰভেদ হ'লেও কিছুমানৰ লগত বৈবাহিক সম্পৰ্ক গঢ়িব নোৱাৰে। এনে নিয়ম-নীতিৰ মাজত নচলা পুৰুষ-নাৰীক সমাজে এঘৰীয়া কৰে।

ধৰ্ম আৰু লোক বিশ্বাস ঃ মিচিং সমাজৰ ধৰ্ম বিশ্বাস বিভিন্নমুখী। বিভিন্নমুখী হ'লেও সহনশীল গুণৰ অধিকাৰী হৈ মিচিঙসকলৰ মাজত ধৰ্মক লৈ কোনো কাজিয়া হোৱা নাই অথচ ভিতৰে ভিতৰে যেন এটা আলোড়নৰ সৃষ্টি হৈছে। মিচিং সমাজে 'দঃনিত পঃলঃক' (বেলি, জোন) পিতৃ-মাতৃ বুলি অনাদি-অনন্ত কালৰ পৰা বিশ্বাস কৰি আহিছে। মিচিঙসকলৰ বংশ পাদম, মিএঃং, নিচিসকলে এতিয়াও ঈশ্বৰ শব্দৰ ঠাইত 'দঃগ্ৰিঃপঃলঃ' ব্যৱহাৰ কৰে। 'দঃগ্ৰিঃপঃলঃ'ক বিশ্বাসী মিচিঙসকলে জগতত বহুতো দেৱ-দেৱী আছে বুলি বিশ্বাস কৰে। দেৱ-দেৱীসকলক শোভাকাঙ্খী দেৱ-দেৱী আৰু অপদেৱতা এই দুটা ভাগত ভাগ কৰিব পাৰি। তেওঁলোকে নিজৰ মংগলৰ বাবে মিবু (পুৰুহিত)ৰ দ্বাৰা এই দুয়োবিধ দেৱ-দেৱীক পূজা অৰ্চনা কৰিছিল। এই পূজাবোৰত গাহৰি, কুকুৰা আদি অৰ্পণ কৰা হয়। বৰ্তমান মিচিঙসকল হিন্দু ধৰ্ম, মহাপুৰুষীয়া আদি ধৰ্মত দীক্ষিত হোৱা দেখা গৈছে। হিন্দু ধৰ্মৰ শৈৱ, তান্ত্ৰিক, শাক্ত আদিত বহুতো পালন কৰিছে। তেওঁলোকৰ মাজৰ কিছুমানে মাছ, মাংস, মদ আদি নোখোৱা দেখা যায়। এনেবোৰ ধৰ্মৰ প্ৰভাৱে মিচিং সমাজত প্ৰচলিত ধৰ্ম বিশ্বাসক বেমেজালিৰ সৃষ্টি কৰিছে।

মিচিং সমাজত লোক বিশ্বাস বহু পোৱা যায়। গেনা (taboo) ধৰা সপোন বিশ্বাস, খেতি-বাতি, ঘৰ লোৱা, নতুন মাটি লোৱা, বিবাহ, জন্ম, মৃত্যু, যাত্ৰাৰ শুভাৰম্ভ আদিত কিছুমান লোক বিশ্বাসেৰে মিচিঙসকলে পূজা-পাৰ্বন পাতি প্ৰয়োজন হ'লে অশুভ যেন ভাৱ হ'লে প্ৰতিকাৰৰ ব্যৱস্থা কৰে।

তন্ত্ৰ-মন্ত্ৰৰ ব্যৱহাৰ মিচিং সমাজত দেখা নাযায়। বৰ্তমান যিবোৰ তন্ত্ৰ-মন্ত্ৰৰ ব্যৱহাৰ হৈছে সেইবোৰ আন সমাজৰ পৰাহে অহা বুলি অনুমান কৰা হৈছে। যিহেতু মিচিং ভাষাত মন্ত্ৰ নাই।

সামৰণি ঃ বৰ্তমান কালটো মিচিঙসকলৰ বাবে এটা যুগসন্ধি আৰু যুগ পৰিৱৰ্তনৰ কাল বুলিব লাগিব। যিহেতু ওপৰৰ আলোচনাসমূহতে তাৰ কিছু নমুনা দেখিবলৈ পোৱা গৈছে। শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ, বৈজ্ঞানিক দৃষ্টিৰে যুক্তি বিচাৰ ইত্যাদি কাৰণসমূহত আজি মিচিং সমাজ পৰিৱৰ্তন ৰূপ ধাৰণ কৰিছে। তাৰ ফলত মিচিং সমাজৰ অবক্ষয় ঘটিছে। পৰিৱৰ্তন হৈছে বুলি নতুন এক সুস্পষ্ট সংস্কৃতিকো গ্ৰহণ কৰিবলৈ বাট বিচাৰি নোপোৱা হৈছে। মিচিং সমাজৰ এনে অবক্ষ ৰূপ সুদৃঢ় প্ৰাণ দিবৰ বাবে মিচিং নাগৰিকে নিজে সচেতন হোৱাৰ সময় হৈছে। অন্যথাই মিচিং সংস্কৃতিক বিলুপ্তি ঘটাই জাতিৰ পৰিচয় হেৰুৱাৰ সম্ভাৱনাই অধিক।

☆

*অমূল্য মনৰ জীৱন কেৱল বংশৰক্ষাৰ কাৰণে নহয়, এক মহৎ উদ্দেশ্য সাধনৰ কাৰণেহে সৃষ্টি হৈছে।*

*— হজৰত মহম্মদ*





# সাহিত্যৰ বিখণ্ডিত জগতত তুলনামূলক সাহিত্য

✍ বাবুল ভৰলুৱা
স্নাতক ৩য় বৰ্ষ

"১৯০৭ চনত "ভাৰতীয় শিক্ষা পৰিষদে" কবিগুৰু ৰবিন্দ্ৰনাথ ঠাকুৰৰ দ্বাৰা Comparative Literature শীৰ্ষক ভাষণ প্ৰদান কৰোৱাইছিল। এনেদৰে বিকাশ লাভ কৰি তুলনামূলক সাহিত্যই বৰ্তমান স্বতন্ত্ৰ বিষয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে।"

ইউৰোপীয় পণ্ডিতসকলে ষষ্ঠদশ শতিকাত ইউৰোপীয় সাহিত্য অধ্যয়ন কৰিবলৈ যাওঁতে পৃথিৱীৰ নতুন নতুন ঠাইৰ লগত নতুনকৈ পৰিচয় হৈছিল। এনে পৰিচয়ৰ ফলত ইউৰোপীয়সকলৰ মনলৈ ভাষাৰ ক্ষেত্ৰত, সাহিত্যৰ ক্ষেত্ৰত, ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত আৰু বৈজ্ঞানিক ন-ন আৱিষ্কাৰৰ ক্ষেত্ৰত চিন্তা-চৰ্চাৰ নতুন নতুন ঢল নামিছিল। ইউৰোপীয়সকলে গ্ৰহণ কৰা সাহিত্য অধ্যয়ন সম্পৰ্কীয় পৰিৱৰ্তিত দৃষ্টিভংগীয়ে তৎকালীন ইউৰোপৰ সাহিত্য অধ্যয়নৰ ব্যৱহাৰিক জগতলৈ প্ৰচুৰ পৰিৱৰ্তন আনিলে। সাহিত্য মাত্ৰেই এক সাহিত্য অধ্যয়নৰ ৰাষ্ট্ৰীয় সীমা বা ভাষিক সীমা অপ্ৰাসংগিক বুলি তেওঁলোকে পোনপ্ৰথম ইউৰোপীয় সাহিত্যৰ বিখণ্ডিত জগতত একতাৰ সন্ধানত মনোনিৱেশ কৰিলে। ফলস্বৰূপে ইউৰোপৰ বিভিন্ন ভাষা বা ৰাষ্ট্ৰৰ চিনাকিৰে চিহ্নিত হোৱা একক সাহিত্য অধ্যয়নৰ পৰিৱৰ্তে ইউৰোপৰ বিভিন্ন সাহিত্যসমূহ পৰস্পৰ সম্পৰ্ক জড়িতভাৱে আলোচনা কৰাৰ বাবে অধ্যয়নৰ এখন বিস্তৃত প্ৰেক্ষাপট সাৰ্বভৌম ধৰাতল নিৰ্মাণৰ কাম আৰম্ভ হ'ল। অৰ্থাৎ বিভিন্ন বা একাধিক সাহিত্য পৰস্পৰ সম্পৰ্ক জড়িতভাৱে বা পৰস্পৰ তুলনালৈ আনি কৰা অধ্যয়নৰ ধৰাতলেই হ'ল আজি সাহিত্য বিচাৰৰ এক বিশেষ দৃষ্টিভংগীৰ ৰূপত স্বীকৃত আৰু চৰ্চিত তুলনামূলক সাহিত্যৰ মূল ভেটি।

এই পৃথিৱীখন কেৱল কিছুমান খণ্ড খণ্ড ভূমিৰ সমষ্টি নহয়। কিছুমান সুবিধাৰ কাৰণেহে অৰ্থাৎ চিনাকি দিবৰ বাবে গোলকীকৰণ পৃথিৱীখনৰ কিছুমান খণ্ড খণ্ড চিনাকি তৈয়াৰ কৰি লোৱা হৈছে। প্ৰকৃততে গোটেই পৃথিৱীত ভূমি একেখনেই, তাত বাস কৰা মানুহো একেবোৰেই। সেইদৰে সাহিত্যও বিভিন্ন ভাষাৰ, সময়ৰ, ভৌগোলিক খণ্ডৰ সীমাৰে ভাগ কৰা কিছুমান একেধৰণৰ খণ্ডৰ সমষ্টি নহয়। সাহিত্য হ'ল পৃথিৱীত বাস কৰা একে ধৰণৰ মানুহৰ বিভিন্ন মানসিক অৱস্থাৰ প্ৰতিফলন। সেয়েহে সাহিত্য অধ্যয়নৰ ক্ষেত্ৰত সময়, ভাষা আৰু ৰাষ্ট্ৰৰ কৃত্ৰিম সীমাৰেখা অস্বীকাৰ কৰি তুলনামূলক সাহিত্যই, সাহিত্যৰ 'সম্পূৰ্ণ দৃশ্যপট' প্ৰকট কৰে।

ষষ্ঠদশ শতিকাত ইউৰোপত তুলনামূলক সাহিত্যৰ উৎপত্তি হয়। তুলনামূলক সাহিত্যই আলোচনা-বিলোচনা, পৰীক্ষা-নিৰিক্ষাৰ মাজেদি গজালি মেলি ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আৰম্ভণিত বিভিন্ন শাখা-প্ৰশাখাৰে ফুলে-ফলে জাতিষ্কাৰ হৈ স্বতন্ত্ৰ বিষয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে। অৰ্থাৎ বহুতো ঘাত-প্ৰতিঘাতৰ মাজেৰে তুলনামূলক সাহিত্যই ষষ্ঠদশ শতিকাত উৎপত্তি হৈ বিংশ শতিকাত বিদ্যায়তনিক বিষয় হিচাপে বিশ্ববিদ্যালয়ত স্থান লাভ কৰিলে।

তুলনামূলক সাহিত্যৰ সংজ্ঞা বিভিন্ন তুলনাবিশাৰদ আৰু বিশাৰদগোষ্ঠীয়ে দিবলৈ প্ৰয়াস কৰিছে। সেই সংজ্ঞাসমূহৰ ভিতৰত Henery H. H. Remak ৰ সংজ্ঞাটো অধিক বিস্তৃত আৰু যথাতথ্য। Remak য়ে তুলনামূলক সাহিত্য সম্পৰ্কীয় সকলো দৃষ্টিভংগী সামৰি এটা সাৰ্বজনীন সৰ্বগ্ৰাহ্য সংজ্ঞা আগবঢ়াবলৈ যত্ন কৰিছে। তেওঁৰ মতে— "তুলনামূলক সাহিত্য, সাহিত্যৰ ৰাষ্ট্ৰীয় পৰিধিৰ সীমা অতিক্ৰম কৰি অন্য ৰাষ্ট্ৰৰ সাহিত্যৰ লগত হোৱা তুলনামূলক অধ্যয়ন। এই অধ্যয়নে কলা, ইতিহাস, সমাজবিজ্ঞান, বিজ্ঞান, ধৰ্মশাস্ত্ৰ আদি জ্ঞানৰ বিভিন্ন ক্ষেত্ৰসমূহ আৰু সাহিত্যৰ পাৰস্পৰিক সম্বন্ধকো সামৰি লয়।

তুলনা হ'ল জীৱনৰ এটা বৌদ্ধিক প্ৰক্ৰিয়া। মানৱৰ চিন্তাৰ লগত ই জ্ঞাতে-অজ্ঞাতে সৰ্বথাই জড়িত হৈ থাকে। দুটা বা তাতোধিক সংখ্যাৰ বস্তু একেলগে ৰাখি সেই বস্তুকেইটাত থকা একেধৰণৰ বা একেধৰণৰ নোহোৱা গুণসমূহৰ বিষয়ে জানিবৰ বাবে কৰা পৰীক্ষা-নিৰীক্ষাৰ কাৰ্যই হ'ল তুলনা। উল্লেখিত যে কোনো এক সাহিত্য অন্য সাহিত্যৰে, কোনো এক কালৰ বিশেষৰ সাহিত্য আৰু অন্য কাল বিশেষৰ সাহিত্যৰ, সাহিত্যৰ কোনো এক বিধা বা প্ৰকাৰৰ লগত অন্য বিধাৰ তথা সাহিত্য আৰু অন্য কলাৰ তুলনা তুলনামূলক সাহিত্যত কৰা হয়।

তুলনামূলক সাহিত্য হ'ল সাহিত্য অধ্যয়নৰ, সাহিত্য বিচাৰৰ দৃষ্টিভংগী বিশেষ। চলিত শতিকাৰ মানুহৰ চিন্তন, মনন, অধ্যয়ন অনুশীলন জগতখন নানা বিধৰ নতুন চিন্তা-বিচাৰধাৰাই তোলপাৰ লগাই আছে। সাহিত্য অধ্যয়নৰ প্ৰসংগও ইয়াৰ ব্যতিক্ৰম হৈ থকা নাই। ফলস্বৰূপে সাহিত্যৰ অধ্যয়নেও নতুন নতুন দিশ, নতুন নতুন দৃষ্টিভংগী লাভ কৰিছে। তুলনামূলক সাহিত্যও এনে এক নতুন দৃষ্টিভংগী। সৃজনীশীল সাহিত্যই নিত্য নতুন ৰূপেৰে, নতুন নতুন লক্ষণেৰে নানা ইজমৰ সাজেৰে আত্মপ্ৰকাশ কৰি আছে। সেইদৰে সাহিত্যৰ আলোচনাৰ ক্ষেত্ৰতো নতুন নতুন দৃষ্টিভংগী, বৈবিধ্য, বৈচিত্ৰ্যৰ সীমাসংখ্যা নাই। এই সমস্ত লক্ষণ, বৈশিষ্ট্য, ইজমৰ সাজকে সামৰি লৈ গাইগুটীয়াভাৱে প্ৰত্যেকবিধ সাহিত্য আলোচনা, আলোচনাৰ পদ্ধতি, সাহিত্যৰ ইজমক নিষ্পভ কৰি সাহিত্য বিচাৰক, সাহিত্য আলোচনাক বিস্তৃতি আৰু গভীৰতা প্ৰদান কৰা দৃষ্টিভংগীয়ে হ'ল তুলনামূলক সাহিত্য।

ইংৰাজী Comparative Literature পদটোৰ কাৰণে অসমীয়াত "তুলনামূলক সাহিত্য" পদটো গ্ৰহণ কৰা হৈছে। ১৮৪৮ চনত পোনপ্ৰথম বিখ্যাত ইংৰাজ কবি তথা সমালোচক মেথিউ আৰ্নল্ডে Comparative Literature পদটো ব্যৱহাৰ কৰিছিল। এই পদটো তেওঁ ভনীয়েকলৈ লিখা ব্যক্তিগত চিঠিতহে ব্যৱহাৰ কৰিছিল। প্ৰকৃতাৰ্থত Comparative Literature পদটো প্ৰয়োগৰ ক্ষেত্ৰত আয়াৰলেণ্ডৰ এজন বেৰিষ্টাৰ এইচ. এম. পচনেটৰ নামহে মনত ৰাখিবলগীয়া। এওঁ ১৮৮৬ চনত Comparative Literature শীৰ্ষক গ্ৰন্থত পোনপ্ৰথম বাৰৰ বাবে নিশ্চিত অৰ্থত "তুলনামূলক সাহিত্য" পদটো ব্যৱহাৰ কৰে। ইয়াৰ পাছত তেওঁ ১৯০১ চনত "The Science of Comparative Literature" প্ৰৱন্ধত তুলনামূলক সাহিত্যৰ পদ্ধতি, স্বৰূপ আদি সম্পৰ্কত বিচাৰ-বিশ্লেষণ আগবঢ়ায়। এই ক্ষেত্ৰত ভাৰতো পিছপৰি থকা নাই। ১৯০৭ চনত "ভাৰতীয় শিক্ষা পৰিষদে" কবিগুৰু ৰবিন্দ্ৰনাথ ঠাকুৰৰ দ্বাৰা Comparative Literature শীৰ্ষত ভাষণ প্ৰদান কৰোৱাইছিল। এনেদৰে বিকাশ লাভ কৰি তুলনামূলক সাহিত্যই বৰ্তমান স্বতন্ত্ৰ বিষয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে।

তুলনামূলক সাহিত্যৰ বিকাশত বিভিন্ন সম্প্ৰদায়সমূহৰ অৰিহণা উল্লেখ্য। তুলনামূলক সাহিত্যৰ প্ৰধান সম্প্ৰদায়সমূহ হ'ল—

১) ফ্ৰান্স-জাৰ্মানী স্কুল
২) আমেৰিকান স্কুল
৩) ৰাছিয়ান স্কুল

ফ্ৰান্স-জাৰ্মানী সম্প্ৰদায়ৰ বিদ্বানসকলৰ মতে তুলনামূলক সাহিত্য এটা ইতিহাসসন্মত অনুশাসন। আমেৰিকান স্কুলে তুলনামূলক সাহিত্য অধ্যয়নৰ ক্ষেত্ৰত সাহিত্যশাস্ত্ৰীয় সৌন্দৰ্যমূলক দৃষ্টিকোণক অধিক গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। ৰাছিয়ান স্কুলৰ বিদ্বানসকলে তুলনামূলক অধ্যয়নত সমাজশাস্ত্ৰীয় সংস্কৃতিমূলক যথাৰ্থবাদী দৃষ্টিভংগী গ্ৰহণত গুৰুত্ব দিছে।

তুলনামূলক সাহিত্যই বিংশ শতিকাত বিদ্যায়তনিক বিষয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ কেইবাটাও পদ্ধতিৰ মাজেৰে পাৰ হৈ আহিব লগা হৈছিল। 'সাহিত্যৰ ইতিহাস সন্দৰ্ভবাদ' আৰু 'তুলনামূলক আলোচনা' এই দুই নিয়মৰ সহায়ত তুলনামূলক সাহিত্যৰ পদ্ধতিসমূহ নিৰ্ণয় কৰিব পাৰি। পদ্ধতিসমূহ হ'ল— ১) সাদৃশ্য সম্বন্ধমূলক পদ্ধতি ২) পৰম্পৰা অধ্যয়ন পদ্ধতি ৩) প্ৰভাৱ অধ্যয়ন পদ্ধতি ৪) স্বীকৃতি অধ্যয়ন পদ্ধতি ৫) সম্বন্ধমূলক দ্বন্দ্বাত্মক পদ্ধতি।

এই পদ্ধতিসমূহ কম পৰিসৰত আলোচনা কৰা সম্ভৱ নহয় ; সেয়ে কেৱল উল্লেখ হে কৰা হ'ল। বিখণ্ডিত জগতত একতাৰ সন্ধানত সৃষ্টি হোৱা তুলনামূলক সাহিত্যই বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে পাৰ হৈ আহি ১৯০৭ চনত আমেৰিকাৰ কাৰণেল বিশ্ববিদ্যালয়ত পোন প্ৰথম বিদ্যায়তনিক পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হয়। ভাৰতবৰ্ষত ১৯৫৬ চনত পোন প্ৰথম ইংৰাজী অধ্যাপক, বাংলা ভাষাৰ প্ৰসিদ্ধ সাহিত্যিক বিদ্বান বুদ্ধদেৱ বসুৱে আমেৰিকাৰ পৰা এই সম্পৰ্কীয় শিক্ষা গ্ৰহণ কৰি আহি কলিকতাৰ যাদৱপুৰ বিশ্ববিদ্যালয়ত এই বিভাগ খোলে। এই গোজেই গজালি মেলি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশলৈ প্ৰসাৰিত হয়। অসমত ড° নীৰাজনা মহন্ত বেজবৰাৰ নেতৃত্বত ১৯৯৩ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত তুলনামূলক সাহিত্যই অসমীয়া সাহিত্যৰ পাঠ্যক্ৰম হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে।

সৃষ্টিমূলক ৰচনাই চাৰিসীমাৰ মাজত আৱদ্ধ হৈ থাকিব নিবিচাৰে। তুলনামূলক সাহিত্যও ইয়াৰ ব্যতিক্ৰম নহয়। তুলনামূলক সাহিত্যই নতুন নতুন দিশত, নতুন নতুন দৃষ্টিভংগীৰে, নিত্য নতুন ৰূপেৰে, নতুন নতুন লক্ষণেৰে নানা ইজমৰ সাজেৰে আত্মপ্ৰকাশ কৰি আছে। অৰ্থাৎ তুলনামূলক সাহিত্য অধ্যয়নৰ ক্ষেত্ৰত নতুন নতুন দৃষ্টিভংগী, বৈবিধ্য বৈচিত্ৰ্যৰ সীমাসংখ্যা নাই। এনে দৃষ্টিভংগীৰেই সাহিত্যৰ বিখণ্ডিত জগতত একতাৰ সন্ধান কৰিবৰ বাবেই তুলনামূলক সাহিত্যৰ দৰে বিষয়টোৰ উৎপত্তি আৰু বিকাশ হৈছে। ☆





# অজন্তাৰ চিত্ৰকলা

ঈশানী বৰুৱা
স্নাতক ২য় বৰ্ষ

চিত্ৰকলাই মানুহক যুগে যুগে আকৰ্ষণ কৰি আহিছে। মানুহৰ মাজত ভাষা বা শিক্ষা-দীক্ষাৰ প্ৰসাৰ হোৱাৰ আগতেও মানুহে চিত্ৰকলা অংকন কৰাৰ উদাহৰণ পোৱা যায়। বৰ্তমান কিছুমান অনুসন্ধিৎসু আৰু দুঃসাহসিক ব্যক্তিয়ে পৃথিৱীৰ অতি দুৰ্গম অঞ্চলতো কিছুমান হাজাৰ বছৰীয়া পুৰণি ৰেখাঙ্কিত চিত্ৰ আৱিষ্কাৰ কৰিছে।

অজন্তাৰ গুহাচিত্ৰ মানুহৰ চিত্ৰকলাৰ প্ৰতি থকা আকৰ্ষণৰ এক বিশিষ্ট উদাহৰণ। অজন্তা মহাৰাষ্ট্ৰৰ ঔৰগংবাদ চহৰৰ পৰা আৰু মধ্য ৰেলৱেৰ জলগাঁও ষ্টেচনৰ পৰা প্ৰায় ৬০ কিঃমিঃ দূৰত উত্তৰে অৱস্থিত। ইয়াত কাঁচিজোন আকৃতিৰ এটা পাহাৰৰ গাত খৃঃ পূঃ ২য় শতিকাৰ পৰা খৃঃ পূঃ ৭ম শতিকাৰ ভিতৰত কটা অসমাপ্ত গুহাৰ সৈতে মুঠ ত্ৰিশটা বৌদ্ধ গুহা মন্দিৰ আছে।

অজন্তাৰ চিত্ৰসমূহ দেৱাল, স্তম্ভ আৰু গুহাৰ ভিতৰৰ চাল সম্পূৰ্ণ ঢাক খোৱাকৈ অংকন কৰা হৈছে। জাতক আদি গ্ৰন্থত থকা ভগৱান বুদ্ধৰ জীৱনী আৰু তেওঁৰ পূৰ্বজন্মৰ চিত্ৰৰূপ এইবোৰত ৰূপায়িত কৰা হৈছে। লগতে নিপুনভাৱে অংকিত গছপাত, ফুল আৰু জীৱ-জন্তুৰ চিত্ৰও বিদ্যমান।

অজন্তাৰ গুহাবোৰৰ ভিতৰত ৯, ১০, ১৯ আৰু ২৬ নম্বৰ গুহা চৈত্য আৰু বাকীসমূহ গুহা বিহাৰ। অজন্তাৰ চিত্ৰসমূহ ১, ২, ৯, ১১, ১৬, ১৭, ১৯ আৰু ২১ নম্বৰ গুহাত আছে। চৈত্য গুহাবোৰৰ ভিতৰত দশম গুহাটো প্ৰাচীনতম গুহা আৰু এই গুহাত বোধি বৃক্ষ, সমজাতক আৰু ছদ্দন্ত জাতকৰ পূজা কৰা দৃশ্য ৰূপায়িত কৰা হৈছে।



**অজন্তাৰ চিত্ৰৰ অংকন পদ্ধতি ঃ**

অজন্তাৰ চিত্ৰসমূহ প্ৰধানতঃ ফ্ৰেস্কো বা ভিত্তি চিত্ৰ। ফ্ৰেস্কো বা টেম্পাৰা পদ্ধতিৰ সংমিশ্ৰণতো এই চিত্ৰসমূহ অঁকা হৈছিল। দেৱালত প্ৰথমতে বোকা, গোবৰ আৰু আগ্নেয়শিলৰ মিহি দানা আৰু কেতিয়াবা ইয়াৰ লগত তুঁহ মিহলাই ডাঠ প্ৰলেপ দিয়া হৈছিল। ইয়াৰ ওপৰত শামুকৰ চুণৰ পাতল প্ৰলেপ লগাই তাৰ ভিতৰত ফ্ৰেস্কো পদ্ধতিত চিত্ৰ অংকন কৰা সম্ভৱ নোহোৱা বাবে টেম্পাৰা পদ্ধতিৰে চিত্ৰ অংকন কৰা হৈছিল। অংকন সম্পূৰ্ণ হ'লে সেইবোৰ মসৃণ আৰু উজ্জ্বল কৰি লোৱা হৈছিল। ইয়াৰোপৰি অজন্তাৰ চিত্ৰসমূহ ৰেখাপ্ৰধান আৰু ইয়াৰ চিত্ৰসমূহত শিল্পীসকলৰ স্বাধীনতা, তুলিকাত বলিষ্ঠতা আৰু ইয়াৰ নিখুঁত ব্যৱহাৰ বিশেষভাৱে লক্ষ্যণীয়। বিশেষকৈ দেৱাল আৰু চালৰ ভিতৰ অংশত অংকন কৰা সুক্ষ্ম আৰু নিখুত কাৰুকাৰ্যসম্পন্ন চিত্ৰসমূহে শিল্পীৰ অসাধাৰণ কলা-কৌশলৰ পৰিচয় দিয়ে।

**চিত্ৰসমূহৰ বিষয়বস্তু ঃ**

অজন্তাৰ চিত্ৰসমূহৰ মূল অনুপ্ৰেৰণা প্ৰধানতঃ বৌদ্ধধৰ্ম। জাতকৰ আখ্যানসমূহ আৰু



বুদ্ধদেৱৰ জীৱনী চিত্ৰসমূহে এই কথাৰে সাক্ষ্য বহন কৰে। ইয়াৰোপৰি চিত্ৰসমূহত সেইসময়ৰ ভাৰতীয় জীৱনৰ প্ৰতিচ্ছবি, ৰাজসভাৰ আভিজাত্য, গাঁৱলীয়া জীৱনৰ সৰলতা আৰু বনৰ আবেষ্টনীৰ মাজত ভিক্ষুসকলৰ শান্তিপূৰ্ণ জীৱনৰ প্ৰতিচ্ছবি পৰিস্ফূট হৈছে। ৰজা-ৰাণীৰ অন্তেষপুৰ বা বাগিচাত অৱস্থান আদি দৃশ্য চিত্ৰত সুন্দৰকৈ ৰূপায়িত কৰাৰ পৰা বুজা যায় যে শিল্পীৰ দৃষ্টিৰ পৰা ৰাজ-কাৰেঙৰ অভ্যন্তৰভাগকে ধৰি কোনো দৃশ্য গোপন নাছিল। ইয়াৰোপৰি ৰাজকোঁৱৰীৰ প্ৰসাধন আৰু পতি-পত্নী বা প্ৰেমিক-প্ৰেমিকাৰ সংগসুখ আদি বিষয় বস্তুৰ চিত্ৰনৰ সুন্দৰ উদাহৰণো অজন্তাত আছে। লগতে অজন্তাৰ চিত্ৰসমূহত পৌৰাণিক কাহিনীৰ দৃশ্য ব্যাখ্যা কৰা চিত্ৰত অনুভূতিৰ প্ৰকাশ অতি উৎকৃষ্ট।

ইয়াৰোপৰি অজন্তাৰ চিত্ৰত জীৱ-জন্তুবো বৈচিত্ৰ আছে। হৰিণা, হাতী, বান্দৰ, হাঁহ, ঘোঁৰা, ষাঁড় আদিৰ চিত্ৰ ইমানেই সূক্ষ্মভাৱে অংকন কৰা হৈছে যে পশু-পক্ষীৰ ভাৱ-ভংগী আৰু গতিশীলতা চিত্ৰত সুন্দৰকৈ প্ৰকাশিত হৈছে। দশম গুহাত চিত্ৰিত বৰগছৰ তলত এজাক হাতী, সপ্তদশ গুহাত হসজাতকৰ ৰাজহংসীজনী আৰু মৃগজাতকৰ হৰিণা এইবোৰ চিত্ৰত শিল্পীৰ পাৰদৰ্শিতাৰ পৰিচয় পোৱা যায়।

অজন্তাৰ চিত্ৰৰীতিক বৰ্ণনামূলক বোলা হয়। চিত্ৰবোৰে একো একোটা কাহিনী ব্যক্ত কৰে। মানুহ, হাতী, ঘোঁৰা, আকাশ, উদীয়মান গন্ধৰ্ব আদি একত্ৰিত হৈ এটা আলংকাৰিক ৰচনাৰ সৃষ্টি হয়। আনহাতে চিত্ৰবোৰৰ সীমা আৰু অংকিত বস্তুবোৰে দেৱাল অতিক্ৰম কৰি নাযায়। ইয়াৰ চিত্ৰভূমি সমতল নহয় আৰু তাত এক ধৰণৰ পৰিপ্ৰেক্ষিত আছে। কিছুমান চিত্ৰত তিনিপ্ৰকাৰ পৰিপ্ৰেক্ষিত দেখা যায়— ওপৰৰ পৰা দেখা, সন্মুখৰ পৰা দেখা আৰু তলৰ পৰা দেখা। ইয়াৰোপৰি অজন্তাৰ চিত্ৰত মানুহৰ স্থান মুখ্য আৰু প্ৰকৃতিৰ স্থান গৌণ। মানুহৰ চিত্ৰ প্ৰস্ফুটিত কৰিবলৈ পৃষ্ঠভূমি হিচাবেহে প্ৰাকৃতিক দৃশ্য অংকন কৰা হৈছে।

বিভিন্ন চিত্ৰৰ কাল ঃ

অজন্তাৰ নৱম আৰু দশম গুহাত প্ৰাক্ কুশান যুগৰ চিত্ৰৰ নিদৰ্শন পোৱা যায়। অজন্তাৰ চিত্ৰসমূহৰ ভিতৰত চুলিৰ খোপাৰ ওপৰত ডাঙৰ পাগুৰি থকা মানুহৰ চিত্ৰসমূহেই প্ৰাচীনতম। গুপ্তযুগৰ চিত্ৰসমূহৰ ভিতৰত ষোড়শ আৰু সপ্তদশ গুহাৰ বুদ্ধৰ ত্ৰিমূৰ্তি, শুই থকা নাৰী, মুমূৰ্ষ ৰাজকুমাৰী, সংসাৰ চক্ৰ, বুদ্ধৰ কপিলাবস্তুলৈ প্ৰত্যাৱৰ্তন, প্ৰণয় লীলা, উৰন্ত গন্ধৰ্ব, অপমৰা আদিয়েই প্ৰধান।

অজন্তাৰ উনবিংশ গুহাটো চৈত্য। ইয়াৰ চিত্ৰসমূহৰ ভিতৰত প্ৰধান হ'ল বুদ্ধমূৰ্তি আৰু বুদ্ধৰ কপিলাবস্তুলৈ প্ৰত্যাৱৰ্তনৰ দৃশ্য। এইবোৰ সুন্দৰ চিত্ৰ গুপ্ত যুগৰ পিছৰ হ'লেও গুপ্ত প্ৰভাৱান্বিত।

এইদৰে অজন্তাৰ গুহাচিত্ৰৰ আৱিষ্কাৰে পৃথিৱীৰ বিভিন্ন ভ্ৰমণকাৰীক সদায়েই আকৰ্ষিত কৰি আহিছে। ইয়াৰ গঠনশৈলী, শিল্পনৈপুণ্য আদিয়ে বৰ্তমানৰ বিশিষ্ট কলাকাৰসকলকো আশ্চৰ্যান্বিত কৰে। ☆





# সাম্প্ৰতিক অসমৰ সমস্যা আৰু যুৱসমাজৰ কৰণীয়

✍ জীতা বসুমতাৰী
স্নাতক ৩য় বৰ্ষ

> “ সাম্প্ৰতিক অসমত দেখা দিয়া উগ্ৰবাদী সমস্যা, গোষ্ঠীগত সমস্যা আদিয়ে অসমক প্ৰায়বোৰ ক্ষেত্ৰকে বিপন্ন কৰি তুলিছে। নোপোৱাৰ বেদনা, শোষণৰ ভয় আৰু ধনীক শ্ৰেণীৰ দ্বাৰা লাঞ্ছিত হোৱাৰ ভয়ে অসমৰ এচাম মানুহক হাতত মৰণাস্ত্ৰ তুলি লবলৈ বাধ্য কৰাইছে আৰু তাৰ ফলশ্ৰুতিতেই অসমত এক ভয়ংকৰ অচলাৱস্থাৰ সৃষ্টি হৈছে। যিবোৰ সমস্যা আলাপ-আলোচনাৰ মাজেৰে সমাধান কৰিব পাৰি তেনে সমস্যাসমূহ অসমৰ ৰাইজে বন্দুক বা তেনে মৰণাস্ত্ৰৰেহে সমাধান কৰিব বিচাৰে। ”

সাম্প্ৰতিক অসমৰ সমস্যাসমূহ জটিল আৰু গুৰুতৰ। বৰ্তমান অসমৰ জলন্ত সমস্যাসমূহে দেশীয় সংবাদ-পত্ৰসমূহৰ শিৰোনামা দখল কৰিবলৈ সক্ষম হৈছে। সংবাদ-পত্ৰসমূহৰ বাহিৰেও ৰেডিঅ', দূৰদৰ্শন আদিতো সমস্যাসমূহৰ বিষয়ে বহল প্ৰচাৰ হৈছে। এইবোৰৰ উপৰিও সমাজৰ আগশাৰী মহলে বিভিন্ন ঠাইত সভা-সমিতি পাতি, আলোচনা চক্ৰ অনুষ্ঠিত কৰিও সাম্প্ৰতিক কালৰ সমস্যাসমূহৰ বিষয়ে আলোচনা কৰাৰ লগতে সমাধানৰ উপায়ো চিন্তা কৰা দেখা গৈছে। কিন্তু এই সমস্যাসমূহৰ সমাধানৰ সহজ পথ আজিলৈকে কোনেও দিব পৰা নাই। যদিও দিছে, সেয়া সমস্যাসমূহৰ পৰা নিৰাপদ দূৰত্বত থাকিহে দিয়া যেন অনুভৱ হয়; যাৰ ফলত সমস্যাসমূহ সমাধানৰ তেনে কোনো স্পষ্ট ইংগিত পোৱা নাযায়।

কিন্তু আজিৰ পৰা কেইবছৰমান আগেয়ে কেইজনমান মহান ব্যক্তিয়ে এই অসমখনকে “সোণৰ অসম” কৰি গঢ়ি তোলাৰ সপোন দেখিছিল। তেখেতসবে বৰ লুইতৰ পাৰৰ গাঁও-ভূঁই, নগৰ-চহৰ, পৰ্বত-ভৈয়ামৰ লোকসকলক একতাৰ ডোলেৰে বান্ধি ‘এক জাতি’ কৰি গঢ়ি তুলিবলৈ বিচাৰিছিল আৰু যথাসম্ভৱ সফলো হৈছিল। কিন্তু সাম্প্ৰতিক অসমত হৈছে কি ? কেৱল আনক মাৰি-কাটি নিজৰ স্বাৰ্থ পূৰণ কৰাৰ সপোন দেখিছে।

বৰ্তমান অসম এশ-এবুৰি সমস্যাৰে জৰ্জৰিত। অসমত ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, শিক্ষা আদিৰ পৰা উদ্ভৱ হোৱা সমস্যাই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। ইয়াৰ উপৰিও ভূতৰ ওপৰত দানহ পৰাদি অসমত উদ্ভৱ হৈছে পৃথকীকৰণ নীতি, সাম্প্ৰদায়িক সংঘৰ্ষ। কিন্তু মোৰ সীমিত জ্ঞানেৰে মাত্ৰ কেইটামান সমস্যাৰ বিষয়েহে ইয়াত প্ৰকাশ কৰিবৰ প্ৰয়াস কৰিছো। মোৰ বোধেৰে অসমৰ জনসাধাৰণৰ মনত আমি ‘এক জাতি’ এই মানসিকতা লাহে লাহে কমি অহাৰ উপক্ৰম হৈছে। এনে সংকট কালত অসমীয়া জাতিটো সবল আৰু সু-নেতৃত্ব দি আগবঢ়াই নিবলৈ যোগ্য নেতাৰ প্ৰয়োজন। কিন্তু তেনে নেতা অসমত আজি বাৰুকৈয়ে অভাৱ। অসমৰ ৰাজনৈতিক ক্ষেত্ৰ কলুষিত হৈ পৰিছে। আজিৰ ৰাজনীতিত আত্মত্যাগ নাই, আছে আত্মপ্ৰতিষ্ঠাৰ উন্মত্ততা। নৈতিকতাবিহীন, মেৰুদণ্ডহীন এচাম নেতাৰ হাতত প্ৰশাসনৰ বাঘজৰীডাল ন্যস্ত থকাৰ বাবে অসমৰ ৰাজনৈতিক সমস্যাসমূহ সমাধান হোৱাৰ বিপৰীতে বৃদ্ধি হোৱাহে পৰিলক্ষিত হৈছে। আজি অসমৰ শাসকসকলে জাতিৰ অস্তিত্ব ৰক্ষা কৰিব বিচাৰে বন্দুকেৰে ; আজি অসমত বন্দুকেহে কথা কয় বুলি ক'ব পাৰি।

বৰ্তমান অসমৰ সমস্যাসমূহ ফঁহিয়াই চালে এটা কথা লক্ষ্য কৰা যায় যে, অসমৰ ৰাইজৰ বৰ্তমান অসমৰ সমস্যা সম্পৰ্কে স্পষ্ট ধাৰণাৰ অভাৱ। অসমৰ বিভিন্ন পৰিস্থিতিত সৃষ্টি হোৱা ভিন ভিন সমস্যা সম্পৰ্কে বুজ লৈ অভাৱ-অভিযোগসমূহ অনুধাৱন কৰিব পৰা নেতাৰ অসমত আজি বাৰুকৈয়ে অভাৱ। ইয়াত আছে মাথো অৰ্থৰ মূল্য দি প্ৰাৰ্থীত্ব লাভ কৰা এচাম মুখা পিন্ধা ভণ্ড। এই মুখা পিন্ধা ভণ্ডসকলৰ

কোনো গণভিত্তি নাই, দেশৰ সমস্যাসমূহৰ বুজ লোৱাৰ ইচ্ছা নাই ; এওঁলোকৰ ইচ্ছা মাথো শোষণ, অত্যাচাৰ কৰি নিজ স্বাৰ্থ পূৰণ কৰা। বৰ্তমান অসমৰ কিছুমান ৰাজনৈতিক নেতাই অৰ্থ মূল্য দি দেশ প্ৰেমক কিনিব খোজে, দেশৰ ভেটি বান্ধিব বিচাৰে, কিন্তু ই একেবাৰে আকাশত চাং পতা কথা।

সাম্প্ৰতিক অসমত দেখা দিয়া উগ্ৰবাদী সমস্যা, গোষ্ঠীগত সমস্যা আদিয়ে অসমৰ প্ৰায়বোৰ ক্ষেত্ৰকে বিপন্ন কৰি তুলিছে। নোপোৱাৰ বেদনা, শোষণৰ ভয় আৰু ধনীক শ্ৰেণীৰ দ্বাৰা লাঞ্ছিত হোৱাৰ ভয়ে অসমৰ এচাম মানুহক হাতত মৰণাস্ত্ৰ তুলি লবলৈ বাধ্য কৰাইছে আৰু তাৰ ফলশ্ৰুতিতেই অসমত এক ভয়ংকৰ অচলাৱস্থাৰ সৃষ্টি হৈছে। যিবোৰ সমস্যা আলাপ-আলোচনাৰ মাজেৰে সমাধান কৰিব পাৰি তেনে সমস্যাসমূহ অসমৰ ৰাইজে বন্দুক বা তেনে মৰণাস্ত্ৰৰেহে সমাধান কৰিব বিচাৰে। যাৰ ফলত অসমৰ সমাজ জীৱনেও আজি এটা এটা জটিল সমস্যাৰূপে থিয় দিয়া যেন অনুভৱ হয়। অসমৰ সামাজিক জীৱনৰ সুখ-সমৃদ্ধি আৰু শৃংখলাৰ মূল উৎস সততা, নৈতিকতা, সামাজিক মূল্যবোধ আদি মানবীয় গুণসমূহৰ চূড়ান্ত অৱক্ষয় ঘটা পৰিলক্ষিত হৈছে। যাৰ বাবে ভাতৃয়ে ভাতৃক হত্যা কৰিবলৈ কোণ্ঠাবোধ নকৰা হ'ল। সকলো ফালেই কেৱল দুৰ্নীতি আৰু সন্ত্ৰাসৰ ৰাজত্ব— ঠিক এনে সময়তে এখন ৰাজ্যত প্ৰয়োজন হয় মানবীয় গুণসমূহৰ প্ৰকৃত মূল্যায়নৰ আৰু এখন ৰাজ্য বা এটা জাতিৰ ভৱিষ্যত নিৰ্ভৰ কৰে জাতীয় চৰিত্ৰৰ ওপৰত। সেয়ে এখন দেশক বা ৰাজ্যক উন্নতিৰ জখলাত তুলি নিবলৈ হ'লে জনসাধাৰণৰ সজ চৰিত্ৰ, ধৰ্মশীলা, শৃংখলাবদ্ধ আৰু কৰ্মস্পৃহা থকাটো নিতান্তই বাঞ্চনীয়। তেতিয়াহে অসমৰ খিলঞ্জীয়া ভাষা সংস্কৃতিৰ উন্নতিৰ ক্ষেত্ৰত সৃষ্টি হোৱা বিৰাট অৱক্ষয়ৰ ম্লান পৰিব।

অসমৰ এই সংকট কালত সমস্যাসমূহ সমাধান কৰিবৰ বাবে কোনটো পথ বাচি লব লাগিব, কিদৰে যুৱক-যুৱতীচামক কৰ্ম সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰিব পাৰি তাৰ বাবে সম্প্ৰতি প্ৰয়োজন হৈছে এক উমৈহতীয়া চিন্তা-চেতনা জাগৰণৰ জন্ম দিয়া। যুৱ শক্তিয়েই মূল শক্তি। সেয়ে এই যুৱ শক্তিকেই কৰ্ম সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰি তুলিব লাগিব, কৰ্ম বিমুখ যুৱক-যুৱতীক লৈ গঢ়ি তুলিব লাগিব চিন্তা-চেতনা জন্ম দিয়াৰ ভঁৰাল। আজিৰ এই সন্ধিক্ষণত অসমক সৎ পথে আগবঢ়াই নিবলৈ আমাক মহান ব্যক্তিৰ জীৱন ব্যাখ্যাই নিশ্চয় সহায় কৰিব।

সৎ, সাহসী যুৱক-যুৱতীসকলে সমস্যাসমূহ বিশ্লেষণ কৰি চহা ৰাইজক অৱগত কৰালে ৰাইজে নিশ্চয় অসমৰ জ্বলন্ত সমস্যাসমূহ সমাধান কৰাত সদিচ্ছা প্ৰকাশ কৰিব। ক্ষমতাৰ ৰাগীত মতলীয়া ৰাজনীতিবিদসকলৰ প্ৰতি যুৱ শক্তিয়েই কঠোৰ পদক্ষেপ লব পাৰে। ঠিক সেইদৰে দুৰ্নীতিকাৰী, মহাজন, চুৰ, মাফিয়া, লম্পট আদিৰ মুখা খুলি দি তীব্ৰ বাক্য বাণেৰে সমালোচনা কৰিব লাগে। এইবোৰৰ উপৰিও উগ্ৰবাদীৰ দৰে এটা জটিল সমস্যা সমাধান কৰিবৰ বাবেও যুৱ শক্তিয়েই চৰকাৰৰ লগত মধ্যস্থতাকাৰীৰ ভূমিকা লব পাৰে। ঠিক তেনেদৰে গোষ্ঠীগত সমস্যাসমূহৰ উৎস বিচাৰি আলাপ আলোচনাৰ মাজেৰে সমাধানৰ পথ নিৰ্দ্ধাৰণ কৰিব লাগে, যাতে অসমত ভাতৃঘাতী সংঘৰ্ষৰ ওৰ পৰে।

আহক, আমি যুৱ শক্তিয়ে অসমৰ সমস্যাসমূহ সমাধান কৰি অসমী মাতৃক শতৰূপা কৰি গঢ়ি তোলো। বন্দুক-বাৰুদ আঁতৰাই শংকৰদেৱ, ৰাভা, জ্যোতিপ্ৰসাদ আদি মহান ব্যক্তিসকলৰ জীৱন আদৰ্শেৰে অনুপ্ৰাণিত হৈ, ত্যাগক সাৰোগত কৰি, কলা-সংস্কৃতিৰ পথেৰে অগ্ৰসৰ হৈ, বৰলুইতৰ দুয়ো পাৰৰ সকলো জাতি-উপজাতিক একতাৰ এনাজৰীৰে বান্ধি শোষণ-অত্যাচাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰো। তেতিয়াহে আমি আকৌ বৰলুইতৰ দুয়ো পাৰক 'বৰ অসম' কৰি গঢ়ি তুলিব পাৰিম আৰু আকৌ গাব পাৰিম—

বাজক ডবা
বাজক শঙ্খ,
বাজক মৃদং, খোল,
অসম আকৌ উন্নতিৰ পথত
জয় আই অসম বোল
জয় আই অসম বোল।।

☆

শিক্ষাই হৈছে মূল উপায়। যি মানৱ জীৱনলৈ সুখ-শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।

—এৰিষ্টটল





# জীৱনৰ সৌন্দৰ্য ভোগ

মুনমী কোঁৱৰ
স্নাতক ১ম বৰ্ষ

মৃত্যু এক চিৰন্তন সত্য। 'চাপৰিলে মেঘ নেৰাই'ৰ দৰে মানুহে ভয় কৰিলেও মৃত্যু মানুহৰ জীৱনলৈ নহাকৈ নাথাকে। যিসকলে চৰম দুৰ্ভাগ্য আৰু যন্ত্ৰণাৰ বিৰুদ্ধে নিঃসংগ সংগ্ৰাম কৰি জীৱন আৰু মৃত্যুক একেভাৱে গ্ৰহণ কৰিব পাৰিছে তেওঁলোকেহে জীৱনটোক ভালদৰে উপভোগ কৰিছে। তেওঁলোকে মৃত্যুক জয় কৰিব পাৰিছে। খুউব পিয়াহত পানী খুৱা মানুহ এজনে যেনেকৈ পাত্ৰ উবুৰিয়াই তলিলৈকে শেষ কৰি পানী খায়, সৰু ল'ৰা-ছোৱালীয়ে যেনেকৈ গুটিটো পৰ্যন্ত চুহি চুহি আম খায়, ঠিক তেনেদৰে মানুহেও জীৱনটোক উপভোগ কৰা উচিত নিঃশেষ কৰি— শেষ মুহূৰ্ত পৰ্যন্ত। সেয়েহে হোমেন বৰগোঁহাইদেৱে কৈছে যে প্ৰকৃতিৰ অপৰূপ দান এই জীৱনটোক পৰিপূৰ্ণভাৱে উপভোগ কৰাই হ'ল তেওঁৰ উচ্চতম আকাংক্ষা।

সমগ্ৰ মানৱ জাতিকেই সাধাৰণ মানুহ আৰু অসাধাৰণ মানুহ এই দুটা শ্ৰেণীত ভাগ কৰিব পাৰি। অসাধাৰণ মানুহ লাখ বা কোটিৰ ভিতৰত এজনহে পোৱা যায়। তেওঁলোকে জন্মতেই কিছুমান প্ৰতিভা লৈ উপজে। যাৰ জৰিয়তে তেখেতসকলে নিজৰ কৃতকাৰ্যতাৰ মাপকাঠি নিজেই তৈয়াৰ কৰি লয়। তেখেতসকলৰ কৰ্মই সমগ্ৰ মানৱ সমাজৰ বাবে নতুন নতুন লক্ষ্য ঠিক কৰি দি নতুন দিগন্তৰ উন্মোচন কৰি দিয়ে।

এনে এক অসাধাৰণ ব্যক্তিত্বৰ গৰাকী আছিল গ্ৰীক পুৰাণৰ বিখ্যাত ছিছিফাচৰ জীৱন কাহিনী। তেওঁক এটা অন্ধকাৰ কাৰাগাৰত বন্ধ কৰি ৰখা হৈছিল, য'ত নেকি বতাহ সোমাবৰ বাবে এটা সৰু ফুটাৰ বাহিৰে পোহৰ সোমাব পৰা অন্য কোনো পথ নাছিল। এনে এক দুৰ্গন্ধময় নৰকৰ চিৰ অন্ধকাৰ কোঠাত দিন কটাব লগা হোৱাহেঁতেন যি কোনো সাধাৰণ মানুহেই হয়তু বলিয়া হৈ গ'লহেঁতেন নাইবা বাছি ল'লেহেঁতেন বেৰত খুন্দিয়াই মূৰ ফালি আত্মহত্যাৰ পথ। কিন্তু যদিও ছিছিফাছে জানিছিল সেই দুৰ্ভেদ্য দুৰ্গৰ পৰা মুক্তি পোৱাৰ একমাত্ৰ পথ মৃত্যু, তথাপিও তেওঁ হতাশা আৰু যন্ত্ৰণাৰ ওচৰত হাৰ মনা নাছিল। তেওঁ নিজৰ মানসিক সুস্থতা আৰু নৈতিক সাহস অক্ষুন্ন ৰাখিবৰ বাবে এটা পিন জাতীয় বস্তু আন্ধাৰ মজিয়াত পেলাই দিছিল আৰু মাটিত বগুৱা বাই পিনটো বিছাৰি ফুৰিছিল। তেওঁ যেতিয়া পিনটো বিছাৰি পাইছিল, পোনৰ সেই একেটা কামকেই পুনৰাবৃত্তি কৰিছিল। এই কাৰ্যৰ দ্বাৰাই বিৰল নৈতিক বলেৰে তেওঁ নিজকে মস্তিষ্ক বিকৃতিৰ পৰা ৰক্ষা কৰিছিল আৰু প্ৰমাণ কৰিছিল Triumph of spirit over flesh. অৰ্থাৎ দেহৰ ওপৰত আধ্যাত্মিক শক্তিৰ বিজয়।

ঠিক তেনেদৰে বিৰল ব্যক্তিত্বৰ অধিকাৰিণী আছিল হানা ইয়ামাহাতা। তেওঁৰ সমস্ত শৰীৰ এনেভাৱে পক্ষাঘাতগ্ৰস্ত আছিল যে একমাত্ৰ চকুৰ পতা দুটাৰ বাহিৰে তেওঁৰ দেহৰ আন আন অংগসমূহ লৰচৰ কৰিব নোৱাৰিছিল। আনকি তেওঁ উশাহো ল'ব লগা হৈছিল এটা বিশেষভাৱে নিৰ্মিত যন্ত্ৰৰ সহায়েৰেহে। সাধাৰণ মানুহৰ বাবে মৃত্যুক মাতি থকাৰ বাহিৰে জীৱনৰ কোনো অৰ্থ নাথাকিলহেঁতেন। কিন্তু ইয়ামাহাতাৰ প্ৰাণশক্তি ইমানেই প্ৰবল আছিল যে বাস্তৱৰ ওচৰত হাৰ নামানি কেৱল চকুৰ পতাৰে ২৮০ পৃষ্ঠাৰ এখন কিতাপ লিখি উলিয়াবলৈ সক্ষম হৈছিল বিশেষভাৱে নিৰ্মিত এক কম্পিউটাৰৰ যোগেদি। চকুৰ পতা জপায় আৰু মেলি কম্পিউটাৰক যি নিৰ্দিশ দিয়ে, সেই নিৰ্দেশ কম্পিউটাৰে বুজি পায় আৰু এটা এটা কৈ আখৰ লিপিবদ্ধ হৈ ২৮০ পৃষ্ঠাৰ এখন কিতাপ তেওঁ লিখি থৈ গ'ল।

ইতিহাসৰ পাতত এনে ব্যক্তিৰ জীৱন গাঁথা বিৰল নহয়, যিসকলে মৃত্যু, যান্ত্ৰণা আৰু হতাশাৰ মাজতো নিজৰ জয়গান গাব পাৰিছিল। চৰম দুৰ্ভাগ্য আৰু যন্ত্ৰণাৰ বিৰুদ্ধে নিঃসংগ সংগ্ৰাম কৰি অপৰাজয় মানৱআত্মাৰ জয়গান ঘোষণা কৰা সকলেই হ'ল প্ৰকৃত বীৰ বীৰাংগনা।

জীৱনটো এক প্ৰকাৰৰ পৰ্বত আৰোহন। অসীম দুখ, কষ্ট আৰু দুৰ্লংঘ্য বাধা আছে কাৰণে ই বেছি ৰোমাঞ্চকৰ। মানুহৰ জীৱনত ঘাত-প্ৰতিঘাত থাকেই সেয়েহে বাহিৰৰ প্ৰকৃতিক জয় কৰিবলৈ মানুহক লাগে জ্ঞান আৰু ভিতৰৰ প্ৰকৃতি অৰ্থাৎ মনটোক জয় কৰিবলৈ মানুহক লাগে প্ৰজ্ঞা। উদাহৰণস্বৰূপে— ধন ঘটিবলৈ মানুহক বুদ্ধি বা জ্ঞানৰ প্ৰয়োজন; কিন্তু সজ কামত সেই ধন খৰছ কৰি জীৱনত প্ৰকৃত অৰ্থত সুখী হ'বলৈ হ'লে মানুহক লাগে প্ৰজ্ঞা। শৰীৰটোৱেই হ'ল মানুহৰ সকলো আবেগ অনুভূতি আৰু চিন্তাৰ উৎস। আমাৰ শৰীৰৰ যন্ত্ৰ-পাতিবোৰ ঠিকমতে চলাৰ ওপৰতেই নিৰ্ভৰ কৰে জীৱনৰ সুখ আৰু শান্তি। সুস্থ দেহ এটাত হে সুস্থ মন এটা থাকিব পাৰে। বাৰ্টাণ্ড ৰাছেলৰ মতে— "জীৱনত শান্তি আৰু আনন্দ পাবৰ কাৰণে দৈনিক এঘণ্টা ঈশ্বৰোপাসনা কৰাতকৈ দৈনিক আধা ঘণ্টা ব্যায়াম

বেছি ফলদায়ক।” কাৰণ একে ঠাইতে থিয় হৈ বা বহি বৈ নাথাকি খোজকাঢ়ি লৰচৰ কৰি থাকিলে মনটো বেছি সজীৱ আৰু পৰিষ্কাৰ হৈ থাকে। শৰীৰটো লৰচৰ কৰি থাকিলে মূৰলৈ বেছিকৈ তেজ আহে আৰু তেজলৈ বেছিকৈ আহে অম্লজান। জীৱনটোৰ প্ৰতি এটা উজ্জ্বল আশাবাদী আৰু ইতিবাচক দৃষ্টিভংগী আয়ত্ব কৰিবৰ কাৰণে যিটো বস্তুৰ সৰ্বপ্ৰথম প্ৰয়োজন সেইটোৱেই হ'ল স্বাস্থ্য। সেয়েহে কোৱা হয়— “স্বাস্থ্য পৰম ধন।”

দৈহিকভাৱে অসুন্দৰ মানুহ এজনৰো কিছুমান মানসিক বৈশিষ্ট্যই আমাক আকৰ্ষণ কৰে। বিখ্যাত চৈনিক লেখক লিন ইউটাঙে সৌন্দৰ্যৰ ব্যাখ্যা আগবঢ়াই কৈছে— “নিৰ্বোধ মানুহ এজন দৈহিকভাৱে যিমানেই ধুনীয়া নহওক কিয় তেওঁক প্ৰকৃততে কেতিয়াও ধুনীয়া বা আকৰ্ষণীয় মানুহ বুলি ক'ব নোৱাৰি। কাৰণ যিটো বস্তুৱে মানুহ এজনক ধুনীয়া বা আকৰ্ষণীয় কৰি তোলে সেইটো হ'ল ব্যক্তিজনৰ মুখত ফুটি উঠা বুদ্ধিৰ দীপ্তি আৰু আবেগৰ লাবণ্য।” এনে গুণ অৰ্জন কৰাৰ প্ৰধান উপায় হ'ল নিয়মিত কিতাপ পঢ়া আৰু চিন্তা শক্তিৰ বিকাশ সাধন কৰা। কিতাপে মানুহৰ মনত নানা ভাৱৰ আলোড়নৰ সৃষ্টি কৰে আৰু সেই আলোড়ন ব্যক্তিজনৰ মুখত ফুটি উঠে। যিজন ব্যক্তিয়ে মনত গভীৰ চিন্তা আৰু আবেগ জগাই তুলিব পৰা মহৎ গ্ৰন্থ নিয়মিতভাৱে পঢ়ে, তেনে ব্যক্তিৰ মুখ কেতিয়াও নিৰ্বোধ আৰু ভাৱলেশহীন হ'ব নোৱাৰে। গতিকে যি বিলাকৰ মুখাবয়ত অন্তৰ্জগতৰ গভীৰ আবেগ, যেনে— দয়া, প্ৰেম, নম্ৰতা, বিনয় তথা সৰ্বপ্ৰকাৰ সুৰুচি পূৰ্ণ এটা মন প্ৰতিফলিত হৈ থাকে তেওঁতকৈ বেছি সুন্দৰ আৰু আকৰ্ষণীয় মানুহ আন কোনো হ'ব নোৱাৰে।

যিবিলাক গুণে মানুহক মানুহ কৰিছে সেইবোৰৰ ভিতৰত এটা হ'ল স্মৃতিশক্তি। শৰীৰৰ অংগ-প্ৰত্যঙ্গ আৰু মাংসপেশীবোৰ ব্যৱহাৰ নকৰিলে সেইবোৰ ক্ৰমাত দুৰ্বল আৰু নিষ্ক্ৰিয় হৈ পৰাৰ দৰে নিয়মিতভাৱে স্মৃতিশক্তিৰ অনুশীলন নকৰিলে ই অকমন্য হৈ পৰে। বাৰ্ধক্যজনিত কাৰণত স্মৃতিশক্তি বিলোপ হয় যদিও প্ৰতিদিনে নিয়মিত স্মৃতিশক্তি অনুশীলন কৰিলে জীৱনৰ শেষ মুহূৰ্ত পৰ্যন্ত কাম চলাকৈ স্মৃতিশক্তি অটুট ৰাখিব পাৰি। ইয়াৰ বাবে নিয়মিতভাৱে এটি দীঘল কবিতা মুখস্থ কৰিবলৈ চেষ্টা কৰিলেও বহুখিনি লাভজনক।

মহৎ ব্যক্তিসকলে জীৱনত আটাইতকৈ বেছি মূল্য দিয়ে সময়ক। কাৰণ সময়ৰ ধাতুৰে জীৱন নিৰ্মিত। তেখেতসকলৰ প্ৰতিভাৰ গোপন ৰহস্যৰ আঁৰত থাকে কঠোৰ পৰিশ্ৰম। কেৱল প্ৰতিভাৰ জোৰত আজিলৈকে কোনেও মহৎ কাম কৰিব পৰা নাই। প্ৰতিভাৰ লগত পৰিশ্ৰমৰ উপৰিও যোগ দিব লগা হয় মনৰ একাগ্ৰতা আৰু মনোযোগৰ। অৰ্থাৎ জীৱনত সফলতা অৰ্জন কৰিবলৈ পৰিশ্ৰম আৰু একাগ্ৰতাৰ কোনো বিকল্প নাই। প্ৰতিভাৰ ৰহস্য ব্যাখ্যা কৰি ডিকেন্সে কৈছিল— One percent inspiration and ninetynine percent perspiration অৰ্থাৎ প্ৰতিভা হ'ল শতকৰা এভাগ মাত্ৰ প্ৰেৰণা, বাকী নিৰানব্বৈ ভাগেই কঠোৰ ঘৰ্মাক্ত পৰিশ্ৰম। ঠিক তেনেদৰে মনোযোগ আৰু একাগ্ৰতাই মানুহক খ্যাতি আৰু সাফল্যৰ উচ্চতম শিখৰত আৰোহণ কৰাত সহায় কৰে। এই প্ৰসংগতে ইটালীৰ সংগীতজ্ঞ ভাৰ্দিৰ উক্তিটো মন কৰিবলগীয়া। তেওঁৰ মতে এটা নতুন সুৰ সৃষ্টি কৰিবৰ সময়ত তেওঁ যিমান মনোযোগ দিয়ে, এটা সুমথিৰা টেঙাৰ বাকলি গুচাবৰ সময়তো সেই একেই সমানেই মনোযোগ দিয়ে।

ঠিক তেনেদৰে মহাভাৰতৰ কৌৰব-পাণ্ডৱৰ অস্ত্ৰবিদ্যাৰ পৰীক্ষাৰ সময়ত কোনোবাই গোটেই গছজোপাৰ সৈতে চৰাইটোক দেখিছিল, কোনোবাই গোটেই চৰাইটো দেখিছিল, কিন্তু একমাত্ৰ অৰ্জুনে দেখিছিল মাত্ৰ চৰাইটোৰ মূৰটো। কাৰণ তেওঁৰ শৰৰ লক্ষ্য আছিল চৰাইটোৰ মূৰটো। সেয়েহে অস্ত্ৰবিদ্যাৰ পৰীক্ষাত অৰ্জুনে সৰ্বশ্ৰেষ্ঠ ধনুধৰৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। গতিকে দেখা যায় যে মহাভাৰতৰ পৰা আৰম্ভ কৰি আধুনিক যুগৰ সংগীতজ্ঞ ভাৰ্দি নাইবা টেনিছ তাৰকা ইভান লেণ্ডলৈকে সকলোৱে এই কথাৰ সত্যতা প্ৰমাণ কৰিছে যে যি কোনো সাধনাৰ সিদ্ধি লাভৰ কাৰণে আটাইতকৈ দৰকাৰী কথা হ'ল পৰিশ্ৰম, একাগ্ৰতা আৰু পৰিপূৰ্ণ মনঃসংযোগ। যিলোকৰ পাল মাৰি কাম কৰাৰ স্বভাৱ, যি নিজক সংযত কৰিব নোৱাৰে তেওঁ কেতিয়াও জীৱন যুদ্ধত জয়ী হ'ব নোৱাৰে। যি জনে নিজৰ ওচৰতেই পৰাজয় হ'ব লগীয়া হয়, সেই ব্যক্তি বহিঃজগতত সদায় কলংকিত হৈ ৰ'বলগীয়া হয়। জীৱনৰ ৰহস্য জানিবলৈ মানুহ জন্ম হোৱা নাই, মানুহ জন্ম হৈছে জীৱনটো উপভোগ কৰিবলৈ। গতিকে যি জনে প্ৰকৃতি প্ৰদত্ত গুণাৱলীৰ বিকাশ সাধন কৰি এটা সুখী, আনন্দময় জীৱন-যাপনৰ কৌশল আয়ত্ব কৰিব পাৰিছে, তেওঁহে জীৱনটোক সম্পূৰ্ণৰূপে উপভোগ কৰিব পাৰিছে। নিজৰ জীৱনটোক স্বাধীনভাৱে পৰিচালনা কৰি আনন্দ উপভোগ কৰিবৰ বাবে জ্ঞানীসকলে এক কৌশল অৱলম্বন কৰে, সেইটো হ'ল— নিৰৱ হৈ থাকিবা, নিৰ্জনতাত নিজৰ কাম কৰিবা, বাহিৰত দেখুৱাই প্ৰচলিত মতত হয়ভৰ দি চলিবা, কিন্তু নিজৰ মনৰ ভিতৰত সম্পূৰ্ণ মুক্ত হৈ থাকিবা।

জীৱনটো এখন সংগ্ৰামৰ থলি। সাহসী আৰু কৰ্মপটু জনেহে এই সংগ্ৰামত জয়লাভ কৰিব পাৰে। গতিকে দেখা যায় যে জীৱনটো সুখ-আনন্দময় আৰু উপভোগ্য কৰি তোলাৰ চাবিকাঠি থাকে প্ৰত্যেকৰে নিজৰ হাতত। কাৰণ পৃথিৱীত কোনো মানুহৰেই জীৱন সমূলি ব্যৰ্থ বা নিৰানন্দ হ'ব নোৱাৰে। সদৌ শেষত কৰ্মই হ'ল উপাসনা, ইঁহিয়েই হ'ল জীৱন। যি জনে সুখ-দুখ উভয়কে হৰ্ষমনে গ্ৰহণ কৰিব জানে, তেওঁহে জীৱনৰ প্ৰকৃত সৌন্দৰ্য ভোগ কৰিব পাৰে। ☆





# অসমৰ সমস্যা আৰু সমাজৰ প্ৰভাৱ

✍ খঞ্জন বৰুৱা
উঃ মাঃ ১ম বৰ্ষ

এটা কথা সত্য যে সকলো সমাজতে বহু সমস্যা আছে আৰু থাকিব কিন্তু এনেকুৱা এখন ঠাই নাই য'ত নেকি অসমৰ নিচিনা উত্তাল সমস্যাই দেখা দিছে। সকলো দিশতে যেনে— ভাষা, সংস্কৃতি আৰু অৰ্থনৈতিক দিশত চাৰিওফালে সমস্যাই বেৰি ধৰিছে। কিন্তু সেই সমস্যাবোৰৰ পৰা পৰিত্ৰাণ বা সমাধান পোৱাৰ বাবে আমি নিজৰ ভুলবোৰ স্বীকাৰ নকৰি আনৰ ওপৰত দোষবোৰ জাপি দিবলৈ চেষ্টা কৰো কিয় ? আজিকালি বিখ্যাত (!) ৰাজনীতিজ্ঞ লোকসকলে অসমত ডাঙৰ ডাঙৰ সভা পাতি এনেকুৱা এটা ধাৰণা আমাৰ সাধাৰণ ৰাইজক দিয়াব বিচাৰে যেন ভাৰতীয় সংবিধানৰ এটা-দুটা অনুচ্ছেদৰ সংশোধন কৰিলেই সকলো জনসাধাৰণে পৰিত্ৰাণ পাব। আন এটা কথা আমাৰ অসমবাসী লোকসকলে কথাই প্ৰতি নতুন দিল্লীক দোষ দি থকাটোও পলায়নবাদী মানসিকতাৰ পৰিচায়ক। সহনশীলতাৰে আমি আত্মসমালোচনাকে আদৰিব লাগিব।

অসমত অসমীয়া ভাষায়ো নিজৰ অস্তিত্ব হেৰুৱাৰ উপক্ৰম হৈছে। ১৯৬০ চনৰ অক্টোবৰ মাহত অসমীয়া ভাষাক ৰাজ্যিক ভাষা হিচাবে গণ্য কৰা হয়। কিন্তু অসমৰ তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই এটা কথা কৈছিল যে, “অসমীয়া ভাষাটো ৰাজ্যিক ভাষা হিচাপে গণ্য কৰা হ'ব নে নহয় সেই কথাটো অনা-অসমীয়া লোকসকলক বিচাৰ কৰিবলৈ দিয়া হওঁক ?” এই কথাত গোটেই অসমজুৰি হৈ-চৈৰ সৃষ্টি হৈছিল আৰু অৱশেষত মুখ্যমন্ত্ৰীয়ে ৰাজ্যিক ভাষা হিচাবে অসমীয়া ভাষাক স্বীকৃতি দিলে।

মই এটা কথা লিখিবলৈ কুণ্ঠাবোধ নকৰো যে আমাৰ অসমীয়া লোকসকলৰ এলাহ বেছি। সেই কাৰণে কিবা এটা কাম কৰিবলৈ হ'লে কামত গাফিলতি কৰাৰ উদাহৰণ বহুত আছে। ভাৰতৰ ভূতাত্বিক বৈজ্ঞানিকসকলৰ মতে এই ৰাজ্যখনৰ সকলোতকৈ পিছপৰা ঠাই গোৱালপাৰাত যদি ভালকৈ উন্নত মানবিশিষ্ট শস্যৰ খেতি কৰা হয়, তেতিয়া অসমৰ লোকসকলে খাদ্য পৰিমাণৰ ফালৰ পৰা অলপ হ'লেও উপকৃত হ'ব। কিন্তু তাকে নকৰি আমি হিংসা আৰু সমালোচনা কৰি থকাই প্ৰধান কাম হৈ পৰিছে।

এতিয়া অসমত অৰ্থনৈতিক সমস্যাই যি কালৰূপ লৈছে তাৰ পৰিণাম অচিৰেই অসমবাসীয়ে ভূগিবলৈ পাব। এখন ভাল সমাজ গঢ়িবলৈ হ'লে আমাৰ উঠি অহা যুৱছামে আগুৱাই যাবলৈ চেষ্টা কৰিব লাগে নিজকে সংযত ৰাখি। অৰ্থনৈতিক দিশত আৰু এখোজ আগুৱাই যাবলৈ হ'লে আমাৰ যুৱছামে ধনাত্মক দিশত চিন্তা-চৰ্চা কৰিবলৈ চেষ্টা কৰিব লাগে আৰু সকলোৱে মিলি আমাৰ সমাজত উত্থাপিত হোৱা সমস্যাবোৰ দূৰ কৰিবলৈ যত্নপৰ হ'ব লাগে।

আমাৰ ৰাজ্যই বহুদূৰ আগুৱাই যাব পাৰিব যদিহে আমি সকলোৱে সহায়ৰ হাত আগবঢ়াবলৈ প্ৰস্তুত হওঁ আৰু আমাৰ ওপৰত ন্যস্ত হোৱা দায়িত্ব আৰু কৰ্তব্যবোৰ সুকলমে কৰি যাবলৈ আগ্ৰহী হওঁ।

আজিৰ অসমত আমি যেতিয়া সকলো সমস্যা চালিজাৰি চাওঁ এটা বৃহৎ সমস্যা আমাৰ চকুৰ আগত ভাহি আহে। সেই সমস্যাটো হৈছে বাংলাদেশীসকলৰ অবৈধ মাটি দখল কৰা সমস্যা। অসমত প্ৰধানকৈ দুটা পৰ্যায়ত অবৈধ লোকসকলৰ আগমণ ঘটে ; বৃটিছ শাসনৰ সময়ত ১৮২৬ ৰ পৰা ১৯০৫ চনলৈ আৰু ১৯০৫ চনৰ পৰা ১৯৪৭ চনলৈ। প্ৰথম পৰ্যায়ত অসমলৈ আহে প্ৰধানকৈ তিনি ধৰণৰ লোক। চাহ কৰ্মচাৰী লোকসকল (চাহ বাগানৰ মজদুৰ, ঠিকাদাৰ) আৰু ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা অহা বেপাৰী আৰু ব্যৱসায়ী লোকসকল। দ্বিতীয় পৰ্যায়ত ১৯০৫ চনৰ প্ৰাৰম্ভৰ পৰা মুছলমান লোকসকলৰ আগমণ ঘটে পূৰ্ব বংগাল বা বাংলাদেশৰ পৰা আৰু অসমৰ গাঁৱে-ভূঁঞে থিতাপি লবলৈ আৰম্ভ কৰে। ১৯৪৭ চনলৈকে অসমত নাই কমেও তিনি (৩) কোটি অনা-অসমীয়া লোক বাস কৰিবলৈ আহে।

১৯৩১ চনত কৰা লোকপিয়ল মতে তেতিয়াৰ অসমৰ ভাৰপ্ৰাপ্ত লোকপিয়ল কমিচনাৰৰ মতে, “১৯২১ চনৰ পৰা ১৯৩১ চনৰ মাজভাগত বাংলাদেশী লোকসকলে সম্পূৰ্ণৰূপে নগাঁও আৰু বৰপেটা নিজৰ দখললৈ আনে আৰু দৰং অঞ্চলটো লাহে লাহে সিহঁতৰ হাতলৈ গৈ থাকে।” তেওঁৰ মতে, “আৰু ৩০-৪০ বছৰৰ পিছত শিৱসাগৰ জিলাই অসমৰ এনেকুৱা এখন ঠাই হ'ব য'ত নেকি অসমীয়াই নিজস্ব বুলি গণ্য কৰিব পাৰিব।”

আমাৰ কেন্দ্ৰীয় চৰকাৰে নজনাকৈ থকা নহয় যে অসমত অবৈধ লোকসকলে বাস কৰি আহিছে বুলি। সংসদে গৃহিত কৰা ১৯০০ চনৰ ‘অবৈধলোক আইন'খনৰ আজিৰ তাৰিখলৈকে একো ধনাত্মক পদক্ষেপ নোলোৱাত অসমৰ ৰাইজে তবধ মানিছে। ভোটৰ তালিকাতো অবৈধভাৱে বাসকৰা লোকসকলৰ নাম আহিবলৈ ধৰিলে।

আন এটা সমস্যা হ'ল অসমত অবৈধ লোকসকলে পোৱা সংস্থাপনক লৈ। অসমত

অসমীয়া লোকসকলে সংস্থাপন পাবলৈ হ'লে টকা ঢালিবলগীয়া হয়। কিন্তু বাহিৰৰ পৰা অহা লোকসকলক সংস্থাপন দিয়াৰ লগতে থাকিবলৈও দিয়া হয়। অসমত মেধাবী লোকৰ সংখ্যা হ্ৰাস পাইছে নেকি যে বাহিৰৰ পৰা মানুহ মাতি আনি চাকৰি দিছে। এই কথাই অসমবাসীৰ মনত জ্বলা জুইত ঘিউ দিয়াৰ নিচিনা হৈছে। কোনোবা লোকে নিজৰ ঘৰৰ পৰিয়ালৰ চিন্তা নিজৰ ওপৰত লৈ চাকৰি বিচাৰি ফুৰোতে দিন গৈছে আৰু সেই মানুহঘৰে দিনত এসাজ খাই আনসাজৰ কাৰণে চিন্তা কৰিবলগীয়া হৈছে। কোনোবা লোকে নিজৰ ঘৰৰ মাকৰ বা বায়েক-ভনীয়েকৰ গহনা বিক্ৰী কৰি টকা ঢালিও চাকৰি বিচাৰি নেপাই মুখ উলিয়াব নোৱাৰি আত্মহত্যাৰ পথ বাছি লবলগীয়া হৈছে। কিয়, কিহৰ কাৰণে ? আমাৰ অসমৰ উঠি অহা যুৱছামে ইয়াৰ কিবা উপায় উলিয়াব পাৰিছেনে ? সমাজখনৰ বাবে চিন্তা কৰা লোক কেইজন ওলাব ? সকলো নিজৰ মাজতে ব্যস্ত। অসমৰ কৰ্ম পুনৰীক্ষণ সমিতিৰ দ্বাৰা প্ৰস্তুত কৰা খচৰা মতে অসমত থকা প্লাইউদ্ ফেক্টৰীৰ ৮৭ জন উচ্চ পদস্থ অধিকাৰীৰ ভিতৰত ৬৬ বা ৭৬ জনেই অসমৰ বাহিৰৰ। এই লোকসকলৰ ভিতৰত ৯০ শতাংশ লোকৰ সাধাৰণ শিক্ষা আছে আৰু ৫ জন লোকৰ হে কাৰিকৰী উচ্চ শিক্ষা আছে।

অসমত ৰেল বিভাগত নিযুক্তিৰ কাৰণে যি হৈ গ'ল সেইয়া কোনেও পাহৰিব নোৱাৰে। অসমৰ উত্তৰ-পূব সীমান্ত ৰেলৱেৰ সাধাৰণ আৰু চতুৰ্থ শ্ৰেণীৰ পদৰ নাম ভৰ্তি কৰণৰ সময়ত অসমীয়া লোকসকলৰ যি দুৰ্দশা হ'ল সেইয়া এক কলংকিত অধ্যায়। চাকৰিত যোগদান দিবলৈ যোৱা অসমীয়া লোকসকলৰ ওপৰত বিহাৰৰ কিছুমান ঠাইত মাৰধৰ কৰা কাৰ্যই সকলো অসমীয়াৰে মনত মাধমাৰ শোধালে। অকল সেইয়াই নহয় অসমৰ পৰা পৰীক্ষা দিবলৈ যোৱা অসমীয়া যুৱতী এগৰাকীক দলবদ্ধভাৱে ধৰ্ষণ কৰা হয়। ইয়াৰ প্ৰতিবাদত অসমৰ ঠায়ে ঠায়ে বিহাৰী সম্প্ৰদায়ৰ মানুহৰ ওপৰত উপদ্ৰৱ চলিল। ইমানবোৰ হৈ যোৱাৰ সত্ত্বেও অসম চৰকাৰৰ গা নলৰিল।

ভাৰত চৰকাৰে অসমৰ ৰাইজৰ হকে কি কৰি আহিছে অতদিনে ? কোনোবাই ইয়াৰ বিষয়ে ক'ব পাৰিবনে ? ভাৰত চৰকাৰে অসমৰ জনগণক নিজৰ মুঠিত ৰাখিবলৈ যতপৰনাস্তি চেষ্টা চলাই আহিছে। সেইকাৰণে আমি ভাৰত ৰাষ্ট্ৰ শক্তিশালী বুলি গণ্য কৰো কাৰণ তেওঁলোকৰ হাতত এক বিশাল সেনাবাহিনী আছে যাৰ হতুৱাই ভাৰতে অসমৰ জনসাধাৰণৰ ওপৰত এক সহিব নোৱাৰা অত্যাচাৰ চলাই আহিছে।

আমাৰ অৰ্থনৈতিক ব্যৱস্থাটোক ইমান দিনে আমি ভাৰতীয় ৰাষ্ট্ৰৰ দৃষ্টিকোণৰ পৰাহে চাই আহিছো। এতিয়া আমি সেই সম্ভাৱনাক জনগণৰ দৃষ্টিকোণৰ পৰা চাব লাগিব। একেবাৰে নিম্ন স্তৰৰ পৰা প্ৰতিটো অঞ্চলৰে ঔদ্যোগিক পৰিকল্পনাৰ বিষয়ে আমি বিস্তৃত পৰিকল্পনা উলিয়াব লাগিব আৰু সেই অনুসাৰেই প্ৰয়োজনীয় পুঁজি গঠন বা মানৱ সম্পদ বিকাশৰ প্ৰশ্নবিলাক আমি সমাধান কৰিবৰ বাবে চেষ্টা কৰিব লাগিব। এই গুৰুত্বপূৰ্ণ কামৰ বাবে আমাৰ গোটেই ৰাজ্যত সিঁচৰতি হৈ থকা অভিজ্ঞ শিক্ষক-অধ্যাপকসকলৰ ওচৰ চাপিব লাগিব। অঞ্চল ভিত্তিক তথ্যসমূহ তেনেদৰে যুগুটাই আনি সমষ্টিগতভাৱে এখন উন্নয়নৰ খচৰা প্ৰস্তুত কৰিব লাগিব।

আমাৰ প্ৰধান সমস্যা কি জানেনে ? অসমীয়াত ভাল আৰু বেয়া বোলা শব্দ দুটাৰ মাজত মধ্যমীয়া অৰ্থসূচক আৰু অইন কোনো শব্দ নাই। আমাৰ সমাজখনেই যেন তেনেকুৱা মধ্যবৰ্তী অৰ্থৰ প্ৰয়োজনীয়তা অনুভৱ নকৰে। ফলত যি কোনো এটা প্ৰসংগতে অৱস্থান লবলগীয়া হ'লেই আমি হয় ভাল বুলি কৈ সমৰ্থন কৰো, অন্যথা বেয়া বুলি কৈ গুৱালগালি পাৰো। আমাৰ সমাজত যে এতিয়া বুদ্ধিজীৱিসকল ক্ৰমে হ্ৰাস বা নাইকিয়া হৈ আহিছে আমি তাৰ প্ৰমাণ বাৰে বাৰে পাই আহিছো। আমাৰ কিবা ভুল হ'লে তাক আঙুলিয়াই দেখুৱাবলৈ কোনো নোহোৱা হৈছে কাৰণে আমাৰ অসমীয়া সমাজখনে লাহে লাহে অস্তিত্ব হেৰুৱাবলৈ লৈছে।

শেষত এটা কথা কৈ থওঁ, অসমৰ সামগ্ৰিক অনগ্ৰসৰতাৰ বাবে নতুন দিল্লীয়েই যে দায়ী তাত কোনো সন্দেহ নাই ঠিকেই। কিন্তু সকলো কথাতে নতুন দিল্লীক দোষ দি আমাৰ জাতিগত দুৰ্বলতাসমূহৰ নিৰ্মোহ আত্মবিশ্লেষণকো অপ্ৰাসগিংক কৰি তোলাটোও নিশ্চয় উচিত হোৱা নাই। নতুন দিল্লীক লৈ মূৰ ঘমাই থকাৰ পৰিবৰ্তে এতিয়া আমি নিজৰ ভৰিত থিয় দিয়াৰ বাবে যত্নপৰ হোৱাৰহে কথা। ঔপনিবেশিক ধ্যান-ধাৰণাৰে প্ৰতিপালিত হৈ আমি যে ইমান দিনে কেৱল চৰকাৰী চাকৰিৰ পিছে পিছে দৌৰি হাবাথুৰি খোৱাৰ কৰ্ম সংস্কৃতি এটাহে গঢ়ি তুলিছো, সেই মানসিকতাৰ সংশোধন নোহোৱা পৰ্যন্ত আমাৰ অসমীয়া জাতীয় মুক্তিৰ প্ৰশ্নটোৱেই অবান্তৰ। আন্তৰ্জাতিক অৰ্থনীতিৰ বৰ্তমানে যি প্ৰতিযোগিতামূলক পৰিবেশ, তাৰ মাজত স্বতন্ত্ৰভাৱে তিষ্ঠি থাকিবলৈ হ'লে কঠোৰ শ্ৰমৰ যে অইন কোনো বিকল্প নাই, সেই কথা আমি সকলোৱেই গুৰুত্বসহকাৰে লব লাগিব। কিন্তু অসমৰ জনসাধাৰণে সাংস্কৃতিক বিপ্লৱৰ বিষয়টো গুৰুত্বসহকাৰে লোৱা যেন মোৰ মনে নধৰে। দাবী ধমকি দি প্ৰাইভেট টিউচন বন্ধ কৰা বা মদৰ ব্যৱসায়ীক ভাবুকিৰে দোকান বন্ধ কৰাটোৱেই নিশ্চয় সাংস্কৃতিক বিপ্লৱৰ সূচনা হোৱা নুবুজায়। এইবোৰ হৈছে একো একোটা উদ্ধতলীয় পৰ্যায়ৰ সমাধানসূত্ৰহে, যাৰ ব্যৱহাৰিক সীমাবদ্ধতাও নিচেই ঠেক। ভাৰত চৰকাৰে আমাৰ অসমীয়া ৰাইজৰ বিৰুদ্ধে যি কৰিছে বা অসমৰ সম্পদবোৰ যেনেকৈ উলিয়াই নিছে তাক বন্ধ কৰিবলৈ হ'লে আমাৰ অসমীয়া সমাজ একগোট হোৱাৰ প্ৰয়োজন। ভেকুলীয়ে নাদত থাকে কাৰণে তলৰ পৰা আকাশখন নাদৰ মুখখনৰ সমান বুলিহে ভাবে কিন্তু সেইয়া নহয়, অসমৰ লোকেও ভাৰত এখন সৰু ৰাষ্ট্ৰ হিচাবে গণ্য কৰি আহিছে কিন্তু সেইয়া ঠিক বিপৰীতহে। ভাৰতৰ বিশাল সৈন্যবাহিনীৰ লগত জনসাধাৰণে নোৱাৰে, কিন্তু তাৰ বিপৰীতে যদি অসমৰ জনসাধাৰণে নিজৰ মাতৃভূমিৰ উন্নতিৰ হকে কাম কৰি যায় আৰু অসমক উন্নতিৰ পথত এখোজ এখোজকৈ আগবঢ়াই লৈ গৈ থাকে তেতিয়াহ'লে অসমৰ সকলো দোষ কষ্ট এদিন নিশ্চয় নিৰাময় হ'বই। ☆





# অসমৰ চাহ জনগোষ্ঠীৰ লোকসকল আৰু তেওঁলোকৰ কলা-সংস্কৃতি

সাগৰ তাঁতী
উঃ মাঃ ২য় বৰ্ষ

বিভিন্ন জনগোষ্ঠীৰ স্বকীয় কলা-সংস্কৃতিৰ বৈচিত্ৰ্যৰে পৰিপূৰ্ণ অসম এক অনন্য ৰম্যভূমি। অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ অন্যতম অসমৰ চাহ জনগোষ্ঠীৰ লোকসকল। চাহ জনগোষ্ঠীৰ লোকসকল আধুনিক অসমীয়া জনজীৱনৰ এক অপৰিহাৰ্য অংগৰূপে পৰিগণিত হৈছে। বৰ্তমান অসমৰ মুঠ জনসংখ্যাৰ এক বিশেষ অংশ এই জনগোষ্ঠীৰ লোকে অধিকাৰ কৰি আছে।



ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্য বিশেষকৈ বিহাৰ, উৰিষ্যা, পশ্চিম বংগ, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, তামিলনাড়ু আদিৰ অন্তৰ্গত বিভিন্ন ঠাইৰ পৰা উনবিংশ শতিকাৰ তৃতীয়-চতুৰ্থ দশকমানৰ পৰাই গিৰমিটিয়া বা অন্য বন্দোবস্তীত এই জনগোষ্ঠীৰ লোকসকলক বনুৱা হিচাপে অসমলৈ আমদানি কৰা হয়। এইদৰে চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱাসকলে পূৰ্বৰ মাতৃভূমিৰ মোহ এৰি কৰ্মভূমি অসমৰ আৰ্থসামাজিক আৰু সাংস্কৃতিক জীৱনৰ সৈতে মিলি যায় আৰু অসমীয়া সংস্কৃতিৰ সমৃদ্ধিত অৰিহণা যোগায়।

অসমত বাস কৰা চাহ বনুৱাসকলৰ মাজত জনজাতি আৰু অজনজাতি দুয়ো শ্ৰেণীৰ মানুহ আছে। বৰ্তমান অসমত জীৱন-যাপন কৰা চাহ জনগোষ্ঠীৰ লোকসকল হ'ল— ওৰাং, চাওঁতাল, মুণ্ডা, ঘচিয়া, খাৰিয়া, গদবা, তাঁতী, তাছা আদিয়েই প্ৰধান জনগোষ্ঠী হ'লেও প্ৰায় এশমান সৰু সৰু ঠালৰ মানুহ আছে। তাঁতী, নায়ক, গঞ্জ তাঁতী, পান, কুমাৰ, কমাৰ, কৰ্মকাৰ, মালী, তেলী, শবৰ, তাছা, কন্ধ, কৈৰী, বাউৰী, কালাহাণ্ডী, বিষাণ, পালিকা, ভূইয়াঁ, কয়া, পৰ্জা, মুণ্ডা, গধবা, তুৰি, গুৱালা, কাটনি, ওৰাং, চাওঁতাল, ডোম, মিৰ্জা, চৰাল, ৰবিদাস, ভূমিজ, চমাৰ, খাৰিয়া, টেলেঙা, ৰাজপুত, কন্দপান, টাণ্ডী, বৰাইক, গড়াইত, মানকি হাৰি, ঘাঁসী, মাল, মাজি, বাৰ্লা, গদাল, মহান্তি, চাহু, ইগুৱাৰ, বিশ্বাল, পুৰীয়া, কালিন্দী, ৰাই, চাৰাঁচী, কুলু, মুৰ্মু, ৰুণ্ডা, চাৰৱান, তামাৰিয়া, পুৰ্ত, গুৰিয়া, ভেংৰা, ধান, চুৰিণ, ভূঁইমালি, বণিয়া, ভীল, বিঞ্জিয়া, বেড়িয়া, বিৰহোৰ, ভূমিজ, বাগতি, বাৰুই, ছেৰো, ধানৱাৰ, ঢাঙৰ, গন্দ, ঘাটোৱাৰ, হো, কেওট লোহাৰ,লোধি, মাল, মাল পাহাৰীয়া, নাগবংশী নোৱাৰ, নাপিত, পৰ্মা, পাছি, পাতৰ, পাতৰা, ৰাজৱাৰ, এক্কা আদি। এই শাখা-প্ৰশাখাবোৰলৈ লক্ষ্য কৰিলেই বিভিন্ন জনসমষ্টিয়ে মানুহ সন্মিলিত হৈ, বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সূচনা কৰি সম্পূৰ্ণ আৰ্থ-সামাজিকভাৱে এই বিশিষ্ট জনগোষ্ঠীয়ে অসমৰ জাতীয় জীৱনৰ ঘাই সূতিটোৰ সৈতে মিলি যাবলৈ স্বাভাৱিক প্ৰক্ৰিয়া গ্ৰহণ কৰিছে।

অসমলৈ বনুৱা হিচাপে আহি অসমীয়া সংস্কৃতিৰ সৈতে নিজকে বিলিন কৰি দিয়া চাহ জনগোষ্ঠীৰ লোকসকল মূলতঃ অষ্ট্ৰিক আৰু দ্ৰাবিড় সংস্কৃতিৰ অন্তৰ্গত। অসমলৈ অহা চাহ জনগোষ্ঠীৰ লোকসকলৰ ভিতৰত অধিকাংশই কোল মুণ্ডাসকলৰ বংশধৰ আৰু এওঁলোক অষ্ট্ৰিক মূলীয়। এওঁলোকে পৰম্পৰাগতভাৱে পালন কৰা

ভালেমান উৎসৱ-পাৰ্বনত অষ্ট্ৰিকসকলৰ উৰ্বৰা বিশ্বাসৰ প্ৰভাৱ লক্ষ্য কৰা যায়। চাহ জনগোষ্ঠীৰ লোকসকলৰ সাধাৰণ সাংস্কৃতিক জীৱনত কৰম পূজা, টুচু পূজা, গৰয়া পূজা, সহৰাই পৰব, গ্ৰাম্য পূজা ইত্যাদি উৰ্বৰা বিশ্বাসৰ সৈতে জড়িত অনুষ্ঠানৰ প্ৰাধান্য অধিক। ইয়াৰ মূলতে অষ্ট্ৰিক উৰ্বৰা বিশ্বাস প্ৰভাৱ বুলি পণ্ডিতসকলে অনুমান কৰে। অসমত বসবাস কৰা চাহ জনগোষ্ঠীৰ লোকসকলে থলুৱা লোকসকলৰ মাত-কথা, সাজপাৰ, ৰীতি-নীতি ইত্যাদি গ্ৰহণ কৰি ক্ৰমান্বয়ে থলুৱা লোকসকলৰ সৈতে মিলি যাবলৈ ধৰিলে। তেওঁলোকৰ বিভিন্ন জনগোষ্ঠীৰ মাজত আদান-প্ৰদানৰ বাবে 'সাদানী-ভাষা' গঢ়লৈ উঠিল। সাদানী ভাষাৰ দৰেই এই জনগোষ্ঠীৰ শতাধিক জাতি-উপজাতিৰ মাজত আদান-প্ৰদান তথা সংযোগ ৰক্ষাৰ বাবে খৰঠা কুৰ্মলি, পাঁচ পৰগণীয়া, চাদালী / চাদৰী / সাধনী বা নাগপুৰীয়া আদি ভাষাৰ সৃষ্টি হৈছে। কোনো কোনো ঠাইত উৰিয়া ভাষা আৰু চম্বলপুৰীয়া ভাষাও দেখা যায়। এই ভাষা বিলাকৰ ভিতৰত পাঁচগৰণীয়া ভাষাটো হ'ল অসমৰ চাহ জনগোষ্ঠীৰ মাজত প্ৰচলিত এটি উপভাষা।

অসমৰ চাহ জনগোষ্ঠীৰ বিশেষকৈ ৰাঁচী জিলাৰ পৰা অহা আদিবাসী জাতি-জনজাতি লোকসকলে সদানী ভাষা প্ৰধান ভাষা হিচাপে ব্যৱহাৰ কৰা দেখা যায়। এনেদৰে চাহ জনগোষ্ঠীৰ মাজত গঢ় লৈ উঠা স্বতন্ত্ৰীয়া আঞ্চলিক ভাষাবোৰত চাহ জনজাতিৰ ভাষাৰ বিবিধ শব্দাৱলীৰ লগে লগে অসমীয়া ভাষাৰো বিবিধ শব্দাৱলী সোমাই পৰিছে আৰু সেইদৰে অসমীয়া ভাষালৈয়ো চাহ জনগোষ্ঠীৰ ভাষাৰ বিবিধ আগমণ ঘটিছে। চাহ জনগোষ্ঠীৰ সাংস্কৃতিক জীৱনত বিভিন্ন লোক-উৎসৱত পৰিবেশিত লোকগীতসমূহে তেওঁলোকৰ জীৱনৰ বৰ্ণময়, উৎসৱমুখৰ কলামুখৰ দিশটো প্ৰতিফলিত কৰিছে। এনে লোক-উৎসৱসমূহৰ ভিতৰত কৰম পূজা, তুচু পৰব, সৰহাই পৰব, ফাগুৱা পৰব, দুৰ্গা পূজা, গ্ৰাম্য পূজা, মনসা পূজা, ত্ৰিনাথ পূজা আদি বিশেষভাৱে উল্লেখযোগ্য। ভাদ মাহত অনুষ্ঠিত কৰম পূজাৰ সময়ত নিজৰ ঘৰত মৃতকৰ সকাম পতা, দেওধনি উঠা, কৰম পূজা শস্য আগবঢ়োৱা ঝুমুৰৰ দৰে সমবেত নাচৰ আয়োজন অসমৰ অনুষ্ঠানৰ উপলক্ষ্যত দেখা যায়। বিহুনাচৰ যৌন আবেদন ঝুমুৰ নাচতো আছে।

অসমৰ চাহ জনগোষ্ঠীৰ বিশেষকৈ ৰাঁচী জিলাৰ পৰা অহা আদিবাসী জাতি-জনজাতি লোকসকলে সদানী ভাষা প্ৰধান ভাষা হিচাপে ব্যৱহাৰ কৰা দেখা যায়। এনেদৰে চাহ জনগোষ্ঠীৰ মাজত গঢ় লৈ উঠা স্বতন্ত্ৰীয়া আঞ্চলিক ভাষাবোৰত চাহ জনজাতিৰ ভাষাৰ বিবিধ শব্দাৱলীৰ লগে লগে অসমীয়া ভাষাৰো বিবিধ শব্দাৱলী সোমাই পৰিছে আৰু সেইদৰে অসমীয়া ভাষালৈয়ো চাহ জনগোষ্ঠীৰ ভাষাৰ বিবিধ আগমণ ঘটিছে।

ঝুমুৰ গীত আৰু নৃত্য সমাদৰ শ্ৰমজীৱি লোকসকলৰ মাজত অধিক। স্থানভেদে এই গীতৰ সুৰ, পৰিবেশন প্ৰণালী আৰু নৃত্য ভংগীমাৰ কিছু তাৰতম্য থাকিলেও ইয়াৰ মৌলিক গাঁঠনিত বিশেষ পাৰ্থক্য নাই। ঝুমুৰ কেৱল ডেকা-গাভৰুৰ যৌৱনোচিত মাদকতাপূৰ্ণ গীত নহয়, ইয়াৰ মাজত দাৰ্শনিক তত্ত্বপূৰ্ণ বহু সত্য অন্তৰ্নিহিত হৈ আছে। মানৱমনৰ আধ্যাত্মিক ভাৱসমূহ কেতবোৰ ঝুমুৰ গীতৰ মাজেদি প্ৰকাশ পাইছে। যেতিয়া কাৰোবাৰ সুললিত কণ্ঠৰ পৰা ঝুমুৰ এফাঁকি নিগৰি আহে তালে তালে ঢোল বা মাদল বাজি উঠে, বাঁহীৰ অমিয়া সুৰে মৰতলৈ সৰগ নমাই আনে। সেয়েহে ঝুমুৰ গীতৰ মৰ্মস্পৰ্শী সুৰে, ঢোল-মাদলৰ তালে, বাঁহী-নুপুৰৰ মূৰ্ছনাই নাচিব নজনা মানুহৰ শৰীৰতো বিজুলী সোঁতৰ দৰে নাচোনৰ অদমনীয় ইচ্ছাৰ সোঁত বোৱাই দিব পাৰে। উদাহৰণ স্বৰূপে এটি গীত উল্লেখ কৰা হ'ল ঃ

ঢোল বাজনা চুনি
নিন্দ নাই মৰ চইকে ধ্বনি
আমে আৱলধ্বনি
তুমে আৱল ধ্বনি
চুনকে বাজনা 'হ' ....

সেয়েহে ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা ঝুমুৰ গীতে সহস্ৰ জনগণৰ মন আকৰ্ষিত কৰি আহিছে। লোকগীত হিচাবে ঝুমুৰ গীতৰ বিশেষত্ব এইখিনিতে।

দেৱালী বা সহৰাই পৰব হৈছে গৰখীয়া জীৱনৰ সৈতে পোনপটীয়াভাৱে জড়িত আৰু চাহ জনগোষ্ঠীৰ মাজত প্ৰচলিত অন্য এটি কৃষি উৎসৱ। এই দেৱালীৰ পৰবত গো-লক্ষ্মীৰ পূজা অৰ্চনাৰ সৈতে জড়িত লোক উৎসৱ। বহাগ বিহুত পৰম্পৰাগতভাৱে চলি অহা ৰীতি-নীতিৰে গো-সেৱা কৰাৰ দৰেই কাতি মাহত অনুষ্ঠিত সহৰাই পৰবত চাহ জনগোষ্ঠীৰ লোকে যথা নিয়মেৰে গো-সেৱা কৰে। এই পৰবৰ দিনকেইটাত ঘৰৰ গৰুৰ মূৰত তেল, সেন্দুৰ লগাই দিয়ে। সিহঁতৰ ডিঙিত ফুলৰ মালাৰ লগতে ন-ধানৰ মালা পিন্ধাই দি পূজা-সেৱা কৰে।

অসমৰ ৰাইজে পৌষ সংক্ৰান্তি, মাঘ বিহু নাইবা ভোগালী বিহু পালন কৰাৰ দৰেই অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলেও এই সংক্ৰান্তিতে টুচু পৰব বা টুচু পূজা পালন কৰে। এই পৰবত টুচু গীত গোৱা হয় আৰু পিঠা-







পনা খাই আনন্দ প্ৰকাশ কৰে। নাৰী কেন্দ্ৰীক এই কৃষি উৎসৱ উপলক্ষে পুহ মাহত নিৰ্দিষ্ট এঘৰত টুচুৰ থাপনা পাতি সেই থাপনাৰ ওচৰত নাৰীসকলে ভক্তিভাৱে গীত গাই টুচুৰ উপাসনা কৰে। টুচু গীতত চহা জীৱনৰ সহজ-সৰল মনৰ স্বাভাৱিক প্ৰকাশ ঘটিছে। উদাহৰণ স্বৰূপে এটি গীত উল্লেখ কৰা হ'ল ঃ

'আল ধানেৰে পাতলা চিড়া
গামছা বান্ধা দহী গ
খাবাৰ বেলায় মনে পৰে
হামাৰ প্ৰাণেৰ সখী।"

বসন্ত কালত উদ্‌যাপিত হোৱা 'হোলি' বা ফাগুৱা (ফাকুৱা) উৎসৱ সমগ্ৰ ভাৰততে পালন কৰা হয় যদিও চাহ জনগোষ্ঠীৰ মাজত উদ্‌যাপিত এই উৎসৱৰ কিছু সুকীয়া বিশেষত্ব লক্ষ্য কৰা যায়। এই নৃত্যত অংশগ্ৰহণ কৰা প্ৰত্যেকেই হাতত দুফুট মানৰ কাঠী লৈ ঢোল-মাদলৰ চেৰে-চেৰে বৃত্তাকাৰে ঘূৰি-ঘূৰি অগা-পিছা কৰি কাঠীয়ে কাঠীয়ে শব্দ কৰে। পশ্চিম ভাৰতৰ লোকনৃত্য 'গৰৱা' আৰু চাহ জনগোষ্ঠীৰ লোকৰ ফাগুৱা পৰবৰ কাঠী নৃত্যৰ কাঠীৰ ব্যৱহাৰ একে। সৰহ সংখ্যক ফাগুৱা গীত শ্ৰীকৃষ্ণক উদ্দেশ্য কৰি গোৱা হয়। শাওণ মাহৰ কৃষ্ণপক্ষৰ পঞ্চমী তিথিত চাহ জনগোষ্ঠীৰ লোকসকলে মনসা পূজা কৰে। এই অনুষ্ঠানৰ ভালেমান লোকাচাৰ জড়িত হৈ আছে। মনসা পূজা উপলক্ষে মনসাদেৱীৰ মাহাত্ম্য সূচক গীত গাই গোটেই নিশা অতিবাহিত কৰা হয়।

অসমীয়া সংস্কৃতিৰ বৰভেটি নিৰ্মাণত সকলো জাতি, জনজাতি আৰু উপজাতিয়ে কম-বেছি পৰিমাণে বৰঙণি আগবঢ়াইছে। আমাৰ থলুৱা লোকসকলৰ লগতে পৰবৰ্তী কালত অসমলৈ প্ৰবজিত হোৱা বিভিন্ন জনজোষ্ঠীৰ লোকসকলে থলুৱা ভাষা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ গ্ৰহণ কৰি অসমীয়া সংস্কৃতিৰ সৈতে মিলি গৈছে। চাহ জনগোষ্ঠীৰ ক্ষেত্ৰতো এনে সমন্বয় আৰু সমাহৰ দিন বহুদিন পূৰ্বেই আৰম্ভ হৈছে। এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখিয়েই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই লিখিছে— "বাগিচাৰ বনুৱাসকল এটা লেখত লবলগীয়া সংখ্যা। এওঁলোকৰ মাজত অসমীয়া মহাপুৰুষীয়া সংস্কৃতি প্ৰচাৰ কৰি এওঁলোকক অসমীয়ালৈ অতি সোনকালে ৰূপান্তৰিত কৰিব পাৰি। এওঁলোক প্ৰায় অসমীয়া ভাষা-ভাষী হৈ পৰিছে।"

চাহ জনগোষ্ঠীৰ লোকসকল মূলতঃ অষ্ট্ৰিক সংস্কৃতিৰ উত্তৰাধিকাৰী হ'লেও তেওঁলোকৰ উপৰি পুৰুষসকলৰ সংস্কৃতি আৰু মংগোলীয় মানুহৰ সংস্কৃতিত কেতবোৰ উমৈহতীয়া লক্ষণ দেখা যায়। সেইবোৰ হ'ল— বলি বিধান দি তেজ উচৰ্গা কৰা, দেও উঠা, কুকুৰা, গাহৰি আদিক সামাজিক আহাৰ হিচাবে গ্ৰহণ, ভাতৰ পৰা তৈয়াৰী লাওপানীৰ ব্যৱহাৰ, ছোৱালীৰ গা-ধন লোৱাৰ নিয়ম, নিজা মানুহক পূজাৰী নিয়োগ, মৃতকৰ অস্তিত্বৰ স্বীকাৰ, ঝুম বা আদিম পদ্ধতিৰ খেতিৰ প্ৰচলন, টেটুৰ ব্যৱহাৰ, টোটেম বিশ্বাস প্ৰাক্-বৈবাহিক প্ৰণয়, উৰ্বৰা বিশ্বাস ইত্যাদি। চাহ বনুৱাসকলৰ জীৱন পদ্ধতি আৰু সাংস্কৃতিক ক্ষেত্ৰত বৰ্তমানে আধুনিক সভ্যতাৰ প্ৰভাৱ পৰিছে আৰু স্বাধীনতাৰ পৰবৰ্তী কালছোৱাত তেওঁলোকে নিজৰ সাংস্কৃতিক ঐতিহ্যৰ উৎকৰ্ষ সাধনৰ প্ৰতি মনোনিবেশৰ সুযোগ লাভ কৰিছে। তেওঁলোকৰ জনজীৱনক প্ৰতিনিধিত্ব কৰা বিভিন্ন গীত, মাত, নৃত্য, উৎসৱ আদিয়ে প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰাত চাহ জনগোষ্ঠীৰ বৰ্ণময় সাংস্কৃতিক জীৱনৰ সৈতে অন্যান্য জনগোষ্ঠীৰ আত্মিক সম্পৰ্ক অধিক সুদৃঢ় আৰু কটকটীয়া হোৱা বুলিব পাৰি। ☆

# গ্ৰন্থমেলা ঃ ইতিহাস আৰু বৰ্তমান

✍ মিনু কোঁৱৰ

৬০০০ বছৰ আগতেই আৰম্ভ হোৱা লিখন পদ্ধতি আৰু ১৫শ শতিকাত আধুনিক ছপাশালৰ আৱিষ্কাৰে মানুহৰ মাজত এক বৈপ্লৱিক পৰিবৰ্তন আৰু ইতিহাস সৃষ্টি কৰিলে। ছপাশালৰ অন্যতম আৰু অনবদ্য উপহাৰ হ'ল গ্ৰন্থ। মানুহৰ মেধা কিমান উপৰলৈ উধাব পাৰে আৰু জীৱন অন্বেষণৰ ব্যাপ্তি কিমান, সেই ধাৰণা কিতাপৰ বাহিৰে জ্ঞান প্ৰসাৰণৰ অন্য কোনো মাধ্যমে দিব নোৱাৰে বুলি জ্ঞানীসকলে মন্তব্য কৰে। কাৰণ, ইলেক্ট্ৰনিক মাধ্যমৰ অভূতপূৰ্ব জনপ্ৰিয়তাক অস্বীকাৰ নকৰিও এই কথা নিঃসন্দেহে ক'ব পাৰি যে এই মাধ্যমৰ চমকপ্ৰদ আবিষ্কাৰ দূৰদৰ্শনে মানুহক কৰি ৰাখে নিষ্ক্ৰিয় দৰ্শক-শ্ৰোতা। মানুহৰ ধ্যান-ধাৰণাক শাশ্বতভাৱে প্ৰবাহিত কৰাত আৰু এটা যুগক আন এটা যুগৰ সৈতে সংযুক্ত কৰাত গ্ৰন্থৰ সমান অৱদান একোৰে নাই।

এই কিতাপৰ মেলাই গ্ৰন্থমেলা। বংগৰ প্ৰখ্যাত সাহিত্যিক সুকুমাৰ সেনৰ গ্ৰন্থমেলা সম্পৰ্কত এটা সুন্দৰ স্মৰণীয় উক্তি আছে— "মই মেলাহি যাই শুধু মেলা বই থাকে বলে নয়, বই থাকে বলে। যথেচ্ছ বই নাড়াচাড়া কৰতে পাৰেন বলেই পাঠক বই মেলায় আসতে চান।"

সমগ্ৰ পৃথিৱীতে গ্ৰন্থমেলা— এই ধাৰণাটোৰ জন্মদাতা হ'ল সেই সময়ৰ পশ্চিম জাৰ্মানীৰ অন্তৰ্গত এটা বন্দৰ ফ্ৰাঙ্কফুৰ্ট। মেইন নদীৰ বন্দৰ ফ্ৰাঙ্কফুৰ্ট বাণিজ্যিক, ঔদ্যোগিক আৰু সাংস্কৃতিক কেন্দ্ৰ ৰূপেও খ্যাত। ১৩শ শতিকাত এই বন্দৰত বাণিজ্যমেলা আৰু ১৪শ শতিকাত গ্ৰন্থমেলা অনুষ্ঠিত হয়। ১৪৬২ খ্ৰীষ্টাব্দত ফ্ৰাঙ্কফুৰ্টত পৃথিৱীৰ প্ৰথমখন গ্ৰন্থমেলা আৰম্ভ হয় যদিও ইয়াক গ্ৰন্থমেলা নুবুলি কিতাপৰ প্ৰদৰ্শনী বোলাই শ্ৰেয়। পিছলৈ এই প্ৰদৰ্শনীখনেই আন্তঃৰাষ্ট্ৰীয় ৰূপ গ্ৰহণ কৰি বিশ্বৰ পাঠকসমাজৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে। পৃথিৱীৰ কেইবাজনো কবি-সাহিত্যিকৰ জন্মভূমি

> *১৪৬২ খ্ৰীষ্টাব্দত ফ্ৰাঙ্কফুৰ্টত পৃথিৱীৰ প্ৰথমখন গ্ৰন্থমেলা আৰম্ভ হয় যদিও ইয়াক গ্ৰন্থমেলা নুবুলি কিতাপৰ প্ৰদৰ্শনী বোলাই শ্ৰেয়। পিছলৈ এই প্ৰদৰ্শনীখনেই আন্তঃৰাষ্ট্ৰীয় ৰূপ গ্ৰহণ কৰি বিশ্বৰ পাঠকসমাজৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে। পৃথিৱীৰ কেইবাজনো কবি-সাহিত্যিকৰ জন্মভূমি ফ্ৰাঙ্কফুৰ্টত ১০০ বছৰ ধৰি চলি থকা এই গ্ৰন্থমেলাখন দ্বিতীয় মহাযুদ্ধৰ সময়ত বন্ধ হৈ গৈছিল যদিও ১৯৪৯ চনত ই পুনৰ আৰম্ভ হৈ বৰ্তমানলৈকে চলি আছে।*

ফ্ৰাঙ্কফুৰ্টত ১০০ বছৰ ধৰি চলি থকা এই গ্ৰন্থমেলাখন দ্বিতীয় মহাযুদ্ধৰ সময়ত বন্ধ হৈ গৈছিল যদিও ১৯৪৯ চনত ই পুনৰ আৰম্ভ হৈ বৰ্তমানলৈকে চলি আছে। ১৯৭৪ চনত অসমৰ পৰা এই গ্ৰন্থমেলা চাবলৈ বিশিষ্ট সাহিত্যিক চন্দ্ৰপ্ৰসাদ শইকীয়া ফ্ৰাঙ্কফুৰ্টলৈ গৈছিল। ফ্ৰাঙ্কফুৰ্টৰ এই গ্ৰন্থমেলাখনে চন্দ্ৰপ্ৰসাদ শইকীয়াক বিশেষভাৱে প্ৰভাৱান্বিত কৰি অন্তৰত সাঁচ বহুৱাই। সেই প্ৰেৰণাৰে অনুপ্ৰাণিত হৈ ১৯৮৪ চনত অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় গ্ৰন্থ ন্যাস (National Book Trust, New Delhi)ৰ সহযোগত গুৱাহাটীৰ জৰ্জ খেলপথাৰত অসমৰ প্ৰথমখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ গ্ৰন্থমেলা অতি জাকজমকতাৰে অনুষ্ঠিত কৰে। ১৯৮৪ চনৰ পৰা গ্ৰন্থমেলাখন বন্ধ হৈ আছিল যদিও ১৯৮৭ চনত অসম প্ৰকাশন পৰিষদৰ সচিব স্বৰ্গীয় সতীশ ভট্টাচাৰ্যই পুনৰ গ্ৰন্থমেলা আৰম্ভ কৰে।

অসম প্ৰকাশন পৰিষদে গুৱাহাটীৰ জৰ্জ খেলপথাৰৰ উপৰি যোৰহাটৰ অসম শৈক্ষিক কেন্দ্ৰৰ সহযোগত উজনি অসমত প্ৰথমখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ গ্ৰন্থমেলা অনুষ্ঠিত কৰে ১৯৯০ চনৰ অক্টোবৰ মাহত। একে বছৰতে তেজপুৰ শাখা সাহিত্য সভা আৰু তেজপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত প্ৰকাশন পৰিষদে তেজপুৰৰ প'ল' ফিল্ডত এখন গ্ৰন্থমেলাৰ আয়োজন কৰে। ইয়াৰ পিছত ১৯৯১ চনৰ এপ্ৰিল মাহত লামডিং চহৰৰ ৰেলৱে ইনষ্টিটিউটৰ সহযোগত আন এখন গ্ৰন্থমেলাৰ আয়োজন কৰি গ্ৰন্থমেলা গুৱাহাটী কেন্দ্ৰিকতাৰ পৰা মুক্ত কৰি অসমৰ অন্যান্য প্ৰান্তৰ পাঠক সমাজৰ মাজলৈ নিয়ে। ইয়াৰে আলসত অসমৰ বহুতো অগ্ৰণী অনুষ্ঠান-প্ৰতিষ্ঠানে নিজা উদ্যোগত অসমৰ বিভিন্ন জিলা, সদৰ, সৰু নগৰ, গাঁও, বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত গ্ৰন্থ প্ৰদৰ্শনী অনুষ্ঠিত কৰি





ফুৰিছে। এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে 'অন্বেষা'ই। প্ৰকাশন পৰিষদৰ উপৰি সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতাই ১৯৯৮ আৰু ১৯৯৯ চনত 'নৰ্থ-ইষ্ট বুক ফেয়াৰ' নামেৰে এখন গ্ৰন্থমেলাৰ আয়োজন কৰে। ১৯৯৯-২০০০ চনটোত প্ৰকাশন পৰিষদৰ গ্ৰন্থমেলাখনো অনুষ্ঠিত হয়। এই মেলাখনৰ উপৰি ডিব্ৰুগড়, দুলীয়াজান, ডিগবৈ, নগাঁও, মৰিগাঁও, তেজপুৰ, লখীমপুৰ, গোলাঘাট, কোক্ৰাঝাৰ, পাঠশালা আদি ঠাইবোৰত নিয়মীয়াকৈ কিছুমান সংস্থাৰ উদ্যোগত গ্ৰন্থমেলা অনুষ্ঠিত হৈ আহিছে। ইয়াৰ বাহিৰেও ১৯৯২ চনৰ অক্টোবৰ মাহৰ ১০ তাৰিখৰ পৰা ১৮ তাৰিখলৈ এন. বি. টি.ৰ উদ্যোগত আৰু অসম প্ৰকাশন পৰিষদ তথা পুথি প্ৰকাশ আৰু বিক্ৰেতা সংস্থা, অসমৰ সহযোগত পোন প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰথমখন 'শিশু গ্ৰন্থমেলা' অনুষ্ঠিত হয়।

গুৱাহাটী গ্ৰন্থমেলা শেষ হোৱাৰ পিছত জানুৱাৰী মাহৰ শেষৰটো বুধবাৰে 'কলিকতা পুস্তক মেলা' আৰম্ভ হয়। সম্ভৱতঃ ভাৰতবৰ্ষৰ ভিতৰতে এই গ্ৰন্থমেলাখনত লক্ষাধিক গ্ৰন্থপ্ৰেমীয়ে মেলা প্ৰাঙ্গণত ভিৰ কৰে। ১৯৭৬ চনত কলকাতাত প্ৰথমখন 'কলিকতা পুস্তক মেলা' আৰম্ভ হয়। প্ৰথম অৱস্থাত মেলাখনৰ আকাৰ সৰু আছিল যদিও পিছলৈ সেই মেলাই বৃহৎ আকাৰ লাভ কৰি ২০০০ চনত ৰূপালী জয়ন্তী বৰ্ষ পাৰ কৰিলে। কলকাতাৰ গ্ৰন্থমেলাৰ পিছতে আন এখন গ্ৰন্থমেলাৰ জন্ম দিছিল পশ্চিমবংগ চৰকাৰে আৰু ইয়াৰ নাম দিছিল 'পশ্চিমবংগ গ্ৰন্থমেলা'। পিছত চৰকাৰে এই গন্থমেলা আৰু দুয়োখন গ্ৰন্থমেলাৰ সময়ৰ ব্যৱধানৰ যুক্তি-যুক্ততা নথকা বুলি অনুভৱ কৰি ইয়াক কলিকতা পুস্তক মেলাৰ স'তে সাঙুৰি দিয়ে। কলিকতা গ্ৰন্থমেলাত যাতে বিক্ৰী ভাল হয় তাৰ বাবে চৰকাৰে বিশেষ উদ্যোগ লৈ কৰ্মচাৰীৰ দৰমহা আৰু লাইব্ৰেৰীৰ বাবে বিশেষ ধন মুকলি কৰি দিয়ে।

ফ্ৰাঙ্কফুৰ্ট গ্ৰন্থমেলাৰ এটা 'থিম্' থাকে। পৃথিৱীৰ বিভিন্ন দেশক ইয়াক 'থিম্' ৰূপে লৈ সেই দেশৰ ভাষা, সাহিত্য, সংস্কৃতিৰ স'তে মানুহক চিনাকি কৰাই দিয়াৰ প্ৰয়াস কৰে। ইয়াৰেই অনুকৰণত কলকাতাতো 'থিম্' বা বিশেষ প্ৰাধান্যৰ ব্যৱস্থা কৰা হয়। ১৯৯১ চনত কলিকতা গ্ৰন্থমেলাৰ বিশেষ প্ৰাধান্য বা থিম্ আছিল অসম।

ভাৰতবৰ্ষৰ আন এখন বৃহৎ গ্ৰন্থমেলা হ'ল দিল্লীৰ 'ৱৰ্ল্ড বুক ফেয়াৰ'। ৰাষ্ট্ৰীয় গ্ৰন্থন্যাসে (NBT) প্ৰতি বছৰৰ মূৰে মূৰে ১৯৭২ চনৰে পৰাই এই গ্ৰন্থমেলাৰ আয়োজন কৰি আহিছে। আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থমেলাৰ ভিতৰত ইটালীৰ 'বলোগ্না শিশু গ্ৰন্থমেলা'খন উল্লেখযোগ্য। আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'চিলড্ৰেন চফট্'ৰেৰ ৰিভিউ'ৰ সহযোগত এই Bologna Children's Book Fair খন অনুষ্ঠিত হয়।

আজি কেছেট সংস্কৃতিয়ে আমাক ছানি ধৰিছে। নতুনকৈ বজাৰলৈ আহিছে চি. ডি., ভি. চি. ডি. আদি। এই প্ৰসংগত চন্দ্ৰপ্ৰসাদ শইকীয়াই 'কিতাপৰ ভাগ্য' শীৰ্ষক প্ৰবন্ধত লিখিছিল যে টেলিফোনে মানুহৰ চিঠি লিখা অভ্যাস নোহোৱা কৰিছে। মাইক্ৰ'ফিল্ম আদি যন্ত্ৰৰ সহায়ত কিতাপক ক্ষুদ্ৰ-ক্ষুদ্ৰকৈ সংকুচিত কৰি যন্ত্ৰৰ যোগেদি মানুহে পঢ়িব পৰা কৰাটো চিন্তা কৰা হৈছে। কিয়নো কিতাপৰ বাবে কেঁচা মালৰ প্ৰয়োজন— সেই কেঁচা মাল হ'ল গছ-গছনি। লাহে লাহে এইবোৰ সম্পদ কমি আহিছে। তথাপি কিতাপৰ মৃত্যু নহয়। এখন কিতাপ পঢ়ি পাঠকে যি ৰসাস্বাদন অনুভৱ কৰে সেই অনুভৱ এখন চিনেমা বা ছিৰিয়েল বাৰে বাৰে চালে কাহানিও ৰসাস্বাদন কৰিব নোৱাৰে। সেইবাবে কিতাপ আমাৰ চিৰকালৰ চিৰন্তন সংগী হৈ থাকিব। গ্ৰন্থমেলাবোৰে তাকেই বাৰে বাৰে প্ৰমাণ কৰিছে।

শেষত বিশ্ববিখ্যাত দাৰ্শনিক ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে তেখেতৰ 'অন ৰিডিং' বোলা প্ৰবন্ধত লিখা কথা উল্লেখ কৰি প্ৰবন্ধৰ সামৰণি মাৰিছো। তেখেতে লিখিছিল— "কিছুমান গ্ৰন্থই আমোদ দিয়ে, কিছুমানে উপদেশ দিয়ে আৰু কিছুমানে আমাৰ মনোজগতৰ উন্নতি সাধন কৰে। এই শেষৰ বিধ গ্ৰন্থকে আমি পঢ়াই নহয় হজমো কৰিব লাগে। মানৱ জীৱনৰ লক্ষ্য হ'ল নৈতিক উন্নয়ন। আনন্দ হ'ল এনে জয়ৰ প্ৰতীক। সন্তোষ দিয়া আৰু প্ৰকৃত আনন্দ দিয়াৰ মাজত পাৰ্থক্য আছে। আনন্দ হ'ল সন্তোষতকৈ বেছি স্থায়ী। এই স্থায়ীত্ব অৰ্জন কৰা যায় কষ্টৰ মাজেদি।" ☆

# তাই খাময়াঙসকলৰ 'পয়লেং' উৎসৱ

✍ টিনামণি শ্যাম
স্নাতক ১ম বৰ্ষ

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল বিভিন্ন জনগোষ্ঠীৰ বসবাস স্থল। তাৰে এটা জনগোষ্ঠী হ'ল তাই খাময়াঙসকল। তাই খাময়াঙসকলে অসম আৰু অৰুণাচল প্ৰদেশত বসবাস কৰা দেখা যায়। অসমৰ শিৱসাগৰ, ডিব্ৰুগড়, যোৰহাট, তিনিচুকীয়া, গোলাঘাট, কাৰ্বিআলং আদি জিলাৰ উপৰিও অৰুণাচল প্ৰদেশৰ তিৰাপ আৰু লোহিত জিলাতো তাই খাময়াঙসকলৰ বাসস্থান অৱস্থিত। তাই খাময়াঙসকলে কৃষিৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্বাহ কৰে।

অসমৰ বিভিন্ন জনগোষ্ঠীয়ে যেনেকৈ নিজস্ব কিছুমান ৰীতি-নীতি, উৎসৱ-পাৰ্বন আদি পালন কৰে ঠিক সেইদৰে তাই খাময়াঙসকলেও বিভিন্ন সময়ত বিভিন্ন উৎসৱ পালন কৰে।

তাই খাময়াঙসকল বৌদ্ধধৰ্মী লোক। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ছয় (৬)টা তাই গোষ্ঠীৰ ভিতৰত পাঁচোটাই বৌদ্ধধৰ্মী হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন উৎসৱ-পাৰ্বনত এওঁলোকে একেখন মঞ্চত উপস্থিত হৈ পৰস্পৰৰ মাজত ভ্ৰাতৃত্ববোধ ৰক্ষা কৰি আহিছে। তেওঁলোকৰ এনে এটা উমৈহতীয়া উৎসৱ হ'ল 'পয়লেং'। 'পয়' অৰ্থ উৎসৱ অৰ্থাৎ পয়লেং মানে হ'ল ৰথোৎসৱ।

পয়লেং তাই বৌদ্ধসকলৰ স্বকীয় সংস্কৃতি। এজন স্থবিৰ বা মহাস্থবিৰ বৌদ্ধভিক্ষু ইহলীলা ত্যাগ কৰিলে তেখেতৰ অন্ত্যেষ্টিক্ৰিয়া হিচাবে পয়লেং উৎসৱ পাতে। বৌদ্ধভিক্ষু গৰাকী ইহলীলা ত্যাগ কৰাৰ পিছত তেখেতৰ নশ্বৰ দেহ লগে লগে সমাধিস্থ বা দাহ নকৰি এবছৰৰ বাবে সংৰক্ষণ কৰে। নশ্বৰ দেহটো কফিনত ভৰাই পাঁচ-ছয় ফুট ওখকৈ সাজি উলিওৱা এটা সৰু চাংঘৰত ৰখা হয়। ঘৰটো চাল-বেৰ দি সুৰক্ষিত কৰি কফিনটো চাঙৰ ওপৰত ৰাখি তলিত এটা ফুটাত লোৰ পাইপ লগাই মাটিত পুটি দিয়া হয়। কফিনত বায়ু সোমাব নোৱাৰাকৈ মম্ দি বন্ধ কৰা হয়। লোৰ পাইপেদি এবছৰৰ পিছত কেৱল জঁকাটোহে ৰয়গৈ।

> *এজন স্থবিৰ বা মহাস্থবিৰ বৌদ্ধভিক্ষু ইহলীলা ত্যাগ কৰিলে তেখেতৰ অন্ত্যেষ্টিক্ৰিয়া হিচাবে পয়লেং উৎসৱ পাতে। বৌদ্ধভিক্ষু গৰাকী ইহলীলা ত্যাগ কৰাৰ পিছত তেখেতৰ নশ্বৰ দেহ লগে লগে সমাধিস্থ বা দাহ নকৰি এবছৰৰ বাবে সংৰক্ষণ কৰে।*

ওচৰ-পাজৰৰ বৌদ্ধ গাঁওবোৰে এই উৎসৱ উদ্‌যাপনত সকলো প্ৰকাৰৰ সহায়-সহযোগ আগবঢ়ায়। দক্ষতা সম্পন্ন লোকসকলে ৰথখন নিৰ্মাণ কৰে। এখন গৰুগাড়ীৰ ওপৰত নানা কাৰুকাৰ্য খটাই ৰথখন সজাই-পৰাই তুলি নিৰ্দিষ্ট দিনত ভিক্ষুজনৰ সংৰক্ষিত কফিনটো ৰথত স্থাপন কৰাৰ সময়ৰ পৰা পয়লেং উৎসৱৰ আৰম্ভণি হয়। ৰথখনৰ দুফালৰ দুটা মূৰত একোডাল প্ৰকাণ্ড ৰচি বন্ধা হয় আৰু এই ৰচি দুডালৰ এফালে পুৰুষসকলে আৰু আনফালে মহিলাসকলে ধৰি ৰচি টনা কাৰ্য কৰে। পৃথক পৃথক গঠিত একোটা শতাধিক লোকৰ দলে একগোট হৈ টনা এই দৃশ্য অতি উত্তেজনাপূৰ্ণ হৈ উঠাৰ লগতে পুৰুষ-মহিলা উভয়ে উভয়ৰ প্ৰতি থকা প্ৰতিযোগিতামূলক মনোভাৱৰো এখন স্পষ্ট ছবি ফুটি উঠে। অংশগ্ৰহণকাৰীৰ সংখ্যানুযায়ী ৰথ টনা কাৰ্য দিনটোত দুই-তিনিবাৰকৈ হয়। এইদৰে তিনিদিন ৰথ টনাৰ কাৰ্য চলাৰ পিছত শেষৰ দিনৰ আবেলি পৰত এক কৌশলী আদব-কায়দাৰে ৰথত অগ্নিসংযোগ ঘটাই নিব্বনিপ্ৰাপ্ত ভিক্ষুগৰাকীৰ নশ্বৰ দেহ দাহ কৰা হয়।

সাম্প্ৰতিক সময়ত এই উৎসৱ দৰ্শনাৰ্থে বহুতো অনাবৌদ্ধ লোকৰ সমাগম ঘটে। অনেকে ৰথ টনা কাৰ্যত আনন্দ-উল্লাসেৰে ভাগলৈ পয়লেং উৎসৱৰ গ্ৰহণীয়তা প্ৰদৰ্শন কৰে। এইদৰে পয়লেং উৎসৱে পূৰ্বাঞ্চলৰ তাই বৌদ্ধধৰ্মাৱলম্বী লোকসকলক সময়ে-সময়ে মিলিত হ'বলৈ সুযোগ দিয়াৰ উপৰি অসমৰ বাৰেৰহণীয়া সংস্কৃতিৰ ক্ষেত্ৰলৈ আন এক অৱদানো যোগাই আহিছে। ☆





# বৰ্তমান সময়ত তথ্যপ্ৰযুক্তিৰ আৰশ্যকতা

✍ কমী শ্যামলীমা বড়া
স্নাতক ১ম বৰ্ষ

বৰ্তমানৰ সভ্যতাটোক কোৱা হয় আধুনিক সভ্যতা। এই সভ্যতাত প্ৰভাৱ বিস্তাৰ কৰিছে প্ৰযুক্তিবিদ্যাই। প্ৰযুক্তিবিদ্যা হ'ল বিজ্ঞানৰ এটা প্ৰয়োগিক দিশ। প্ৰযুক্তিবিদ্যা বিজ্ঞানৰ এনে এক অৱদান য'ত বৈজ্ঞানিক তথ্যাদি ব্যৱহাৰৰ লগতে বৈজ্ঞানিক পদ্ধতিৰ মিলন ঘটে। পৰীক্ষা আৰু যুক্তিৰে কোনো কথা জনাৰ প্ৰয়াসক সহজ কথাত বিজ্ঞান বুলিব পাৰি।

প্ৰযুক্তিবিদ্যাৰ ইতিহাস মানৱ সভ্যতাৰ ক্ৰমবিৱৰ্তনৰ ইতিহাসৰ লগত ই ওতঃপ্ৰোতভাৱে জড়িত। মানৱ সভ্যতাৰ বিবৰ্তনৰ লগে লগে প্ৰযুক্তিবিদ্যাৰো বিকাশ আৰু বিৱৰ্তন হয়। প্ৰযুক্তিবিদ্যাৰে উদ্যোগ স্থাপন হয়, উদ্যোগৰ জৰিয়তে সমাজৰ অৰ্থনৈতিক উন্নতি সাধন ঘটে। ইয়ে সমাজলৈ পাৰ্থিব সম্পদ দ্ৰুতগতিত আনিব পাৰে। দুখীয়া অথবা উন্নয়নশীল দেশৰ বাবে প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ উন্নতিৰ প্ৰথম খোজ। আনহাতে উন্নত দেশত ইয়াৰ ব্যৱহাৰে উন্নতিৰ নতুন নতুন দিশ আৱিষ্কাৰ কৰিছে।

প্ৰযুক্তিবিদ্যা প্ৰয়োগৰ ফলত বৰ্তমান গোটেই বিশ্বখনেই হৈ পৰিছে সংকুচিত। পৃথিৱীখন গাঁৱলৈ পৰিণত হৈ পৰিছে। দূৰ সংযোগৰ জৰিয়তে পৃথিৱীৰ যি কোনো এখন ঠাইৰ এজন ব্যক্তিৰ লগত আন এখন ঠাইৰ এজন ব্যক্তিয়ে কথা পাতিব পাৰে। ই-মেইল, ফেক্স আদিৰ জৰিয়তে পৃথিৱীৰ যি কোনো ঠাইলৈ আন এখন ঠাইৰ পৰা মাত্ৰ কেইছেকেণ্ডৰ ভিতৰতে বাৰ্তা প্ৰেৰণ কৰি পাৰি। আনকি ঘৰতে বহি বিশ্বত ঘটা ঘটনাসমূহৰ বাতৰি নিমিষতে আহৰণ কৰিব পাৰি।

বৰ্তমান সময়ত যোৱা কেইবছৰমানৰ পৰা অসমৰ কিছুমান উন্নয়ন খণ্ডত ভাৰত চৰকাৰে স্থাপন কৰা সমূহীয়া তথ্য কেন্দ্ৰসমূহে তথ্য প্ৰযুক্তিৰ দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ই অঞ্চলটোৰ বাবে ভাল খবৰ। ভিতৰুৱা গাঁওসমূহৰ লোকসকলে এই কেন্দ্ৰসমূহৰ যোগেদি অন্ততঃ তথ্য প্ৰযুক্তিৰ লগত চিনাকি হৈছে আৰু কিছুমান প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিব পাৰিছে।

> *বৰ্তমান সময়ত যোৱা কেইবছৰমানৰ পৰা অসমৰ কিছুমান উন্নয়ন খণ্ডত ভাৰত চৰকাৰে স্থাপন কৰা সমূহীয়া তথ্য কেন্দ্ৰসমূহে তথ্য প্ৰযুক্তিৰ দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ই অঞ্চলটোৰ বাবে ভাল খবৰ। ভিতৰুৱা গাঁওসমূহৰ লোকসকলে এই কেন্দ্ৰসমূহৰ যোগেদি অন্ততঃ তথ্য প্ৰযুক্তিৰ লগত চিনাকি হৈছে আৰু কিছুমান প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিব পাৰিছে।*

বৰ্তমান প্ৰযুক্তিবিদ্যাৰ ইলেক্ট্ৰনিক্‌চৰ বিস্ময়কৰ আৱিষ্কাৰ কম্পিউটাৰ (Computations of Men's Problems Understand Throuh Easily Retraceable Sequences)। মানুহৰ মগজুৰে যিটো কৰা সম্ভৱ, বৰ্তমান তাৰ অধিকাংশই কম্পিউটাৰৰ দ্বাৰা সম্ভৱ হৈছে। এই কম্পিউটাৰ মূলতে সংবাদ আদান-প্ৰদান আৰু নিয়ন্ত্ৰণমূলক কৰ্মত সক্ষম এটি যন্ত্ৰাংশ, যিয়ে সাংকেতিক পদ্ধতিৰে মানুহৰ পৰা নিৰ্দেশ গ্ৰহণ কৰে। মাত্ৰ দুই দশকৰ ভিতৰতে এই যন্ত্ৰৰ ক্ৰম বিৱৰ্তন হৈ কি শিক্ষা, কি উদ্যোগ, কি বাণিজ্য, কি পৰিবহন, কি যোগাযোগ আনকি মহাকাশ যানৰ গতিপথৰ নিৰ্দেশলৈকে আটাইতে কম্পিউটাৰৰ ব্যৱহাৰ অপৰিহাৰ্য হৈ পৰিল।

চিকিৎসা বিজ্ঞানতো কম্পিউটাৰ ব্যৱহাৰ অবিচ্ছেদ্য অংগ। এই যন্ত্ৰয়েদি ৰোগীৰ 'প্ৰেছ মেকাৰ'ৰ কাম নিয়ন্ত্ৰণ কৰিছে। বহুমুত্ৰ ৰোগীৰ শৰীৰৰ ভিতৰত সুমুৱাই দিবলগীয়া 'ইনছুলিন'ৰ পৰিমাণ নিৰ্ণয় কৰে। 'লেজাৰ'ৰ দ্বাৰা 'ছাৰ্জাৰি' নিয়ন্ত্ৰণ আদি বিভিন্ন কাম কৰিছে। এইদৰেই চিকিৎসা অনুষ্ঠান, বিজ্ঞানাগাৰ, ঔদ্যোগিক প্ৰতিষ্ঠানসমূহত কম্পিউটাৰৰ প্ৰয়োগ দিনে দিনে বাঢ়ি গৈছে।

বৰ্তমান বিশ্বৰ প্ৰায়বিলাক দেশতে কম্পিউটাৰ ব্যৱহাৰৰ অপৰিহাৰ্যতা বৃদ্ধি কৰিছে ইণ্টাৰনেটে। এতিয়া আমি যিকোনো তথ্য পাতি নেটৱৰ্কটোৰ দ্বাৰা আহৰণ কৰা সহজ হৈ পৰিছে। যি কোনো বিষয়ৰ ওপৰত চলি থকা গৱেষণাৰ শেহতীয়া তথ্যপাতি অতি কম সময়ৰ ভিতৰতে পোৱাটো সম্ভৱ হৈছে। এতিয়া বিশ্বৰ প্ৰায় সকলোৰে ক্ষেত্ৰত ইণ্টাৰনেট দৈনন্দিন জীৱন যাত্ৰাৰ এক অপৰিহাৰ্য উপাদান হৈ পৰিছে। ইণ্টাৰনেট যোগে বিভিন্ন শিক্ষানুষ্ঠানসমূহ, ব্যৱসায় সংস্থাসমূহ আদিৰ ৱেবছাইট খুলি আমি বিভিন্ন তথ্য সংগ্ৰহ কৰিব পাৰিছো। কেইছেকেণ্ড

মানৱ ভিতৰতে কম খৰচত এঠাইৰ পৰা আন ঠাইলৈ বাতৰি পঠিওৱা আৰু সংগ্ৰহ কৰা কাম কৰিব পাৰিছো।

ৰেল, জাহাজ, টেলিগ্ৰাফ, টেলিফোন, বিজুলী আদি আধুনিক প্ৰযুক্তিবিদ্যাৰেই ফল। এই আৱিষ্কাৰসমূহে মানৱ সভ্যতাৰ ৰূপেই সলনি কৰি দিছে। আকাশীযানৰ সহায়ত সমগ্ৰ পৃথিৱী ভ্ৰমণ কৰিব পৰা হ'ল। পাৰমাণৱিক ৰহস্য আৰু শক্তি উদঘাটন, মহাকাশৰ বিভিন্ন তথ্য গ্ৰহণ আদিয়ে মানৱসভ্যতাক বহুদূৰ আগবঢ়াই লৈ গ'ল। চন্দ্ৰত মানুহে পদাৰ্পণ কৰিলে। মহাকাশত কৃত্ৰিম উপগ্ৰহ স্থাপন হোৱাৰ ফলত দূৰ সংযোগ ব্যৱস্থা ব্যাপক আৰু সহজ সাধ্য হ'ল। অনাতাঁৰ, দূৰদৰ্শন হ'ল মানৱ সেৱাৰ অপৰিহাৰ্য এক মাধ্যম। এনেদৰে প্ৰযুক্তিবিদ্যাৰ অভিনৱ উৎকৰ্ষই পৃথিৱীৰ চুকে-কোণে আজি নানা পৰিৱৰ্তনৰ জোৱাৰ আনিছে।

অসমৰ দৰে পিছপৰা তথা ভিতৰুৱা ঠাইত তথ্য প্ৰযুক্তিৰ গুৰুত্ব অতি বেছি। কিন্তু দেখা যায় যে এই ক্ষেত্ৰত চৰকাৰী হস্তক্ষেপ অতি সীমিত। উল্লেখযোগ্য যে অসমত অসম চৰকাৰৰ অধীনত এতিয়ালৈকে তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত এটা পৃথক বিভাগো গঠন হোৱা নাই। মাত্ৰ সৌ সিদিনা বাতৰিত পঢ়িবলৈ পাইছো যে অসম চৰকাৰে তথ্য প্ৰযুক্তিৰ এটা নতুন বিভাগ খুলিছে। চৰকাৰে এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিলে অসম নিশ্চয় তথ্য প্ৰযুক্তিৰ দিশত অন্যান্য ৰাজ্যৰ লগত সমানে খোজ মিলাই যাব পাৰিব।

পিছে আধুনিক প্ৰযুক্তিবিদ্যাই মানুহক প্ৰায় বন্দী কৰিলে। প্ৰযুক্তিৰ দাস হৈ মানুহে আজি পাহৰি গৈছে প্ৰকৃতিক। প্ৰকৃতিৰ যি কেইবিধ উপাদান লৈ মানুহ জীয়াই আছে সেই উপাদান বায়ু, পানী, মাটিৰ অনিষ্ট সাধন কৰিছে মানুহে নিজেই। পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ, বিষাক্ত গেছ আদি ধ্বংসাত্মক উদ্ভাৱন মানুহেই কৰিছে।

এতেকে আমি প্ৰত্যেকেই মনত ৰখা উচিত প্ৰযুক্তিবিদ্যাৰ পয়োভৰেৰে আমি কেৱল সুখ-ভোগত মতলীয়া হ'লে নহ'ব ; আমাৰ ভবিষ্যত বংশধৰসকলৰ কথা চিন্তা কৰিব লাগিব। আমি উন্মত ধোঁৱাৰ দৰে আধুনিক প্ৰযুক্তিবিদ্যাক ধাৱমান হ'বলৈ নিদি সু-সংযত প্ৰয়োগৰ ওপৰত গুৰুত্ব দিব লাগিব। গতিকে এই পৃথিৱীখনক মানবীয়তাৰ দৃষ্টিৰ পৰা সজাবলৈ হ'লে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ কেৱল মানৱ কল্যাণৰ বাবেহে কৰা উচিত। ☆

> *যিসকলে জীৱনত কিবা এটা লাভ কৰিব খোজে তেওঁলোকে যদি দৃঢ়মনা আৰু একাগ্ৰচিত্ত হয় তেনেহ'লে তেওঁলোকে যিহকে পাব খোজে তাকে লাভ কৰিব পাৰে।*
>
> —তিৰুক্কুৰল





# জ্যোতিপ্ৰসাদৰ কবিতাৰ বিশ্লেষণ

> "দুষ্কৃতিক ধ্বংস কৰিবলৈ যাওঁতে সংস্কৃতিয়ে যদি দুষ্কৃতিৰ উপায় হিংসা, কুটনীতি, চল-চাতুৰী এইবোৰ ব্যৱহাৰ কৰে, তেন্তে সংস্কৃতিও এইবোৰৰ সংক্ৰামক ব্যাধিৰে পুষ্ট হৈ পিছত সেই ব্যাধিৰেই কালত পৰি নিজে নষ্ট হয়।"

পল্লৱী প্ৰিতম বৰুৱা
উঃ মাঃ ২য় বৰ্ষ

জ্যোতিপ্ৰসাদ আগৰৱালা অসমৰ সাহিত্য-সংস্কৃতিৰ এটা স্মৰণীয় নাম। জ্যোতিপ্ৰসাদৰ অনন্ত জ্যোতিয়ে আমাৰ কাব্যকানন জাতিষ্কাৰ কৰি গৈছে। ড° সত্যেন্দ্ৰ শৰ্মাই জ্যোতিপ্ৰসাদৰ সাহিত্যৰ মূল্যায়ণ কৰিবলৈ গৈ লিখিছে— "জ্যোতিপ্ৰসাদৰ ৰচনা সৰ্বতোপ্ৰসাৰী হ'লেও মৌলিকৰূপত তেওঁ আছিল এগৰাকী কবি-শিল্পী। নাট্যকাৰৰ ভূমিকাও কবি শিল্পীৰেই এক অভিব্যক্তি বুলি নিঃসন্দেহে ক'ব পাৰি।" [জ্যোতিপ্ৰসাদ ৰচনাৱলী ভূমিকা, পৃষ্ঠা ২০] জ্যোতিৰ গীতৰ মাজত প্ৰতিধ্বনিত হৈছিল দেশৰ মুক্তিৰ প্ৰেৰণা, তেনেদৰে কবিতাত ধ্বনিত হৈছিল বিপ্লৱৰ সুৰ, দেশৰ স্বাধীনতাৰ সংকল্প। জ্যোতিপ্ৰসাদৰ কবিতাৰাজি দেশৰ মুক্তিপ্ৰয়াসী জনতাৰ আবেগৰ সাৰ্থক প্ৰকাশ বুলিব পাৰি।

জ্যোতিপ্ৰসাদ আছিল জনগণৰ শিল্পী। তেওঁ গজদন্ত মিনাৰত বহি সপোন দেখা শিল্পী নাছিল। তেওঁৰ কবিতাসমূহৰ অলপ সাৱধানী পাঠকেই অনুভৱ কৰিব পাৰিব যে, এই কবিতাবোৰৰ বেছিভাগৰ মাজতেই এক দ্বান্দ্বিক সমন্বয় বৰ্তমান। জ্যোতিপ্ৰসাদৰ সচেতন মানসত সদায় সংস্কৃতিৰ সৈতে দুষ্কৃতিৰ, সুন্দৰৰ সৈতে অসুন্দৰৰ, ধ্বংসৰ সৈতে সৃষ্টিৰ, শাসকৰ সৈতে শাসিতৰ, শোষকৰ সৈতে শোষিতৰ, বৈচিত্ৰ্যৰ সৈতে ঐক্যৰ, স্থবিৰতাৰ সৈতে গতিশীলতাৰ, জীৱনৰ সৈতে মৃত্যুৰ দ্বন্দ্ব চলি আছিল। কবিতাৰ বাহিৰেও তেওঁৰ ৰচনাৰ আন অংশটো এই দ্বন্দ্ব ফটফটীয়া হৈ আছে—

"এতিয়া পৃথিৱীত দেখা গৈছে যে সংস্কৃতিৰ মৰণ হ'লে দুষ্কৃতি ৰাজপাটত বহে। সংস্কৃতি আকৌ সেই দুষ্কৃতিৰ ভিতৰত জন্ম লৈ তাক ধ্বংস কৰে। তেন্তে ই এটা চক্ৰ নেকি ? সুখ-দুখৰ চক্ৰৰ দৰে পৰিবৰ্তনৰ দৰে সংস্কৃতি আৰু দুষ্কৃতিয়ে এইদৰে ঘূৰা-ফুৰা কৰি থাকে নেকি ? এয়েই তেন্তে মানৱ জীৱনৰ মহাসত্য নেকি ?

"দুষ্কৃতিক ধ্বংস কৰিবলৈ যাওঁতে সংস্কৃতিয়ে যদি দুষ্কৃতিৰ উপায় হিংসা, কুটনীতি, চল-চাতুৰী এইবোৰ ব্যৱহাৰ কৰে, তেন্তে সংস্কৃতিও এইবোৰৰ সংক্ৰামক ব্যাধিৰে পুষ্ট হৈ পিছত সেই ব্যাধিৰেই কালত পৰি নিজে নষ্ট হয়।" [শিল্পীৰ পৃথিৱী, জ্যোতিপ্ৰসাদৰ ৰচনাৱলী, পৃঃ ৪৩১]।

আমি উল্লেখ কৰা 'দ্বন্দ্ব'ৰ ৰূপটো বেছি ফট্‌ফটীয়াকৈ কবিতাৰ মাজত দেখা দিয়াৰ বহু কাৰণৰ ভিতৰত এটা হ'ব পাৰে জ্যোতিৰ কবিতাত ব্যৱহৃত শব্দ আৰু যৌৱনৰ উদ্দামতা লাভ কৰা ছন্দ। তেওঁৰ শব্দই বৈপৰীত্যত অৱস্থান কৰা ভাবে বা শক্তি দুটালৈ অতি অভ্ৰান্তভাৱে আঙুলি টোৱাই দেখুৱায়। গতিশীল ছন্দই সেই দুই বিপৰীতভাৱে বা শক্তিৰ অনবৰত সংঘৰ্ষৰ অৱস্থাটো উপলব্ধি কৰোৱায়।

জ্যোতিপ্ৰসাদৰ কবিতাৰ ভিত্তি হ'ল পুৰাণ আৰু ঐতিহ্যশ্ৰয়ী সু-সংস্কৃত ভাৰতীয় তথা অসমীয়া সমাজ। সেয়ে তেওঁৰ কবিতাত ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ, কৃষ্ণ, ঊষা, লাচিত, জয়মতী আদিৰ প্ৰয়োভৰ। পুৰাণ আৰু ঐতিহ্যৰ প্ৰতি গভীৰ আকৰ্ষণ অনুভৱ কৰিলেও জ্যোতিপ্ৰসাদ অতীতত নিমগ্ন হৈ থকা কবি কেতিয়াও নাছিল। অতীতৰ পৰা বৰ্তমানৰ মাজেদি ভৱিষ্যতলৈ 'ধ্বংসৰ মাজেৰে ৰূপান্তৰেদি ৰূপ পাই নৱতম সৃষ্টিৰ শলিতা' জ্বলোৱাৰ যি সুন্দৰ পথ তাৰ ওপৰতহে তেওঁৰ দৃষ্টি নিবদ্ধ হৈছিল।

জ্যোতিপ্ৰসাদৰ কবিতাৰ ভাষা প্ৰাণৱন্ত ব্যঞ্জনাময় আৰু উদ্দীপনাময়। শব্দৰ বিচিত্ৰ ঝংকাৰ আৰু ধ্বনিমাধুৰ্য, সংগীতধৰ্মিতা জ্যোতি কবিতাৰ অন্যতম বৈশিষ্ট্য। শব্দৰ ওপৰত জ্যোতিপ্ৰসাদে যি দখল দেখুৱাইছে, সি হয়তো অসমীয়া ভাষা জীয়াই থকালৈকে বহুতৰ কাৰণে ঈৰ্ষাৰ কাৰণ হৈ ৰ'ব। ☆

এক বিক্ষিপ্ত চিন্তা

# সুখৰ সন্ধানত

"সুখ এটা চিগাৰেটৰ টান। সুখ সৰু ল'ৰাৰ সুখৰ চকলেট মাথো। সুখ এজাক বৰষুণ। যি এবাৰ ঘপকৈ পাতত লাগি থকা ধূলি আঁতৰাই নিয়ে।"

তেগমণি প্ৰধান
স্নাতক ২য় বৰ্ষ

'সুখ' শব্দটো উচ্চাৰণ কৰাৰ লগে লগে মোৰ মনলৈ ভাহি আহিছে আলেকজেণ্ডাৰ ডুমাই কোৱা কথাষাৰলৈ। তেওঁ কৈছিল— "মানুহৰ দৰে যন্ত্ৰণাময় জীৱন ধাৰণ কৰিব লগা হ'লে ঈশ্বৰেও নিৰ্ঘাত আত্মহত্যা কৰিলেহেঁতেন। মানুহে সকলো আবিষ্কাৰ কৰিলে, আনকি দুখৰ কাৰণো। কিন্তু আজিলৈকে কোনো মানুহ সম্পূৰ্ণভাৱে সুখী হ'ব পৰা নাই।" ডুমাই কোৱা এই কথাষাৰ মই মৰ্মেমৰ্মে অনুভৱ কৰিছো। হয়, এই পৃথিৱীত কোনো মানুহ সুখী নহয়। কাৰণ সুখৰ কোনো গাণিতিক নিয়ম নাই অথবা কোনেও ইয়াৰ বৈজ্ঞানিক ব্যাখ্যাও দিব পৰা নাই। ই সম্পূৰ্ণভাৱে মানুহৰ আয়ত্বৰ বাহিৰত। যদি মানুহে সুখৰ সংজ্ঞা দিব পাৰিলেহেঁতেন তেন্তে নিশ্চয় মানৱ সমাজে ইমান উন্নতি কৰিব নোৱাৰিলেহেঁতেন। কাৰণ মানুহে যি আৱিষ্কাৰ কৰিছে, যি বনাইছে সকলো মানুহৰ সুখৰ কাৰণে। মানুহৰ সুখৰ যিহেতু পৰিধি নাই , সেইবাবে মানুহে ক্ৰমান্বয়ে উন্নতি কৰি আছে আৰু কৰি থাকিব। কিন্তু ভাবিলে আচৰিত লাগে মানুহে জন্মৰ পৰা মৃত্যুলৈকে এই 'সুখ' নামৰ শব্দকে মৰিছিকাৰ দৰে খেদি ফুৰি আছে। মৰিছিকাৰ যিদৰে আদিও নাই অন্তও নাই ঠিক সেইদৰে সুখৰ অন্তও নাই। আচলতে সুখ এনে এটা আপেক্ষিক শব্দ যাৰ সংজ্ঞা কোনেও এককভাৱে দিব নোৱাৰে।

প্ৰত্যেক মানুহৰ বাবে সুখৰ সংজ্ঞা বেলেগ বেলেগ হ'ব পাৰে। এজন মানুহ হয়তোবা প্ৰধানমন্ত্ৰী বা ৰাষ্ট্ৰপতি হ'ব নোৱাৰালৈকে সুখী নহয়। এজন মানুহে অকণো নিসংগতা সহ্য কৰিব নোৱাৰে ; কিন্তু আনজন মানুহৰ বাবে নিসংগতাই হ'ল শান্তি আৰু আনন্দৰ প্ৰধান উৎস। এজন মদাহীৰ বাবে যেতিয়া তেওঁ ভৰপূৰ মদ পাই তেতিয়া তেওঁৰ সুখৰ অন্ত নাইকীয়া হয় ; কিন্তু এজন বিদ্ধান মানুহৰ বাবে যেতিয়া অজস্ৰ কিতাপৰ ৰস পান কৰিবলৈ সমৰ্থ হয় তেতিয়া তেওঁৰ সুখৰ অন্ত নপৰে। গতিকে দেখা গ'ল যে প্ৰত্যেক মানুহৰ বাবে সুখৰ সংজ্ঞা বেলে বেলেগ। ফৰাচী সাংবাদিক জাঁ ডমিনিক বৌবিৰ বাবে সুখৰ সংজ্ঞা কি আছিল জানেনে ? তেওঁৰ মতে সুখৰ সংজ্ঞা আছিল, "মোৰ মুখৰ ভিতৰত অনবৰতে থু জমা হৈ থাকে। যিহেতু মোৰ মুখমণ্ডলৰ বাহিৰে-ভিতৰে প্ৰতিটো পেশীয়েই পক্ষাঘাতগ্ৰস্ত অৰ্থাৎ অচল। সেইকাৰণে মই মুখৰ থু-খিনি গিলি পেলাবও নোৱাৰো অথবা থুৱাই বাহিৰ কৰি দিবও নোৱাৰো। থুবোৰ যদি গিলি পেলাবলৈ মোৰ শক্তি হ'লহেঁতেন তেনেহলে মই নিজকে বিবেচনা কৰিলোহেঁতেন পৃথিৱীৰ ভিতৰত আটাইতকৈ সুখী মানুহ বুলি।" উপৰোক্ত কথাষাৰ সঁচাকৈয়ে হৃদয়স্পৰ্শী। ইয়াতে উল্লেখ কৰি থোৱা ভাল যে এটা ভয়ংকৰ ষ্ট্ৰ'কে মুহূৰ্তৰ ভিতৰতে বৌবিক পৰিণত কৰিছিল এটা জীৱন্ত মৃতদেহত। তেওঁৰ সকলো অংগ এনেদৰে অচল হৈ গৈছিল যে তেওঁ বাওঁচকুৰ পতাটোৰ বাহিৰে শৰীৰৰ এটা অংগও লৰাব নোৱাৰিছিল। কিন্তু তেওঁ হাৰ মনা বিধৰ নাছিল। সেইবাবে এদিন তেওঁ চকুৰ পতাযোৰ লৰচৰ কৰি তেওঁৰ শুশ্ৰূষাৰ কাৰণে নিয়োগ কৰা নাৰ্ছকেইগৰাকীক জনাবলৈ সমৰ্থ হ'ল যে যদিও তেওঁৰ শৰীৰ শৱসদৃশ কিন্তু তেওঁৰ মনটো এতিয়াও জীৱন্ত। নাৰ্ছসকলে বুজি পাই তেওঁৰ কাৰণে কিছুমান বিশেষ ধৰণৰ আখৰ তৈয়াৰ কৰিলে আৰু তেওঁৰ আগত দাঙি ধৰে। বৌবিয়ে যিটো আখৰ প্ৰয়োজন বুলি ভাবে সেইটো আখৰ দেখাৰ লগে লগে চকু টিপিয়াই। এইদৰে আখৰে শব্দৰ ৰূপ ললে, শব্দয়ে বাক্যৰ আৰু বাক্যৰ পৰা জন্ম হ'ল একোটা অপৰাজেয় আত্মাৰ মহান বীৰ গাঁথা। গতিকে হে মোৰ প্ৰিয় পাঠক, দেখিলেনে দুখতে আচলতে সুখ আছে। যদি দুখ নাথাকিলেহেঁতেন তেন্তে সুখ কি বস্তু এইটো উপলব্ধি কৰিব নোৱাৰিলেহেঁতেন। সুখ আৰু দুখ আচলতে একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। দুখক এৰি সুখৰ সংজ্ঞা দিব নোৱাৰি।

'আশা' এই শব্দটো মানৱ জীৱনত জন্মৰ পৰা মৃত্যু পৰ্যন্ত লাগি থাকে। কাৰণ মানৱ জীৱনটো আচলতে আশাৰে পৰিপূৰ্ণ। মানুহৰ আশাৰ অন্ত নপৰে, আশা অন্তহীন। এটা আশাই পূৰ্ণতা লাভ কৰাৰ লগে লগে আন এটা আশাই মানৱ হৃদয়ত ভূমুকি মাৰে আৰু এই আশাৰ পৰাই 'সুখ'ৰ উপলব্ধিয়েও ভূমুকি মাৰে। আচলতে আশাৰ পৰাই সুখৰ উৎপত্তি হয়। এনেদৰে আশা নাইবা সুখৰ চক্ৰীয় প্ৰক্ৰিয়া চলি থাকে গোটেই জীৱনজুৰি, অবিৰামভাৱে। নিজৰ জীৱনটোক ভালদৰে উপলব্ধি কৰিব পৰা দিনৰ পৰাই আশাই মানৱজীৱনত ভূমুকি মাৰে আৰু লগতে সুখ বোলা এক অন্তহীন প্ৰক্ৰিয়ায়েও মানুহ সুখৰ লগতে সহবাস কৰিও সুখ নামৰ মৰিছিকাক খেদি ফুৰে। কিন্তু এই মৰিছিকা সদৃশ লানি নিছিগা সুখৰ পিছে পিছে ঘূৰি থাকি আমি নিজে গম নোপোৱাকৈয়ে জীৱন নাটৰ পৰিসমাপ্তি ঘটে। কিন্তু মৃত্যু পৰ্যন্ত সুখৰ সংজ্ঞা উলিওৱাত ব্যৰ্থ হওঁ। মূলতঃ মানৱজীৱনটো মাত্ৰ সুখতে কেন্দ্ৰীভূত। সেইবাবে অকণমান দুখৰ অনুমান হ'লেই সুখৰ অস্তিত্বক অনুভৱ কৰো। আমি কিয় পাহৰি যাওঁ যে জীৱনটো সুখ আৰু দুখৰ সহাৱস্থান মাথো। কিন্তু আমি মাথো সুখকেই বেছি প্ৰাধান্য দিওঁ। আচলতে সুখৰ অস্তিত্ব দুখৰ পৰাই উৎপত্তি হয়। সেইবাবে সুখক বেলেগকৈ বিচৰাৰ দৰকাৰ নাই। সুখক দুখৰ মাজত উপলব্ধি কৰিবলৈ শিকিব লাগে। কিন্তু আমাৰ মনত অনবৰতে লাস-বিলাস, ভোগে ক্ৰিয়া কৰি থাকে বাবে আমি ভাবো যে ধন-দৌলত, গাড়ী-মটৰ পালেই সুখী হ'ম। কিন্তু মাথো এইটো ভ্ৰান্ত ধাৰণা। কাৰণ এনে বহুত (বহুত ক'লে ভুল হ'ব প্ৰায় ১০০ শতাংশ) মানুহে যদিও শাৰীৰিকভাৱে সুস্থ, মানসিকভাৱে দুচিন্তা মুক্ত, কৰ্মক্ষেত্ৰত প্ৰচুৰ সন্মান, প্ৰচুৰ টকা-পইচা আৰ্জন কৰিও সুখী হ'ব পৰা নাই। ইয়াৰ মূল কাৰণ হৈছে মানুহৰ মন। যিহেতু মনৰ কোনো নিয়ন্ত্ৰণ নাই সেইবাবে সুখৰো কোনো অন্ত নাই। সেইবাবে এটা সুখ বিচাৰি পালেই আন এটা সুখৰ সন্ধানত জীৱনপথত যাত্ৰা কৰো। ভোগবাদী মনৰ শেষবিন্দু নাই। এটা পালেই আনটো লাগে। যিদৰে মৰিছিকা বিচাৰি ফুৰাটো এটা অযুক্তিকৰ কাৰ্য সেইদৰে সুখ বিচাৰি হাবাথুৰি খোৱাটোও পৰ্বতত কাছৰ কণী বিচৰাৰ দৰে।

'সুখ' এজোপা সেউজীয়া ওখ গছ। যাৰ দৈৰ্ঘ্যতা ওখতকৈও ওখ বুদ্ধি-জ্ঞানী লোকেও অতিক্ৰম কৰিব পৰা নাই। মানৱ জীৱনেই যিহেতু খন্তেকীয়া তাত সুখ কিমান খন্তেকীয়া হ'ব সেইটো এটা বিচাৰ্য বিষয়। সুখ এটা চিগাৰেটৰ টান। সুখ সৰু ল'ৰাৰ সুখৰ চকলেট মাথো। সুখ এজাক বৰষুণ। যি এবাৰ ঘপকৈ পাতত লাগি থকা ধূলি আঁতৰাই নিয়ে। ইয়াত লাগি থকা ধূলিৰ অৰ্থ হৈছে মানৱ জীৱনৰ একো একোটা আশা। যাক 'সুখে' পূৰ্ণতা দিয়ে। কিন্তু প্ৰত্যেক আশাই পূৰ্ণতা লাভ নকৰে। তেতিয়াই নিৰাশাৰ জন্ম হয় অৰ্থাৎ দুখৰ উৎপত্তি হয়। নিৰাশাৰ বোজাই মন ভাৰাক্ৰান্ত কৰি তোলে। হতাশাত আমিবোৰ ভাগি পৰো। নিজকে পৃথিৱীত আটাইতকৈ 'সুখী' যেন অনুভৱ কৰো। কিন্তু সুখ-দুখ, আশা-নিৰাশাৰ মাজেৰে আত্মপ্ৰতিষ্ঠাৰ বাবে আগবাঢ়ি যোৱাজনেহে প্ৰকৃতাৰ্থত উপভোগ কৰিব পাৰে জীয়াই থকাৰ আনন্দ। জীৱন মানেই নহয় মাথো সুখ ; জীৱন মানেই হ'ল সুখ-দুখৰ সামঞ্জস্যপূৰ্ণ সহাৱস্থান। পৃথিৱীত এনে বহুত মানুহ আছে যিয়ে নিজকে ১০০ শতাংশ সফল হিচাপে প্ৰতিষ্ঠা কৰিব পাৰিছে। কিন্তু এনে এজনো নোলাব যি নিজকে ১০০ শতাংশ সুখী বুলি প্ৰশ্ন তুলিব পাৰে। জীৱনত আশাৰ পূৰ্ণতা বা অপূৰ্ণতাই নিৰ্ণয় নকৰে জীৱনটো কিমান সুখী অথবা কিমান দুখী। মাত্ৰ আশাৰ পূৰ্ণতাৰ অনুভূতি আৰু সুখ বা দুখৰ অনুভূতিৰ উপলব্ধি হয় জীয়াই থকাৰ সঁচা আনন্দ। কিন্তু দিব নোৱাৰে সুখৰ প্ৰকৃত সংজ্ঞা।

আচলতে সুখ এবিধ দুখেই। সুখ হৃদয় আৰু মগজুৰ এনে এটা অৱস্থা যাক আজি পৰ্যন্ত কোনেও চিনাক্ত কৰিব পৰা নাই। মানুহ সদায় সুখী হ'বলৈ বিচাৰে, যিদৰে নহওক লাগে। মানসিকভাৱে হওক বা শাৰীৰিকভাৱে হওক নাইবা ধন-সম্পত্তিৰ যোগেদিয়ে হওক। আচলতে মানুহ সুখী হ'ব খোজাটোৱেই দুখৰ মূল কাৰণ। কাৰণ সুখৰ প্ৰতি মানুহৰ যি লোভ, সুখৰ প্ৰতি মানুহৰ যি মোহ ই হ'ল মৰিছিকা মাথো। যাক কোনোপ্ৰকাৰে বিচাৰি উলিয়াব নোৱাৰি আৰু সেইবাবেই সুখক অৰ্জন বা লাভ কৰিব নোৱাৰাৰ বাবেই সুখও মানুহৰ বাবে দুখ হ'ব পাৰে। কিন্তু ইমানবোৰ কথা জানিও আজি আটায়ে এই সুখৰ সন্ধানতে ঢপলিয়াই ফুৰা নাই জানো ? ☆

চিন্তনীয়

# সৰ্বজন বিদিত এক ভয়াবহ ব্যাধি ড্ৰাগছ

*ড্ৰাগছৰ চূড়ান্ত পৰিণতি হ'ল অকাল মৃত্যু। বৰ্তমান ভাৰতবৰ্ষ ভগ্নপ্ৰায় সমাজ, দ্বন্দময় ৰাজনীতি, শিথিল অৰ্থনীতি আৰু দেশৰ নানা আভ্যন্তৰিণ সমস্যাত জৰ্জৰিত। কিন্তু তিলে তিলে হননকাৰী এই নৱাগত বিষধৰ ড্ৰাগছৰ আক্ৰমণৰ পৰা সমাজক আৰু যুৱসমাজক ৰক্ষা কৰাৰ উপায় কি ?*

মুকুল বৰুৱা
স্নাতক ৩য় বৰ্ষ

নিচাযুক্ত দ্ৰব্য সেৱন কৰা ক্ষতিকাৰক এই কথা সকলোৱে অনুধাৱন কৰিব পাৰে। জনসাধাৰণে জনামতে মদ, ভাং, কানি, আফিং, চিগাৰেট এইকেইবিধেই হ'ল আমাৰ দেশৰ অত্যন্ত ক্ষতিকাৰক মাদকদ্ৰব্য। মদ আৰু আফিঙৰ ৰাগিত মত্ত হৈ কিছুমান ব্যক্তিৰ অকালতে মৃত্যু হোৱা পৰিলক্ষিত হৈছে। কতজনী বোৱাৰীয়ে নিজৰ মদপী স্বামীৰ অত্যাচাৰৰ বলী হৈ মৃত্যুক আঁকোৱালি লৈছে। কত দুৰ্ভগীয়া পিতৃ-মাতৃয়ে নিজ পুত্ৰৰ অধঃপতন চকুৰ আগতে দেখি মানসিক ভাৰসাম্য হেৰুৱাই মৃত্যু যান্ত্ৰণাত কাতৰ হৈ শেষত নিৰ্মমভাৱে মৃত্যুক আঁকোৱালি লোৱা উদাহৰণ অনেক আছে। কতজনী কন্যাই স্বামীৰ ঘৰ ত্যাগ কৰি নিজ পিতৃ গৃহলৈ প্ৰত্যাৱৰ্তন কৰিছে। কতজনৰ সুখী দাম্পত্য জীৱনলৈ অশান্তিৰ প্লাৱন বোৱাই আনিছে এই মদেই। কিন্তু 'ভূতৰ ওপৰত দানহ' পৰাদি আধুনিক কালত আবিষ্কৃত সোণতকৈ অধিক মূল্যৱান জীৱনান্তক বিষধৰ মাদক দ্ৰব্যবিধ হ'ল 'ড্ৰাগছ'। এই ভয়ংকৰ ড্ৰাগছ— হেৰ'ইন, কোকেইন, ব্ৰাউন চুগাৰ, মাৰিজুৱানা, ক্লেক, মেনড্ৰেক আদি বিভিন্ন নামেৰে নামাঙ্কিত হৈ অনুপ্ৰৱেশ কৰিছেহি তৃতীয়বিশ্ব স্বৰূপে সদ্য স্বাধীনপ্ৰাপ্ত দেশসমূহত। ই সাম্ৰাজ্যবাদী কুৰতৰে জঘন্যতম নিদৰ্শন আৰু ভাৰতৰ হৃদপিণ্ডই হ'ল প্ৰধান লক্ষ্যস্থান। বিপুল সম্ভাৱনাময় ভাৰতৰ যুৱসমাজ এই দুৰ্ভাগ্যজনক সৰ্বনাশৰ চিকাৰ। উন্নয়নশীল দেশসমূহৰ যুৱসমাজেই আশা-ভৰসাৰ কেন্দ্ৰস্থল। তেনেস্থলত এই যুৱসমাজখনক যদি ড্ৰাগছৰ দৰে এনে এটা সৰ্বনাশী শক্তিয়ে ধ্বংসৰ চেষ্টা কৰে তেন্তে তৃতীয় বিশ্ব অৰ্থাৎ এই দেশসমূহত ভৱিষ্যতে পোহৰ বিলাব কোনে ?

ভাৰতলৈ মাদক দ্ৰব্য সম্প্ৰসাৰণ সাম্ৰাজ্যবাদী চক্ৰান্তৰ এটি সু-নিশ্চিত অংগ। ইয়াৰ পিছত আছে পাৰমাণৱিক চোৰাং চক্ৰান্ততকৈ ঘৃণিত চক্ৰান্ত। এই জীৱনঘাতী মাদক দ্ৰব্যৰ প্ৰৱেশ পথ মধ্য প্ৰাচ্যৰ পৰা পাকিস্থানেৰে আহে ভাৰতলৈ আৰু অধিকাংশ ভাৰতত বিচৰণ কৰি অৱশিষ্ট অংশ গুপ্তপথেৰে চালান হয় ব্ৰহ্মদেশ, চিংগাপুৰ, ইন্দোনেচীয়া আদি দেশসমূহলৈ। এই কুখ্যাত চোৰাংচোৱা ব্যৱসায়ত প্ৰকৃতাৰ্থত কোনো সুস্থ চেতনাৰ মানুহ লিপ্ত নাথাকে। অৱশ্যে হ'ব পাৰে সেইসকল লোক আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত তথা প্ৰতিপত্তিশালী লোক। কিন্তু তেওঁলোকৰ কোনো সুস্থ চিন্তাশক্তি নাই। ভৱিষ্যত প্ৰজন্মৰ বাবে সেইসকল লোক সচেতন নহয়। সিহঁতৰ মনত মানৱৰ উত্তৰণ ঘটা নাই। সিহঁত নিষিদ্ধ জগতৰ জঘণ্যতম প্ৰাণী। সিহঁত নানা কূট-কৌশলত জড়িত হৈ ধনেৰে ধনী হোৱাৰ উচ্চাকাংক্ষী মানুহ। বিশেষকৈ বহু যুৱক এনে পাকচক্ৰত সোমাই পৰে আৰু বহু সম্ভাৱনাময় জীৱনলৈ কঢ়িয়াই আনে দুৰ্যোগ তথা সৰ্বনাশ। এই পৰম বিষধৰ, প্ৰাণঘাতী ড্ৰাগছৰ লগত লিপ্ত হয় বিশেষকৈ মধ্যবিত্ত পৰিয়ালৰ হতাশাগ্ৰস্থ যুৱক, স্কুল-কলেজৰ উচ্ছৃংঙ্খল ছাত্ৰ-ছাত্ৰী, সাংসাৰিক বেদনাত ক্লিষ্ট অফিচ কৰ্মচাৰীও আসক্ত হোৱা দৃষ্টিগোচৰ হয়। তাৰোপৰি কোনো কোনো পৰিয়ালৰ অতি চঞ্চলা-চপলা জীয়ৰী আৰু ভাগ্যহীনা গৃহস্থও আসক্ত হোৱা পৰিলক্ষিত হয়। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে যাতে অসৎ সংগৰ বশৱৰ্তী হৈ অথবা কৌতুহল দমাব নোৱাৰি নাইবা কোনো লোকৰ দ্বাৰা প্ৰলোভিত হৈ যাতে এই সৰ্বানাশী 'ড্ৰাগছ' সেৱন কৰি নিজৰ লগতে পৰিয়ালৰ সৰ্বনাশ মাতি নানে তাৰ বাবে অভিভাৱক আৰু শিক্ষাৰ্থী, সকলো সচেতন হ'ব লাগিব।

ড্ৰাগছ হ'ল এবিধ ক্ষতিকাৰক মাদক দ্ৰব্য, যিয়ে মানুহৰ স্নায়ুতন্ত্ৰৰ ওপৰত ক্ৰিয়া কৰে। ই হয়তো সেৱনকৰ্তাক এক বিশেষ প্ৰেৰণা দিয়ে, যাৰ ফলত তেওঁ বীৰৰ দৰে নিজৰ মনোকামনা পূৰণ কৰিবলৈ সাহসৰ সমল গোটাব পাৰে। কিন্তু আটাইতকৈ বিপদগামী কথাটো হ'ল সেৱনৰ মাত্ৰা। সেৱনকাৰীয়ে আগৰ অনুপাতত উত্তেজনা অনুভূতি লাভ কৰিবলৈ হ'লে ড্ৰাগছৰ সেৱনৰ মাত্ৰা বৃদ্ধি কৰিবলগা হয়। কাৰণ যিকোনো নিচা জাতীয় দ্ৰব্য সেৱনৰ পাছত মানৱ দেহত সহনশীলতা বঢ়াই তোলে আৰু ই শৰীৰৰ বৃহৎ পৰিবৰ্তন ঘটায়। এই দুটা কথাৰ বাবেই ড্ৰাগছ সেৱনকাৰীয়ে ড্ৰাগছ সেৱন বন্ধ কৰিলে বা গ্ৰহণৰ মাত্ৰা কমাই দিলে এক বিশেষ দোষত ভূগিবলগীয়া হয়। যাক চিকিৎসা বিজ্ঞানৰ ভাষাত 'প্ৰত্যাহাৰ জনিত অসুস্থতা' বোলা হয়। এই ড্ৰাগছ সেৱনৰ প্ৰণালী বিভিন্ন ধৰণৰ হ'ব পাৰে। যেনে— বেজি লোৱা, চিগাৰেট খোৱা, চাহৰ দৰে পি খোৱা ইত্যাদি। সেয়ে কোনো ড্ৰাগছ আসক্ত ব্যক্তিয়ে বাধ্যতামূলকভাৱে দেহ আৰু মনৰ তাড়নাত ড্ৰাগছ সেৱন কৰি যায় আৰু সময়ে সময়ে ড্ৰাগছৰ মাত্ৰা বঢ়াবলৈ বাধ্য হয়। সাধাৰণতে ১৫ বছৰৰ পৰা ২২ বছৰ বয়সৰ ল'ৰা-ছোৱালীয়ে কৌতুহল নাইবা প্ৰলোভনৰ বশৱৰ্তী হৈ ড্ৰাগছৰ নিচাত আত্মনিয়োগ কৰি আপোন পাহৰা হৈ পৰে। এনে হোৱাৰ পৰিণতিত দেখা যায় যে এনে যুৱক-যুৱতীয়ে সমাজত উচ্ছৃংখলতাৰ সৃষ্টি কৰে। বহুক্ষেত্ৰত বহুতো যুৱকে আৰ্থিক সংকটত পৰি বহুতো অসামাজিক কামত লিপ্ত হৈ পৰে।

ড্ৰাগছ আসক্তিৰ লক্ষণসমূহ হ'ল— ভোক নলগা, ৰক্তহীনতা, দেহৰ ওজন কমি যোৱা, চকু ৰঙা পৰি থকা, দৃষ্টি শক্তি কমি যোৱা, চলন-ফুৰণত অস্থিৰতা আদি নানান ধৰণৰ উপসৰ্গত আক্ৰান্ত হৈ ৰোগ নিৰাময় অসাধ্য হয়। ড্ৰাগছৰ চূড়ান্ত পৰিণতি হ'ল অকাল মৃত্যু। বৰ্তমান ভাৰতবৰ্ষ ভগ্নপ্ৰায় সমাজ, দ্বন্দময় ৰাজনীতি, শিথিল অৰ্থনীতি আৰু দেশৰ নানা আভ্যন্তৰীণ সমস্যাত জৰ্জৰিত। কিন্তু তিলে তিলে হননকাৰী এই নৱাগত বিষধৰ ড্ৰাগছৰ আক্ৰমণৰ পৰা সমাজক আৰু যুৱসমাজক ৰক্ষা কৰাৰ উপায় কি ? বহু পিতৃ-মাতৃ, শিক্ষক, অধ্যাপক, অভিভাৱক আৰু দায়িত্বশীল ব্যক্তি আতঙ্কিত হৈ কাষ চাপিছে মনস্তত্ব বিশাৰদ সংশোধন ব্ৰতী চিকিৎসকৰ ওচৰত। এই নতুন বিষ ব্যাধিৰ নিৰাময়ৰ প্ৰয়াস চলাইছে যদিও অধিকাংশই জীৱনৰ খেলা শেষ কৰি ডুবি গৈছে সাগৰৰ অটল গহ্বৰত কিম্বা উটি গৈছে নদীৰ কোবাল সোঁতত।

> "যদি তোমাৰ হৃদয়খন এক
> তপ্ত আগ্নেয়গিৰি
> তুমি তোমাৰ হাতত ফুল ফুলাৰ
> আশা কৰিবা কেনেকৈ ?"
> —খলিল জিব্রান

বৰ্তমান অতীৱ প্ৰয়োজন মাদকাসক্তিৰ ভয়াবহ পৰিণামৰ সম্বন্ধে অত্যাধিক প্ৰচাৰ। এনে কাৰ্যৰ বাবে আমাৰ প্ৰয়োজন স্থিৰভাৱে নিৰ্ধাৰিত লক্ষ্য, উৎসৰ্গিত প্ৰাণৰ এজাক সমাজকৰ্মী, চিকিৎসক আৰু ৰোগীৰ পৰিয়ালৰ সক্ৰিয় সহযোগ। লগতে অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকল মানসিকভাৱে অধিক সজাগ সচেতন হ'ব লাগিব। বিশেষভাৱে প্ৰচেষ্টা চলাব লাগিব দুৰ্নীতিমুক্ত সমাজ গঠন আৰু কঠোৰ হাতেৰে বন্ধ কৰিব লাগিব মাদক দ্ৰব্যৰ চোৰাং অনুপ্ৰৱেশ। অন্যথাই তৃতীয় বিশ্ব, বিশেষকৈ ভাৰতৰ যুৱসমাজ ক্ৰমান্বয়ে অগ্ৰসৰ হ'ব আত্মহননৰ পথত।

এই ভয়াবহ ড্ৰাগছ প্ৰতিৰোধ কৰা সৰ্বসাধাৰণৰ বাবে অতি প্ৰয়োজন। এইবোৰৰ বাবে সকলোৱে ঐক্যবদ্ধ হৈ নিৰাময় কৰিব পাৰিলে দেশৰ উঠি অহা নতুনযুৱ সমাজ ৰক্ষা পৰিব। সেইবাবে আমি সকলো জনসাধাৰণ ছাত্ৰ-ছাত্ৰী ঐক্যবদ্ধ হৈ প্ৰতিৰোধৰ সংকল্প গ্ৰহণ কৰা নিতান্তই আৱশ্যক। যদিহে আমি ইয়াৰ প্ৰতিৰোধৰ প্ৰচেষ্টা হাতত নলওঁ তেন্তে ই আমাৰ যুৱসমাজৰ মাজত এক ভয়াবহ ব্যাধি ৰূপে দেখা দিব। ☆

# এগৰাকী মহীয়সী নাৰীঃ মাদাৰ টেৰেছা

✍ অনিতা কুৰ্মী
উঃ মাঃ ২য় বৰ্ষ



পৃথিবীত অতি প্ৰাচীন কালৰে পৰা বহুতো মহান পুৰুষ, মহীয়সী নাৰীৰ আবিৰ্ভাৱ হৈছে আৰু তেওঁলোকে মানৱ জাতিলৈ নানা ধৰণে সেৱা আগবঢ়াই গৈছে। পৃথিৱীৰ আটাইতকৈ দুৰ্বল, অসহায়, দুখীয়া লোকৰ প্ৰতি নিৰৱচ্ছিন্নভাৱে সেৱা আগবঢ়োৱা 'মাদাৰ টেৰেছা'ৰ দৰে দ্বিতীয় গৰাকী নাৰী পাবলৈ নাই। মাদাৰ টেৰেছাই জনসেৱাৰ কাম বিশেষকৈ অনাথ শিশু, নিঃসহায় দৰিদ্ৰ, কুষ্ঠৰোগৰ দৰে সংসাৰত নিৰ্যাতন ভোগ কৰা লোকৰ বাবে সেৱা আগবঢ়োৱাটোকে জীৱনৰ ব্ৰত বুলি গ্ৰহণ কৰিছিল। সাংসাৰিক জীৱনত প্ৰৱেশ নকৰি সন্যাসিনী ব্ৰত ধাৰণ কৰি পৃথিৱীৰ বিভিন্ন প্ৰান্তত অগণন ভগ্নীৰ দ্বাৰা পৰিবেষ্টিত হৈ তেওঁ মানৱ সেৱা কাৰ্যত ব্ৰতী হৈছিল।

এই গৰাকী মহীয়সী নাৰী (মাদাৰ টেৰেছা)ৰ জন্ম হৈছিল ১৯১০ চনৰ ২৭ আগষ্টত, আদ্ৰিয়াটিক সাগৰৰ পাৰত, যুগোশ্লাভিয়াৰ স্ক'পজ চহৰত। তেওঁৰ দেউতাক এজন সাধাৰণ গেলামালৰ দোকানী আছিল। মাদাৰ টেৰেছা সৰু থাকোঁতেই তেওঁৰ দেউতাকৰ মৃত্যু হৈছিল। দেউতাকৰ মৃত্যু হোৱাত মাকে নানা কষ্টৰে তেওঁক ডাঙৰ-দীঘল কৰে। স্কুলত পঢ়ি থাকোঁতেই 'মেৰীৰ চছেলতি' নামৰ এটি ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত হৈ যীশুখৃষ্টৰ মহান বাণীবোৰৰ প্ৰতি আকৃষ্ট হয়। "ঈশ্বৰৰ ইচ্ছাই মোৰ জীৱনত প্ৰতিষ্ঠিত হওঁক" বুলি ১৮ বছৰ বয়সতে সকলো পাৰ্থিব আকাংক্ষা ত্যাগ কৰি মানৱ সেৱাৰ বাবে 'লৰেটো' নামৰ এটা খৃষ্টান সংস্থাত যোগ দিয়ে। ই এটা মঠ নিবাসী ভগ্নী সন্যাসিনীসকলৰ সংগঠন। এই সংস্থাৰ দাৰ্জিলিঙত এটা শাখা আছিল। তেওঁ ইংৰাজী ভাষা অধ্যয়ন কৰাৰ উদ্দেশ্যে সেই সংস্থাৰ জৰিয়তেই আয়াৰলেণ্ডৰ ডাব্লিনলৈ যায়। ডাব্লিনৰ পৰাই তেওঁক দাৰ্জিলিঙলৈ পঠিয়াই। ১৯২৮ চনত সেই সংস্থাই পৰিচালনা কৰা এখন স্কুলত শিক্ষয়িত্ৰী হয়। পিছলৈ তেওঁ সেই স্কুলখনৰ অধ্যক্ষাও হৈছিল। সন্যাসিনী ব্ৰত ধাৰণ কৰি তেওঁ ফৰাচী দেশৰ এগৰাকী মহীয়সী সন্যাসিনী নামেৰে 'মাদাৰ টেৰেছা' নাম গ্ৰহণ কৰে। কলকাতাত থাকোঁতে মানুহৰ অবৰ্ণনীয় দৰিদ্ৰৰ তাড়না অনুভৱ কৰিছিল, কলকাতাৰ বস্তি অঞ্চলত থকা মানুহৰ ক্লেশ আৰু যাতনাই তেওঁৰ মনত বৰ দুখ দিছিল। সেই দৰিদ্ৰবোৰৰ কষ্ট লাঘৱৰ বাবে কিবা কাম কৰাৰ আৰু সিহঁতক ঈশ্বৰৰ প্ৰতি ভক্তি জন্মোৱাৰ।

তেতিয়া তেওঁ 'লৰেটো' সংস্থা এৰি নিজেই এটা সংগঠন কৰাৰ মানসেৰে খৃষ্টান ধৰ্মৰ মূৰব্বী 'পোপ'ৰ পৰা অনুমতি ললে। তেওঁ কনভেণ্টৰ পোছাক এৰি নীলা পাৰিৰ বগা শাৰী পৰিধান কৰিবলৈ ধৰিলে। শাৰীৰ আঁচলত যীশুৰ ক্ৰচডাল পিন মাৰি যায়। ভাৰতীয় নাৰীৰ দৰে এই পোছাক পৰিধান কৰি ১৯৫০ চনত 'মিছনেৰী অৱ ছেৰিটী' নামৰ সংস্থাটো প্ৰতিষ্ঠা কৰে। তেতিয়াৰ পৰাই তেওঁ সাধাৰণ জীৱন-যাপন কৰিবলৈ ধৰে। পবিত্ৰতা, দৰিদ্ৰ আৰু বাধ্যতা এই তিনিটা সংকল্পৰ লগত যোগ দিলে কৰুণাৰ সংকল্প। কলকাতাৰ বাটে-ঘাটে বেমাৰী মানুহবোৰ মৰিব ধৰা দেখি পৰি থকা, মানুহবোৰক হস্পিতেলে নিবিচৰা আৰু কোনোৱে যত্ন নোলোৱা মানুহক সেৱা শুশ্ৰূষা কৰিবলৈ তেওঁ পৌৰ নিগমৰ ওচৰত এটা ঘৰ বিচাৰিলে। কালীঘাট মন্দিৰৰ ওচৰত এটা ধৰ্মশালা তেওঁক দিয়া হ'ল। ইয়াতেই তেওঁ স্থাপন কৰিলে ১৯৫২ চনত 'নিৰ্মলা হৃদয়' মুমূৰ্ষ, পৰিত্যক্তৰ গৃহ। তেওঁ কলকাতাৰ বাটৰ পৰা হেজাৰ-হেজাৰ মানুহ বুটলি আনি শুশ্ৰূষা কৰিবলৈ ধৰে। মানুহে তেওঁক সেই সেৱাৰ প্ৰতি সঁহাৰি জনাব ধৰিলে আৰু ধন নানান বস্তু দি সহায় কৰিবলৈ ধৰিলে। মাদাৰ টেৰেছাৰ ওচৰলৈ শিশু অনা দেখি তেতিয়া তেওঁ 'শিশু ভৱন' খুলিলে। কলকাতাৰ নিৰ্মলা শিশু ভৱন পৰিত্যক্ত শিশুৰ বাবে কৰা আশ্ৰয় গৃহ হৈ পৰিল। ইয়াৰ শিশুবোৰ অপুষ্ট, অবাঞ্চিত, ৰুগীয়া আৰু স্নেহ নোপোৱা শিশুবোৰ ইয়াত স্বাস্থ্যবান হৈ ৰঙিয়াল মনেৰে বহু শিশু দেশ-বিদেশৰ পালক পিতৃ-মাতৃৰ ওচৰলৈ গৈছে।

১৯৬৪ চনত পোপ পল ভাৰতলৈ যেতিয়া আহে মাদাৰ টেৰেছাক তেওঁৰ বগা সুদৃশ্য, বহুমূলীয়া নিস্কন গাড়ীখন দি যায়। ধন গোটোৱাৰ আশাত তেওঁ গাড়ীখন লটাৰী খেলালে। সেই লটাৰীৰে মুঠ ৪৬,০০,০০০ টকা উঠিল। ইয়াৰে তেওঁ কুষ্ঠকেন্দ্ৰ খুলিলে। ১৯৬২ চনতে তেওঁ কেইবাটাও পুৰস্কাৰ পায়। সেইবোৰ হ'ল— মানৱ সেৱাৰ শ্ৰেষ্ঠ প্ৰতীক মেগ্‌চেচে পুৰস্কাৰ, পোপ জন শান্তি বঁটা, গুড চামাৰিটান পুৰস্কাৰ আৰু জন কেনেডি আন্তৰ্জাতিক পুৰস্কাৰ। ১৯৭২ চনত জৱাহৰলাল নেহৰু পুৰস্কাৰ, ১৯৭৩ চনত টেম্পল্‌টন পুৰস্কাৰ, ১৯৭৪ চনত মেটাৰেট মেগৰষ্ট্ৰা পুৰস্কাৰ, ১৯৭৫ চনত বিশ্ব খাদ্য আৰু স্বাস্থ্য সংস্থাৰ চিৰিচ মেডেল। এই মেডেলৰ এফালে আছে মাদাৰ টেৰেছাৰ প্ৰতিমূৰ্তি আৰু আনফালে আছে এজন অপুষ্ট শিশুক দুখন প্ৰসাৰিত হাতে সাৱটি লবলৈ ধৰাৰ দৃশ্য। তেওঁৰ সৰ্বোচ্চ বঁটা হ'ল— ১৯৭৯ চনৰ ন'বেল বঁটা।

১৯৬২ চনৰ এপ্ৰিল মাহত ভাৰত চৰকাৰে তেওঁক পদ্মশ্ৰী উপাধি প্ৰদান কৰে। বিশ্বভাৰতী বিশ্ববিদ্যালয়ে আৰু এটা উপাধি প্ৰদান কৰে তেওঁক 'দেশীকোত্তম' বুলি।

তেওঁৰ জীৱনৰ লক্ষ্য কি বুলি সোধাত কৈছিল— "For those not cared, I give love, for those discared, I give shelter and care. "

মাদাৰ টেৰেছাই দুখীয়াসকলক বিনামূলীয়াকৈ সহায় কৰিছিল। অগণন দৰিদ্ৰ জনৰ এজন হৈয়েই তেওঁ ভাৰতত বাস কৰিছিল। ভাৰতৰ এই মহীয়সী নাৰী গৰাকীয়ে জীৱনৰ শেষ মুহূৰ্তকেইটা কলকাতাৰ 'মাদাৰ হাউচ'তে কটালে।

১৯৯৭ চনৰ ৫ চেপ্তেম্বৰৰ ৰাতি দয়া আৰু কৰুণাৰ প্ৰতিমূৰ্তি স্বৰূপ মাদাৰ টেৰেছাই নশ্বৰদেহ ত্যাগ কৰি পৰমাত্মাত বিলীন হৈ গ'ল। ১৯১০ চনত জন্মগ্ৰহণ কৰা মাদাৰ টেৰেছাই সাংসাৰিক জীৱনত আবদ্ধ নহৈ গোটেই জীৱনটো অনাদৃত, পৰিত্যক্ত, অনাথ, অসহায় শিশু, বৃদ্ধ আৰু বিকলাংগ লোকৰ সেৱাৰ বাবে উছৰ্গা কৰিলে। মানৱ জাতিলৈ মাদাৰ টেৰেছাৰ আহ্বান—

"Let us love one another as God, loves each one of us and to bring peace in our own heart, our home, our country and in the world" ☆



SONALI - XVIII

চিন্তনীয়

# অৰণ্যৰ উচুপনি

✍ ৰুণামনি ৰংছোৱাল
উঃ মাঃ ২য় বৰ্ষ

এক অৰণ্য ! নিৰ্জন নিস্তব্ধ। অৰণ্যলৈ সূৰ্যৰ পোহৰ সেৰেঙা-সেৰেঙাকৈ সৰকি আহিছে। মাজে মাজে জিলিৰ চিঞ্-চিঞ্ মাত, কিছুমান কীট-পতংগৰ অবোজ ধ্বনি আৰু দুই-এটা কুকুৰ নেচিয়াৰ মাত দূৰৰ পৰা ভাহি আহিছে। সৰি পৰা শুকান পাতৰ ওপৰে যাওঁতে খৰ্-খৰ্ শব্দত কেতিয়াবা লগত কোনোবাজন অহা যেন লাগে। ঘূৰি চাই কাকো নেদেখিহে শব্দ নিজৰে বুলি জানিব পাৰি। অকলে অকলে যাওঁতে কিছুমান অজান ভয়ে বুকুখন কঁপাই তোলে। তথাপিতো কিবা এটা আনন্দ, কিবা এটা অনুভূতিৰ তাগিদাত হাবিৰ মাজে মাজে গৈ বৰ ভাল লাগে। প্ৰকৃতিৰ সঁচা ৰূপ, সঁচা সৌন্দৰ্য চাই সঁচা আনন্দ পোৱা যায়। যি আনন্দ ঈশ্বৰ প্ৰদত্ত। আত্মাই বিচৰা সঁচা আনন্দ। তাত লৌকিকতা নাই, কৃত্ৰিমতা নাই। বিষয় বাসনাৰ পৰা আঁতৰত থাকি সঁচা আনন্দত উৎভাষিত হৈ ভগৱানৰ অস্তিত্ব ঐশ্বৰীক মহিমা অপাৰ সমুদ্ৰত উপঙি যোৱা যেন লাগে। ভাব হয় এনে বন-বননিৰ মাজতে আছিল আশ্ৰম; ঋষি-মুণিসকলে চৰ্চা কৰিছিল ঈশ্বৰৰ গুণ-গান। গঢ় লৈ উঠিছিল বৰ্তমান আমাৰ অমূল্য সম্পদ বিভিন্ন কাব্য-বেদ-বেদাংগ আদি।

সেই প্ৰকৃতিৰ সঁচা সৌন্দৰ্য, সঁচা আনন্দ পোৱা গছ-গছনি গুচি এতিয়া লোকে লোকাৰণ্য হ'ল। য'ত ভৰি পৰিল কৃত্ৰিমতাৰে উশাহ লব নোৱাৰা গেঠেলা পৰিবেশ এটা। কঠোৰা হৃদয়ে গঢ়া কৰ্কশ পৰিণতি। স্বাৰ্থান্বেষি মানৱে গঢ়া প্ৰকৃতিৰ নিস্বাৰ্থৰতাৰ ধ্বংসলীলা। বন্য প্ৰাণীক গৃহহীনতাক তুস্বাৰ্থ ভাবি উচ্চ আসন দিলে বিলাসিকতাক। ভগৱানৰ সৃষ্টিক ধ্বংস কৰি সৃষ্টি কৰিলে মানৱ বৰ্বৰতাৰ নতুন ৰাজ্য। নাম দিলে সভ্যতা। মানুহৰ সৃষ্টিৰ সভ্যতা যিমানেই আগবাঢ়িছে সিমানেই আমি আঁতৰি পৰিছো প্ৰকৃতিৰ পৰা, ভগৱানৰ পৰা। অকল আমিয়েই নহয়, প্ৰকৃতিৰ অবোঁধ প্ৰাণীকো সৰ্বস্বান্ত কৰি পেলাইছো। ই সঁচা কথা। সঁচা সেই চৰাইজনীৰ কথা, যি জনী লগ পালো অৰণ্যৰ মাজত, হাবিৰ মাজত।

এজনী মানুহৰ কথাকোৱা, মানুহৰ মাত মতা চৰাই, কথা পাতিব পৰা, কথা ক'ব পৰা চৰাই। গছৰ ডালত অকলে অকলে আমন-জিমনকৈ বহি থকা চৰাইজনী। তাই কেনেকৈ অকলশৰীয়া হ'ল ? কিয় তাই আজি সংগীহীন হ'ল ? কোনে কৰিলে এই অৱস্থা, দোষী কোন ?

যি আনন্দ ঈশ্বৰ প্ৰদত্ত। আত্মাই বিচৰা সঁচা আনন্দ। তাত লৌকিকতা নাই, কৃত্ৰিমতা নাই। বিষয় বাসনাৰ পৰা আঁতৰত থাকি সঁচা আনন্দত উৎভাষিত হৈ ভগৱানৰ অস্তিত্ব ঐশ্বৰীক মহিমা অপাৰ সমুদ্ৰত উপঙি যোৱা যেন লাগে।

গছৰ ডালৰ পৰা হঠাৎ মানুহৰ মাত শুনি জঠৰ হৈ পৰিল ভৰিৰ চালিকা শক্তি, ৰৈ গ'লো অবাক দৃষ্টিৰে। অৰণ্যৰ বনৰীয়া পক্ষীৰ কণ্ঠত ভাহি আহিল মানুহৰ মাত। "হেৰা মানুহ, অলপ ৰ'বা, মোৰ কথা অলপ শুনা। মই আজি নিসংগ, সংগীহীন বনৰীয়া পক্ষী। মোৰ এই অৱস্থা তোমালোকেই কৰিলা। সৰুতেই মোক মাৰ কোলাৰ পৰা তুলি নি সজাত বন্দী কৰি তোমালোকে মাত মাতিবলৈ শিকালা। মই মাত মতাৰ বাবে মানুহৰ যে কি আনন্দ। তোমালোকৰ আনন্দৰ বাবে মোক সৰ্বস্বান্ত কৰিলা। মুক্ত মন মোৰ বন্ধ কাৰাগাৰত আবদ্ধ কৰি ৰাখিলা। তেতিয়া মোৰে মুক্ত মনৰ হাবিয়াস নহৈছিল। এদিন-দুদিন কেইবাদিনো ওপৰে উৰি যোৱা মনৰ সংগীৰ মাতে মোক বলিয়া কৰিলে। বন্দীত্বৰ পৰা মই মোৰ মাতৃভাষাৰ কথা পাহৰিছিলো। কৈছিলো সুবিধা পালেই গুচি আহিম। এদিন সেই সুবিধা আহিল। মই মুক্ত হৈ বনৰ মাজলৈ গুচি আহিলো। কিন্তু মই মুক্ত হ'লেও সংগী নাপালো। মোৰ গাত মানুহৰ গন্ধ আছে। স্বাৰ্থান্বেষি মানুহলৈ ভয় কৰা মোৰ আত্মীয় স্বজনে মোৰ গাত থকা মানুহৰ গোন্ধৰ বাবে খেদি দিলে। মই অকলশৰীয়া হ'লো। বন্দীত্বৰ সজালৈও মই ঘূৰি যাব নোৱাৰো, মুক্ত হৈ নিসংগতাৰ তিক্ততা লৈয়ো মই জীয়াই থাকিব নোৱাৰো। মোৰ এই অৱস্থাৰ বাবে তোমালোক মানুহবোৰে দায়ী। কত মুক্তি বিহংগৰ জীৱন বন্যাত বিষময় বাষ্প বোৱাই প্ৰকৃতিৰ কি যে অৱক্ষয় নমাই আনিছে মানুহে। কেতিয়া শেষ হ'ব সেই মন্যতা, কেতিয়া শেষ হ'ব সেই স্বাৰ্থানেষি কাৰ্যক্ৰমণিকা। যেতিয়াই শেষ হ'ব তেতিয়াই প্ৰকৃতিৰ সঁচা সৌন্দৰ্য, সঁচা আনন্দ, অৰণ্যৰ নিৰ্জনতাৰ প্ৰকৃত গাম্ভীৰ্য চিৰদিনৰ বাবে লোপ পাব আৰু তেতিয়াই শেষ হ'ব ভগৱানৰ বিনন্দীয়া সৃষ্টিৰ বিনন্দীয়া পৃথিৱী। থাকি যাব মাথোন শিলাময় এক কৃত্ৰিম বাস্তৱতা, কৃত্ৰিম আনন্দ আৰু কৃত্ৰিম সমন্বয়। ☆





# কলেজীয়া জীৱনত কৰ্তব্যৰ সচেতনতা

মানৱ জীৱনত হাঁহি-ধেমালি, ফুৰ্তি আদিৰ খুবেই প্ৰয়োজন আছে, কিন্তু সেই বুলি আনন্দৰ জোৱাৰত নিজকে উটুৱাই দিয়াটো জানো উচিত হ'ব ? প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ জীৱনত একো একোটা লক্ষ্য থকা উচিত।

গীতাঞ্জলি শ্যাম
স্নাতক ১ম বৰ্ষ

জীৱনটো এখন বোৱতী নৈৰ দৰে। জীৱনৰ কিছু কিছু অধ্যায়তহে আমি শিক্ষা আহৰণ কৰিব পাৰোঁ। আমি যদি জীৱনৰ প্ৰথমছোৱাতে শিক্ষা অৰ্জন নকৰোঁ পিছৰছোৱাত শিক্ষা অৰ্জনৰ উৎসাহ, ক্ষমতা আদি ক্ৰমশ হ্ৰাস পোৱাটো নিশ্চিত। কিন্তু মানুহৰ জীৱনৰ পৰা শিক্ষা শব্দটো কোনো দিনেই অন্ত নপৰে। ব্যক্তি এজনৰ জন্মৰ পৰা মৃত্যু পৰ্যন্ত শিক্ষা লাভ কৰি শেষ নহয়। বৰ্তমান যুগত এনে এটা পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয় যিটো ঘড়ীৰ কাটা কেইডালৰ লগে লগে আমি আমাৰ কাম নকৰিলে নিঃশেষ হৈ যোৱাটো আৱশ্যম্ভাৱী। সঁচাকৈ, সময়ৰ টিকনিডাল সদায় আগফালে থাকে। সময়ৰ অপব্যৱহাৰ কৰা উচিত নহয়। সময়ৰ কাম সময়মতে পূৰ্ণ কৰি যাব লাগে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলে সময়ৰ সৎ ব্যৱহাৰ কৰাটো নিতান্তই প্ৰয়োজন।

প্ৰধানকৈ কলেজ মানেই হ'ল এক মুক্ত পৰিৱেশ। স্কুলীয়া জীৱনৰ ৰাধ্য-বাধকতা, কঠোৰ শাসন, ৰঙা চকুৰ ভিতিগ্ৰস্ততা আদিৰ পৰা কলেজীয়া পৰিৱেশ মুক্ত। ছাত্ৰ জীৱন আটাইতকৈ মনোমোহা, ৰঙে-ৰূপে ভৰপূৰ, মধুৰ স্বপ্নালীৰ আৱেশেৰে উপচি পৰা মনোৰম সময়ছোৱাই হৈছে কলেজীয়া জীৱন। এই সময়ছোৱাই হ'ল নতুন সপোন ৰচা, নতুন কল্পনা কৰা আৰু নিজকে সুপ্ৰতিস্থিত হিচাপে গঢ়াৰ গুৰুত্বপূৰ্ণ সময়। কলেজীয়া জীৱনৰ এই সময়ছোৱাৰ সৎব্যৱহাৰেই ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত জীৱনৰ ভেটি গঢ়াত সহায় কৰে।

কলেজীয়া জীৱনত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ জীৱনৰ লক্ষ্যৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত। যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিজৰ জীৱনৰ দায়িত্ব নুবুজি কলেজৰ মুক্ত পৰিৱেশত ৰং-ৰহইচ, হাঁহি-ফুৰ্তি, তামাচা আদিৰ মাজত নিজকে বিলীন কৰি এক খন্তেকীয়া আনন্দ উপভোগ কৰি বহুমূলীয়া সময় অতিবাহিত কৰে সেইসকল ছাত্ৰ-ছাত্ৰীৰ জীৱন শেষত বিফলতাৰ ভাণ্ডাৰ হৈ পৰে। সেয়েহে কলেজীয়া জীৱনত নিজৰ অধ্যয়নৰ প্ৰতি সচেতনতা খুবেই প্ৰয়োজন। বহুতো মেধাৱী ছাত্ৰ-ছাত্ৰী কলেজৰ মুক্ত পৰিৱেশলৈ আহি অকৃতকাৰ্য হোৱাৰ উদাহৰণ পৰিলক্ষিত হয়। ইয়াৰ মূল কাৰণ হ'ল নিজৰ অধ্যয়নৰ মূল দায়িত্বৰ প্ৰতি উদাসীন হৈ নিজকে পাহৰি কলেজৰ খন্তেকীয়া হাঁহি-ধেমালিৰ মাজত নিজকে উটুৱাই দিয়া। মানৱ জীৱনত হাঁহি-ধেমালি, ফুৰ্তি আদিৰ খুবেই প্ৰয়োজন আছে, কিন্তু সেই বুলি আনন্দৰ জোৱাৰত নিজকে উটুৱাই দিয়াটো জানো উচিত হ'ব ? প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ জীৱনত একো একোটা লক্ষ্য থকা উচিত।

প্ৰত্যেক পিতৃ-মাতৃয়ে অপাৰ আশা বুকুত বান্ধি তেওঁলোকৰ ল'ৰা-ছোৱালীক কলেজলৈ শিক্ষা গ্ৰহণৰ বাবে পঠায়। তেওঁলোকে আশা কৰে তেওঁলোকৰ সন্তান উচ্চ শিক্ষাৰে শিক্ষিত হওক, নাম কৰক, ডাঙৰ মানুহ হওক। তেওঁলোকে জীৱনত যি কৰিব নোৱাৰিলে সেই অপূৰ্ণতাখিনি সন্তানৰ জৰিয়তে পূৰ্ণ কৰিবলৈ হাবিয়াস কৰে। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ পিতৃ-মাতৃ, আত্মীয়-স্বজন, শিক্ষক-শিক্ষয়িত্ৰীসকলে তেওঁলোকক যি আশা কৰে সেই আশাক বাস্তৱত ৰূপ দিবৰ বাবে চেষ্টা কৰা উচিত। ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে কলেজৰ মুক্ত পৰিৱেশত সুস্থভাৱে সমযোজন কৰিব পাৰিব লাগিব। খন্তেকীয়া আবেগৰ ঢৌত উটি গ'লে নহ'ব। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লক্ষ্যত উপনীত হ'বৰ বাবে একাগ্ৰতা, নিষ্ঠা আৰু ধৈৰ্য সহকাৰে নেৰানেপেৰা চেষ্টা কৰিলে নিশ্চয় নিজৰ জীৱনত সফলতা লাভ কৰিবলৈ সক্ষম হ'ব।

☆

# শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অপুৰণীয় সম্পৰ্কৰ সমাধান ক'ত ?

ত্ৰিবেণী গগৈ
স্নাতক ৩য় বৰ্ষ

'শিক্ষক' আৰু 'ছাত্ৰ' শব্দদুটাৰ ঘনিষ্ঠতা কিমান তাৰ বিৱৰণ হয়তো শিক্ষিতচামক দিয়াৰ প্ৰয়োজন নাই। পুৰণি কালৰে পৰা শিক্ষক আৰু ছাত্ৰৰ মাজত এক সৌহাদ্যপূৰ্ণ সম্পৰ্কৰে বান্ধ খাই আছে। সকলো ছাত্ৰকে জীৱনত সৎ পথেৰে আগুৱাই নিয়াৰ দায়িত্ব বহন কৰে শিক্ষকে। স্কুলৰ প্ৰাথমিক পৰ্যায়ৰ পৰা আৰম্ভ কৰি কলেজ পৰ্যায়লৈ শিক্ষকেই হৈছে সহায়ক নাইবা প্ৰেৰণাদাতা। শিক্ষকে প্ৰতিজন ছাত্ৰকে সকলো ফালৰ পৰা শিক্ষিত কৰি জীৱন সংগ্ৰামত বৰ্তি হ'বলৈ আৰু সেই সংগ্ৰামত জয়ী হ'বলৈ ছাত্ৰসকলক সক্ষম কৰি তোলে। নিজকে সংযত কৰি প্ৰতিটো বিষয়তে আগৰণুৱা হ'বলৈও শিক্ষকে ছাত্ৰসকলক প্ৰেৰণা দিয়ে।

কিন্তু, অতীততেই হওঁক বা বৰ্তমানতেই হওঁক নাইবা ভৱিষ্যতেও শিক্ষক আৰু ছাত্ৰসকলৰ মাজত বাঁহৰ বেৰৰ জোলোঙাৰ সমান দূৰত্ব আছিল, আছে আৰু থাকিবও যেন অনুমান হয়। দ্বাপৰ যুগত দ্ৰোণাচাৰ্যই দক্ষিণা হিচাপে একলব্যক হাতৰ বুঢ়া আঙুলিটো খুজাৰ দৃষ্টান্তই মই বুজাব খুজা অপুৰণীয় সম্পৰ্কৰ বাবে যথেষ্ট। উচ্চ-নীচৰ ভেদাভেদৰ বাবে দ্ৰোণাচাৰ্যক একলব্যৰ পৰা এনে এটা দক্ষিণা খুজাত বাধ্য কৰালে। যদি সেই উচ্চ-নীচৰ ভাৱে দ্ৰোণাচাৰ্যৰ দৰে মহান শিক্ষাগুৰুকো বিব্ৰত কৰিব পাৰে, তেন্তেবৰ্তমানৰ (কিছুসংখ্যক) শিক্ষাগুৰুৰ বাবে এনে ভাৱ নথকাৰ প্ৰশ্নই নুঠে। পুৰণি কালৰে পৰা আজিলৈকে দুখীয়াচামক শিক্ষকসকলে তেওঁলোকৰ পৰা পাব লগা আন্তৰিকতাপূৰ্ণ সম্পৰ্কৰ পৰা বঞ্চিত কৰিছে। সূৰ্য পুত্ৰ কৰ্ণকো যিদৰে শিক্ষাৰ পৰা বঞ্চিত কৰা হৈছিল, ঠিক তেনেদৰে আজিৰ প্ৰায়বোৰ স্কুল নাইবা কলেজতো দুখীয়াসকলক গুৰুত্ব দিয়া নহয়। বহুতো শিক্ষক-শিক্ষয়িত্ৰী আছে যিয়ে কেৱল নিজা আত্মীয়-কুটুম্বক বেছি গুৰুত্ব দিয়ে। তেওঁলোকে ভাবি নাচায়, তেওঁলোক কেইজনমান ছাত্ৰ-ছাত্ৰীৰ আত্মীয় হোৱাৰ উপৰিও আন বহুতো ছাত্ৰ-ছাত্ৰীৰ শিক্ষকো। আন কিছুমান শিক্ষক-শিক্ষয়িত্ৰী আছে যি কেইজনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা প্ৰকৃত ছাত্ৰ ৰূপটো চাব বিচাৰে। কিন্তু তেনে ক্ষেত্ৰতো দুখীয়াসকলক চাউল চলাৰ দৰে চালি পেলাই দিয়া হয়।

কিন্তু বৰ্তমান ছাত্ৰ সমাজেই হওঁক বা ছাত্ৰী সমাজেই হওঁক, দুয়ো সমাজৰ বহু সংখ্যকেই বিপথে গতি কৰিছে। দুদিনীয়া সুখক সাৰতি লৈ ভৱিষ্যতকো পাহৰি পেলোৱাৰ এতিয়া উপক্ৰম হৈছে। এনে ক্ষেত্ৰত তেওঁলোকে শিক্ষাগুৰুক সন্মান কৰাটো পিছৰে কথা তেওঁলোকে আনকি নিজৰ অভিভাৱককো যেন পাহৰি পেলাইছে। কিন্তু পৰিৱৰ্তন হৈছে বৰ্তমানৰ উচ্ছৃংখল সমাজৰ সহযোগত। হয়তো তেওঁলোকে সৰু কালৰে পৰা বঞ্চিত হোৱা আশাবোৰে এই বিভৎস ৰূপ ধাৰণ কৰিছে। তেওঁলোকে সৰুতে যিবোৰ সহায়-সহযোগ নাইবা মৰম ডাঙৰৰ পৰা পাব লাগিছিল, সেই সকলোবোৰ নোপোৱাৰ ফলতেই আজি এনে হৈছে। বহু সংখ্যক ছাত্ৰ-ছাত্ৰী আছে যিসকলে শিক্ষাগুৰুক কেৱল স্কুল নাইবা কলেজততহে শিক্ষাগুৰু বুলি ভাবে। কলেজৰ বাহিৰত শিক্ষাগুৰুসকল যেন বেলেগ মানুহ। শিক্ষাগুৰুৰ কাষেৰে যায় তেওঁলোকে ৰাগিয়াল বস্তু সেৱন কৰি লগতে কিছুমান অশ্লীল মাতৰ সৈতে। আনকি কলেজতো ৰাগিয়াল বস্তু সেৱন কৰিবলৈ কুণ্ঠাবোধ নকৰে। অৱশ্যে তাৰ ভিতৰতো এনে বহুতো ছাত্ৰ-ছাত্ৰী আছে, যিসকলে শিক্ষাগুৰুক ভগৱান জ্ঞান কৰে। শিক্ষাগুৰুৱে হ'ল তেওঁলোকৰ বাবে সৰ্বোচ্চ।

আনহাতে, শিক্ষাগুৰুসকলক এইদৰে সন্মান দিবলৈ হ'লে তেওঁলোক যোগ্য হোৱাটো উচিত। বৰ্তমানৰ উচ্ছৃংখল সমাজখনক শুদ্ধপথেৰে গঢ় দিব পাৰে কেৱল শিক্ষাগুৰুসকলে। প্ৰত্যেকজন ছাত্ৰকে শুদ্ধ পথলৈ অনাৰ দায়িত্ব তেওঁলোকৰ। শিক্ষকসকলে যাতে কাকো হীন জ্ঞান নকৰে তাৰ প্ৰতিও চকু ৰাখিব লাগে। ২০০৪ চনত 'নাক' কলেজলৈ অহাৰ সময়ত যিদৰে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক গুৰুত্ব দিছিল বা ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকসকলক সন্মান কৰিছিল, ঠিক তেনেধৰণৰ অৱস্থা ভৱিষ্যতলৈ বৰ্তি থাকিলে আজিৰ এই সমাজ পুনৰ শুদ্ধ পথলৈ ঘূৰি আহিব পাৰিব। তদুপৰি শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক কৰা মৰম আৰু শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীসকলে কৰিব লগা সন্মান দুয়োটায়ে এটা আনটোৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। কাৰণ ইংৰাজীত এষাৰ কথা আছে— "We should be polite to others, if we wish that others should be polite us. ☆





# কলঙ্গুপাৰলৈ আমাৰ এক স্মৰণীয় যাত্ৰা

ভ্ৰমণ কাহিনী

বিনয় বৰুৱা
স্নাতক ২য় বৰ্ষ



অসমীয়া মানুহবোৰৰ সততে এটা বদনাম আছে; বাকীবোৰ জাতিৰ তুলনাত আমি একেবাৰে নুফুৰো। অৰ্থাৎ অসমীয়া জাতিটো মুঠেই ভ্ৰমণবিলাসী নহয়। বৰ্তমান হয়তো এই বদনামটোৰ পৰা বহু পৰিমাণে মুক্ত হৈছো যেন লাগিছে। ভ্ৰমণ কৰিবলৈ লাগে মাথো ইচ্ছা। এই ইচ্ছা অবিহনে আমি কেতিয়াও কোনো কামতে সফল হ'ব নোৱাৰিম। ভ্ৰমণে আমাক কি দিয়ে ? নজনা কথা জানিবলৈ, নোচোৱাটো বা নেদেখাটো চাবলৈ আমি সদায় ঔৎসুক্য প্ৰকাশ কৰো। আমাৰ মনত উদয় হোৱা ঔৎসুক্যতা দূৰ কৰিবলৈ অন্যতম মাধ্যম ভ্ৰমণ।

এক ৰৌদ্ৰোজ্জ্বল পুৱাত সোণাৰি চৰকাৰী বাচ আস্থানৰ পৰা ৰিজাৰ্ভ বাচেৰে 'অসমীয়া বিভাগ'ৰ লগত ২০০৪ চনৰ ২৭ নবেম্বৰ তৰিখে পুৱা ৮-৩০ বজাত আমি শিৱসাগৰলৈ যাত্ৰা আৰম্ভ কৰিছিলো। আমাৰ যাত্ৰাটো আছিল এক শিক্ষমূলক ভ্ৰমণ। মই অসমীয়া বিভাগৰ ছাত্ৰ নোহোৱাকৈ এই যাত্ৰাত সুযোগ পালো, অসমীয়া বিভাগৰ পৰ্যাপ্ত ছাত্ৰ-ছাত্ৰী নোলোৱাৰ বাবে।

বুৰঞ্জীয়ে পৰশা নগৰ শিৱসাগৰ। ছশ বছৰীয়া আহোম ৰাজত্বৰ গৌৰৱোজ্জ্বল অতীত বহন কৰি সগৌৰৱে দিখৌ নৈৰ দুয়োকাষে বিস্তৃত হৈ আছে উজনি অসমৰ বুৰঞ্জীয়ে গৰকা নগৰ কলঙ্গুপাৰ; এতিয়াৰ শিৱসাগৰ। এই শিৱসাগৰৰ বুকুতে আছে অসমৰ ৰাজত্বৰ সোণোৱালী অতীতৰ কথা সোঁৱৰাই দিয়া চৰাইদেউ, জয়সাগৰ আদিৰ দৰে ঠাই। কলঙ্গুপাৰ আছিল শিৱসাগৰৰ পুৰণি নাম।

প্ৰায় ডেৰ ঘণ্টা যাত্ৰাৰ অন্তত আমি শিৱসাগৰ টাউনৰ মাজেৰে গৈ ১০-২০ বজাত আমি জয়সাগৰ পুখুৰীৰ পাৰত উপস্থিত হ'লোগৈ। বিশালাকৃতিৰ জয়সাগৰ পুখুৰীৰ পাৰত অনবৰতে বলি থকা মৃদু বতাহ এছাতি গাত লাগিলহি। এই অচিনাকি বতাহছাতিয়ে গা-মন জুৰায় পেলালে। এয়া সৈন্ধৱ বতাহৰ বা এনে লাগিল। যাৱতীয় টিকট সংগ্ৰহ কৰি ল'ৰা-ছোৱালীবোৰ জয়সাগৰ পুখুৰীৰ পাৰত থকা জয়দৌললৈ সোমাই ; আটাইবোৰে দৌলৰ প্ৰাংগণত থকা কোমল ঘাঁহনিৰে পুখুৰী পাৰলৈ ঢাপলি মেলিলে। ল'ৰা-ছোৱালীবোৰক এক গোট কৰি আমাৰ তত্বাৱধায়ক হিচাপে যোৱা ৰঘুনাথ কাগ্য়ুংছাৰে কিবা-কিবি কৈ আছিল। মই জয়সাগৰ পুখুৰী ৰ'দত জিক্‌মিকাই থকা বিশাল জলৰাশিলৈ চাই যেন তন্ময় হৈ পৰিছিলো। সকলোৱে ছাৰৰ কথাবোৰ নোট কৰি যোৱা দেখি কিবা গুৰুত্বপূৰ্ণ কথা কৈছে বুলি মই তেওঁৰ কাষ চাপিলো। ছাৰে যিখিনি কথা কৈ গৈছিল বুৰঞ্জীৰ ছাত্ৰ হিচাপে মোৰ বুজি পাবলৈ অলপো অসুবিধা নহৈছিল। অসমীয়া বিভাগৰ হৈয়ো ছাৰে সকলো কথা দ্ব্যৰ্থহীনভাৱে বৰ্ণনা কৰি গৈছিল। আহোমৰ পুখুৰীবোৰ কেনেকৈ পাৰ বান্ধি সজাইছিল আৰু ৰহ বা পাৰা তামৰ চুঙাত পুতি ইয়াৰ পানী সমতুলতা সদায় একে ৰাখিছিল।

জয়সাগৰ পুখুৰীটো মহাৰাজ ৰুদ্ৰসিংহই নিজ মাতৃ জয়মতী কুঁৱৰীৰ নামত খন্দোৱা। ই পৰ্যটকৰ এক প্ৰধান আকৰ্ষণ। ১৬১৯ শকত এই পুখুৰটো প্ৰায় ডেৰমাহ সময়ৰ ভিতৰত খন্দায়। ইয়াৰ মাটিকালি ১৯৭ পূৰা ১ বিঘা ৯ লোচা। পাৰেৰে সৈতে ইয়াৰ মাটিকালি ২১০ পূৰা ১ বিঘা ২ কঠা ১৩ লোচা। পুখুৰীটোৰ পাৰত পাঁচটা দ'ল আছে। ইয়াৰ ভিতৰত জয়দ'লটোৱেই আটাইতকৈ ডাঙৰ। ইয়াৰ আচল নাম কেশৱৰাই বিষ্ণুদ'ল। দ'লটোৰ পাৰত দেৱ-দেৱীৰ ৰং-ধেমালি কৰাৰ দৃশ্য আছে। জয়দ'লৰ পূবত দুটা সৰু সৰু দুচলীয়া ইটাৰ পকীঘৰ আছে। ইয়াৰ এটা সূৰ্য আৰু আনটো গণেশ মন্দিৰ। ইয়াৰ

দক্ষিণফালে থকা ঘৰটো ভোগঘৰ। জয়সাগৰৰ উত্তৰ পাৰে সোঁমাজত আছে বৈদ্যনাথ শিৱদ'ল। ইয়াক খৰাঁদ'ল বুলিও কয়।

বহু ইতিহাসৰ সাক্ষী জয়সাগৰ পুখুৰীৰ পাৰতে আছে উজনি অসমৰ শিক্ষানুষ্ঠানৰ ভিতৰত এক অন্যতম নামজ্বলা জয়সাগৰ কলেজ। ১৯৪৭ চনতে স্থাপিত এই প্ৰতিষ্ঠানটোৰ এক সুকীয়া ইতিহাসেই আছে। বিষ্ণুদ'লৰ পৰা ওলাই আহি আমাৰ দলটোৱে চাহ খালো। চাহ খাই আহি ৰঙ্গনাথ মন্দিৰ চালো। ৰঙ্গনাথ মন্দিৰটো ১৭০৩ চনত ৰুদ্ৰসিংহই নিৰ্মাণ কৰোৱাইছিল, তাত শিৱপূজা কৰিবলৈ। আমি মন্দিৰ চৌহদত প্ৰৱেশ কৰোতে তাত ত্ৰিশত বছৰীয়া জয়ন্তী পালন কৰাৰ উদ্দেশ্যে লিখা এখন বেনাৰ উলমি আছিল। সঁচাকৈয়ে তিনিশ বছৰীয়া এই শিৱমন্দিৰটোৰ আধ্যাত্মিক পৰিবেশটো অতি চকুতলগা। ইয়াৰ নাতিদূৰৈত অৱস্থিত ফাকুৱা দ'ল। দ'লটোৰ খট্‌খটি বেচ্ ওখ। ইয়াৰ চাৰিওকাষত চাৰিটা গম্বুজ আছে। দ'লটো চৰকাৰৰ দ্বাৰা অনাদৃত যেনহে লাগিল। কাৰণ দ'লটোৰ সমীপতে থকা মানুহৰ বাসগৃহই ইয়াৰ সৌন্দৰ্য নষ্ট কৰিছে।

ফাকুৱা দ'ল চাই আমি জয়া আলিৰে গৈ উপস্থিত হ'লোগৈ আহোমৰ লেখত লবলগীয়া প্ৰসাদ তলাতল ঘৰত। ইয়াক নিৰ্মাণ কৰা হৈছিল স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত। ২০০ পূৰা চৌহদত অৱস্থিত এই তলাতল ঘৰৰ চাৰিখন দুৱাৰ আছে। সিংহ দুৱাৰ, পানী দুৱাৰ, বৰ দুৱাৰ, সৰু দুৱাৰ। ১৭৫১ চনত ইয়াক নিৰ্মাণ কৰিছিল বুলি জনা যায়। ইয়াৰ তলে তিনিমহলীয়া, ওপৰে তিনিমহলীয়া আৰু মাটিৰ সমানে তিনিমহলীয়া। অৱশ্যে মাটিৰ তলৰ খলপলৈ প্ৰৱেশ কৰিব নোৱাৰি। তলাতল পূৰ্বতে কাঠৰ আছিল। ইয়াৰ কাঠৰ খুটাবোৰ খনন কাৰ্যত উদ্ধাৰ হৈছে। খননস্থলিত ইয়াৰে দুটা শাল কাঠৰ খুটা প্ৰত্যক্ষ কৰি এক প্ৰকাৰৰ আচৰিতেই হৈছিলো। কাৰণ তিনিশ বছৰৰ আগৰ শাল খুটা এতিয়াও পচি যোৱা নাই। তলাতল গৃহৰ বহুপৰিমাণে ক্ষতি সাধন হয় পঞ্চাশৰ বৰভূঁইকপত।

অসম চৰকাৰে টিকট গৃহ আৰু বেৰাৰ ব্যৱস্থা কৰিলেও কিন্তু মোৰ বোধে যথোপযুক্ত সংৰক্ষণ হোৱা নাই। কাৰণ দুষ্ট প্ৰকৃতিৰ মানুহে নিজৰ নাম বা অন্য কথা লিখি ইয়াৰ মজিয়া আৰু বেৰবোৰ বিদীৰ্ণ কৰিছে ; যিবোৰ বৰ দৃষ্টিকটু। কঠোৰ অনুশাসন আৰু চাফ্‌চিকুণতাই নিশ্চয় এইবোৰৰ উন্নতি সাধন কৰিব। তলাতল ঘৰৰ পৰা ওলাই আহি ইয়াৰ সমীপৰে চুম-বনানীকৰণৰ কাষেৰে পাৰহৈ আহি ৰংঘৰৰ বাকৰিৰ কাষৰ ৰাস্তাত আমাৰ গাড়ী ৰ'লহি। এই ৰংঘৰৰ ওপৰৰ পৰাই তাহানিতে আহোম স্বৰ্গদেৱে ৰং-ধেমালি, খেলা-ধূলা চাইছিল। এতিয়া ৰংঘৰৰ বাকৰিত ১০ লাখ টকা খৰচ কৰি এখন পাৰ্ক প্ৰস্তুত কৰি উলিওৱা হৈছে। নানা তৰহৰ ফুলেৰে পাৰ্কখনৰ দৃশ্য চালে চকুৰোৱা। পাৰ্কৰ কাষত থকা কফিবাৰ খনে যে তৃষ্ণাতুৰ বা অৱসাদগ্ৰস্ত পৰ্যটকৰ তৃষ্ণা-ক্লান্তি দূৰ কৰিব পাৰিছে তাত কোনো সন্দেহ নাই। ৰংঘৰত আমি নোসোমালো।

ইতিমধ্যে ১২-৩০ হ'ল। পেটৰ কেঁচু-কুমটীয়ে ফুটবল খেলিবলৈ আৰম্ভ কৰিছিল। আগেয়ে ব্যৱস্থা কৰি থোৱা ৰূপালীম চিনেমা হলৰ কাষৰ হোটেল প্ৰিয়াত আমি দুপৰীয়াৰ সাজ গ্ৰহণ কৰিলো। আমি আহাৰ গ্ৰহণ কৰি থাকোঁতে দীৰ্ঘদেহী বিদেশী পৰ্যটক এজন হোটেললৈ সোমাই আহিল। পিছত ছাৰৰ মুখে গম পালো তেওঁৰ নাম উইলিয়াম হিন্‌ক্স (William Hinks)। হ'লেণ্ডৰ পৰা অসমলৈ ফুৰিবলৈ আহিছে।

ভাত খাই উঠি আমি ঠিক এক মান বজাত শিৱদ'ল পালো। শিৱদ'লৰ পাৰতে শিৱসাগৰ পুখুৰী। বৃহদাকাৰ এই পুখুৰীটো ৰ'টাৰী ক্লাবৰ সৌজন্যত চাফাই কাম চলি আছিল। শিৱদ'লৰ চূড়াত থকা কলচি জিক্‌মিকাই পুখুৰীৰ ঢৌ খেলি থকা পানীত পৰি চকু চাট্ মাৰি ধৰিছিল। ইয়াৰ পানীত নিমাখিত বনৰীয়া হাঁহবোৰে আপোনমনে নিৰ্বিঘ্নে চৰি আছিল। তাৰ পাছত আমি সোমালোগৈ শিৱসাগৰ পুখুৰীটোৰ পাৰতে অৱস্থিত যাদুঘৰত। যাদুঘৰটো সৰু যদিও চাবলগীয়া বহুবস্তুৱেই তাত আছিল। যাদুঘৰটোৰ সোঁকাষে এখন শিশু উদ্যান আৰু বাওঁকাষে এটা টেনিচ ক্লাব আছিল। এই ক্লাবটো ১৯০১ চনতেই স্থাপিত। আমি খোজকাঢ়ি পাৰ হওঁতে ইয়াৰ ক্লে কৰ্ট (Clay Cort)ত দুজন খেলুৱৈয়ে টেনিচ অভ্যাস কৰি আছিল। সঁচাকৈয়ে টেনিচ অভ্যাস কৰাৰ বাবে ঠাইডোখৰ বেচ সুন্দৰ। ৰেঞ্জ অফিচ জেলৰ কাষেৰে পাৰহৈ আমি পিয়লি বৰুৱাৰ উদ্যানত সোমালোগৈ। অলপ দূৰ আগুৱাই বাণিজ্য মহাবিদ্যালয়খন আৰু বৌদ্ধ মন্দিৰ এটা দেখিলো। ইতিমধ্যে আমাৰ পুখুৰীটো এপাক সম্পূৰ্ণ হ'ল।

এইবাৰ আমাৰ উভটনি যাত্ৰা। উভতাৰ পথত আমি প্ৰৱেশ কৰিলো চলাপথাৰ গাঁৱত। তাত এটা মনটিং আৰু এখন নিৰ্মিমাণ বৌদ্ধবিহাৰ দেখিবলৈ পালো। ইতিমধ্যে সাজ লাগিলেই। মই হোষ্টেলত সোমাওঁতে সন্ধ্যা ৫-৩০ হৈছিল। মোৰ গাত যেন তেতিয়াও বিশালকায় পুখুৰীৰ পাৰত বৈ থকা বা। দিনটোত বহু খোজ কাঢ়িছিলো ভাগৰো যথেষ্ট লাগিছিল। কাপোৰ সলাই বিচনাত পৰিলো। সঁচাকৈয়ে অসমীয়া বিভাগৰ লগত যোৱা এই যাত্ৰা মোৰ বাবে এক স্মৰণীয় যাত্ৰা। অসমীয়া বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকল ইমান ভদ্ৰ, ইমান অমায়িক যে বাটত কোনো অপ্ৰীতিকৰ পৰিস্থিতিৰে আমি সন্মুখীন হ'ব লগা নহ'ল। কাগ্‌য়ুংছাৰৰ তত্বাৱধানো যথেষ্ট চকুত লগা আছিল। ছাৰে আমাক কোনো অসুবিধাই অনুভৱ কৰিব নিদিলে।

উপসংহাৰ ঃ "আমি অসমীয়া নহয় দুখীয়া"। সঁচাকৈয়ে আমাৰ অসমখন আন ৰাজ্যৰ তুলনাত কোনোগুণে দুখীয়া নহয়। ইয়াৰ ভূমিত সিঁচৰতি হৈ থকা প্ৰাচীন কীৰ্তিস্তম্ভ আদিবোৰেই কয়, আমাৰ উন্নত সভ্যতাৰ ইতিহাস। এইবোৰ আমিয়েই সংৰক্ষণ কৰিব লাগিব। কাৰণ এইবোৰ আমাৰ নিজৰ সম্পদ। ☆





# হিমালয়ৰ ৰাণী দাৰ্জিলিং ঃ

## *Where the pines needle the sky*

✍ মাধুৰ্য্য ফুকন
স্নাতক ৩য় বৰ্ষ

ভ্ৰমণ' এই অৱধাৰণাৰ মাজতেই নিহিত হৈ আছে নতুন কথা জানিবৰ বাবে থকা মানুহৰ প্ৰৱল আগ্ৰহ। ব্যক্তি মাত্ৰেই নেদেখা বস্তু চাবলৈ, নজনা কথা জানিবলৈ, অচিনাকিজনৰ সান্নিধ্য লভিবলৈ, কাৰোবাৰ সত্বাক নতুনকৈ অনুধাৱন কৰিবলৈয়ে অনুভৱ কৰে ভ্ৰমণৰ প্ৰয়োজনীয়তা।

মানুহৰ চিৰন্তন লগৰীয়া প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই কঢ়িয়াই আনে বাস্তৱৰ সকলো দুখ আৰু ক্লান্তিৰ বিপৰীতে গভীৰ প্ৰশান্তিৰ গান। শৈশৱৰ ধূলি-বালিৰ জীৱনে মাজে মাজে হাত বাউলি দি মাতে প্ৰকৃতিৰ অনাবিল ৰূপ-সৌন্দৰ্যৰ মাজেৰে। নদীৰ পানীত সাতুৰি-নাদুৰি পাৰ কৰা দিনবোৰ স্মৃতিৰ অফুৰন্ত সম্পদ হৈ মন দাপোনত দোলা দিয়াৰ সময়ো এয়াই। এনে এক তাড়নাতেই আমি নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান চ'ৰাৰ ছাত্ৰ-ছাত্ৰীসকলে এক সুসংগঠিত শিক্ষামূলক ভ্ৰমণ আয়োজন কৰাৰ চিন্তা কৰিছিলো দাৰ্জিলিঙলৈ। মই তেতিয়া তিতাবৰৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ স্নাতক ১ম বাৰ্ষিকৰ ছাত্ৰ আছিলো। ভবাৰ লগে লগেই মনত ভাহি উঠিছিল পাইন গছে চুমি যোৱা আকাশৰ কথা, টাইগাৰ হিলছৰ পৰা অপূৰ্ব সূৰ্য্যোদয় চোৱা, প্ৰতি পলতে এক অজান আশংকাত শিয়ঁৰি উঠা পাহাৰীয়া একা-বেঁকা পথৰ এক যাত্ৰা।

বিভাগীয় মূৰব্বী অধ্যাপক পাঠকছাৰৰ লগত আলোচনা কৰি চ'ৰাৰ উপদেষ্টাত্ৰয়, সম্পাদক গুঞ্জন প্ৰমুখ্যে আমি সকলোৱে ঠিৰাং কৰিলো— আমাৰ গন্তব্য স্থান হ'ব দাৰ্জিলিং। আৰম্ভ হ'ল ব্যস্ততা, যা-যোগাৰ।



অৱশেষত আমাৰ ৰিজাৰ্ভেশ্বন নিশ্চিত হৈছিল ২৮ নবেম্বৰ ২০০১ তাৰিখে, চেন্নাই-ইগমৰ এক্সপ্ৰেছেৰে মৰিয়নি জংচনৰ পৰা। নিৰ্দিষ্ট তাৰিখৰ মাজনিশা কুঁৱলীৰ জাল ফালি আমাৰ ৩২ জনীয়া দলটো মৰিয়নি অভিমুখে ৰাওনা হ'লো। আমাৰ দলটোক নেতৃত্ব দিছিল শ্ৰদ্ধাৰ পাঠকছাৰ, নাথছাৰ আৰু ঠেঙ্গালছাৰে। পুৱতি নিশা প্ৰায় ৩ বজাত আমাৰ ট্ৰেইন যাত্ৰা আৰম্ভ হ'ল। ট্ৰেইনত লগ পালো প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ সান্নিধ্য লভিবলৈ যোৱা অসমৰ কেইবাখনো মহাবিদ্যালয়ৰ ভ্ৰমণকাৰী দলক। তীব্ৰ বেগেৰে ট্ৰেইন লক্ষ্য পথত আগবঢ়াৰ লগে লগে আমি আৰম্ভ কৰিছিলো আন্তাক্ষৰী, শ্বায়েৰী, পাঞ্জা। মই বন্ধু দিগন্তৰ সৈতে লগলাগি ব্যস্ত হৈছিলো যোৰহাটৰ জে. বি. কলেজৰ পৰা অহা ভ্ৰমণকাৰী দলটোৰ সৈতে চা-চিনাকি হোৱাত। ক্ষন্তেক সময়ৰ ভিতৰতে গঢ় লোৱা 'আপোনভাৱে' পাহৰাই দিছিল, আমি যে চিনাকি মাথো মুহূৰ্তৰ।

২৯ নবেম্বৰৰ পুৱা ৩ বজাত আমি শিলিগুৰি জংশ্যন পালোঁগৈ। ৰাতিপুৱাবলৈ এতিয়াও তিনিঘণ্টামান সময় বাকী। ষ্টেচনৰ জিৰণি কক্ষত শুই-বহি, হামিয়াই-হিকটিয়াই পুৱালৈকে অপেক্ষা কৰাৰ পাল। ষ্টেচনত টোপনিয়ে হেঁচামাৰি ধৰি থকা অৱস্থাতো এটা কথাই বাৰুকৈয়ে আকৰ্ষণ কৰিছিল— পুৱতি নিশা জীৱন-জীৱিকাৰ প্ৰয়োজনত গ্ৰাহকৰ সন্ধানত ব্যস্ত হৈ থকা ১০/১২ বছৰীয়া শিশুকেইটাৰ কৰ্ম-তৎপৰতাই। আৰু এটা কথা মন কৰিছিলো যে ইয়াৰ ৰাজহুৱা স্থানৰ টয়লেটবোৰ অসমৰ ৰাজহুৱা স্থানৰ টয়লেটবোৰতকৈ বহুগুণে উন্নত। এনেতে প্ৰায় ৪ মান বজাত দাৰ্জিলিং অভিমুখী 'টয় ট্ৰেইন'খন ষ্টেচনত আহিৰ'লহি। ট্ৰেইনখন দেখি একা-বেঁকা পথেৰে, পাহাৰৰ উপৰলৈ যোৱা টয় ট্ৰেইনৰ যাত্ৰা কেনে হ'ব এই কথা ভাবি মন আনন্দত নাচি উঠিল। খবৰ কৰি গম পালো টয় ট্ৰেইনেৰে যাত্ৰা কৰিলে দাৰ্জিলিং পাওঁতে ৭ ঘণ্টাৰো অধিক সময় লাগিব। সেয়েহে, সময়ৰ নাটনিলৈ চাই দীঘলীয়া ট্ৰেইন যাত্ৰাতকৈ বাছেৰে যোৱাটোকেই ঠিক কৰিলো। পুৱা ৬ বজাত বাছৰ ইঞ্জিনটোৱে প্ৰচণ্ড শব্দ কৰি যাত্ৰা আৰম্ভ কৰিলে। লগে লগেই সকলোৰে মনবোৰ ৰোমাঞ্চিত হৈ পৰিল। চকুৰ আগত সীমাহীন সেউজীয়া। ঠেক পাহাৰীয়া পথ, দুখন গাড়ী সহজে পাৰ হ'ব নোৱাৰা অৱস্থাত জিগজাগ পথেৰে বাছখন ওপৰলৈ উঠি যোৱাৰ লগে লগে অজান আশংকাত সকলোৰে বুকু কঁপি উঠিছিল। আচলতে সদায় সমতলত ফুৰা মানুহৰ পাহাৰীয়া পথৰ যাত্ৰা অলপ কষ্টদায়ক হয়েই।

এনেদৰে আহি আমি এটা সময়ত এখন হোটেলৰ আগত ৰ'লোঁহি। ওচৰতে থকা চাইনবৰ্ডখনত জেগাডোখৰৰ নামটো পঢ়ি দেখিলো যে ইংৰাজীত 'গয়াবাৰী', আৰু হিন্দীত 'ঘয়াবাৰী' বুলি লিখা আছে। উৎসুকতা কমাব নোৱাৰি আমি চাহ খাবলৈ লোৱা হোটেলখনৰ এগৰাকী তজবজীয়া নেপালী গাভৰুক এই বিষয়ে সোধাত ক'লে— থলোৱা মানুহবিলাকে



War Memorial

'গ' টো 'ঘ' উচ্চাৰণ কৰাৰ বাবে 'গয়াবাৰী' 'ঘয়াবাৰী' হ'ল। ব্ৰেকফাষ্ট শেষ কৰি আমি সকলোৰে বাছত উঠিলো। বাছ এবাৰ আগতেই শেষবাৰৰ বাবে তজবজীয়া নেপালী গাভৰুজনীৰ মুখখন চাই ললো। বাছ পুনৰ আগবাঢ়িল। বাছৰ খিৰিকিৰে বাহিৰলৈ চাওঁতে এৰি অহা পথবোৰ এটা প্ৰকাণ্ড সৰিসৃপৰ দৰে লাগিছিল। আমাৰ বাছ ক্ৰমান্বয়ে ওপৰলৈ উঠি গৈছিল আৰু আমি লাহে লাহে ঠাণ্ডা অনুভৱ কৰিছিলো। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য উপভোগ কৰি আহি থাকোতে '*কাৰ্ছিয়াং*' "The land of white orchids" কেতিয়ানো পালোহি গমকে নাপালো। বগা বগা অৰ্কিডে কাৰ্ছিয়াঙৰ পাহাৰবোৰৰ সৌন্দৰ্য দুগুণে বঢ়াই তুলিছে। সৰু সৰু পাহাৰীয়া দোকানবোৰৰ মাজেদি আমাৰ বাছ আগবাঢ়ি গ'ল। পথৰ কাষত সুন্দৰ শব্দেৰে লিখি থোৱা সতৰ্কবাণীবোৰ পঢ়ি আহি থাকোতেই ৬৫৫২ ফুট উচ্চতাৰ 'সোণাদা' পালোহি। শাৰী-শাৰী সেউজীয়া পাইন গছে আমাক স্বাগতম জনালে। সোণাদা পাৰহৈ ৭৪০৭ ফুট উচ্চতাৰ 'ঘুম' পালোহি। ঘুমৰ জলবায়ু অত্যন্ত ঠাণ্ডা আৰু মৃদু বতাহ অনবৰতে বলি থাকে। এই ঘুমৰ ৰেল ষ্টেচনটো পৃথিৱীৰ সবাটোতকৈ উচ্চ ৰেল ষ্টেচন। লাহে লাহে বাছ নামিবলৈ ধৰিলে আৰু প্ৰায় ১২০০ ফুট নামিয়েই আমি পালোহি দাৰ্জিলিং চহৰ। এইবাৰ আগেয়ে ঠিক কৰি থোৱা হোটেল 'বিজেঞ্চি'লৈ ৰাওনা হ'লো। হোটেলৰ কোঠাত প্ৰৱেশ কৰিয়েই সন্মুখীন হৈছিলো এক বিচিত্ৰ অভিজ্ঞতাৰ- আমি সোমোৱাৰ লগে লগেই কমৰ দুৱাৰ ঠেলি সোমাই আহিছিল কেইজনীমান নেপালী গাভৰু। সিহঁতে ভগা ভগা হিন্দীত আমাক সিহঁতে বেগত লৈ অহা শ্বলবোৰ লবলৈ জোৰ দি ধৰিছিল।

হিমালয়ৰ ৰাণী দাৰ্জিলিং— দাৰ্জিলিং শব্দটো তিব্বতী ভাষাৰ। 'দৰজী' মানে তীব্ৰতী ভাষাত বজ্ৰপাত আৰু 'লিং' মানে ঠাই। অৰ্থাৎ দাৰ্জিলিং মানে বজ্ৰপাত পৰা ঠাই। কোনো কোনোৱে সংস্কৃত শব্দ 'দুৰ্জয়লিং'ৰ পৰা দাৰ্জিলিং হৈছে বুলিও কয়। দাৰ্জিলিঙৰ উত্তৰে চিকিম, পূবে ভুটান, পশ্চিমে নেপাল আৰু দক্ষিণে শিলিগুৰী। গোৰ্খা, লামা, ভুটিয়া আৰু লেপচাসকল ইয়াৰ বাসিন্দা। ইয়াৰ বাসিন্দাসকল হিন্দু, বৌদ্ধ আৰু কিছু পৰিমাণে খৃষ্টধৰ্মৰ। হিন্দী, বঙালী আৰু ইংৰাজী ভাষাই ইয়াত প্ৰধানকৈ ব্যৱহাৰ হয়। ইয়াৰ মানুহবোৰ বৰ কৰ্মব্যস্ত আৰু তেওঁলোকৰ লাইফষ্টাইল উন্নত। ইয়াত পুৰুষৰ সমানে মহিলাসকলেও কৃষি, ব্যৱসায় আদি কামত ভাগ লয়। সাধাৰণতে যিবোৰ ঠাইলৈ ভ্ৰমণকাৰীৰ আগমণ ঘটে সেইবোৰ ঠাইত থকা দোকান-হোটেলে আদিত গ্ৰাহকক আকৰ্ষণ কৰিবৰ বাবে ধুনীয়া-ধুনীয়া নেপালী গাভৰু থকা দেখিবলৈ পাইছিলো।

দীঘলীয়া ভ্ৰমণে ক্লান্ত কৰা দেহাটো





হোটেলৰ সুকোমল শৰ্য্যাত কিছুসময়ৰ বাবে এৰি দিলো। ক্ষন্তেক জিৰণিৰ পাছত হোটেলৰ বেলকণিলৈ উঠি গ'লো। বাকীবোৰ তেতিয়াও শুয়ে আছিল। অকলে অকলে বেলকণিৰ পৰা মোহনীয় প্ৰকৃতিৰ ৰূপ সুধা পান কৰি থাকোতেই আন্ধাৰ হৈ আহিল। ষ্টিট লাইটবোৰ জ্বলি উঠিছিল, ষ্টিট লাইটৰ পোহৰত ব্যস্ত ৰাজপথটো আৰু সুন্দৰকৈ সাজ-পোচাক পৰিহিত ছুটি-চাপৰ স্থানীয় মানুহবোৰৰ চাল-চলন দেখি ভাল লাগিছিল।

৩০ নবেম্বৰৰ পুৱা ব্ৰেকফাষ্ট কৰি আমি দাৰ্জিলিঙৰ আকৰ্ষণীয় সম্ভাৱসমূহ চাবলৈ যাবলৈ হোটেলৰ পৰা নামি আহিলো। পাহাৰীয়া পথত 'হাইহিল' আৰু 'পেঞ্চিলহিল' চেণ্ডেলৰ ভাৰসাম্যতা ৰাখিব নোৱাৰি আমাৰ লগৰ দুজনীমান ধুপুচকৈ চুঁচৰি গ'ল। ভাগ্যভাল একো অঘটন নঘটিল। এনেতে আমি জিপেৰে Himalayan Mountaineering Institute ৰ লগতে Zoological Park লৈ ৰাওনা হ'লো। আমাৰ জিপ আহি নিৰ্দিষ্ট স্থানত ৰ'লহি। Zoological Park ত চাইবেৰিয়াৰ ভালুক, হিমালয়ৰ ক'লা ভালুক, য়াক, পাণ্ডা, বগা শিয়াল আদি জীৱ-জন্তুবোৰ আপোনমনে ঘূৰি ফুৰা চাইছিলো। তাৰ পাছত খট-খটিৰে বগাই Himalayan Mountaineering Institute পালোগৈ। ইয়াৰ মিউজিয়ামত এডমাণ্ড হিলাৰী আৰু টেনজিং নৰবে'য়ে এভাৰেষ্ট শৃংগ জয় কৰোতে ব্যৱহৃত সামগ্ৰীসমূহ সযত্নে ৰাখিছে। তাৰোপৰি মিউজিয়ামত হিমালয় পৰ্বত আৰু ইয়াৰ শৃংগসমূহৰ মমেৰে সজা একোটা নক্সা দেখিবলৈ পাইছিলো। মিউজিয়ামৰ পৰা ওলাই আহিয়েই লগ পাইছিলো দুজনমান ফটো গ্ৰাফাৰ যিয়ে আমাক নেপালী সাজ পৰিধান কৰি ফটো উঠিবলৈ জোৰ কৰিছিল। মই আৰু বন্ধু দিগন্তই পোন্ধৰ টকাৰ বিনিময়ত (সাজৰ ভাৰা) নেপালী সাজ পিন্ধি ফটো মাৰিছিলো।

ইয়াৰ পাছত আমি Ropeway Station পালোগৈ। দিগন্ত, মই, অমিত আৰু নয়নৰ পৰেত উঠিলোঁগৈ। লগৰ বাকীবোৰে পাহাৰৰ সৌন্দৰ্য উপভোগ কৰাত ব্যস্ত হ'ল। কিছু সময়ৰ পিছত আমি সকলো আহি টেনজিং আৰু গুম্বু নামৰ প্ৰকাণ্ড শিল কেইটাৰ ওচৰ পালোহি। ইয়াত বছিৰ সহায়ত শিলৰ ওপৰলৈ উঠিব পৰা ব্যৱস্থা আছে। আমি কিছুমানে বগাই শিলৰ ওপৰলৈ উঠিছিলো। এই



Rock Gardenৰ একাংশ

ঠাইৰ পৰা গৈ আমি নাতিদূৰত থকা 'হেপ্পী ভেলি'ৰ চাহ বাগিচা চাইছিলোঁগৈ। ইয়াৰ বাগিচাবোৰ অসমৰ দৰে সমতল নহয়, গছবোৰৰ আকৃতিও অসমৰ গছবোৰতকৈ অলপ বেলেগ। পথৰ কাষত কেইখনমান সৰু চাহৰ দোকান আছিল, তাৰে এখনত চাহ খাওঁ বুলি সোমালো। সুঠাম স্বাস্থ্যৰ পাহাৰীয়া গাভৰুৱে আমাক চাহ দিলে, লিকাৰ নাইকিয়া ডেলা চাহ দেখি মনটো সেমেকি উঠিল। খাওঁ নেখাওঁকৈ মুখৰ ওচৰলৈ নিলো, আঃ কি মলমলীয়া Orthodox চাহৰ গোন্ধ একেবাৰে দেহ-মন জুৰ পৰি গ'ল। হেপ্পীভেলিৰ পৰা গোৰ্খা ষ্টেডিয়াম আৰু লেবঙত থকা ৰেডক্ৰচলৈ আহি সেইদিনাৰ যাত্ৰা সামৰণি মাৰিলো। হোটেলৰ লাউঞ্জত আহি কিছুসময় বহি আহাৰ খায়েই ছেকেণ্ডফ্লৰত থকা কোঠালৈ আহিলো। পাহাৰীয়া পথত উঠা-নমা কৰোতে বৰ ভাগৰ লাগিছিল, সেয়ে তৎক্ষণাত শুই পৰিলো।

১ ডিচেম্বৰৰ পুৱা ৩ বজাৰ লগে লগেই আমি টাইগাৰ হিলচ্লৈ যাবলৈ সাজু হ'লো। ঘৰত থাকিলে পুৱা ৯ বজালৈকে নিদ্ৰাসুখ লোৱা মই আজি সকলোতকৈ আগেয়ে সাৰ পাই ছিলো। মনত সকলোৰে সূৰ্যোদয় চোৱাৰ হেঁপাহ। যাত্ৰা কৰাৰ আগতে হোটেলৰ মেনেজাৰে আমাক জনালে যে টাইগাৰ হিলচত অতি বেছি ঠাণ্ডা। সেয়েহে সকলোৱে ডাবল চুৱেটাৰ, শ্বল, মোজা, টুপি আদি পিন্ধি ললো। মই আৰু দিগন্তই একোখনকৈ কম্বল গাত মেৰিয়াই লৈছিলো। সকলোৱে আমাক নিউমুনিয়া হোৱা বুলি জোকাইছিল। আমাৰ বাবে সাজু কৰি থোৱা জিপত উঠি ৮৪৮২ ফুট উচ্চতাত থকা টাইগাৰ হিলচলৈ যাত্ৰা আৰম্ভ কৰিলো। দাৰ্জিলিঙৰ পৰা— ওক, মেগনলীয়া গছৰ কাষে কাষে, একা-বেঁকা পথেৰে প্ৰায় ৩৩ কিলোমিটাৰ পথ অতিক্ৰম কৰি আমি টাইগাৰ হিল পালোগৈ। টিকট কমত টিকট লৈ আগবঢ়াৰ কিছুসময়ৰ পাছত ড্ৰাইভাৰে পুনৰ গাড়ী ৰখালে। সেই ঠাইৰ পৰা কিছুদুৰ খোজকাঢ়ি গৈ, যি ঠাইৰ পৰা সূৰ্যোদয় চোৱা হয় সেই ঠাইডোখৰ পালোগৈ। ঠাইডোখৰ লোকাৰণ্য হৈ আছে। তাৰ মাজতে ঠাই অকণমান উলিয়াই ললো। অন্য ঠাইবোৰৰ দৰেই ইয়াতো ফ্লাস্কত কফি লৈ নেপালী গাভৰুৱে মানুহৰ মাজে মাজে ফুৰি কফি বিক্ৰী কৰি ফুৰা দেখিছিলো। তাৰে এজনীয়ে বৰ জোৰ দি ধৰাত পাঁচ টকাত একাপ ঠাণ্ডা কফি

খাইছিলো। পোহৰ হোৱাই নাছিল। আকাশত ঘন কলীয়া ডাৱৰ, সকলোৰে মনত গভীৰ উৎকণ্ঠা। বিভিন্ন জনৰ বিভিন্ন কথা ভাহি আহিছিল। সকলোৰে হাতে হাতে কেমেৰা ৰেডি হৈ আছিল। কিন্তু পুৱা ছয় বজালৈকে সূৰ্যোদয়ৰ কোনো লক্ষণেই নেদেখিলো। মনতে ভাবিলো হয়তো সূৰ্যোদয় চোৱাতো ভাগ্যত লিখাই নাই। অহাবাৰ আহিলে নিশ্চিত ভাগ্য উদয় হ'ব, এইবুলি ভাবিয়েই মনত সান্তনা লভিলো।

ইয়াৰ পিছত পোনে পোনেই আমি গ'লো 'Batashia Pool' লৈ, য'ত ভাৰতৰ স্বাধীনতা সংগ্ৰামত মৃত্যুক আঁকোৱালি লোৱা ৭৬ জন মৃত সৈনিকৰ স্মৃতিচিহ্ন হিচাপে এটি সৌধ নিৰ্মাণ কৰা হৈছে যাক 'War Memorial' হিচাপে জনা যায়। ইয়াৰ চাৰিওফালে ৰং-বিৰঙৰ চিজন ফ্লাৱাৰে ৰমকজমক কৰি গোটেই ঠাইডোখৰৰ ৰূপ অনুপম কৰি তুলিছে। পাহাৰৰ ওপৰত থকা 'চমতেন চাওলিং' বৌদ্ধ বিহাৰলৈ গৈছিলো। তাৰ পাছত গৈছিলো 'গংগামায়া' পাৰ্কলৈ। গংগামায়া পাৰ্কৰ পৰা আহোতে বাটত 'ৰক গাৰ্ডেন' চাইছিলো। ৰক গাৰ্ডেনৰ — ওপৰৰ পৰা বৈ অহা নিজৰা, নিজৰাৰ কাষে কাষে সজাই তোলা পাৰ্ক, পাৰ্কৰ কাষত থকা শিলত কটা ৰাস্তা আৰু শিলত কটা ফুল আদিৰ দৃশ্য আজিও মানসপটত সজীৱ হৈ আছে।



হেপ্পি ভেলিৰ চাহ বাগিচা

দিনটো ভ্ৰমণৰ অন্তত হোটেললৈ আহি হোটেলৰ প্ৰেক্ষাগৃহত আয়োজিত আমাৰ দলৰ সাংস্কৃতিক অনুষ্ঠানে, দাৰ্জিলিঙত আমাৰ অন্তিম নিশাটো প্ৰাণবন্ত কৰি তুলিছিল। ঠেঙ্গালচাৰৰ গীত পৰিবেশন, ডলী-মনিশাৰ সৃষ্টিশীল নৃত্য, প্ৰাণজিৎ-চুম্পীৰ একক অভিনয়, মোৰ খুহুতীয়া ফিল্মী দায়লগ আদিয়ে অনুষ্ঠানটিক এক সুকীয়া মাত্ৰা দিছিল।

২ ডিচেম্বৰৰ পুৱা ব্ৰেকফাষ্ট কৰি আমি আমাৰ লাগেজ-পত্ৰ লৈ বাছত উঠিলো। এইবাৰ আমাৰ যাত্ৰা চিকিমৰ ৰাজধানী গেংটকলৈ। তীষ্টা নদীৰ পাৰে পাৰে নিলীম আকাশ আৰু শুকুলা মেঘৰ তলেৰে প্ৰায় ৭ ঘণ্টীয়া বাছ যাত্ৰাৰ অন্তত আমি গেংটক পালোহি। প্ৰকৃতিৰ ৰূপ-সৌন্দৰ্যৰ ফালৰ পৰা চিকিম দাৰ্জিলিঙতকৈ কোনো গুণে কম নহয়। আটাইতকৈ লক্ষণীয় কথাটো হ'ল সৌন্দৰ্য শোভাক আৰ্থিক সম্পদলৈ পৰিণত কৰাত চিকিমবাসী সম্পূৰ্ণ সচেষ্ট। ইয়াৰ মানুহবোৰৰ চিন্তা, পৰিকল্পনা, কৰ্ম কুশলতা দেখি মনত প্ৰশ্ন জাগিছিল— আমি অসমীয়া সকলে আমাৰ অসমখনৰ উন্নতিৰ স্বাৰ্থত এনে উচ্চ চিন্তা কৰিব নোৱাৰোনে ? চিকিমক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাত চিকিমৰ চৰকাৰৰ লগতে ইয়াৰ মানুহবোৰৰো অৱদান মন কৰিবলগীয়া। ইয়াৰ বিধানসভা ভৱনকে ধৰি প্ৰাচীন স্মৃতিচিহ্নসমূহ নিজ সৌন্দৰ্যৰে সুষমামণ্ডিত হৈ আছে। বিশেষকৈ ইয়াৰ বিধানসভা ভৱনটো আৰু ইয়াৰ চৌহদটো অতি মনোমোহাকৈ সজোৱা। ফুলৰ সংৰক্ষণৰ প্ৰতিও ইয়াৰ মানুহবোৰ বৰ আগ্ৰহী। আমি ফুলৰ বিভিন্ন প্ৰজাতি চাবৰ বাবে গৈছিলো চিকিমৰ বিখ্যাত 'ফ্লাৱাৰ হাউচ'লৈ। ইয়াত প্ৰায় ৩০০ টা প্ৰজাতিৰ ফুল দেখিবলৈ পাইছিলো। চিকিমৰ ৰাস্তাসমূহ অতি উন্নত মানৰ। চিকিমৰ চৰকাৰে চিকিমক এখন পলিথিন ফ্ৰী ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰিছে। ইয়াৰ বজাৰসমূহ দাৰ্জিলিঙৰ দৰে গত লগা নহয় যদিও গৰম কাপোৰ, টুপি, মোজা আদি বস্তুবোৰ ইয়াত অতি কম মূল্যত পোৱা যায়।

চিকিম চহৰৰ পৰা প্ৰায় ১৫০০ শ ফুট উচ্চতাত থকা 'চাংগ' লেক' চাবলৈ গৈছিলো। চাংগ' লেকৰ চাৰিওকাষৰ অঞ্চল পাতল বৰফেৰে আবৃত্ত হৈ আছিল। তাত থকা দোকানবোৰত ভাৰালৈ পোৱা বৰফত পিন্ধা বিশেষ জোতা আৰু সাজ পিন্ধি আমি বৰফৰ মাজেৰে ভ্ৰমণ কৰিছিলো, ফটো উঠিছিলো, খেলিছিলো। বৰফত খোজকঢ়া জীৱনৰ এই প্ৰথম অভিজ্ঞতাই মনত বাৰুকৈয়ে আনন্দ দিছিল।

৪ ডিচেম্বৰৰ পুৱাৰ জলপান গ্ৰহণ কৰি আমি আগদিনাখনেই বুকিং কৰি থোৱা বাছেৰে শিলিগুৰিলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। আহোতে গীতৰ তালে তালে সকলোৱে নৃত্য কৰিছিলো। তথাপিও সেউজীয়া ধুনীয়া পাহাৰ, আপোন-আপোন লগা চিকিম আৰু দাৰ্জিলিঙৰ সৰল মানুহবোৰ, ধুনীয়া প্ৰাকৃতিক দৃশ্যবোৰ এৰি অহাত সকলোৰে মনবোৰ বেয়া লাগিছিল। সকলোৱে যেন আপোন কাৰোবাকহে এৰি থৈ আহিছে। ৬ ঘণ্টামানৰ যাত্ৰাৰ অন্তত আহি আমি শিলিগুৰি পালোহি। চিপচিপিয়া বৰষুণৰ মাজত ক্লান্ত দেহাৰে, দুখত বিষণ্ণ মনেৰে জলপাইগুৰিত 'অবধ আছাম' এক্সপ্ৰেছত উঠিলো— ঘৰ অভিমুখে।

উপসংহাৰঃ- ২৮ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা এটি সফল ভ্ৰমণৰ অন্ত পেলাই কিছুমান মধুৰ স্মৃতি বুকুত লৈ পাঁচ ডিচেম্বৰৰ দিনা ঘূৰি আহিলো নিজ জগতলৈ। এইকেইটা দিনত বত্ৰিশজনীয়া ৰাজনীতি বিজ্ঞান চ'ৰাৰ দলটি এটা পৰিয়ালৰ দৰে আছিলো। এই ভ্ৰমণে আমাৰ এই বৃহৎ পৰিয়ালটোলৈ কঢ়িয়াই আনিলে অনাবিল সুখ, আনন্দ আৰু বহুতো নিত্য-নতুন অভিজ্ঞতা। ☆☆

বিঃ দ্ৰঃ লিখনিটো প্ৰস্তুত কৰোতে একালৰ বন্ধু তথা দাদা নবাব মুস্তাফাৰ লিখনিৰ সহায় লোৱা হৈছে।





গল্প

# মুক্ত পক্ষীৰ গান

✍ লৱণ বড়া
স্নাতক ২য় বৰ্ষ



পশ্চিমত বেলিটো ডুবু-ডুবু। ৰঙচুৱা পোহৰে চৌদিশে এক অপূৰ্ব সৌন্দৰ্য চটিয়াই দিছে। জাক পাতি-পাতি শৰালি হাঁহবোৰ বিলখনলৈ আৰু বগলীবোৰ যোৰে-যোৰে বাহলৈ আহিছে। কি যে অপূৰ্ব সৌন্দৰ্য !

কালভাৰ্টটোত বহি-বহি অৰুৱে হয়তো এই সৌন্দৰ্যই উপভোগ কৰিছে। তাই আগতে কবিতা লিখিছিল আৰু কবিতা লিখাৰ আগেয়ে এনেদৰে কিছুসময় কালভাৰ্টটোত বহিছিল। কিন্তু আজি তাই কবিতাৰ সোৱাদ বিচাৰি ইয়াত বহি থকা নাই। আজি তাই এক বিৰাট বিষাদৰ স'তে মিতিৰালি পাতিবলৈহে যেন ইয়ালৈ আহিছে।

বিলখনত থকা হাঁহজাক হঠাতে জাক পাতি উৰি গ'ল। কিহবাই হয়তো ভয় খুৱালে সিহঁতক। অৰুৰ এই বিলাকলৈ ভ্ৰুক্ষেপ নাই। তাই শিলগুটিবোৰ এটা এটাকৈ পানীলৈ দলিয়াই দলিয়াই কিবা-কিবি ভাবি আছে। তাইৰ পাৰা-পাৰহীন জীৱনক লৈয়ে চিন্তা। তাইৰ ভাগ্যত বাৰু এই বিলাকেই লিখা আছিল নেকি ?

অৰু মানে অৰুন্ধতী দত্ত আছিল হিমাংশু দত্তৰ একমাত্ৰ কন্যা সন্তান। সৰুতেই দেউতাকে তাইক এৰি গুচি গ'ল ইহ সংসাৰৰ পৰা। মাকে বহু চেষ্টা কৰি তাইক বি. এ. পৰ্যন্ত পঢ়োৱালে। তাৰ পাছত আৰু পঢ়িবৰ তাইৰ ইচ্ছা নহ'ল। মাকৰো শকতি নাছিল পঢ়ুৱাৰ। অন্য সকলো ছোৱালীৰ দৰেই তাইৰো আশা আছিল এখন সুন্দৰ সংসাৰৰ গৃহিনী হোৱাৰ। কিন্তু ক'তা ? সেই আশা আশা হৈয়ে থাকিল।

ধীৰ গতিৰে বোৱা এজাক বতাহে তাইৰ গাত গোপনে স্পৰ্শ কৰি গ'ল। কিছু ঠাণ্ডা-ঠাণ্ডা অনুভৱ হ'ল তাইৰ। এখোজ-দুখোজকৈ তাই কোৱাটাৰ পালেগৈ। দুৱাৰখন বন্ধ কৰি তাই বিচনাত এনেয়ে অলসভাৱে বাগৰ দিলে। হঠাতে বেৰত আঁৰি থোৱা ৰঞ্জিতৰ ফটোখনলৈ তাইৰ চকু গ'ল। ৰঞ্জিতক তাই কলেজত থাকোঁতেই ভালপাই পেলাইছিল আৰু স্নাতক তৃতীয় বাৰ্ষিকৰ চূড়ান্ত পৰীক্ষা দিয়াৰ এবছৰৰ পাছতেই তাৰ স'তে বিবাহ পাশত আবদ্ধ হৈছিল। তেতিয়া সি খুবেই ভাল ল'ৰা আছিল। কিন্তু এতিয়া ... ! কথাবোৰ ভাবি ভাবি তাই হুক-হুকাই কান্দি পেলালে।

"ক্ৰিং... ক্ৰিং... ক্ৰিং..."— কলিং

বেলটো হঠাৎ বাজি উঠিল। অৰু তেতিয়াও শুইয়েই আছিল। তাই বিচনাৰ পৰাই ঘড়ীটোলৈ চাই পঠিয়ালে। এঘাৰটা ত্ৰিছ। তাই বিচনাৰ পৰা নামি দুৱাৰখন খুলি দিলেগৈ। ঢলং-পলং খোজেৰে ৰঞ্জিত সোমাই আহিল। আজি সি আন দিনাতকৈয়ো অধিক মদ্যপান কৰি আহিছে। অৱশ্যে অৰুৱে আজি আন দিনাৰ দৰে গালি-গালাজ নকৰিলে। ৰঞ্জিতে হয়তো সেইবাবেই তাইলৈ থৰ লাগি চাই ৰ'ল। এপাকত সি অৰুৰ হাতত ধৰি কাষতে বহুৱাই ললে। ৰঞ্জিতে আন দিনাও মদ্যপান কৰি আহে। কিন্তু এনে ব্যৱহাৰটো কেতিয়াও নকৰে। সি অৰুক দুবাহুৰে আকোঁৱালি লৈ বিচনাত বগৰাই দিলে। দুয়ো নিমাত। কিছুপৰ এনেকৈয়ে গ'ল। তাৰ পিছত সেন্দুৰ বুলিয়া অৰুৰ দুগালত দুটা চুমা আঁকি দি কাণে-কাণে ক'লে— "আই লাভ ইউ, অৰু, আই লাভ ইউ।" অৰুৱেও সাৱতি ধৰি ক'লে— "আই লাভ ইউ টু, ৰণ।"....

.... এটি কোমল নোদোকা শিশু। শিশুটিয়ে তাইৰ তৰ্জনী আঙুলিত ধৰি বিলখনৰ পাৰে পাৰে ঘূৰি ফুৰিছে। শৰালিবোৰৰ স'তে ওমলিব খুজিছে। 'মা' বুলি ক'ৰবালৈ আঙুলিয়াইছে। অৰুৱে কল্পনা কৰিলে।

সিদিনা আছিল ন-নবেম্বৰ। অৰুৰ বাৰ্থডে। কমল আহিছিল তাইক আগৰ বাৰৰ দৰে বাৰ্থডে অভিনন্দন জনাবলৈ। কমল ৰঞ্জিতৰ বন্ধু আৰু অৰুৰ পত্ৰভাতৃ। কমলৰ সৈতে অৰুৰ সম্পৰ্কই আছিল অৰু-ৰঞ্জিতৰ সংসাৰ বিবাদৰ মূল। সেইবাবে অৰুৱে কমলক তাহাঁতৰ ঘৰলৈ আহিবলৈ নালাগে বুলি কয়। কিন্তু কমলে নামানে। অৰুৱে তাক অহা দেখি চোৰৰ দৰে গেটৰ মুখলৈ গৈ তাক ঘূৰাই পঠালে আৰু বাৰিষাৰ মেঘৰ দৰে এবুকু বিষাদেৰে কমলে দি যোৱা উপহাৰটো লৈ কোৱাটাৰলৈ প্ৰবেশ কৰিলেহি। ৰঞ্জিতে ঘটনাটো দেখি আছিল বুলি অৰুৱে গমকেই নাপালে। একো সুধপোচ নকৰি ৰঞ্জিতে অৰুৰ হাতৰ পৰা উপহাৰটো কাঢ়ি আনি বাহিৰলৈ দলিয়াই দিলে। তাৰ পাছত অসুৰৰ দৰে অৰুৰ ওপৰত অতিশয্যা চলালে। নিৰলে কান্দি-কান্দি সকলো সহ্য কৰি যোৱাৰ বাহিৰে একো কৰিবলৈ অৰুৱে উপায় বিচাৰি নেপালে।

ৰঞ্জিতৰ চাকৰিটো আছিল ৰেলৱেৰ। কোৱাটাৰটো আলিৰ কাষতে। সিহঁতৰ কোৱাটাৰৰ লগতে লগালগিকৈ আছে আৰু বহুতো কোৱাটাৰ। পিছফালে অলপ গৈয়েই বিলখন। বিলখনৰ সিপাৰে পাহাৰ এটা আছে। সেয়ে বিলৰ পাৰটো প্ৰায় সময়তে নিৰ্জন হৈ থাকে। ৰঞ্জিতে মাৰ-কিল কৰিলে বা সৰু-সুৰা খুটুং-খাটাং হ'লেই অৰুৱে সেই বিলৰ পাৰত বহি থাকেগৈ। গতানুগতিকতাৰ মাজেৰে সময়বোৰ বাগৰিল। লাহে লাহে অৰুৰ গৰ্ভত ৰঞ্জিতৰ সন্তানটো ডাঙৰ হৈ আহিল। লাহে লাহে সিহঁতৰ মাজত কাজিয়াৰ মাত্ৰাও বাঢ়ি আহিল আৰু চুবুৰীয়াৰ আগত মুখ উলিয়াব নোৱাৰা এটা পৰ্যায় পালেগৈ। কমলৰ যে সন্তান জন্ম দিব পৰা ক্ষমতাকণ নাছিল সেই কথা ৰঞ্জিতে জনা সত্ত্বেও বাৰে বাৰে অৰুৰ গৰ্ভৰ সন্তানৰ পিতৃ কমল বুলিয়েই দাবী কৰি থাকিল আৰু ইয়াৰ অজুহাত দেখুৱাই অৰুক চৰিত্ৰহীনা বুলি ঘৰৰ পৰা বাহিৰ কৰি দিলে। বিয়াৰ তিনিমাহৰ পাছতে মাক নুঢুকোৱাহেঁতেন অৰুৱে হয়তো ঘৰলৈ গুচি গ'লহেঁতেন। কিন্তু এতিয়া তাই ক'লৈ যাব ? উপায়হীন হৈ তাই ৰেলত উঠি দি আৰম্ভ কৰিলে এক লক্ষ্যহীন যাত্ৰা। ৰেলখন গৈ গুৱাহাটী প্লেটফৰ্মত ৰ'লগৈ। তাই নামি গৈ গাৰ অলংকাৰ বিক্ৰী কৰি নিজৰ বাবে নহ'লেও গৰ্ভৰ সন্তানটিৰ বাবে হোটেলত সোমাই পেট পূৰাই পুনৰ যাত্ৰা আৰম্ভ কৰিলে। দুদিনমান এনেকৈয়ে গ'ল। লাহে-লাহে গাঁঠিৰ ধনো শেষ হৈ আহিলত চাৰিদিনমানৰ মূৰত পুনৰ ৰেলখন গুৱাহাটীত ৰ'লহি। তাই গাৰ অলংকাৰ বিক্ৰী কৰা হোটেলখনতে বনকৰা মানুহ হিচাপে নিজকে নিয়োগ কৰি তাৰে এটি সৰু কোঠাত নিজে থকাৰ ব্যৱস্থা কৰিলে। একমাত্ৰ ভগৱানক চিন্তা কৰি কেৱল তাইৰ সন্তানটোৰ বাবে সকলো লাজ-অপমান সহ্য কৰি গ'ল। এনেদৰে দুমাহ পাৰ কৰাৰ পাছত এদিন নিশা হোটেলৰ কোঠাতে তাই সন্তানটি প্ৰসৱ কৰিলে। তেতিয়া তাই সংজ্ঞাহীন। জ্ঞান ঘূৰাই পোৱাত তাইৰ চকুৰ আগত ধৰা দিলে এটি মৃত শিশু। তাই চিঞৰি-চিঞৰি কান্দিবলৈ ধৰিলে। কিন্তু কান্দি-কান্দি তাই এটা সময়ত অৱশ হৈ পৰিল। তাইৰ কান্দোনৰ সঁহাৰি জনাবলৈও তেতিয়া কোনো নাছিল। তাৰোপৰি দুৱাৰখন বন্ধ থকাৰ বাবে তাইৰ কান্দোন কোঠাৰ বাহিৰ হোৱা নাছিল।

এতিয়া তাই হোটেলত নাথাকে বা কাৰো ঘৰতো নাথাকো। চহৰৰ আলি গলিয়েই এতিয়া তাইৰ বাসস্থান। এতিয়া তাই আহাৰৰ নামত কি খায়, কি নাখায় তাই নিজেই নাজানে। গুণ-গুণাই, ল'ৰি-ঢাপৰি চহৰৰ ইমূৰৰ পৰা সিমূৰলৈ মুক্ত মনেৰে ঘূৰি ফুৰি তাই হয়তো এক বুজাব নোৱাৰা আমেজ অনুভৱ কৰে। তাইৰ এতিয়া জাৰ-জহৰ, সুখ-দুখৰ অনুভৱ নহয়। এতিয়া আনৰ ভাষাত তাই পাগলি। কিন্তু তাই নিজে এনেদৰে গান গাই গাই ঘূৰি ফুৰে যেন তাই এটি মুক্ত পক্ষী। ☆





## এমুঠি গল্প

# শিৰোনাম : পুহ

(১)

মনালিছা ৰাজকোঁৱৰ
উঃ মাঃ ২য় বৰ্ষ

খেৰখিনি জোকাৰি মেলি ধানখিনি একাষৰীয়াকৈ থৈ গৰুহাল মেলি দীপুৱে মাকক চিঞৰিলে, "আই ভাত বাঢ়ি থ' মই ভৰিকেইটা নৈত ধুই আহোগৈ।" কৈয়ে সি নদীখনলৈ দৌৰি গ'ল। বাৰ বছৰীয়া দীপু। বেচেৰাই কাম কৰি কৰি পঢ়িব লাগে। আন ল'ৰাৰ দৰে সি কেতিয়াবা পেট পূৰাই খাবলৈকো নাপায়। তথাপি মাকৰ প্ৰতি তাৰ কোনো ক্ষোভ নাই। এইবাৰ আঘোনত বৰুৱা ঠিকাদাৰৰ ঘৰত ধান দাই, ডাঙৰি কঢ়িয়াই, মৰণা মাৰি যি ধান কেইডাঙৰিমান পাইছিল সেইখিনিকে আজি ঠিকাদাৰৰ পৰা অশেষ কাকুতি-মিনতি কৰি ভৱিষ্যতে কাম কৰি দিয়াৰ প্ৰতিশ্ৰুতি দি মৰণা মাৰি আজৰি হ'ল। লোকৰ ঘৰত আঘোনতে ন-চাউলেৰে ন-খালে কিন্তু দুখীয়াৰনো কি সময়-অসময় আছে, জীয়াই থাকিবলৈ প্ৰয়োজনীয় সম্বলখিনি পালেই হৈ যায়।

উদ্‌ফাই বেমাৰত জ্বলা-কলা দেখা মাক জেউতীয়ে লাইশাক ভাততে পাতত দি খাবলৈ দিয়া ভাতকেইটা সি পৰম তৃপ্তিৰে খাই মাককো ভাত খোৱাৰ পাছত বটলটোৰ শেষ দৰৱকণ খাবলৈ চামুচ এখনত ঢালি দিলে। তাৰ পাছত বাচন কেইটা ধুই মৰণাৰ ধানখিনি আধা ঘণ্টাতে ডলাৰে বাও দি খেৰ-কূটা গুচাই ৰ'দত মেলি দিলে। তেতিয়া সি চিন্তা কৰি থাকিল তাৰ সপ্তম শ্ৰেণীলৈ পোৱাৰ ৰিজাল্ট কাইলৈ দিব আৰু আজিয়েই সি ঘৰৰ সঁচোৱা পাতিহাঁহযোৰ বজাৰলৈ নি বিক্ৰী কৰি মাকলৈ দৰবৰ জোগাৰ কৰি আনিব লাগিব।

ঘৰখনত মাক আৰু তাৰ বাহিৰে আন কোনো প্ৰাণী নাই , দেউতাক মহেন্দ্ৰ কাঠকটীয়া যোৱা বছৰ আজিৰ দৰে পুহৰ এটা শীতল দিনতে হাবিলৈ খৰি আনিবলৈ গৈ বনৰীয়া বৰা গাহৰিৰ চিকাৰ হ'ল। তেতিয়াৰে পৰা মাকো বেমাৰী হ'ল। কেতিয়াবা তাৰ বৰ খং উঠে, মৰি থাকিবলৈ মন যায়। কিন্তু মাকৰ কথা মনলৈ আনি তেনে চিন্তা সি মনৰ পৰা আঁতৰাই পঠায়। তদুপৰি স্কুলৰ লগৰীয়াখিনিৰ প্ৰতি, শিক্ষকসকলৰ তাৰ প্ৰতি থকা মৰমখিনিৰ প্ৰতি দীপুৰ হৃদয়ৰ টান আছে। গতিকে সি ধৈৰ্যৰে সকলো বিপদৰ মুখামুখি হয়।

ধানখিনি ৰ'দত মেলা হ'লত সি পুনৰ নৈলৈ গৈ গাটো জোবোৰা মাৰি ধূই আহিল আৰু লৰালৰিকৈ কাপোৰ সলাই হাঁহ গৰালটোৰ ওচৰলৈ হাঁহ ভৰোৱা খোৰোঙটো নি সি বৈ গ'ল। এই হাঁহযোৰ তাৰ অতি মৰমৰ। তাৰ মতে সি সিহঁতৰ ভাষাও বুজি পায় আৰু সি সিহঁতৰ লগত তাৰ সুখ-দুখৰ কথাও পাতে। আজি সি সেইযোৰ হাঁহকে বজাৰত বিক্ৰী কৰিবলৈ ওলাইছে। তাৰ বুকুখন মুচৰ খাই উঠিল। হ'লেও মাকৰ মুখখন মনলৈ অহাৰ লগে লগে সি একেকোবে হাঁহদুটাক খোৰোঙত ভৰাই চকুলো মুহাৰিলে। ভিতৰলৈ গৈ সি দেখিলে মাক কাঁহি কাঁহি ক'লা পৰি গৈছে আৰু বিছনাখনতে অদ্ভূত ধৰণে কেঁকাই-কেঁকাই পৰি আছে। সি আৰু সহিব নোৱাৰিলে কোবেৰে ওলাই গৈ ৰাস্তা পালেগৈ। বিভিন্ন ধৰণৰ কথাবোৰ ভাবি ভাবি গৈ কেতিয়ানো সিহঁতৰ গাঁৱৰ একেবাৰে সিটো মূৰ পালেগৈ গমকে নেপালে। কিন্তু সি আচৰিত হ'ল বাপুটিৰ দোকানত মস্ত তলা দেখি। তথাপি সি বজাৰ অভিমুখে গৈ থাকিল। কিন্তু দেখিলে ৰাস্তাত এটা চেৰেলা কুকুৰে তাৰ আহাৰৰ সন্ধান কৰাৰ বাহিৰে আন কোনো জনপ্ৰাণী ৰাস্তাত নাই , তাক হাতত খোৰোঙৰ সৈতে দেখি কুকুৰটোৱে জোৰকৈ ভূকি উঠিল। সি তেতিয়া এখন বন্ধ দোকানৰ দুৱাৰত মন কৰিলে গাড়ী ভাড়া বৃদ্ধিৰ প্ৰতিবাদত ৩৬ ঘণ্টীয়া অসম বন্ধ। বেলিলৈ চাই দেখিলে দিনটো প্ৰায় শেষ হওঁ হওঁ। সি ঘৰমুৱা হ'ল, মাকলৈ দৰৱ কিনা নহ'ল। ঘৰ পায়হি মানে গধূলিয়ে হ'ল। হাঁহকেইটা গঁড়ালত ভৰাই সি মাকৰ ওচৰ পালেহি। মাক বিচনাত তেজবমি কৰি বেহুচ হৈ পৰি আছে। সি অধৈৰ্য হৈ উঠিল। কি কৰিব, কি নকৰিব ভাবি মাকৰ মূৰত পানী ঢালি দিলে। মাকে হুঁচ পাই তাক সেহাই-সেহাই ভাত কেইটামান বনাই খাই ল'বলৈ ক'লে।

চোতালত গোটাই থোৱা ধানখিনি টাপলি মৰা বস্তাটোত ভৰাই থ'বলৈ ক'লে। সি লৰালৰিকৈ ধানখিনি ভৰাই ভাতকেইটামান বনাই মাকক খুৱাবলৈ লওঁতেই ফেঁচাটোৱে বিকট চিঞৰ মাৰি উঠিল। মাকে এটা কৰুণ আৰ্তনাদত কেঁকাই উঠিল। লগে লগে সকলো শেষ হৈ গ'ল। সি মাকৰ বুকুত পৰি বিকৃতভাৱে চিঞৰি উঠিল আ....ই....।

☆

(২)

মিনু কোঁৱৰ
স্নাতক ১ম বৰ্ষ

কুউ...... ঝক্......ঝক্......ঝক্......।

নিশাৰ সীৰলু ফালি অহা যাত্ৰীবাহী ট্ৰেইনখনৰ শব্দত বিনীতাই সাৰ পাই উঠিল। এইটো শব্দ তাইৰ জন্মৰ পৰাই চিনাকি। বিচনাখনত ইকাতি-সিকাতি কৰি তাই অলপ সময়ৰ পিছতে ভৰিত চেপ্তেলযোৰ সুমুৱাই খিড়িকীখন খুলি বাহিৰলৈ চালে। বাহিৰত কুঁৱলীয়ে বগা চাদৰ এখন তৰি দিছে। তাই একেথৰে ট্ৰেইনখনলৈ চাই থাকিল। ৰাতিৰ নিৰ্জনতা ভেদি অহা এই ট্ৰেইনখন তাই অদৃশ্য নোহোৱালৈকে চাই থাকিল। জোনাক-কুঁৱলীৰ লুকা-ভাকুৰ মাজত ট্ৰেইনখনক এডাল দীঘল সাপ যেন অনুভৱ হৈছিল।

ৰূপহী গাঁও। এই ৰূপহী গাঁৱতে তাইৰ জন্ম। তাই খিড়িকীখনত আঁউজিয়ে ভাব সাগৰত ডুব গৈছিল। মনত পৰিছিল আইতাক-ককাকলৈ।

"অ' পাখৰীজনী, ইমান দেৰিলৈকে শুই থাকিলে পিছত শহুৰৰ ঘৰত কি যে কৰিবিগৈ— উঠ, উঠ।" আইতাকে তাইক চিঞৰি চিঞৰি শুৱাৰ পৰা জগাই দিয়াত তাই কৈছিল, "ৰ'চোন আইতা আৰু অকণমান শুই লওঁ।" আৰু সেই সময়তে উপস্থিত হৈছিল ককাক। ককাকে তাইক তেনেকৈ জগোৱাত আইতাকক ধমক দিছিল। "তাইক বাৰু তই আৰু অকণমান শুবলৈ নিদিয় কিয় ? তাইনো ইমান সোনকালে উঠি কি কৰিব ?"

তাই সাত বছৰ বয়সতে মাক-দেউতাকক হেৰুৱাইছিল। তাইৰ দেউতাক ৰূপহী গাঁওখনৰ ভিতৰতে এজন জাকত-জিলিকা ব্যক্তি আছিল। মাক-দেউতাকৰ তাই আছিল একমাত্ৰ মৰমৰ আলসুৱা সন্তান। এবাৰ মাক-দেউতাক দুয়ো তাইক আইতাক-ককাকৰ হাতত গতাই দি গুৱাহাটীলৈ গৈছিল। কিন্তু গুৱাহাটীৰ পৰা ঘূৰি আহোঁতে তাইৰ মাক দেউতাকে চিৰদিনৰ বাবে পৃথিৱীৰ পৰা বিদায় মাগিছিল। পৃথিৱীত এনে দুৰ্ভগীয়া কোনোবা আছেনে যি নিজেই জীয়াই থাকোঁতে একমাত্ৰ পো-বোৱাৰীৰ মৃত্যুৰ খবৰ শুনিবলৈ পায়।

তাই কেতিয়াবা ককাক-আইতাকক মাক-দেউতাকক আনি দিবলৈ খাটনি ধৰিছিল। দুয়ো তাইক বুজাইছিল যে মাক-দেউতাক ডাক্তৰৰ ওচৰলৈ হে গৈছে। ডাক্তৰে তেওঁলোকক পঠিয়ালেহে আহিব পাৰিব। তেনেদৰে তাই মাক-দেউতাকৰ অবিহনে ককাক-আইতাকৰ মৰমৰ পৰশতে কৈশোৰ-যৌৱন পাৰ কৰিছিল। এই ঘৰৰ পৰাই ককাক-আইতাকে তাইৰ নিজ পচন্দমতে বিবেকলৈ উলিয়াই দিছিল। আজি সেই ককাক-আইতাক আৰু নাই। সকলো আছে কেৱল নাই তেওঁলোকৰ মৰমৰ পৰশ।

দূৰত ক'ৰবাৰ পৰা অহা কুকুৰাৰ ডাকত তাইৰ চেতনা আহিল। ইমান সময়েযে তাই পুহ মাহৰ এনিশা কটাই দিলে তেতিয়াহে তাইৰ ঠাণ্ডাৰ কথা মনত পৰিল। ট্ৰেইনখনে হয়তো গন্তব্যস্থান পাইছিলগৈ।

☆

(৩)

বিনয় বৰুৱা
স্নাতক ২য় বৰ্ষ

বাহিৰৰ হিমসিক্ত চেঁচা বতাহজাক যেন নিৰ্বিচাৰে খিড়িকীৰে সোমাই আহিব বিচাৰিছে। অৰুণে উদাস দৃষ্টিৰে আকাশলৈ চাইছে বাঁহৰ খিড়িকীৰে। উদং গাৰে থকা অৰুণে এৰি চাদৰখন গাত উৰি ললে। ভাত খাই উঠি খোজ কঢ়াটো তাৰ অভ্যাস। কিন্তু আজি তাৰ খোজ কাঢ়িবলৈ মন যোৱা নাই। সি ঘৰৰ চোতাললৈকে ওলাই গ'ল। জোনৰ পোহৰ আৰু কুঁৱলীৰ ডাঠ আৱৰণে বাহিৰৰ পৰিবেশটোক কিবা এক আচহুৱা ৰূপ দিছে। ওখ ওখ তামোল গছকেইজোপাক, সিহঁতৰ বাৰীৰ আমজোপাক একোটা একোটা বিশালকায় দৈত্য যেন লাগিছে। বাহিৰৰ পৰা আহি সি বিচনাত পৰিল।

অৰুণ বৰা। এল. আই. চি.ৰ এজেণ্ট। সোণাৰি টাউনৰ পাশ্বৰতী গাঁও এখনতে তাৰ ঘৰ। উচ্চশিক্ষিত অৰুণে পঢ়ি শুনি চাকৰি বিচাৰি সময় খৰছ নকৰিলে। সি জানে বৰ্তমান চাকৰি বিচৰা আৰু পৰ্বতত কাছ কণী বিচৰা সমান। চাকৰিৰ মহঙা বজাৰত ক্ৰেতা হিচাবে যোৱাতকৈ বেলেগ কিবা কৰাই ঠিক। অমানুষিক কষ্ট কৰিব পৰা অৰুণ আজি সোণাৰি এল. আই. চি. ব্ৰাঞ্চৰ ভাল নাম থকা এজেণ্ট।

অৰুণহঁতৰ পৰিয়ালটো সৰু; মাক আৰু ভনীয়েক ৰুণুমী। তাৰ দেউতাক নাই। বহুবছৰৰ আগতে সন্ত্ৰাসবাদৰ বলি হৈছিল দেউতাক। অৰুণ বৰ মৰমৰ আছিল তেওঁৰ। দেউতাকে জোনাক নিশা সাধু কোৱা, সোণাৰি বজাৰলৈ লৈ যোৱা, পূজা চোৱা এইবোৰ যেন তাৰ চকুত আজিও সজীৱ। অৰুণৰ দুচকুত বহুত বেদনা আছে। বৰ কষ্টৰে তাক মাকে পঢ়ালে-শুনালে। ভাগ্যেই মাকৰ মাষ্টৰনী চাকৰিটো আছিল। অৰুণৰ জীৱনত এনেকুৱা এটা দিন নাই যিটো দিন সি দেউতাকৰ নাম লোৱা নাই। প্ৰতিটো কাম কৰাৰ আগত, প্ৰতিটো সুখ-দুখৰ মুহূৰ্তত সি দেউতাকক এবাৰলৈ হ'লেও মনত পেলায়েই।

আজি অৰুণ বৰ সোনকালে টোপনি গ'ল। দিনটো ঘূৰা-ঘূৰি কৰোতে তাৰ যথেষ্ট পৰিশ্ৰম হয়। ক্লান্তি-অৱসাদে জৰ্জৰিত শৰীৰটো এক হেঁচা মাৰি ধৰে। হঠাৎ সি এটা সপোন দেখিছে তাৰ আগৰ ডেকা দেউতাক-মাক। সৰু কালৰ অৰুণটো ক্লাচ চেভেনত পঢ়া ১৩ বছৰীয়া ল'ৰা (তাৰ দেউতাক আছিল খু-উ-ব সাহসী সাংবাদিক। তেওঁৰ কলম বৰ তীক্ষ্ণ আছিল)। দেউতাকে সেই কমলা বৰণৰ চোৱেটাৰটো আৰু ক'লা চামৰা জোটাযোৰ পিন্ধি আনদিনাৰ দৰে তাক স্কুলত থ'বলৈ ওলাইছে। দেউতাকে বাহিৰে বাহিৰে এখন ৰাজহুৱা মিটিঙলৈ যাব। হাঁহিমুখীয়া দেউতাকে স্কুলৰ প্ৰাঙ্গণত তাক নমাই লজেন দুটা কিনি কপালতে চুমা এটা আঁকি আঁতৰি আহিল। ক্লাচ চলি থাকোঁতে অৰুণৰ খুড়াকে তাক ঘৰলৈ আহ বুলি লৈ গ'ল। কথাবোৰ সি একো বুজি নাপাইছিল। খুড়াকক ঘৰত কি হৈছে বুলি সুধিব পৰা বয়সো তাৰ হোৱা নাছিল। সি ক্লাচৰ পৰা খুড়াকৰ লগত ঘৰলৈ আহিল। ঘৰলৈ আহি সি মৰমৰ দেউতাকক এখন বগা কাপোৰেৰে ঢাকি কন্দা-কটা কৰি থকা আউলি-বাউলি মাকক দেখিলে। মুখত তেজেৰে কৰাল মৰা দেউতাকক দেখিছিল। সি একো বুজিব নোৱাৰি কান্দিছিল .....।

অৰুণে হঠাৎ সাৰ পালে। তাৰ চকু কেইটা সেমেকা। এই পুহ মাহটো সঁচাকৈ তাৰ বাবে বেয়া নেকি, তাৰ দেউতাকক এই মাহতে প্ৰায় ১৪ বছৰৰ আগতে সন্ত্ৰাসবাদী গোট এটাই ৰাজহুৱা মিটিং এখনত গুলিয়াই মাৰিছিল শূন্য দূৰত্বৰ পৰা। আজিলৈ অপৰাধী ধৰা নপৰিল। সাহসী সাংবাদিক অৰুণৰ মৰমৰ দেউতাক। বাহিৰত কুকুৰ পোৱালী কেইটামানে কেউ কেউ কৈ কান্দিছে। সি বাহিৰলৈ ওলাই আহিল আৰু দুটামান গভীৰ উশাহ ললে। সিহঁতৰ কুকুৰজনীয়ে পোৱালী পাঁচটা দিছে। হয়তো মাকজনী ক'ৰবালৈ আঁতৰি গৈছে। জাৰত সেইবাবে সিহঁতে চিঞৰিছে। অৰুণে মাকৰ তাঁতশালৰ তলত থকা বস্তা এটা আনি লাহেকৈ কুকুৰ পোৱালীকেইটাৰ গাত দি দিলে। এতিয়া সিহঁত মনে মনে আছে।

অৰুণে আকাশলৈ চালে। আকাশত তেতিয়াও জোনৰ পোহৰ কমা নাই। বাহিৰত কুঁৱলীৰ আৱৰণো অলপ বাঢ়িছে। আকাশত যেন হিজি-বিজি নক্ষত্ৰবোৰে আকাশৰ উদাৰতাক আৰু বৰ্ণময় কৰি পেলাইছে। সঁচাকৈ কোনোবা জ্ঞানী পুৰুষে ঠিকেই কৈ গৈছে— "তুমি যদি খু-উ-ব দুখত আছা তেতিয়া আকাশৰ বিশালতালৈ চাই আকাশৰ উদাৰতাক অনুভৱ কৰিবলৈ শিকা। দেখিবা আকাশৰ তুলনাত আমি কিমান সৰু।" অৰুণে কথাষাৰৰ মৰ্মাৰ্থ আজিহে যেন ভালদৰে বুজিব পাৰিছে। সি তাৰ চকু কেইটা মোহাৰি যেন তাক খুলি খুলি খাই থকা তাৰ অভিশপ্ত ভয়াবহ অতীত পাহৰি থাকিব বিচাৰে। তাৰ দৰে এই বিশ্বৰ বহুজনে মৰমৰজনক হেৰুৱাইছে তথাপি তেওঁলোক জীয়াই আছে স্মৃতিবোৰক সাৱটি লৈ ....।

☆

(৪)

ৰূমী বড়া
স্নাতক ১ম বৰ্ষ

টক্.... টক্.... টক্.... ! কোন আহিব পাৰে এই মাজ নিশা ? উপন্যাসখন জপাই থলো। যিহে দিনকাল তাতে এই মাজ নিশা। দুৱাৰ খুলিবলৈ সাহস হোৱাই নাই। মা আৰু মইহে ঘৰত আছো। দেউতা চাকৰিসূত্ৰে বাহিৰত আছে। ডাঙৰদা তালৈকে গৈছে। সৰুদা ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পঢ়ি আছে। মা হয়তু টোপনিত লালকাল। টক্.... টক্.... দুৱাৰত আকৌ টোকৰ পৰিল। অলপ সাহস গোটাই মাত লগালো—

ঃ কোন ?

ঃ ভয় নকৰিব বাইদেউ আমিহে। দুৱাৰখন খোলকচোন।

এই মাতটো যেন মই ক'ৰবাত শুনিছো। ক'ত ? ক'ত শুনিছিলো বাৰু ? মই মনত পেলাবলৈ চেষ্টা কৰিলো।

ঃ আপোনালোকৰ একো অপকাৰ নকৰো। কিছু সময়ৰ বাবে দুৱাৰখন খোলক।

মই দুৱাৰখন খুলি দিলো। লাইটৰ পোহৰত ল'ৰাজনৰ মুখখন দেখি উচপ্ খাই উঠিলো।

ঃ তুমি ?

ঃ মৃ বা, আপুনি ?

সিয়ো সমানে আচৰিত হ'ল।

ঃ ভিতৰলৈ নেমাতে ?

সিহঁতৰ দলৰে ওখ ল'ৰাজনে ক'লে। মই ভিতৰলৈ মাতি আনিলো দলটোক। ওখ ল'ৰাজনে লগৰ এজনক কান্ধত ধৰি চোফাখনত বহুৱাই দিলে। মোক কোনো প্ৰশ্ন কৰিবলৈ সুযোগ নিদি সি ক'লে—

ঃ আজি আঠমান বজাত ইয়াৰ পৰা প্ৰায় তিনিকিলোমিটাৰ আঁতৰত সেনা আৰু আমাৰ মাজত সংঘৰ্ষ হয়। সেনাৰ গুলীত বাবুলে ভৰিত আঘাত পাইছে। বেয়া নেপায় যদি আপুনি গৰম পানী অলপ ব্যৱস্থা কৰি দিবনে ?

মই লৰালৰিকৈ ভিতৰলৈ গ'লো। কি যে পৰিস্থিতিৰ সন্মুখীন হ'লো। মনতে ভাবিলো এনেকৈ জানো স্বাধীন অসম গঢ়িব পাৰিব ? কিমান আজি প্ৰতিভাবান ল'ৰা এইদৰে শেষহৈ গৈছে আৰু এই দিগন্ত প্ৰতিভালৈয়ে যে জন্ম হৈছিল। কবিতা-গল্পৰে এসময়ত তোলপাৰ লগোৱা অমায়িক ল'ৰাজনে কিয় এই পথ বাচি ললে ? দোষটো কাৰ ?

আঘাত পোৱা ঠাইডোখৰ গৰম পানীৰে ধুৱাই দিয়াত ল'ৰাজনে কিছু সকাহ পালে। দিগন্তৰ মুখলৈ চালো। পুহ মাহৰ এই ঠাণ্ডাতো তাৰ কপালত বিন্দু বিন্দু ঘাম বিৰিঙি উঠিল। কিয় ? হয়তু এই ঘৰ এজন পুলিচ অফিচাৰৰ ঘৰ বুলি জানি। তাৰ মুখত এটা দোষী-দোষী ভাৱ দেখা গ'ল। মোক সি একো ক'ব পৰা নাই। মোৰ যেন মুখৰ মাত হেৰাই গ'ল। ল'ৰাজন কিছু সুস্থ হোৱাত সি ক'লে—

ঃ মৃ বা আমি যাওঁ। ইয়াত আমি থকাটো নিৰাপদ নহ'ব। আপোনাক এইখিনি কষ্ট দিয়াৰ বাবে ক্ষমা কৰিব।

মই একো নক'লো। সিহঁত তিনিটা ওলাই গ'ল। বাহিৰৰ ডাঠ কুঁৱলীয়ে সিহঁতক ঢাকি ধৰিলে। মই চাই ৰ'লো সিহঁত যোৱাৰ পথটোলৈ। নেজানো এই পথ কিমান শুদ্ধ।

☆

(৫)

দীপচান চাংমাই
উঃ মাঃ ১ম বৰ্ষ

সময় আবেলি। অস্তগামী সূৰুযে বিদায় মাগিছে। বিলাই গৈছে হেঙুলী আভা। অন্নৰ অন্বেষণত বহু দূৰলৈ উৰামৰা চৰাইবোৰ বাহলৈ উভটিছে। কিছু ক্ষণৰ পাছতেই দিনটোৰ সমস্ত ব্যস্ততাৰ সমাপ্তি ঘটিব। মানুহ আৰু অন্যান্য প্ৰায় সকলো জীৱ-জন্তুৱেই ঢলি পৰিব নিশাৰ কোলাত। উজাগৰে ৰ'ব কেৱল নিশাচৰ প্ৰাণী।

সাধাৰণ শ্ৰেণীৰ ৰেলখনৰ ডবা এটাত জীৱন। খিড়িকীৰ কাষত বহা ঠাই এডোখৰ বিচাৰি লৈছে। ৰেল আস্থানটোৰ ব্যস্ততাই তেওঁকো উত্তেজিত কৰি তুলিছে। জীৱনে হাতঘড়ীটোলৈ চালে। "হে ঈশ্বৰ ! চাৰি বাজিবলৈ হ'ল। ছেঃ, মহা বিপদত পৰিলো।"

জীৱনে কৰ্মস্থলীৰ পৰা আহিছে ঘৰলৈ। চিৰদিনৰ বাবে। " আৰে চানা, চানা। চাহাব।" "নাই নেলাগে।"

চানাৱালাৰ মাজত জীৱন পাৰিপাৰ্শ্বিকৰ প্ৰতি সজাগ হ'ল। আন্ধাৰ নামি আহিছে। আন্ধাৰৰ লগে লগে নামি আহিছে শীত। জীৱনে ভাবিলে, 'ইমান জাৰ লাগিছে, এতিয়া কি মাহ বাৰু ? অ' আজি পুহ মাহৰ ১২ তাৰিখ।" কাষতে থকা এয়াৰ বেগটো জীৱনে খুলিলে। চুৱেটাৰ এটা পিন্ধাৰ ইচ্ছা। ৰেলৰ ডবাটোৰ পৰা ভিন্ন ভাষী মানুহ কিছুমান নামি গৈছে। কিন্তু জীৱন বহি ৰ'ল। দিন দুপৰতে ওলাই আহি এই সন্ধিয়ালৈকে ঘৰ নোপোৱাত জীৱন অস্থিৰ হৈ পৰিছে। জীৱন আকৌ ভাৱনাত বুৰ গ'ল।

জীৱনত মানুহে বিভিন্ন ধৰণৰ মানুহ লগ পায়। মনৰ গোপন ঠাইত খুব কম সংখ্যকৰহে স্মৃতি ৰৈ যায়। জীৱনৰ বাবেও কোনো কোনো জনৰ স্মৃতি পাহৰাটো অসম্ভৱ। জীৱনে কোনো দিনে পাহৰিব নোৱাৰে তেওঁৰ পিতৃ-মাতৃক আৰু ....

ফিৰফিৰিয়া বতাহ এজাক সোমাই আহিল খিড়িকীয়েদি। প্ৰচণ্ড শীতত জীৱন কঁপি উঠিল। হাতৰ ঘড়ীটোলৈ চালে। ৰেল আস্থানটোৰ কাষৰ শাৰী শাৰী লাইটৰ পোহৰত ঘড়ীটো জিলিকি উঠিল। ঘণ্টাৰ কাটাই বাৰ বজাৰ জাননী দিছে। জীৱন চকিত্ হৈ উঠিল। ডবাটোৰ ভিতৰখন চকু ফুৰাই চালে। ক'তা, কোনো নাই দেখোন। সমস্ত ডবাটোক গ্ৰাস কৰিছে অন্ধকাৰে। কঁপি থকা শৰীৰেৰে জীৱনে থিয় হোৱাৰ চেষ্টা কৰিলে। কিন্তু এয়া কি ? জীৱনে চোন লৰচৰেই কৰিব পৰা নাই। খিড়িকীয়েদি জীৱনে বাহিৰলৈ চালে। দৃষ্টিত কাতৰতা। আৰে ! এইয়াচোন, এইয়া...চোন সেই আস্থানটো। হয়, হয়। এইয়াই জীৱনৰ গন্তব্য স্থান। কিন্তু জীৱনে কিয় আগুৱাই যাব পৰা নাই। জীৱনচোন অচল হৈ পৰিল।

☆



SONALI - XVIII

# ক'ব নোৱাৰা কথাফাঁকি

গল্প

অনিল গগৈ
স্নাতক ১ম বৰ্ষ



ডাক্তৰ নবিন হাজৰিকাৰ বাৰীৰ ভিতৰতে থকা দীঘলীয়া ভাড়াঘৰটোৰ এটা কোঠাত অসীমা থাকে। অসীমাৰ লগতে তাইৰ লগত পঢ়া আৰু তিনিজনী ছোৱালীও একেলগে 'মেছ' কৰি থাকে।

সেইদিনা বতৰ সেমেকা আছিল। সেয়ে অসীমাৰ কলেজলৈ যোৱাৰ ইচ্ছা নাছিল, কিন্তু ৰাণু, জুনা আৰু পাৰ্বতীয়ে অসীমাক জোৰ কৰি কলেজলৈ নিলে। তাই মনতে কিছু ভালো পালে।

কলেজত তেতিয়া এজাক ল'ৰা-ছোৱালী বহি হাঁহি-মাতি বেছ ফুৰ্তিৰেই কিবাকিবি আলোচনা কৰি আছিল। সেই সময়ত ক্লাচ অফ আছিল। অসীমাহঁত খালী হৈ থকা মেজখনতে বহিল। ল'ৰা-ছোৱালীবিলাকে সিহঁতৰ ফালে চকু ফুৰালে। লগৰ এজন ল'ৰাই মাত লগালে "গুড মৰ্ণিং অসীমা"। "গুড মৰ্ণিং টু ইউ"— অসীমাই ক'লে।

ক্লাচৰ সময় প্ৰায় হয়ে। তাই প্ৰয়োজনীয় কিতাপ-বহি বেগৰ পৰা ওলিয়াই ললে। তেতিয়াই ইংলিছ বিষয়ৰ লেকচাৰাৰ ক্লাচত প্ৰৱেশ কৰিলে। ক্লাচ চলি থকা সময়ত টোপ-টোপকৈ বৰষুণ পৰিবলৈ ধৰিলে। বৰষুণৰ শব্দত একো শুনি নোপোৱাত পঢ়োৱা বন্ধ কৰি ছাৰ কমনৰূমলৈ আগবাঢ়িল। ল'ৰা-ছোৱালীবিলাক আকৌ কিবা-কিবি আলোচনাত বহিল।

অসীমাৰ ঘৰ গাঁৱত। ঘৰৰ ওচৰৰ হাইস্কুলখনৰ পৰা প্ৰথম ডিভিজনত মেট্ৰিক পাছ কৰি আহি কলেজত নাম ভৰ্তি কৰিছিল। তাই চোকা ছোৱালী। দেখাত বৰ ধুনীয়া নহ'লেও কিন্তু বেয়াও নহয় আৰু স্বাস্থ্যৱতীও। কথা-বতৰাতো বৰ মৰমীয়াল আৰু ভদ্ৰ। কলেজত প্ৰায় সকলো ল'ৰা-ছোৱালীৰ লগতে তাইৰ বৰ ভাল আৰু আত্মীয়তা আছে।

প্ৰায় এক মিনিটমান বৰষুণ দিয়াৰ পাছত বৰষুৰ এৰিল। ক্লাচ অফ থকাৰ বাবে লগৰ পাৰ্বতীহঁতৰ সৈতে অসীমা টাউনলৈ ওলাল। টাউনত পাৰ্বতীয়ে হোমেন বৰগোহাঁইয়ে লিখা এখন অসমীয়া নাটক 'হাউদৰ পুতেকে নাওঁ মেলি যায়' কিনিবলৈ কিতাপৰ দোকানত সোমাল। অসীমাই বাওঁফালে ঘূৰি চাওঁতে হঠাতে দেখা পালে তাইৰ দেউতাকক। তাইৰ দেউতাকে টাউন পৌৰ সভাৰ অধিনত জাবৰৰ দম বিলাকৰ পৰা জাবৰ গাড়ীত তুলি অন্য ঠাইত পেলোৱাৰ কাম কৰে। পাৰ্বতীহঁতৰ আগত কাম কৰি থকা মানুহজন তাইৰ দেউতাক বুলি আজিলৈকে পৰিচয় দিব পৰা নাই। এনেকুৱা স্মৃতিৰ মানসপটত ভাস্বত হৈ উঠিলে অনুভৱ হয় যে এই একেই পৃথিৱীতে একালত কি সুখ আৰু সুখময়। অসীমাৰ চকুৰ কোণ সেমেকি উঠিল।

অসীমা গাঁৱৰ এটা বৰ দুখীয়া পৰিয়ালৰ ছোৱালী। ঘৰৰ কাষতে হাইস্কুলখন হোৱাৰ কাৰণে তাই হাইস্কুলত পঢ়িল আৰু প্ৰথম বিভাগত পাছ কৰাৰ কাৰণে তাইক দেউতাকে পঢ়াইছে। মাটি-বাৰীও কম, খেতি কৰে যদিও

বছৰটোৰ ন-মাহো খাবলৈ নোজোৰে। কলেজলৈ অহাৰ আগলৈকে অসীমাই তাঁত-সূতা বৈ, গামোচা বিক্ৰী কৰি কিছু টকা গোটাই থৈছিল আৰু গাঁৱৰে কেইটামান এল. পি. স্কুলৰ ল'ৰা-ছোৱালীক পঢ়াইছিল। অসীমাৰ ভায়েকে এইবাৰ মেট্ৰিক পাছ কৰিছে। টকাৰ অভাৱত তাক দেউতাকে নপঢ়াও বুলি কোৱাত তাৰ আনন্দ কিদৰে আঁতৰি গ'ল তাৰ যন্ত্ৰণাখিনিৰ গভীৰতা কিমান আছিল, চকুপানীৰে তিতি যোৱা গাৰুটোৰ ৰং কেনেকুৱা আছিল তাইৰ আজিও মনত আছে। পোহৰ আকাশত এসোপা পোহৰ চিকিমিকি অথচ সিহঁতৰ জীৱনত পোহৰ নাই। এনে অভাৱৰ কাৰণে অসীমাৰ বায়েকে অষ্টম মান শ্ৰেণীতে স্কুল এৰিবলৈ বাধ্য হ'ল।

আজিলৈকে অসীমাই লগৰ একে কাঁহীতে ভাত খোৱা লগৰী জুনা, ৰাণু আৰু পাৰ্বতীকো নিজৰ ঘৰলৈ নিয়া নাই আৰু সিহঁতৰ আগত কাম কৰি থকা মানুহজন মোৰ দেউতা বুলি তাই পৰিচয় দিব পৰা নাই। জুনাইঁতে কেতিয়াবা তাইক ঘৰৰ পৰিচয় সুধে, লগতে ঘৰত বাই-ভনী, ককাই-ভাই কোন কোন আছে , দেউতাই কি কৰে ইত্যাদিবোৰ। তাই প্ৰশ্নসমূহৰ আধা উত্তৰ দিছিল আৰু আধা উত্তৰ দিব পৰা নাছিল। তেতিয়া অৰ্থৰ সমস্যাই মানুহক কিমান দুৰ্বল কৰি পেলাব পাৰে তাই বুজিছিল। তাই ভয় কৰে বাস্তৱ পৰিচয় আৰু পোহৰলৈ। পোহৰ হ'লেই সকলোৰে মুখামুখি হ'ব লাগে। তাইৰ পৰিচয় পাই লগৰ লগৰীহঁতে লগ এৰিব বুলি। কাৰণ তাইৰ বাহিৰে বাকী কেইজনী আৰ্থীকভাৱে সবল আছিল।

দীৰ্ঘ নিশ্বাস কৰি অসীমাই দেউতাকৰ ফালে চাই আছিল। কিন্তু তাইৰ দেউতাকে একান্তমনে নিজৰ কামত ব্যস্ত হৈ আছিল। বেল্‌চাৰে জাবৰ বিলাক গাড়ীত তুলি আছিল। অলপ আগেয়ে দিয়া বৰষুণৰ বাবে বোকা চিটিকি মেলখাই পৰিছিল। এবাৰ হঠাতে বোকাৰ চিটিকনি গৈ কলেজৰ ল'ৰা এজনৰ গাত পৰিল। অসীমাৰ মুখৰ বৰণ লগে লগে সলনি হ'ল। অজান আশংকাত তাইৰ হৃদয় দুৰ দুৰকৈ কঁপিবলৈ ধৰিলে। ল'ৰাজনে চিঞৰি ক'লে "ষ্টুপিড, কাম কৰিবলৈ আহিছ', কেয়াৰলেচ স্কান্দেল বোকা পেলাই কাপোৰ-কানি নষ্ট কৰিলি।" পাৰ্বতীহঁতে দোকানৰ পৰা ঘূৰি চালে। কেবাজনো কলেজৰ ল'ৰাই, সেই ল'ৰাজনৰহে অসীমাৰ দেউতাকক এটা কাণতলীয়া চৰ শোধাই দিলে আৰু দুই-এজনে দুই-এগোৰ লগালে। পৰো পৰো হৈ কোনোমতে নপৰাকৈ থাকিল। তাইৰ দেউতাকে কান্দো কান্দো হৈ কোনোমতে ক'লে, "এই ফালৰ পৰা সিটোফাল দেখা নাপাই, জাবৰবিলাক তোলোতেহে ...."

চৰ-গোৰ খাই মানুহজনে সকলো ৰাইজ, কলেজৰ ছাত্ৰ-ছাত্ৰীৰ আগত লাজ পালে, তেওঁ তলমূৰ কৰি কন্দামূৱা হৈ ৰৈ থাকিল। দেউতাকৰ চলচলীয়া চকুযোৰ দেখি চিঞৰি কান্দিবলৈ মন গৈছিল অসীমাৰ, কিন্তু নোৱাৰিলে। তাই দেউতাকক দেৱতাৰ দৰে পূজে আজি কিন্তু তাই পিতৃ দেৱতাক ৰক্ষা কৰিব নোৱাৰিলে। চিন্তাক্লিষ্ট মনেৰে অসীমা একে ঠাইতে থিয় হৈ থাকিল। তাইৰ যেন শৰীৰৰ সমস্ত তেজৰ চলাচল বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল। শৰীৰটোও ক্ৰমশঃ অৱশ হৈ আহিবলৈ ধৰিলে। এনে লাগিল যেন ৰৈ থকা ঠাই টুকুৰা সজোৰে কঁপিবলৈ আৰম্ভ কৰিছে। কেৱল মুখমণ্ডলতে নহয় গোটেই শৰীৰতে বিন্দু বিন্দু ঘামে দেখা দিলে।

পাৰ্বতীহঁতে কিতাপ কিনা শেষ কৰিলে। যাবলৈ ওলাল কলেজলৈ "বলা অসীমা"— পাৰ্বতীয়ে ক'লে। "ও, বলা"— অসীমা আগবাঢ়িল। "মানুহবোৰ জানা বৰ্থলেচ, এই সামান্য কাম কৰোতে এজন ল'ৰাৰ কাপোৰ-কানি নষ্ট কৰি পেলালে"— জুনাই ক'লে। অনিচ্ছাসত্ত্বেও খোজ পেলালে কলেজৰ ছাত্ৰীৰ বাবে নিৰ্দিষ্ট কৰি ৰখা কমন ৰুমলৈ। অসীমাই নিজকে ভীষণ দুৰ্বল যেন অনুভৱ কৰিছিল। মূৰটো ঘূৰোৱা যেন লাগিল। মেজ এখনৰ ওচৰ চাপি গৈ ধপকৈ বহি পৰিল। চকুদুটা মুদি অসীমাই দেউতাকে পোৱা অপমানৰ কথাবিলাক চিন্তা কৰি সুক-সুকাই কান্দি পেলালে।

অসীমাৰ দেউতাকক যেতিয়া কলেজৰ ছাত্ৰকেইজনে মাৰিছিল তেতিয়া তাই কান্দিছিল কিন্তু অন্তৰৰে। বাহিৰৰ জগতৰ লোকে গমকে নাপালে। অসীমাৰ কন্দা কণ্ঠস্বৰ কাণত পৰাৰ লগে লগে পাৰ্বতীহঁত যেন উচপ্‌ খাই উঠিল। "কি হৈছে অসীমা তোমাৰ"— জুনাই ক'লে। কিন্তু অসীমহে মাথো কান্দিছে ....। সুক-সুকাই কন্দাৰ মাজেদি অসীমাৰ মনৰ গোপন তলিৰ অবুজ বিষাদৰ সুতি এটা বাগৰি গ'ল। ☆





গল্প

# দুখৰ মাজত সুখৰ চকুলো



✍ সোমেশ্বৰ কুৰ্মি
স্নাতক ১ম বৰ্ষ

বসন্ত ঋতু। বহাগৰ বতৰ। প্ৰকৃতিৰ দৃশ্যবিলাক অতি মন মোহনীয় হৈ উঠিছে। ৰাজুৱে স্কুল ছুটি দি আহি আলিৰ দাঁতিতে থকা মনোজদাদাহঁতৰ দোকানখনৰ কাষতে চাইকেলখন ৰখালে আৰু পান এখন বিচাৰিলে। মনোজদাই পানখন দিলে আৰু ক'লে যে, অলপ সময়ৰ আগতে কেইজনমান ডেকাল'ৰাই তোমাক বিচাৰি ইয়ালৈ আহিছিল আৰু তোমাক নেপাই সিহঁতে আজি চাকৰিৰ ছুটীত অহা তোমাৰ বন্ধু জিণ্টুক লগত লৈ গৈছে। তোমাক বিচৰাৰ কাৰণো মই সুধিলো কিন্তু সিহঁতে বৰ খঙেৰে উত্তৰ দিলে যে ৰাজুৰ পৰা পুৰণি প্ৰতিশোধ লবলৈ আছে। সিহঁত নৈৰ কাষতে থাকিব আৰু তুমি গ'লেহে তাক এৰিম বুলি কৈছে। ৰাজুৰ বুজিবলৈ একো বাকী নাথাকিল। জিণ্টুক নিয়াৰ একমাত্ৰ কাৰণ হ'ল মোক হত্যা কৰা। কাৰণ এসময়ত মই আৰু জিণ্টু সিহঁতৰ মতৰ বিপক্ষে মাত মাতিছিলো আৰু এই ঘটনা আমাৰ কলেজতেই ঘটিছিল। ৰাজু গৈ নৈৰ কাষত দেখিলে যে ল'ৰা কেইজন ৰাজুৰ পৰিচিত যদিও এই কাণ্ড কৰিছে। ৰাজুৱে সিহঁতক ক'লে, "মোৰ বন্ধু জিণ্টুক তহঁতে এৰি দে"। কিন্তু এই কথাত সিহঁতে একো কাণ নিদিলে। ৰাজুৱে এই কথা পুনৰবাৰ কোৱাত সিহঁতে এৰি নিদিও বুলি ক'লে। এই কথা শুনি ৰাজু উদ্দীপিত হৈ উঠিল আৰু সিহঁতৰ মাজত কাজিয়াৰ সৃষ্টি হ'ল। ল'ৰাকেইজনে ৰাজুক প্ৰতিবন্ধ দিছিল যাতে সি আকৌ ঘূৰি যাব নোৱাৰে। কিন্তু ৰাজু আৰু জিণ্টু দুয়ো বৰ সাহসী আৰু বিজ্ঞ ল'ৰা। দুয়োৰে জল্পনাত অনুতপ্ত হৈ সিহঁতে জীৱনত হত্যাৰ কথা বাদ দি একেবাৰে গুচি গ'ল।

দুয়ো বন্ধু পুনৰ দোকানখনলৈ উভতি আহিল। তেওঁলোকক ঘূৰি অহা দেখি মনোজদাই চিন্তিত হৈ সেই বিতৰ্কৰ সকলো কথা জানিবলৈ আগ্ৰহ কৰিলে। তেতিয়া ৰাজুৱেও সম্পূৰ্ণ কথা ক'বলৈ বাধ্যত পৰিল। ৰাজুৱে ক'লে যে এটা সময়ত মই আৰু জিণ্টু কলেজত স্নাতক তৃতীয় বৰ্ষত পঢ়িছিলো আৰু শেষ পৰীক্ষাও দিছিলো। কলেজতেই চিনাকি হোৱা এজনী ছোৱালী 'ৰীমা'। তায়ো একেলগেই পৰীক্ষা দিছিল। তিনিওৰে মাজত ভাল বন্ধুত্ব আছিল। কিন্তু আমাৰ ঘৰুৱা পৰিস্থিতি বৰ সুচল নাছিল। বাগানত কাম কৰি দেউতাই ঘৰখনৰ পোহপাল দিছিল আৰু মোকো পঢ়াইছিল যদিও ঘৰত কেতিয়াও কন্দলৰ সৃষ্টি হ'বলৈ দিয়া নাছিল। পোন্ধৰ দিনৰ মূৰত যিটো দৰমহা পাইছিল সেইটো নামমাত্ৰ দৰমহাহে। আপুনিটো জানেই পঢ়া-শুনাত কিমান খৰচ হয়। মা-দেউতাই সদায়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছিল আৰু এইটোৱেই বিচাৰিছিল যে মই ভালধৰণে পঢ়া-শুনা কৰি কিবা এটা চাকৰি পাওঁ। যাতে ঘৰখন চলাত অলপ সহায় হয়। মই জানিছিলো আমাৰ ঘৰখন কিমান দুখৰ মাজত চলিছে আৰু মা দেউতায়ো বহুত যন্ত্ৰণাত ভূগি মোক পঢ়াইছে। ময়ো অনেক মানসিক কষ্টৰ মাজত আবদ্ধ হৈ

পঢ়া-শুনা কৰিছিলো।

সেই সময়ত আমি দুয়ো কলেজত একেলগে পঢ়িছিলো তথাপিও কাৰো লগত বিবাদ কৰা নাছিলো বা কাৰো বিলোপ হোৱাটো বিচৰা নাছিলো। সকলো ল'ৰা-ছোৱালীক সন্মানেৰেই ব্যৱহাৰ কৰিছিলো। কিন্তু আমাৰ এই সুবিধাৰ সুযোগ উঠাব বিচাৰিছিল কলেজৰেই কেইজনমান অভদ্ৰ ল'ৰাই। ল'ৰা কেইজনে কলেজৰ সকলো ল'ৰা-ছোৱালীকে নিজৰ তত্ত্বাৱধানত ৰাখিব বিচাৰিছিল আৰু আমাৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিলে। যেন কলেজখন সিহঁতৰ মতেই চলিব লাগিব। এই দুষ্টালিৰ ক্ষেত্ৰত সিহঁতৰ কোনো বাধা নাই। সিহঁতৰ কামেই হ'ল কলেজত অসভ্যালি কৰি ফুৰা। কাৰণ সেই ল'ৰা কেইজন ধনী ঘৰৰ ল'ৰা আৰু আজিৰ দিনত ধনীসকলেই সমাজত উচ্চ স্থান পায়। কিন্তু সিহঁতৰ কৰ্মক্ষেত্ৰৰ ওপৰত গুৰুত্ব নিদিয়ে আৰু আমাৰ দৰে দুখীয়া ঘৰৰ ল'ৰা এজন যিমানেই গুণী-জ্ঞানী নহওক কিয় সদায়েই দৰিদ্ৰতাৰ মাজতেই বাস কৰিবলগীয়া হয়। কাৰণ আমাৰ ধন-টকা নাই। সেই ল'ৰাকেইজনে কলেজত যিকোনো ভুল বা দোষৰ বাবে জৰিমনা দি দিয়ে আৰু নিশ্চিদ্ৰ হৈ যায়। এইটোৱেই কলেজৰ নিয়ম হৈ পৰিছিল। সিহঁতৰ দুষ্টামিয়ে কলেজৰ সকলোকে বশ কৰি ৰাখিছিল। কিন্তু মই আৰু জিণ্টু সেইবিধৰ নহয় কাৰণে আমাক অসজ দৃষ্টিৰে চাইছিল। আমি পঢ়া-শুনাতো তীক্ষ্ণ আছিলো। সেই কাৰণে শিক্ষক-শিক্ষয়িত্ৰীয়েও আমাক বৰ আদৰ-মৰম কৰিছিল। কাৰণ এজন মানুহৰ প্ৰকৃত চিনাকি তাৰ কৰ্মৰ ওপৰত নিৰ্ভৰ কৰে আৰু মোৰ কৰ্ম হ'ল ভাল ধৰণে পঢ়া-শুনা কৰি সুখ্যাতি অৰ্জন কৰা।

এই কথা শুনি জিণ্টুৱে মিচিকিয়া হাঁহি এটা মাৰি মনোজদাক ক'লে যে, এই ক্ষেত্ৰত ৰাজুক উৎসাহ আৰু প্ৰেৰণা দিয়াত আছিল একমাত্ৰ ৰীমা। ই যে ৰীমাক মনে-প্ৰাণে ভাল পাইছিল এই কথা কলেজৰ সকলোৱেই জানিছিল। ৰীমা এজনী চহৰীয়া ছোৱালী। তাইৰ দেউতাক ডাঙৰ ইণ্ডাষ্ট্ৰি এটাৰ মালিক। তেওঁৰ অজস্ৰ ধন-সম্পত্তি আছিল যদিও তেওঁ বৰ নম্ৰ স্বভাৱৰ মানুহ আছিল। ৰাজু আৰু ৰীমাৰ ঘনিষ্ঠ সম্বন্ধৰ বিষয়ে তেওঁ ভালকৈয়ে জানিছিল। কিন্তু দুৰ্জনালি আৰু ইয়াৰ্কি কৰি ফুৰা ল'ৰাবোৰক সিহঁতৰ বন্ধুত্বৰ ওপৰত চকু লাগিল। "নিষাদৰ আগত জানো চৰাই বহি থাকিব পাৰে ?" ৰাজু এজন শ্ৰমিকৰ ল'ৰা হৈয়ো ৰীমাৰ দৰে এজনী ধুনীয়া ছোৱালীক ভালপোৱাটো সিহঁতৰ মতৰ



বিৰুদ্ধে। এদিনৰ কথা, আমি কলেজৰ সকলো ল'ৰা-ছোৱালীয়েই অহা মাহত বনভোজলৈ যাবৰ বাবে প্ৰেক্ষাগৃহত এখনি আলোচনা কৰি আছিলো। আলোচনা চলি থকা অৱস্থাতে সেই অভদ্ৰ ল'ৰাহঁকেজনে ৰাজুক উপেক্ষা কৰিবলৈ ধৰিলে। এটা দুখীয়া ঘৰৰ মজদুৰৰ ল'ৰা বুলি লাজ দিলে। তাক নীচ জাতৰ বুলি অপমান কৰিলে। এইবোৰ কথা কিন্তু ৰাজুৰ সহ্য নহ'ল আৰু সি তাৰ অপমানৰ প্ৰতুক্তি দিবলৈ উঠিছিল যদিও সেই আলোচনাত বিশৃংখলৰ সৃষ্টি নকৰি তাৰ পৰা গুচি গ'ল।

অলপ সময় মনোজদাই মনে মনে ৰৈ পুনৰ সুধিলে যে, তাৰ পিছত তুমি কি কৰিলা ? তাৰ উত্তৰত ৰাজুৱে ক'লে, বনভোজলৈ আৰু আমাৰ যোৱা নহ'ল। কিন্তু তাত উল্লেখ হোৱা কথাখিনি শুনি মোৰ অত্যন্ত দুখ লাগিল হ'লেও কি হ'ব ? কথাটো সঁচা। কাৰণ মই ৰীমাৰ সমপৰ্যায়ৰ নহয়। কিন্তু ভাগ্যক কোনেও সলনি কৰিব নোৱাৰে। তেতিয়াৰ পৰা মোৰ জীৱনত অশান্তিৰ সৃষ্টি হ'ল। মই নিজেই উপলব্ধি কৰিলো যে এনেকুৱা দুখ থকা জীৱনত ৰীমা দুখৰ ভাগি হোৱাটো উচিত নহ'ব। মই তাইৰ জীৱনৰ পৰা আঁতৰি যাবলৈ স্থিৰ কৰিলো আৰু নিজকে মই প্ৰবোধ দিলো যে ৰীমাক কেতিয়াও মোৰ জীৱনৰ নিকাৰৰ আভাষ হ'বলৈ নিদিও। মই ভাবিলো মা-দেউতাই কিমান যন্ত্ৰণাত ভূগি মোক পঢ়াইছে তাই জানো বুজি পাব ? কিন্তু মোৰ মনৰ এই দুখভৰা কথা ৰীমাক নক'বলৈ কোৱা সত্ত্বেও কেনটিনত জিণ্টুৱে সকলো কৈ দিলে। যেতিয়া এই কথা তাই গম পালে তেতিয়া মই ভাবিলো যে ৰীমা সঁচাকৈ মোৰ পৰা আঁতৰি যাব। পিছে সকলো বিপৰীত হ'ল। এই বিলাক কথা শুনিও ৰীমাৰ একো পৰিবৰ্তন নহ'ল। "সূৰ্যই জানো নিজ ৰশ্মিৰ পৰা দূৰ হৈ থাকিব পাৰিব ?" মোৰ দৰিদ্ৰতা আৰু অন্তৰত উঠা বেজাৰৰ ধ্বনি শুনি তাইৰ চকুপানী বৈ গ'ল আৰু কেনটিনৰ ভিতৰতেই তাই মোৰ জীৱনৰ সুখ-দুখৰ ভাগি হ'বলৈ ইচ্ছা প্ৰকাশ কৰিলে। তাইৰ এই মত শুনি মোৰ হৃদয়খন কাঁহ পৰি জীন গ'ল। কাৰণ মই এজন বাগানত কাম কৰা শ্ৰমিকৰ ল'ৰা আৰু তাই এজন পুঁজিপতি মানুহৰ ছোৱালী। তথাপিও তাইৰ এই সিদ্ধান্ত বুলি জানি মোৰ অশান্তি হৃদয় নিৰ্জু পৰিল।

তাৰ পিছত মনোজদাই ডাঙৰকৈ উশাহ এটা লৈ ধেমালিৰ সুৰেৰে ক'লে যে তহঁতৰ মধুৰ মিলনৰ বিষয়ে কি হ'ল ? তেতিয়া ৰাজুৱে ক'লে, কি হ'ব আৰু, ঘৰত দেউতাই গম পোৱাত মোক





ভাল ধৰণেই বুজালে যে,— "চোৱা ৰাজু তুমি হ'লা এজন শ্ৰমিকৰ ল'ৰা আৰু ৰীমা এজনী সুন্দৰ ধনী ঘৰৰ ছোৱালী। তাই অতি যত্ন আৰু মৰমৰ মাজেৰে ডাঙৰ-দীঘল হৈছে। তাই জানো আমাৰ ঘৰৰ দুখ-যাতনা সহ্য কৰি জীৱন কটাব পাৰিব ? তাইৰ দেউতাকে জানো এইটো স্বীকাৰ কৰিব ? যদি তাইৰ দেউতাক মান্তি হয় তেন্তে মোৰ কোনো আপত্তি নাই। তোমালোকৰ মিলনত কোনেও প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব নোৱাৰে।" মই বিয়াৰ কথা ভাবিছিলো যদিও নিজ জীৱনৰ নৈষ্কম্য হোৱা নাছিলো। শিক্ষকৰ চাকৰিৰ বাবে মই এখন দৰ্খাস্ত দিছিলো। কিন্তু সেই সময়লৈকে মোৰ পৰীক্ষাৰ ফলাফল ওলোৱা নাছিল।

তাৰ পিছত এদিনাখন আমি সকলো ল'ৰা-ছোৱালী মিলি কলেজখন পৰিষ্কাৰ কৰাত লাগিছিলো। কাৰণ তাৰ পিছৰ সপ্তাহত কলেজত নৱাগত আদৰণি সভা আছিল। কিন্তু তাৰ কেইদিন মানৰ আগতে আমাৰ ভাগ্য ফলিয়ালে, জিণ্টু সেনা-বাহিনীৰ চাকৰিত সোমালে আৰু ময়ো দৰ্খাস্ত কৰা শিক্ষকৰ চাকৰিটো মোৰ নিজৰ গাঁৱতে থকা প্ৰাথমিক বিদ্যালয়খনতে পালো। চাকৰিটো পালো যেতিয়া বৰ ভাল লাগিল। মা-দেউতায়ো অনুদিনে চাই থকা সপোন দিঠকত পৰিণত হ'ল আৰু তাৰ আনন্দত আমাৰ নিকেতনখন সুৱৰ্ণময় হৈ উঠিল। যেন অন্ধকাৰেৰে আবৃত্ত হৈ থকা এটা কোঠাৰ ভিতৰত স্নেহৰ শিখা এটা জ্বলি উঠিল। এই চাকৰিৰ পৰা মোৰ মা-দেউতাই গোটেই জীৱনটো বাগানীয়া নিৰ্যাতৰ পৰা নিশ্চিদ্ৰ পালে।

তাৰ পিছত জিণ্টুৱে ক'লে, নৱাগত সভাৰ দিনাখন সকলোৱেই উল্লাহেৰে নিজৰ নিজৰ কামত ব্যস্ত আছিল। আমি দুয়ো কেনটিনৰ পৰা ওলাই আহি মঞ্চ সজোৱাত লাগিলো। কিন্তু সেই সময়তে আমাক ওলোৱা দেখি সেই অশিষ্ট ল'ৰাকেইজন তাত সোমাল আৰু ৰীমাৰ লগত উদ্ভণ্ডালি কৰিবলৈ ধৰিলে। তাৰ পিছত তৰ্কৰ সৃষ্টি হ'ল। কিন্তু শেষত ল'ৰাকেইজনে তাইৰ শৰীৰত আঘাত দিবলৈ চেষ্টা কৰিলে। তেতিয়া ৰীমায়ে ত্ৰাসত চিঞৰিবলৈ ধৰিলে। "দুৰ্দিনত ৰক্ষা কৰোতাজনেই হ'ল একমাত্ৰ ভগৱান"।



সত্যৰ ক্ষেত্ৰত, সজ কৰ্মৰ প্ৰতি এখন দৰ্জা বন্ধ কৰিলে ভগৱানে দুখন দৰ্জা খুলি দিয়ে। আমাৰ ক্ষেত্ৰতো একেই হ'ল। তৎক্ষণাতে সভা চলি থকা অৱস্থাতে এৰি মই আৰু ৰাজু তাত উপস্থিত হ'লো। ৰীমা দৌৰ মাৰি ৰাজুৰ কাষ পালেগৈ। আমাৰ মাজত ভীষণ সংঘৰ্ষৰ সৃষ্টি হ'ল। অৱশেষত আমি ল'ৰাকেইজনক সিহঁতৰ মুৰ্খামিৰ প্ৰতিফল দি সভাৰ শেষত কলেজৰ প্ৰিন্সিপালৰ ওচৰলৈ লৈ গ'লো আৰু ৰীমাৰ আত্মসন্মানৰ ওপৰত চকু দিয়া সিহঁতৰ দুৰাচাৰৰ বিষয়ে সকলো কথা ছাৰক বিৱৰি জনালো। ছাৰে লগে লগেই সিহঁতৰ ভুল আৰু দোষৰ বাবে কলেজৰ পৰা চিৰদিনৰ কাৰণে বহিষ্কাৰ কৰি দিলে আৰু ছাৰে নিজেই অনুভৱ কৰি ক'লে যে "এনেকুৱা এটা বেমাৰী মাছ পুখুৰীত থাকিলে তাত থকা অন্য মাছকো বেমাৰী কৰিব পাৰে।"

নৱাগত সভাৰ কেইদিনমানৰ পিছতেই ৰাজু আৰু ৰীমাৰ ৰঙীণ সপোন বাস্তৱত পৰিণত হ'ল আৰু ময়ো চাকৰিলৈ গুচি গ'লো। তাৰ পাছত আমাৰ লগ হোৱা নাই। দুমাহৰ মূৰত পুনৰ আজি আহিছো আৰু এই ঘটনাটো ঘটিছে। পিছে ল'ৰাকেইজনে ৰাজুক জিঘাংসা লৈ অহাটো অনুচিত নহয় বুলি জিণ্টুৱে মনোজদাক ক'লে। কাৰণ এসময়ততো মই আৰু ৰাজু সিহঁতৰ দুষ্কৰ্ম আৰু কু-ব্যৱহাৰ সকলো কলেজত নিষ্ফল কৰি দিছিলো। সেইবাবেই তেতিয়াৰ পৰাই সিহঁতে বিক্ষোভৰ বৈশ্বানত জ্বলিছিল আৰু আজি প্ৰতিশোধ লবলৈ ইয়ালৈ আহিছিল। শেষত মনোজদাই ক'লে তহঁতৰ দৰে সাহসী আৰু বিজ্ঞ ল'ৰা এই গাঁৱত থাকিলে সমাজৰ বহুখিনি উন্নতি হ'ব। তহঁতৰ বন্ধুত্ব এই জনমে অটুট হৈ থাকক এইটোৱেই মোৰ কামনা। ইফালে সন্ধিয়া হোৱাত দুয়ো বন্ধু নিজৰ নিজৰ ঘৰলৈ গুচি গ'ল। ☆



# অকৃতজ্ঞ

✍ পুষ্পাঞ্জলি চেতিয়া
স্নাতক ১ম বৰ্ষ

ৰীমাই আশা কৰা মতে পুতেকৰ পৰা উত্তৰটো নেপালে, তাৰ পৰিবৰ্তে তাই পালে এটি অতি কৰুণ উত্তৰ যিটো উত্তৰ তাই সমূলি আশা কৰা নাছিল। সীমান্ত ৰীমাৰ একমাত্ৰ পুতেক। ৰীমা আৰু প্ৰভাতে সীমান্তক বৰ মৰমেৰে ডাঙৰ-দীঘল কৰিছে। সীমান্তয়ো কেতিয়াও কোনো এটা সমস্যাৰ সন্মুখীন হোৱা নাই যিহেতুকে সীমান্তৰ দেউতাক প্ৰভাতে এটা অফিচত চাকৰি কৰিছিল।

এদিন প্ৰভাতে চাকৰিৰ পৰা অৱসৰ পালে। চাকৰিৰ পৰা অৱসৰ পালেও প্ৰভাতৰ একমাত্ৰ পুতেক সীমান্তক তেওঁ এটা চাকৰি যোগাৰ কৰি দিব পাৰিছিল। তেওঁলোকৰ মনত এটা আশাৰ পদুম ফুলিল। সীমান্তই আৰম্ভ কৰিলে এটা চাকৰি জীৱন য'ত নিহিত হৈ থাকে জীৱনৰ বহুতো আশা-নিৰাশা।

সীমান্তৰ মাক ৰীমাও লাহে লাহে কাম কৰিব নোৱাৰা হৈ আহিল। সীমান্তয়ো সেই কথা অৱশ্যে অনুভৱ নকৰাকৈ থকা নাই কাৰণ সি কিছুমান কাম নিজে কৰিব লগা হৈছে। ৰীমা এগৰাকী সু-গৃহিনী। একো কামতে পিছপৰা বিধৰ অন্ততঃ ৰীমা নহয়। বয়সৰ চাপ পৰিলেও ৰীমাৰ মনত কোনো ধৰণৰ আঁচোৰ পৰা নাই। তথাপিতো নিজে কৰিব নোৱাৰে যেতিয়া কাৰোবাৰ সহায়ৰ প্ৰয়োজন হ'বই। কথাতো পিছে প্ৰভাতে ভাবিছে। কিন্তু ভাবিলে কি হ'ব ? ৰীমাই জানো কথাতো গুৰুত্ব সহকাৰে লব ? শেষত এদিন আগতীয়াকৈ ৰীমাই প্ৰভাতক ক'লে আমিনো এনেকৈ আৰু কিমান দিন থাকিম। এজনী বোৱাৰীৰ আমাৰ ঘৰখনত বৰ প্ৰয়োজন হৈছে। শেষত দুয়ো এটা সিদ্ধান্তত উপনীত হ'ল। তেওঁলোকে সীমান্তৰ বাবে বোৱাৰী চাবলৈ যাব।

সিদ্ধান্তটো লোৱাৰ লগে লগে সীমান্ত, ৰীমা আৰু প্ৰভাত ওচৰৰে মানুহ এজনৰ লগত তেওঁৰ সম্বন্ধীয় ছোৱালী এজনী চাবলৈ গ'ল। তেওঁলোকে যেনেকুৱা এজনী ছোৱালী সীমান্তৰ বাবে বিচাৰিছিল তেনে এজনীকে পালে। বোৱাৰীৰ সুকোমল হাতেৰে ৰান্ধি দিয়া আহাৰ খাবলৈ পাম বুলি ভাবি তেওঁলোকৰ মনত আনন্দৰ সীমা নাইকিয়া হ'ল। যথাসময়ত তেওঁলোকৰ বিয়া বৰ ধুমধামেৰে পাৰ হৈ গ'ল। ছোৱালীৰ লগত যৌতুকো যথেষ্ঠ দিলে। বিয়াৰ পিছত ৰীমাই বোৱাৰীয়েকৰ পৰা বৰ মৰম পালে। বোৱাৰীয়েকক লৈ ৰীমা আৰু প্ৰভাত বৰুৱা অত্যন্ত সুখী। কিন্তু বোৱাৰীয়েকৰ মৰম দুদিনীয়া। তেওঁলোকে বোৱাৰীয়েকৰ পৰা পোৱা মৰম স্থায়ী নহ'ল। তেওঁলোকে পোৱা মৰম-স্নেহ সকলো ভুৱা। বোৱাৰীয়েক আছিল বৰ অহংকাৰী তিৰোতা। বিয়াৰ পিছত বোৱাৰীয়েকৰ পৰা পোৱা মৰমত তাই পাহৰি গৈছিল তাইৰ কৰ্তব্যবোৰৰ কথা। ভাবিছিল ঘৰলৈ বোৱাৰী আহিল যেতিয়া মই কামবোৰৰ পৰা ৰেহাই পাম। কিন্তু ৰীমাই দেখোন ঘৰৰ প্ৰতিটো কামতে অংশগ্ৰহণ কৰিব লাগে। বোৱাৰীয়েকক ৰীমাইহে বিচনাৰ পৰা জগাই দিব লাগে। প্ৰভাতক পুৱাৰ চাহকাপ ৰীমাইহে দিব লাগে। ৰীমাই প্ৰায়েই বোৱাৰীয়েক পৰিস্মিতাক কয়— "সোনকালে বিচনাৰ পৰা উঠিবা। তুমিতো জানাই মই বেমাৰী মানুহ।" কিন্তু পৰিস্মিতাই কোনো কথাই কাণসাৰ নকৰে। বোৱাৰীয়েকৰ এনে ব্যৱহাৰত ৰীমা হতাশ হৈ পৰে।

বহুতো চেষ্টা কৰিও ৰীমাই বোৱাৰীয়েকক বুজাব নোৱাৰিলে। এদিন পুতেক সীমান্তক ৰীমাই ক'লে— "বোৱাৰীক অলপ বুজাবিচোন। তাই এইখন ঘৰৰ একমাত্ৰ বোৱাৰী। এইখন ঘৰৰ সকলোবোৰ বস্তু কেৱল তাইৰ।" সীমান্তই উত্তৰত মাককহে বুজাবলৈ ক'লে। কথাবোৰ ভাবি ভাবি ৰীমা আৰু প্ৰভাত অৱশ হৈ পৰে। ইফালে ৰীমাও দিনক দিনে উঠিব লৰিব নোৱাৰা হৈ আহিছে। এদিন প্ৰভাত আৰু ৰীমাই আলোচনা কৰি পুতেক সীমান্তক সুধিলে তোৰ কিবা বেলেগ মতলব আছে নেকি ? ৰীমাই প্ৰশ্নটো শেষ হ'বলৈ নৌপাওঁতেই সীমান্তই ঘপহকৰে উত্তৰ দিলে "মই সেই কথাটো বহুদিনৰে পৰা ভাবি আছিলো। পিছে তোমাক কথাটো ক'বলৈহে সাহস কৰা নাছিলো। চহৰত মাটি কিনিয়ে থৈছো। আজি মোক কথাটো সুধিলা যেতিয়া ভালেই হ'ল। ঘৰটো বনাবলৈ বনুৱাক আজিয়েই ক'ব লাগিব। পৰিস্মিতাই বহুদিনৰে পৰা কথাটো তোমালোকক ক'বলৈ কৈছিল।" সীমান্ত মাক-দেউতাকৰ প্ৰতি ইমানেই অকৃতজ্ঞ হৈ পৰিল যে সি মাক-দেউতাকক বেলেগ হৈ থকাৰ কথা ক'বলৈও কুণ্ঠাবোধ নকৰিলে। পুতেকৰ কথা শুনি ৰীমা শিল পৰা কপৌৰ দৰে থৰ হৈ ৰ'ল। ☆





# আত্মানুভৱ

✍ পিঞ্জুমণি গগৈ
স্নাতক ১ম বৰ্ষ

জীৱনত জীৱনৰ স'তে খেলা কৰি আমুৱালে। এতিয়া আৰু ৰামধেনুৰ সাতোৰঙক লৈ ৰঙীণ কল্পনা কৰাৰ মানসিকতা মোৰ নাই। আজি সাতাৱন্নটা বসন্তৰ দেওনা পাৰ হ'লো অথচ এতিয়াও ব্যৰ্থ মই, জীৱনৰ পোৱা-নোপোৱাৰ হিচাব খিনি দিবলৈ। জীৱনত যি পালো তাৰ তুলনাত নোপোৱাখিনিয়েই বেছি। বিচৰাখিনি দুহাতৰ কৰণিত নুফুলিল। তথাপি আজিও নিসংগ মুহূৰ্তখিনিত মন যায় জীৱনৰ আধৰুৱা দিনলিপিখন সম্পূৰ্ণ কৰিবলৈ। কিন্তু— জীৱনটো যেন এখন বোৱতী নৈ। মই বৈ যাওঁ খুজিলেও জীৱনটো, বোৱতী নৈখন অথবা সময় যে নৰয়।

সঁচাই জীৱন যে কি— ? য'ত কেৱল সংঘাত, বিষাদ, বিফলতা। কান্দি কান্দি চকু ফুটি গ'লেও যেন চকুলোৰ নদীখন নুশুকাই অথবা চকুপানীৰ যেন অন্ত নাই।

জীৱনৰ সেই প্ৰথম ৰ'দালিতে হেৰুৱালো বুকুৰ আপোনবোৰক। আঃ— ভাবিলে কলিজা কঁপি উঠে। জনা হোৱাৰে পৰা চিনাকি হৈছিলো পৃথিৱীখনৰ কৃত্ৰিমতাৰ স'তে।



মা আছিল, মোৰ আৰু দাদাৰ বাবে দুবেলা দুমুঠি অন্নৰ আশা কৰি দিন হাজিৰা কৰা এগৰাকী মাতৃ। 'দেউতা' আঃ বুকুখন জ্বলা-পোৰা কৰি উঠে এই কথা ভাবিলে। নাজানো কি পাপৰ ফলত দেউতাৰ মৰমৰ পৰা বঞ্চিত হৈছিলো মই। মাৰ গৰ্ভত থাকোঁতেই হেনো মোৰ দেউতা ঢুকাইছিল। মাৰ চকুতে জিলিকি উঠা দেখিছিলো কেতিয়াবা দেউতাৰ অ-কপট মুখখন। গভীৰ মৰমেৰে এখন বিশাল হৃদয়ৰ অধিকাৰী হৈ এখন প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল মোৰ দেউতাই। কিন্তু সময়ৰ কুচক্ৰত দেউতাৰ এক

অচিন ৰোগত পৰি মৃত্যু ঘটিছিল।

নাজানো প্ৰকৃততে ভগৱান আছে নে নাই। জনা হোৱাৰে পৰা খুব লক্ষ্য কৰিছিলো মাৰ কপালখন। কি হতভাগিনী এই নাৰী। জীৱনত কি পালে তেওঁ— ? জীয়াই থকাৰ বিপৰীতে, অথচ, মাৰ গহীন মুখখনত এদিনো বিষাদৰ ছাঁ দেখা নাছিলো। মাৰ মমতাৰ আচলৰ আঁৰত এই দুখবোৰ সদায় লুকাই আছিল। তথাপি যেন নাৰীৰ অন্তৰৰ কবিতা পঢ়িবলৈ বৰ সহজ। নিঃসংগ মুহূৰ্তবোৰত মাক ছটফটাই উঠা দেখিছিলো। হয়তো মাৰ বুকুত প্ৰতিশোধৰ ক্ষোভ জাগৃত হয় মাজে সময়ে সেইবোৰৰ ওপৰত ; যিবোৰে মোৰ জন্মত মাক কলুষিত বুলি ঠেলি দিছিল অন্ধকাৰলৈ।

আঃ ! আজিও জ্বলি আছে সেই স্মৃতিৰ শলিতা গছি মোৰ বুকুৰ সোঁ মাজত। হয়তো মৃত্যুৰ আগমুহূৰ্তলৈকে জ্বলি থাকিব মোৰ হৃদয়ত।

মায়ে দিন হাজিৰা কৰি কৰিয়ে দাদাক পঢ়ুৱাইছিল। অৱশ্যে দাদাইও কেৱল মাক আশা কৰি চলা নাছিল। সি ঘৰতে কিছুমান ল'ৰা-ছোৱালীক টিউচন কৰিছিল। মায়ে আশা কৰিছিল দাদায়ে নিজৰ যোগ্যতাৰেই সৎ পথত চলি কিবা এটা সংস্থাপন লওঁক। কিন্তু সময়বোৰ নিষ্ঠুৰতালৈ পৰিবৰ্তন ঘটিছিল। অৱশেষত মাৰ সকলো দামী কাপোৰ, গহনা-পাতি বিক্ৰী কৰি দাদাই চাকৰি জইন কৰিছিল এখন হায়াৰ ছেকেণ্ডাৰীত। মই মেট্ৰিক দিছিলো সেই বছৰ। সেইদিনা ৰিজাল্ট দিছিল মোৰ, যিদিনা দাদাৰ চাকৰি হৈছিল। মাৰ উৎসাহ আৰু দাদাৰ প্ৰেৰণাত মই প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিলো। দাদা আৰু মই সিদিনা ফুৰ্তিত ক'ব নোৱাৰা হৈ মাক সাৱটি ধৰিছিলো। প্ৰথমবাৰৰ বাবে সেইদিনা মাৰ চকুত পানী দেখিছিলো। মায়ে চকুদুটা মুদি দাদাৰ কোলাত ঢলি পৰিছিল। মই ভবাই নাছিলো, মাৰ সেইদিনাৰ চকুপানীখিনিয়েই শেষ চকুপানী হ'ব বুলি। মা চিৰদিনৰ বাবে আঁতৰি গৈছিল দাদা আৰু মোৰ পৰা। দাদা আৰু মই সম্পূৰ্ণ নিথৰুৱা হৈ পৰিছিলো।

মোৰ আৰু পঢ়াৰ ইচ্ছা নাছিল। কিন্তু— দাদাৰ অভিভাৱকসুলভ তাগিদাত দাদাই পঢ়োৱা হায়াৰ ছেকেণ্ডাৰীখনতে বিজ্ঞান শাখাত নামভৰ্তি কৰিছিলো। এনেকৈয়ে অতিবাহিত হৈছিল দিনবোৰ দুখৰ নদীখনৰ সোঁতে সোঁতে। আৰু এদিন দাদাৰ ইচ্ছাৰ বাবে ডাক্তৰী পঢ়িবলৈ শিলচৰলৈ ঢাপলি মেলিছিলো। দাদাৰ মৰম আৰু শাসনৰ কবলত সফল হৈ ওলাই আহিছিলো এদিন তাৰ পৰা।

তাৰ পিছত এদিন দাদাৰ ইচ্ছাতে মই বিয়াত বহিছিলো। খুব কান্দিছিলো সেইদিনা, হয়তো মাৰ মৃত্যুতো মই এনেকৈ কন্দা নাছিলো। এক অজান শোকত দগ্ধ হৈছিল মোৰ বুকুখন। কাৰণ মাৰ মৃত্যুত দাদা আছিল মোৰ বাবে আৰু দাদাৰ বাবে মই আছিলো। কিন্তু সেইদিনা ভাৱ হৈছিল যে মই গুচি গ'লে দাদা সম্পূৰ্ণ নিঃসংগ হৈ পৰিব।

নতুন এখন ঘৰত ভৰি থৈ অৱশ্যে দাদাৰ কথা চিন্তা কৰিবলৈ আহৰি নাছিল। অনবৰতে ব্যস্ত আছিলো, নোপোৱা সকলোখিনি পাইছিলো সেইখন ঘৰত। মা, দেউতা, ভণ্টি, ভাইটি সকলো। সীমাহীন আনন্দত সদায়েই মতলীয়া হৈ আছিল মনটো। কিন্তু— মানুহৰ সুখ যে ক্ষণস্থায়ী, ইয়াক গোটেই জীৱন ধৰি ৰাখিব নোৱাৰি। মাত্ৰ তিনিমাহ অনুভৱ কৰিবলৈ পাইছিলো সুখৰ অনুভূতিবোৰ। তিনিমাহৰ পিছতে খহি পৰিছিল মোৰ কপালৰ কৃষ্ণচুড়াৰ পৰাগবোৰ। প্ৰচণ্ড দুৰ্ঘটনাই নিঃশেষ কৰি পেলাইছিল মোৰ বুকুৰ আপোন শেষ সম্বলজনক। উঃ আজিও মনত আছে মোৰ সেই দিনটো যেন এটা বিষাক্ত কীটে আহি দংশন কৰিছিলহি মোক।

জীৱনত পাই হেৰুৱা বেদনাবোৰ যে ইমান ভয়ংকৰ। আজি মোৰ সকলো আছে— টকা-পইচা, বিলাসী গাড়ী সকলো। অথচ যি থাকিব লাগিছিল সেইয়াই নাই। সকলো থাকিও যেন মই চিৰশূন্য। নিঃসংগ মুহূৰ্তবোৰত বুকুৰ জীয়া বেদনাখিনিৰ কি অনন্ত হাহাকাৰ। হৃদয় যেন অশ্ৰুৰহে বন্যা।

এনেকৈয়ে অতিবাহিত হৈছে মোৰ বেহিচাবী জীৱন। আঃ ! কি যন্ত্ৰণা। শৃংখলৰ জৰী চিঙি যেন বিশৃংখলতাৰ মেৰপাকত এতিয়া মই।

☆







# বনভোজ

ৰচনা ঃ- ৰীতা দত্ত
(প্ৰবক্তা, অসমীয়া বিভাগ)

(১)

(ছাত্ৰী নিবাসৰ এটি কোঠা। দুখন বিচনা, দুখন টেবুল, টেবুলত কিতাপ)

লিজা ঃ (পঢ়ি থকাৰ পৰাই আনজনীলৈ উভতি চাই কয়)— ঐ মনিট্ৰেচ, এইবাৰ দেখোন পিক্নিকৰ কোনো উমঘামেই নাই— ডিচেম্বৰো শেষ হওঁ হওঁ, কেনিও নেযাৱ নেকি ?

মিকি ঃ যাবতো লাগে। পিছে কোন ঠাইলৈ যাবি ? ২০০০ চনত দিল্লীঘাট, ২০০১ চনত নিমাতীঘাট, ২০০২ চনত গুটিঘাট, ২০০৩ চনত দিখৌমুখ, ২০০৪ চনত ..... এঠাইলৈ যাব পাৰি পিছে (চেলাউৰি থূপাই) ডিব্ৰুগড়, ডিব্ৰুগড়ৰ অ'কলেণ্ড পাৰ্ক— অঁ তালৈকে যাব পৰা যায়, বাইদেউক সুধিম নেকি ?

লিজা ঃ সুধিম মানে ? আজিয়েই সোধ। জানুৱাৰীত যাবলৈ নিদিয়ে, খাটাং। ক'ব কি— (বাইদেৱে কোৱাৰ দৰে ভংগীমাত থিয় হৈ ক'ব) আজি ১ জানুৱাৰী বহুত পাৰ্টী হ'ব, হুলস্থুল হ'ব পাৰে যাব নোৱাৰা। য'তে-ত'তে বম দিছে। নোৱাৰা যাব..... ইত্যাদি ইত্যাদি (বহে)।

মিকি ঃ গতিকে ডিচেম্বৰতে ধৰো, নে-কি ? ৰ, ৰ, ছোৱালীবোৰক সুধি চাওঁ। ব'ল।

লিজা ঃ ব'ল ব'ল। (তেনেতে মনীষা, সান্তনা, জুৰীহঁত সোমাই আহি কয়)

একেলগে ঃ কি ব'ল ব'ল কৰিছহঁক ? ক'লৈ যাৱ ? (বিচনাত লেপেৰে ভৰিকেইটা ঢাকি লৈ বহে)

মিকি + লিজা ঃ পিক্নিক্ নেখাৱ ?

একেলগে ঃ আই ঐ, কিয় নেখাম ? ব'ল বাইদেউক সোধোগৈ (যাব খোজে) (এটা ভৰি নমায়েই ৰৈ যায়, তেনেতে দুৱাৰত তিনিবাৰ শব্দ হয়। বাইদেউ সোমাই আহে। পিন্ধনত মেখেলা চাদৰ, চকুত চচ্মা)

বাইদেউ ঃ পঢ়াৰ সময়ত তোমালোকে লগলাগি কথাপাতি আছা কিয় ? কি হৈছে তোমালোকৰ ? (অলপ ৰৈ) আজি কিছুদিনৰ পৰা হোষ্টেলত পঢ়াৰ পৰিবেশ নাইকীয়া হৈ গৈছে। কিয় এনে হ'বলৈ পাইছে ? (মনিট্ৰেচলৈ আঙুলিয়াই কয়) মই তোমাক সুধিছো, কিয় তুমি এই পৰিবেশ অ-নিয়ন্ত্ৰিত বুলি মোক জনোৱাগৈ নাই ? কাৰণ, তুমিও ইয়াত জড়িত ?

মিকি ঃ (ভয় ভয় কৈ) মানে .... মানে বাইদেউ, আমি লগ হৈছিলো আপোনাৰ ওচৰলৈ যাবলৈহে।

বাইদেউ ঃ কিয় ?

মিকি ঃ বাইদেউ, প্ৰতি বছৰৰ দৰে এইবাৰো আমি .... (কথাষাৰ থাপ মাৰি কয়)

বাইদেউ ঃ পিক্নিক্ খাবলৈ যোৱা ?

মিকি ঃ হয় বাইদেউ।

বাইদেউ ঃ কালিৰ বাতৰিত নেদেখিলা ? ডিব্ৰুগড়ত কি ঘটিছে ? (ইজনীয়ে সিজনীলৈ চাই কি হৈছে চকুৰ ঠাৰেৰে সোধে) এতিয়া পঢ়াৰ সময়ত এইবিলাক বাদ দিয়া। যোৱা, নিজৰ কোঠালৈ যোৱাহঁক। (বিচনাৰ কাষত খুলি থোৱা চেণ্ডেলযোৰলৈ চাই যাবলৈ লৈ তেওঁ পুনৰ ঘূৰি আহি এযোৰ চেণ্ডেল বেছি দেখি কয়)— তোমালোকৰ আৰু এগৰাকী ক'ত লুকাই আছে ? (কোঠাটো ভালকৈ চাই বিচনাৰ তললৈ আঙুলিয়াই কয়) সেই বিচনা চাদৰখন ডাঙাচোন। (মিকিয়ে ডাঙে) টেবুলৰ তলৰ পৰা চাহনী ওলাই আহে। (বোৱা মেখেলা-চাদৰ, নিমিলা ৰঙৰ এটা ব্লাউজ পিন্ধিব) তুমি, তুমি ইয়াত কিয় লুকাই আছা ? কিয় ?? (মাত ডাঙৰ কৰি চিঞৰি সোধে)

চাহনী ঃ (নাকেৰে উচ্ছাৰণ কৰি) মা-নে, মা-নে বাইদেউ, ইহঁতে মোক বাহিৰত দেখুৱাই বাইদেউ বুলি মাতে আৰু ৰুমলৈ আহিলে মোক চাহনী বুলি কয়। মোক কিয় 'চাহনী' নাম দিলে তাকে জানিবলৈ কাহিলীপুৱাতে আহি মই বিচনাৰ তলত লুকাই আছিলো। কিন্তু কি হ'ব বাইদেউ, চেণ্ডেলযোৰ বাহিৰতে থাকিল। (মূৰ খজুৱাই, খজুৱাই) ইবাৰ ওলাবলৈ লওঁ এজনী সোমাইহি, সিবাৰ ওলাবলৈ লওঁ আন এজনী সোমাইহি, মুঠতে এতিয়ালৈকে মোৰ চকুলৈ খৰি এডালো নিয়া হোৱা নাই— মোক মাফ কৰিব বাইদেউ (ভৰিত ধৰিব খোজে)

বাইদেউ ঃ তহঁতৰ পৰা আৰু উপায় নাই। ষ্টাডি আৱাৰ্চত টেবুলত ছোৱালী নাই, পাকঘৰত ভাত ৰান্ধিবৰ পৰত ৰান্ধনী নাই আৰু এই বাকীবোৰে বা ক'ত কি কৰি আছে ঠিক নাই— (ডাঙৰকৈ কয়) তোমালোক নোযোৱা কিয় ? (গিৰিপ্ গিৰিপ্ কৈ ওলাই যায়। পিছে পিছে ছোৱালীবোৰো আগবাঢ়ে)

(২)

লিজা ঃ যা বাপ্পেকে পিক্‌নিক্‌লৈ (মূৰত চপৰিয়াই টেবুলত বহি লৈ কয়) এই চাহনীজনীয়েই কাল।

মিকি ঃ অঁ, তাই যেনিবা নেজানেহে। হোষ্টেলৰ পৰা কলেজলৈ যাওঁতে তাইৰ যিহে ষ্টাইল। যেই কমনৰুমত চাহ দিবলৈ সোমাল— ডিঙিটো লাহেকৈ বেঁকা হৈ পৰে (কৰি দেখুৱাই) যেন এসাগৰ দুখে তাইৰ কল্পনাৰ কাৰেঙটি উটুৱাইহে লৈ গ'ল ....। চাহ অনানিয়া কৰে, গতিকে চাহনী। বচ্। ইচ— সেইটো জানিবলৈহে যেন মুখ মেলি আছিলহি। (আঁ— মুখ মেলে)

লিজা ঃ যেন বেং দেখা সাপটোহে। (দুয়োজনীয়ে হাঁহে) বাৰু, সেইবোৰ থ'। চাওঁ, কালিৰ পেপাৰখন— কি লিখিছেনো (ওলোটাই টানি আনি পঢ়িবলৈ লয় আৰু শেষৰ পৃষ্ঠাত থকা বিজ্ঞাপনৰ মটৰচাইকেলখন ওলোটাকৈ দেখি মিকিয়ে চিঞৰি উঠে)

মিকি ঃ সৌটো— সৌটো চাচোন, কিমান ডাঙৰ এক্সিডেণ্ট (আঙুলিয়াই চাপৰি চাপৰি গৈ থাকে ওচৰলৈ) মানুহৰ ওপৰত মটৰ চাইকেল (লিজাই চাবলৈ লৈ দেখে যে পেপাৰখন ওলোটা। দুয়োজনীয়ে ফাক্ ফাক্‌কৈ হাঁহে আৰু হাঁহি হাঁহি চকুপানী মচে)

লিজা ঃ নহ'ব বুজিছ ? নহ'ব। আমাৰ চকু-কাণ-মূৰ সৱ গ'ল (পুনৰ হাঁহে)

মিকি ঃ (অলপ ৰৈ) উহ্ মূৰটো সঁচাকৈ বিষাইছে জান' ? কালিৰ ঘটনাটোৰ পৰা আচলতে মোৰ মূৰটো অলপ অলপ বিষায়েই আছিল। আজি বুঢ়ীজনীয়ে আকৌ মূৰটো গৰম কৰি দিলেহি নহয়।

লিজা ঃ কালিৰ ঘটনা মানে ? (একেখন বিচনাতে বহি লয়হি)

মিকি ঃ মই আচলতে কাকো কোৱাই নাই, তয়ো নক'বি। ছোৱালীৰ কথাটো। এ— ৰঞ্জিতা যে— হায়াৰ ছেকেণ্ডাৰী ফাৰ্ষ্ট ইয়েৰৰ ৰঞ্জিতা— সেই যে তলৰ ৰুমটোত থাকে— ধুনীয়াকৈ ছোৱালীজনী....

লিজা ঃ এ— বুজিছো, কি হ'ল তাইৰ ?

মিকি ঃ গধূলিলৈকে নহা দেখি আমাৰ কলেজলৈ যোৱা ভিতৰৰ গেটখনেদি মই মনে মনে বয়্জ হোষ্টেল পালোগৈ।

লিজা ঃ অঁ, তাৰপিছত ?

মিকি ঃ তাৰপিছত— ল'ৰাবোৰেহে ক'লে— সেইফালে যে লাইন ঘৰকেইটামান আছে তাৰে এটাত তাই বোলে ল'ৰা এটাৰ লগত বহি ড্ৰিংক্স কৰি ৰেহুচ।

লিজা ঃ পিছে, তই লৈ আনিলিগৈ ?

মিকি ঃ নানি কি ? বাইদেৱে এতিয়াও নেজানে। জানিলে মোৰ চুলি নেফ্‌নেফ্ কৰিব। তাইক মাতি আনি এনে এটা ভাল লেচন দিম— যাতে তাই জীৱনলৈ এটা ভাল শিক্ষা পায়।

লিজা ঃ সিহঁতৰ ৰুমমেটে জানে নে নেজানে ?

মিকি ঃ নেজানিবনে ? পাৰোতে জানো ফুচ্‌ফুচনি, গুণগুণনি ? পঢ়াৰ পৰিবেশ থাকে ক'ত ?

লিজা ঃ তেনে এইবোৰক লৈ পিক্‌নিক্‌লৈ যাব নোৱাৰি। গ'লে— পঠিয়াইহে দিব লাগে ঘৰলৈ। এইবোৰ গম পালে আমাৰো এই গড়াঁলটোৰ পৰা ওলোৱা বন্ধ কৰিব বাইদেৱে।

মিকি ঃ পাৰোতেনো মনে মনে আছোনে ? (অকণমান সময় মনে মনে থাকি ঘড়ীটোলৈ চাই কয়) খুৱাব আজি ভাত চাহনীয়ে। খাবি। মই শুম এতিয়া (হামি মাৰে) ক্লাচ এটা বজাতহে আছে। (লেপখন টানিলৈ শুবলৈ লওঁতেই আকৌ মণীষাহঁত সোমাই আহে)

লিজা ঃ (বাহিবলৈ চাই) আহ্ আহ্ বহ।

একেলগে ঃ তেতিয়াহ'লে বনভোজ নহ'বগৈ ? (বহে)

মিকি ঃ হ'ব। বাইদেৱে পাৰ্মিশ্যনো দিব। কিন্তু নিজৰেইচোন ভাল লগা নাই অ'। যোৱা সপ্তাহত সৌ বৰাহী তিনিআলিৰ ওচৰত সেইটো কম দুৰ্ঘটনা নে ? আমাৰ লগৰ মুকুল, বিজয়, অনিমা, ৰেজিয়াহঁতে কম দুখ পালেনে ?

মণীষা ঃ অঁ। বিজয়ৰতো ভৰি দুটাই ভাগি থাকিল। ড্ৰাইভাৰৰ যিহে অতপালি, মদ এসোপা খাই দুই হাত এৰি গাড়ী চলোৱাৰ কি আজৱ কায়দা (গাড়ী চলাই দেখুৱাই)।

লিজা ঃ সেইবোৰকে ভাবি আছো জানিছ ? মানুহক বিশ্বাস কৰিবি নে সেই বোমা-বাৰুদ সোপাকে সাৱটি থকা ককাইদেউহঁতকে বিশ্বাস কৰিবি।

জুৰি ঃ তথাপিও নোযোৱাকৈনো থাকো কেনেকৈ ? কলেজৰ বহুকেইটা গ্ৰুপ দাৰ্জিলিং, শ্বিলং আদিলৈ ওলালেই। আমিনো আৰু এই ওচৰতে যাব নোৱাৰিমনে ?

সান্তনা ঃ (ঘড়ীটো চাই আৰু কয়) ঐ গা-পা ধোৱা হ'লনে নাই পিছে ? পুৱা ১০ বাজিলেই। সেইগৰাকীয়ে বা ভাত ৰান্ধিছেনে নাই ? (কৈ কৈ ওলাই যায়)

মণীষা ঃ এৰা, এই ব্ৰহ্মপুৱাতে বাইদেউনো আজি কি চাবলৈ আহিল ঐ ক'ব নোৱাৰো হ'লে দেই আৰু চাহনীও যে কেতিয়া আহি বিচনাৰ তলত সোমালহি ? তহঁতে যি কৰ কৰ্। মোৰ হ'লে পেটে কৰ্‌কৰাইছে। (পেটটো হেঁচি অলপ হেলনীয়াকৈ ওলাই যায়)

জুৰি ঃ (লাহেকৈ বহাৰ পৰা উঠি) ময়ো ৰুমলৈকে যাওঁগৈ। তহঁতে কিবা এটা চিন্তা কৰ। (যাবলৈ লওঁতেই চাহনীয়ে ট্ৰে এখনত চাহ দুকাপমান লৈ সোমাই আহে আৰু কয়)

চাহনীঃ (নাকেৰে উচ্চাৰণ কৰি) বাইদেউসকল, চাহ খাৱনেকি ?

(তিনিও জনীয়ে ওলটি চাই কয়— 'দিয়া')

মানে ভাত হৈছেই আৰু, ভাবিলো চাহ একাপ পালে আপোনালোকেও ভাল পাব। (প্ৰত্যেককে দিয়ে আৰু মজিয়াতে বহি লৈ নিজেও একাপ লয়)

লিজাঃ বাৰু বাইদেউ, তোমাৰ ঘৰত কোন কোন আছে ?

চাহনী ঃ কোন থাকিব ? মানুহজন হেৰাল। ল'ৰাটোও মস্ত এডাল। সৰুটোও পেটাল। ছোৱালীজনীও বিয়া দিলো। তাইৰো ল'ৰা-ছোৱালী এগড়াল। এতিয়া মোৰেই আগুৱাত ঘৰখন চলি আছে আৰু। আমাৰ প্ৰিন্সিপাল বাইদেউৰ দৰে ময়ো কলেজখন— অ' মোৰ ঘৰখন চলাই আছো আৰু .... (ইজনীয়ে সিজনীলৈ চাই হাঁহে)

মিকি ঃ বাৰু, এই কাপকেইটা এতিয়া লৈ যোৱা। (চাহনী আৰু জুৰী ওলাই যায়) লিজা, ব'ল— আকৌ এবাৰ বাইদেউক সোধোগৈ। যিহে বন্ধবোৰ ওলাইছে— আজি চকাবন্ধ, কালিলৈ অসম বন্ধ, পৰহিলৈ আলফাৰ প্ৰতিষ্ঠা দিৱস— (থাপ্ মাৰি লিজাই কয়)

লিজাঃ কাৰেক্ট, প্ৰতিষ্ঠা নহয়, সঁচাকৈয়ে পৰহিলৈ আলফাৰ প্ৰতিবাদ দিৱস। এৰা, গ'লে কালিলৈকে পিক্‌নিক্‌লৈ যাব লাগিব। ব'ল— বাইদেউক সোধোগৈ ? ব'ৰ' দৰ্খাস্তখনো লৈ যাওঁ, চহী কৰি দিলে আজিয়েই প্ৰিন্সিপাল বাইদেউকো দিম আৰু মহনছাৰ, ৰাণী বাইদেউকো লগ ধৰিমগৈ। ব'ল—

মিকি ঃ পিছে, বাচ-তাচ্, টকা-পইচা বজাৰ-সমাৰ এইবোৰ ?

লিজা ঃ হৈ যাব। দৰকাৰ হ'লে বয়্জ হোষ্টেলৰ ল'ৰাবোৰে চব কৰি দিব। ব'ল। (দুয়োগৰাকী ওলাই যায় আৰু মণীষা-জুৰিহঁত সোমাই আহে)

মণীষা ঃ (লিজাৰ ৰাকমেনটো লগাই অলপ সময় শুনে আৰু জুৰীয়েও আইনা চাই চুলি-তুলি ফণিয়াই থাকে) এই কেছেটটো ভাল হৈছে দেই।

জুৰী ঃ কোনটো কেছেট ?

মণীষা ঃ (ছাৰহঁতৰ ফালে মঞ্চলৈ দেখুৱাই) এ— আমাৰ দিব্যছাৰহঁতে ওলিয়াইছে যে— আইমণি-২০০৫, বিহু কেছেটটো।

জুৰী ঃ নাচিব পৰা কেছেট নে ?

মণীষা ঃ পাৰিবি, জমিবি। পিক্‌নিক্‌ত চাবিচোন এইবাৰ ভালকৈ নাচিম। অহাবছৰত কলেজৰ পৰা বিদায়েই ল'ম— ক'ত আৰু নাচিবলৈ পাবি....

জুৰি ঃ ক'ত পাবি ? হেৰিয়ে তোক শিৰত সেন্দুৰ দি লৈ যাব। তাৰ পিছত (গাৰুটোক লৈ কেঁচুৱা শুৱাই শুৱাই কয়) ঠেন্ ঠেন্ মেন্ মেন্....

মণীষা ঃ ঠেং (লাজ কৰে) সি মোক নিনিয়ে বুজিছ ? আৰু ময়ো নেযাওঁ। কেৱল ল'ৰাটো চালেই নহ'ব নহয়, এখন সংস্কৃতিবান ঘৰো লাগিব।

জুৰি ঃ তেন্তে এইবিলাক ?

মণীষা ঃ এন্‌জয় ....। ঐ এটা কথা নহয়— আমিচোন অক'লেণ্ড পাৰ্ক বা দিচাংমুখলৈ নগৈ চৰাইদেউলৈকে এবাৰ যাব পাৰিলোহেঁতেন ?

জুৰি ঃ হেই, ইমান ওচৰলৈ কোন যায় ? স্কুল অলপ আছে, মৈদাম দুটামান আছে, সিমানেই। কাৰ মৈদাম কোনটো ক'তো তাৰ উল্লেখো নাই। কিডাল চাবিগৈ তাত ? পিক্‌নিক্ বুলিলে নৈ লাগে বুজিছ ? বালি লাগে, কঁহুৱা বন লাগে, এছাটি বতাহ লাগে আৰু লাগে আৰু লাগে ....

মণীষা ঃ হৈছে হৈছে থ'। ক'চোন মৈদামৰ ভিতৰত কি কি আছে ?

জুৰি ঃ No নোৱাৰো ক'ব। তই সোমাই পাইছ ?

মণীষা ঃ ধেৎ, সোমাবি কেনেকৈ ? কিতাপত পঢ়া নাই ? যদি পঢ়া নাই, ২০০৪ চনৰ ৫ ডিচেম্বৰৰ 'সন্তাৰ' আলোচনীখন চাবি। তাত কি লিখিছে জান ? "চন্দ্ৰাতপ, ৰূপৰ পাটী, সোণ-ৰূপৰ অলংকাৰ, সোণ আৰু বাখৰৰ বনকৰা গাৰু, ৰূপৰ শৰাই, সোণৰ বঁটা, সোণৰ চূণৰ টেমি, ধঁপাত খোৱা টেমি, সোণ-ৰূপ খটোৱা পীৰা, হেংদাং, সোণৰ মুকুট ইত্যাদি। (আলোচনীখন চাই চাই পঢ়ি দিলেও হ'ব)

জুৰি ঃ তই বুৰঞ্জীত পঢ়িছ। মই জনামতে, লগুৱা-লিক্‌চৌ, ৰান্ধনী-মালী আদিকো বোলে জীৱন্তে সমাধিস্থ কৰিছিল। এতিয়া তয়েই ক'চোন। যাবি তালৈ ? হাঁ ? ভূতে পাব জানিছ ? ভূতে ধৰিবহি, জানিবি বাপ্পেকে। (কৰি দেখুৱাব)

মণীষা ঃ অমুকিয়ে পিছে (নিজলৈ দেখুৱাই কয়) ইমান সহজে ভয় নকৰে দেই। কিয়— বুদ্ধ পূৰ্ণিমাৰ নিশা ৰুমতযে মই 'স্পিৰিট কল' কৰিছিলো— পাহৰিলি নেকি ?

জুৰি ঃ নাই পাহৰা দে। কোনো যে নাহিল ? টোপনি খতি হোৱা বুলি যে পিছদিনা ক্লাচলৈ নগ'লি, মই পাহৰিমনে ? তোৰ ভাতকাঁহী যে পাক্‌ঘৰৰ দুৱাৰ ঠেলি গৰুৱে খাই পেলালে, তই যে কান্দি আছিলি— (তেনেতে লিজা আৰু মিকিয়ে চিঞৰি চিঞৰি সোমাই আহি কয়)

একেলগে ঃ (নাচি নাচি জঁপিয়াই আহে) কন্দা-চন্দাৰ কথা বাদ দে। হৈ গ'ল, হৈ গ'ল ....

জুৰী + মণীষা ঃ কি হৈ গ'ল ? (সান্তনাহঁতো সোমাই আহে) কি হৈ গ'ল ঐ কি হৈ গ'ল ?

মিকি ঃ বনভোজ। কালিলৈ। (ফোঁপাই ফোঁপাই কয়) দিচাংমুখ। এয়া বাইদেউৰ চহী চা। (দৰ্খাস্তখন দেখুৱাই কয়, সিহঁতে থপিয়াথপি কৰি চায়)

মিকি ঃ সকলো ছোৱালী যাবনে ?

লিজা ঃ আৰে ? আজিৰাতিটোহে, নগৈ কি কৰিব তাহাঁতি ? আৰু ক'লৈ যাব ? বাইদেউৰ নিৰ্দেশ— গ'লে সকলো যাব লাগিব। কাৰণ— হোষ্টেলত কোনো নাথাকে। বাৰু শুন, (মণীষালৈ চাই) তোৰ ম'বাইলটো উলিয়াচোন। মাছ-মাংসৰ কথাটোৰ কাৰণে আমাৰ চিনাকি মাংস বেপাৰীটোলৈ ফোন এটা কৰি দিম আৰু পুৱা ৬ বজাত সি আমাক মাংসখিনি দি যাবহি (মণীষাই আনে)

মণীষা ঃ নম্বৰটো ক' ?

লিজা ঃ ৫৮২৭০। ক'বি— পুৱা ৬ বজাত ব্ৰইলাৰ মাংস পাঁচ কেজি দিবহি লাগিব, আমি পিক্‌নিক্‌লৈ যাম। দা, কটাৰি, গাম্‌লা, চৰু, কেৰাহী, খৰি, পানী, জুইশলা আৰু মমো লব

লাগিব। এই দায়িত্ব তহঁতৰ। (জুৰী আৰু সান্ত্বনাক কয়)

সান্ত্বনা ঃ ব্ৰেকফাষ্ট কি হ'ব ?

মিকি ঃ এতিয়া দিনৰ ১২ বাজিছেহে। তহঁত দুজনীমানে গৈ হাজী ষ্টৰৰ পৰা ব্ৰেড-বাটাৰ আনিবি আৰু লগে লগে বাচখনো ঠিক কৰিবি।

মণীষা ঃ অ' মোৰ ওচৰত 'চুকাফা' নামৰ বাচখনৰ ফোন নাম্বাৰটো আছেই। সুধি চাওঁ ৰ। (ফোনত কথা পাতে। অলপ আঁতৰলৈ গৈ লয়, কথাবোৰ শুনা নাযায়) যাব, বাচখন যাব। আজি এতিয়াই মাত্ৰ এডভান্স দিব লাগিব।

লিজা ঃ হে যাব এতিয়া ভাগে ভাগে যাইঁক।

(৩)

(সকলো ওলাই যায় আৰু খোলা দুৱাৰেদি মনে মনে দুৱাৰৰ আঁৰ লৈ লৈ চাহনী সোমাইহি)

চাহনী ঃ (ইফালে সিফালে চাই কয়) পিক্‌নিক্‌লৈ যোৱাটো খাটাং যেতিয়া অলপ পিছতে পইচা উঠাব। পইচাবোৰ হয় (লিজাৰ টেবুললৈ দেখুৱাই) তাত থব, নতুবা (তুলিখন ডাঙি) এইখিনিতে লুকুৱাই থব। এতিয়া সময় (ঘড়ী বিচাৰে, ঘড়ী নেপাই আকাশলৈ চাই কয়) নিশ্চয় দিনৰ ১ বাজিছে। ৰন্ধা-বঢ়া-খোৱা-বোৱাবোৰ শেষ যেতিয়া মই ঠিক এইখিনিতে (মিকিৰ টেবুলৰ তলত) লুকাই থকা উচিত হ'ব। (এইবাৰ চেণ্ডেলযোৰ হাতত লৈ মনে মনে সোমাবলৈ লৈ ওলাই আহে আৰু কিতাপ এখন লুটিয়াই লুটিয়াই ফটো একপি পাই চিঞৰি উঠে) — আই ঐ— এইখনচোন ফটো। গোঁসাই ঐ— একদম্ পটাপট। ল'ৰাৰ ফটো (ভালকৈ চায় আৰু দৰ্শককো দেখুৱাই) আকৌ বোলে ছোৱালী হোষ্টেলত পুৰুষৰ প্ৰবেশ নিষেধ ? (দুৱাৰৰফালে চাই লৈ কয়) একদম্ পটাপট। এইবাৰ কোন তলকতনো অনিৰুদ্ধ আহি কিতাপত সোমালহি ঐ গোঁসাই। পুৰুষ মানে ? সাইলাখ কোঁৱৰৰ চেহেৰা দেই ! (আকৌ ভৰাই থয়। বিচনাখনতো বহি চায়, লেপখনো চুই চায়, মুঠতে বস্তুবোৰ লিৰিকি-বিদাৰি চায়)

(দৰ্শকলৈ চাই কয়) বাইদেউইঁতৰ লগত থাকি থাকি (লাজ কৰে) এই অভাগিনীয়েও যেনিবা ইংৰাজী কেইটামানকে শিকিলো (লাজ কৰি কৰি কয়)। থেংক ইউ, অ'কে, বাই, হাই, আই লাভ্ হিম্, আই হেট্ হিম্। (আঙুলিৰ মূৰত হিচাপ কৰি কৰি কয়) আৰু— আৰু মোৰ ফালে চাই কয় থিপ্ থিপ্ (থিফ্ মানে চুৰ) (হাঁহে) মোক বৰ ভাল পায় সেইকাৰণেহে থিপ্ বুলি কয়। সেই ফটোকপিৰ পিছফালেও তেনেকুৱা কিবা এটাই লিখা থাকিব পায়, নহয়নে ? (কথাৰ মাজে মাজে 'একদম পটাপট'টো কৈ থাকিব। বাহিৰত জোতাৰ শব্দ শুনি টেবুলৰ তলত সোমাইগৈ)

(মণীষা আৰু লিজাই পইচাবোৰ হাততে লৈ জোকাৰি জোকাৰি সোমাই আহে)

মণীষা ঃ অ' ক'বলৈকে পাহৰিছিলো, চিনাকি কাৰণে বাচখনে দুহেজাৰ দিলেই হ'ব বুলি ক'লে নহয়।

লিজা ঃ কি ! হয় নেকি ? (আনন্দতে নাচি উঠে) তেন্তে বাকী এহেজাৰ টকাত ব্ৰেকফাষ্ট ৰেডি ? অ' মাংসটো পিছে ?

মণীষা ঃ কিয় ? মেছৰ মাংসহে, এনেয়েও আনিলোহেঁতেন, মাত্ৰ অলপহে বেছি ? দি দিম। (মিকি সোমাই আহে)

মিকি ঃ কালিলৈ দেওবাৰ। গতিকে প্ৰিন্সিপাল বাইদেৱে পাৰ্মিশ্যন দি দিলে। ছাৰহঁতো যাব। গতিকে মোৰ কামৰ ভিতৰত বস্তু-বাহানিবোৰ চম্ভালিলেই হৈ যাব।

লিজা ঃ আলু আৰু কণীখিনি বয়ল কৰি লব লাগিব। অ' ডেক্ এটা ক'ত পাবি পিছে ? (সান্ত্বনা সোমাই আহে)

সান্ত্বনা ঃ কিয় ? বাইদেউৰ টু-ইন-ৱানটো আছে নহয়। সেইটোকে বিচাৰিম।

লিজা ঃ তেন্তে কাম শেষ। বাৰু সময় কিমান হ'ল চা-চোন ? (নিজৰ হাতলৈ চাই কয়) বৰ খৰকৈ গৈছে দেই সময়বোৰ। বিয়লি ৪ বাজিবৰে হ'লচোন। এই চাহনীজনী গ'ল ক'লৈ ? এইবাৰো চাহ খুৱাই ঠগিব যেন পাওঁ। এইৰ পৰা নহ'ব আৰু (তেনেতে দৰ্শকে দেখাকৈ টেবুলৰ তলৰ পৰা হাত এখন উলিয়াই পইচা, এশটকা ব্লাউজত ভৰাই লাহেকৈ সোমাই থাকে। বাকীবিলাকে নেদেখে)

(লিজাই পইচাখিনি চুই চুই কয়)— এইবোৰ পইচা মা-দেউতাইঁতে কিমান কষ্টৰে উপাৰ্জন কৰি আমাক দিয়েহি, আমি যে অকণমানো গুৰুত্বই নিদিওঁ ন' ?

মণীষা ঃ অৱশ্যে বেয়া কামত্‌তো খটুৱা নাই ? বনভোজহে খাম !

লিজা ঃ কালিলৈ পৰহিলৈ গ্ৰেজুৱেট হ'ম, এনেকুৱা কেইটামান টকা উপাৰ্জন কৰিব নোৱাৰিয়েইতো আমি দুখ কৰি থাকিম ?

মণীষা ঃ কিয় নোৱাৰিম ? বহুত লাইন আছে বুজিছ ? কম্পিউটাৰ শিকিম, বিউটি পাৰ্লাৰৰ শিক্ষা ল'ম, উল গোঠা-চিলাই কৰা আদি অজস্ৰ পথ আছে। মইতু ভাই, প্লাষ্টিকৰ ফুলো বনাবলৈ শিকি থৈছো। ৰঙা-নীলা ৰছীৰে বেগো বনাব জানো। চাকৰি নেপালে এইবোৰকে কৰিম আৰু !

লিজা ঃ সঁচা কথা কৈছ দেই তই। (উঠি আহে) হাতৰ বিদ্যা লাগে বুজিছ। মাষ্টৰ হ'ম, প্ৰফেচাৰ হ'ম— এইবোৰ আমাৰ নহ'ব, কনকলতা-মূলাগাভৰুও তু হ'ব নোৱাৰো ?

মণীষা ঃ অ' মূলাগাভৰু বোলোতেই মনত পৰি গ'ল। মেছৰ মূলাখিনি খাই নেপেলালে গেলি নেযাব ?

চাহনী ঃ (টেবুলৰ তলৰ পৰাই মাত লগাই)— মই তাৰ ব্যৱস্থা কৰিলোৱেই বাইদেউ। আমাৰ ফালৰ ল'ৰা এজন পাই ঘৰলৈকে দি পঠালো। (সকলোৱে মাতটোৰ অনুসন্ধান কৰাত লাগি যাব। লাহেকৈ চাহনী ওলাই আহে আৰু কয়) ইচ্ ইচ্ ইচ্ ইচ্ বাইদেউ, পইচাবোৰ এনেকৈ নথব আকৌ, (নিজেই ঠিক কৰিব বিচাৰে আৰু চাদৰখন জোকাৰি জোকাৰি কয়) গোটেইখনতে মকৰাজাল। আপোনালোকৰ টেবুলৰ তলত ইচ্ ইচ্ ইমান মকৰাজাল !

লিজা ঃ তুমি কমলৈ আহিলা কেতিয়া আৰু মকৰাজাল দেখিলা কেতিয়া ?

চাহনী ঃ এই— এইমাত্ৰ সোমালোহি। পইচাবোৰ থৈছেহে যেনেকৈ (লোভত সেপ্ গিলে) দুখিলামান পৰিয়েই আছিলে। তাকে বুটলোতেই এই অৱস্থা। ইচ্ ইচ্ (ওলাই যা খুজি আকৌ ঘূৰি আহি কয়)— আপোনালোকে যে ইমান ডাঙৰ ডাঙৰ কথা পাতে পাই। মই সেইবোৰ বুজিকে নেপাওঁ। (টকাটো ভালদৰে লুকাইছেনে নাই পৰীক্ষা কৰি কয়) এবাৰ মোক থিপ্ বুলি মাতক না (সিহঁতলৈ পিঠি দি দি লাহে লাহে ওলাই যায়গৈ)

মণীষা ঃ মাৰিলে ফাক্ চাগৈ। (নিজকে নিজে কৈ পইচাকেইটা হিচাপ কৰি বেগত ভৰাই কয়) কি পিন্ধিবি ঐ জুৰী ? কালিলৈ কি পিন্ধিবি ? (বাকী মিকি-লিজাইঁতে টেবুলত ধূপ জ্বলায়, কচুৱা জ্বলায় আৰু লেপ-চেপবোৰ জাপে)

জুৰী ঃ 'নন্দিনী' ড্ৰেচ পিন্ধিম। বগা স্কাৰ্টত ৰঙা ফুল, ৰঙা চুৰ্ণী। একদম জিলিকি থাকিম নহয়, দূৰৈৰ পৰা।

মণীষা ঃ মোৰো 'নন্দিনী'হে পিন্ধিবৰ মন।

লিজা ঃ মই চুৰীদাৰ পিন্ধিম— হালধীয়া, কাঢ়া লিপ্‌ষ্টিক লম।

মিকি ঃ মই ষ্টাইল-চিচ্‌ষ্টাইল নকৰো, হাতত কটাৰি এখন লম, বচ্ চালাড বনাবলৈ লাগি যাম।

সান্ত্বনা ঃ তোৰ আকৌ বিয়া ঠিক হৈ আছে ?

মিকি ঃ থ পায়। সেইকাৰণে নহয়, মই ৰান্ধি ভাল পাওঁ কাৰণেহে—

লিজা ঃ হৈছে হৈছে— মই যেনিবা শুনাহে নাই (উঠি লৈ ফোন কৰাৰ অভিনয় কৰে) হেল্ল' হেমন্তদা, তুমি কালিলৈ আহিবা হাঁ— (হাঁটো লেহেতিয়াকৈ কয়, সকলোৱে হাঁহে। তেনেতে বাহিৰত বম ফুটাৰ শব্দ হয়। ইতিমধ্যে চাহনীয়ে চৰুটো আনি সোঁমাজতে থৈ যায়হি)

একেলগে ঃ আই ঐ, মৰিলো (চিঞৰে) কি হ'ল, কিহৰ শব্দ ? (এজনী এজনীকৈ থিয় হয়) বম, ক'ৰবাত বম ফুটিছে হবপায়। (আটাইকেইজনী থক্‌থক্‌কৈ কঁপে আৰু থুপ খাই থাকে)

লিজা ঃ মই নকৈছিলো ? প্ৰতিবাদ দিৱস পৰহিলৈ বুলি।

মিকি ঃ সেইবুলি ? আজি এতিয়াই .... মানুহ মৰিছে হ'বপায় (কঁপালত হাত দি কৈ কৈ আগবাঢ়ে) এজাক শিশু.... নাড়ী-ভূৰু সকলোফালে চিটিকি পৰিছে.... উহ্ চাৰিওফালে কন্দাকটা হুলস্থূল। হে প্ৰভূ (হাতযোৰ কৰি ওপৰলৈ চাই কয়) তোমাৰ কি লীলা প্ৰভূ (কঁপালত হাত দি মঞ্চৰ এটা দিশত থৰ হৈ বহি থাকে। মূৰ তললৈ)

মণীষা ঃ হেৰুৱাৰ বেদনা .... হেৰুৱাৰ বেদনা বৰ মৰ্মন্তুদ, কিমান খন্তেকীয়া জীৱনটো ..... আজি আমি পিক্‌নিক্‌লৈ যোৱা বাচখনত দিয়া হ'লে .... মা-দেউতাইঁতৰ কি অৱস্থা হ'লহেঁতেন ? (বিপৰীত দিশত এটা মুদ্ৰাত থৰ হৈ ৰৈ যায়। মূৰ তললৈ)

সান্ত্বনা ঃ তেজৰ ফাকু খেলি খেলি কাৰ কি লাভ হয় ? সকলোৰে গাৰ তেজ একে নহয়নে ? আচলতে কোনে কি বিচাৰিছে ? (সামান্য পিঠি দি দৰ্শকলৈ চাই থাকে)

লিজা ঃ শান্তি বিচাৰিছে (ব্যংগ হাঁহি মাৰে) এইবোৰ শন্তিৰ সংজ্ঞা বেলেগ। আমাৰ দৰে শান্তি সিহঁতে বিচৰা নাই (মঞ্চৰ আগলৈ গৈ থাকে)। সিহঁতক লাগে তেজ। এখন শোণিত-সিক্ত দেশত বসবাস কৰাৰ বিকৃত সপোন দেখাত সিহঁত মগ্ন (বিশেষ মুদ্ৰাত ৰৈ যায়। মূল তললৈ। এনেতে দৰ্শকৰ মাজৰ পৰা বাইদেৱে চিঞৰি উঠে)

বাইদেউ ঃ এতিয়া তোমালোক মৌন কিয় ? (লাহে লাহে মঞ্চলৈ আহি কয়হি) মই তোমালোকক এইবোৰ কাৰণতে যাবলৈ মানা কৰিছিলো। তোমালোকৰ আজি কিবা এটা হোৱা হ'লে কি হ'লহেঁতেন ভাবাচোন ? সেই দায়িত্ব, সেই অপৰাধৰ বোজা ময়েই আজীৱন কঢ়িয়াব নেলাগিলহেঁতেন নে ? বন্ধ কৰা এই পিক্‌নিক্। কালিলৈ ছাৰ-বাইদেউইঁতক স-সন্মানেৰে যাব নোৱাৰাৰ কাৰণ জনাই দিবা। (যায়গৈ পুনৰ দৰ্শকৰ মাজলৈ নামি আহোতে কৈ কৈ আহে)— দেশখনত অকণমানো শান্তি নাইকীয়া হ'ল। অসমীয়াৰ ওপৰত বিহাৰীৰ আৰু বিহাৰীৰ ওপৰত অসমীয়াৰ অত্যাচাৰ। বাচত বম, ট্ৰেইনত অত্যাচাৰ। (গোটেইকেইজনী বিচনাত মনে মনে চিন্তিত মনেৰে বহেগৈ। তেনেতে চাহনী সোমাই আহে)

চাহনী ঃ (উধাতু খাই সোমাই আহে)— বাইদেউ, বাইদেউ, আলু বয়ল হৈ গ'ল। একদম্ পটাপট্। কণীও বয়ল হৈ গ'ল, একদম্ পটাপট্। এতিয়া আমিবোৰ বয়ল হৈ গ'লেই খেলা খটম্।

লিজা ঃ হেৰৌ, কি কৈছাহে ? শুনা নাই বাহিৰত কি ফুটিছে ?

চাহনী ঃ শুনিছো, বম ফুটিছে। এটা নহয়, দুটা নহয়, চাৰিটা বম। (ছোৱালীবোৰো সমানে সমানে আগবাঢ়ি গৈ থাকে আৰু চৰুটোৰ পৰা হেতা কটাৰি আদি লৈ লয়। মিকি আৰু লিজা চৰুটোৰ দুয়োপাৰে ৰৈ যায়) ঘৰত নহয়, ৰাস্তাত। ল'ৰা এটা নহয়, দুটা নহয়, এজাঁক। এজাঁক ল'ৰা— চাৰিটা বম। চাৰিওফালে ধোঁৱা। আকাশলৈ উঠি গৈছে ক্ৰমাৎ ওপৰলৈ গৈ আছে— গৈ আছে। ইফালৰ পৰা এখন বাচ আহিছে। এজাঁক কিৰিলি পাৰি অহা ডেকা-গাভৰুৱে বাচখন ভৰি উঠিছে—

লিজা ঃ কিনো দীঘল কৰি গৈ আছাহে ? কি হ'ল নোকোৱা কেলেই ?

চাহনী ঃ ফুটিল নহয় বম।

সকলোৱে ঃ কি ? বাচ উৰি গ'ল ?

চাহনী ঃ নুৰিল ! নামি আহিল।

সকলোৱে ঃ কি ? কি ? নামি আহিল ?

চাহনী ঃ দৰা।

সকলোৱে ঃ কি ? দৰা ? তাৰমানে বম ? মানে ফট্‌কা ? বিয়াৰ বাচ ?

চাহনী ঃ (হি ঃ হিঃ হিঃ হিঃ অঁ টো।

সকলোৱে ঃ তেন্তে পিক্‌নিক্ ? (চৰুটো ডাঙি আৰু প্ৰত্যেকেই হাতৰ বস্তুবোৰ এটা এটাকৈ পেলাই যায়। এইখিনি সময়তেই চাহনী চৰুটোৰ তলেৰে বগুৱা বাই আগবাঢ়ে আৰু ওপৰত ক'লা চৰুটো দেখি চিঞৰি উঠে— আঁ। (লগে লগে পট পৰে) ☆



# প্ৰত্যয়

সোণাৰি মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা — প্ৰথম সংখ্যা, ২০০৪-০৫ বৰ্ষ


সম্পাদনাৰ ছোঁ-ঘৰ—

উপদেষ্টা ঃ শ্ৰীযুত বিনন্দ মহন
শ্ৰীযুক্তা দীপাঞ্জলি গগৈ
শ্ৰীযুত সুনীল দত্ত

সম্পাদক ঃ শ্ৰী অমৃত কুমাৰ গুৰুং

অংগসজ্জাঃ শ্ৰী বিজিত কোঁৱৰ

সদস্য ঃ শ্ৰী ডেভিদ গগৈ
শ্ৰী ভাৰ্গৱজ্যোতি চাংমাই
শ্ৰী নৱজ্যোতি গগৈ

# সম্পাদকীয়

## সাম্প্ৰতিক সময়ত যুৱশক্তিৰ ভূমিকা

চিৰ প্ৰবাহমান সময়- চিৰ প্ৰবাহিত নদীৰ দৰেই। পৰিবৰ্তনশীল সময়ে যুগে যুগে মানৱ জাতিক উপহাৰ দিছে নতুনত্বক আদৰি লোৱাৰ দুৰ্বাৰ হেঁপাহ। সময়ৰ গতিশীলতাই আজি আমাক উপনীত কৰাইছেহি একবিংশ শতিকাত। এই শতিকাত থিয় দি আমি যদি এবাৰ উভতি চাওঁ আমাৰ দেশখনক, আমাৰ জাতিক, কি দেখিম ? অসমীয়া জাতিৰ অনৈক্যৰ মাজত থকা ঐক্যৰ আজি চুচুৰ্ম অৱস্থা, অসমৰ বাৰেবৰণীয়া সংস্কৃতিৰ পথাৰখনৰ জীপাল অৱস্থা আজি লুপ্তপ্ৰায়। সোণালী অসমৰ চুকে-কোণে জ্বলিছে হিংসাৰ জুই, দুৰ্নীতি-ভ্ৰষ্টাচাৰে গ্ৰাস কৰিছে অসমীয়াৰ জাতীয় সত্ত্বাক। সন্ত্ৰাস, হিংসাৰে জৰ্জৰিত অসমৰ এনে এক সংকটময় পৰিস্থিতিত অসমীয়া জাতিৰ মহাজাগৰণৰ দিক্ নিৰ্ণয় কৰা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সেই অগ্নিগড় কবিতা আমি পুনৰ আওৰাবৰ হ'ল—

এহাতেৰে মই / বগা পদুমেৰে
পূজা কৰো সুন্দৰৰ / আনটি হাতেৰে
চলাই অস্ত্ৰ / ৰোধ কৰি যাওঁ অবিচাৰ যত ....

অসমৰ এই জ্বলন্ত পৰিস্থিতিত অসমীয়া জাতিৰ অস্তিত্ব বজাই ৰাখিবলৈ হ'লে আজিৰ যুৱসমাজ ওলাই আহিব লাগিব অসীম সাহসেৰে, গভীৰ প্ৰত্যয়েৰে। কিয়নো যুৱশক্তিয়েই হৈছে এখন সমাজৰ চালিকা শক্তি, মেৰুদণ্ড স্বৰূপ। এটা সাহসী মন ; গভীৰ আত্মবিশ্বাস আৰু ইতিবাচক চিন্তাধাৰাৰ সমাহাৰেই এখন সুস্থিৰ সমাজ গঢ়াৰ একমাত্ৰ আধাৰ।

আজিৰ যুৱসমাজে পৰিবৰ্তন আনিব লাগিব সমাজলৈ, দেশলৈ আৰু আটাইতকৈ আগত নিজলৈ। বস্তুবাদী চিন্তাধাৰাৰ পৰিবৰ্তে জাগ্ৰত কৰিব লাগিব এটি সৃষ্টিশীল মনৰ, এক সুস্থ মানসিকতাৰ। কিয়নো এটি এটিকৈ সুস্থ মানসিকতা গঢ়িহে এখন সুস্থ মানসিকতাৰ সমাজ গঢ়িব পাৰি। কৰ্মবিমুখতাক পৰিহাৰ কৰি সৃষ্টিকামী মনোভাৱেৰে আত্মবিশ্লেষণ আৰু আত্মসংশোধনৰ জৰিয়তে যুৱশক্তিয়েই গঢ়িব লাগিব এখন শক্তিশালী আৰু ঐক্যৰ অসম। ভাৰতৰ স্বাধীনতা আন্দোলন, অসম আন্দোলনত অসমীয়া যুৱকৰ অসীম শক্তিৰ পৰিচয় কোনোবাই জানো পাহৰি গৈছে ? সাম্প্ৰতিক সংকটময় পৰিস্থিতিয়ে যুৱসমাজৰ অস্তিত্ব কিছু থৰক-বৰক কৰিলেও প্ৰগতিৰ বাট কোনোবাই ৰোধিব পাৰিব জানো ? কিয়নো উত্তৰণমুখী যাত্ৰাত সৃষ্টিশীল প্ৰতিটো খোজে যুৱসমাজক দেখুৱাই দিব পাৰিব এখন সুন্দৰ সমাজ, এখন শান্তিময় অসম গঢ়াৰ হাজাৰ প্ৰতিশ্ৰুতি।

সাহিত্য এনে এক শক্তি যি এটা জাতিক প্ৰাণৱন্ত কৰি তুলিব পাৰে, ইতিহাস ভঙা-গঢ়াত যোগাব পাৰে বৃহৎ অৰিহণা। সমাজৰ উন্নয়ণশীল পৰিবৰ্তন তথা বিভিন্ন উপাদানসমূহৰ ভিতৰত সাহিত্যৰ এক বিশেষ ভূমিকা উপলব্ধি কৰি আমাৰ কেইজনমান সচেতন ছাত্ৰই গভীৰ প্ৰত্যয়েৰে জন্ম দিছিল আমাৰ মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যয়'ৰ। সদৌ শেষত সাহিত্যৰ ওপৰত বিস্তৃত জ্ঞান নথকা সত্ত্বেও পৰিস্থিতি সাপেক্ষে সম্পাদকৰ গুৰুদায়িত্ব মূৰ পাতি লব লগা হোৱাত 'প্ৰত্যয়'ৰ এই সংখ্যাটি সৰ্বাঙ্গসুন্দৰ ৰূপত উলিয়াব নোৱাৰাত মই দুঃখিত। তথাপিও আশা ৰাখিছো— 'প্ৰত্যয়'ৰ মাজেদিয়েই আমি আমাৰ সোণালী বাট দেখিবলৈ সক্ষম হ'ম।

*শ্ৰী অমৃত কুমাৰ গুৰুং*
*সম্পাদক*
*প্ৰত্যয়, ২০০৪-০৫ বৰ্ষ*

# কৰ্মসংস্থাপন ঃ বৰ্তমান যুৱ উচ্ছৃংখলতাৰ প্ৰধান কাৰণ নে ?

পল্লৱী প্ৰীতম বৰুৱা
উঃ মাঃ ২য় বৰ্ষ

শিৰোনামাত উল্লিখিত বিষয়টো আজি দকৈ চিন্তা কৰাৰ প্ৰয়োজন হৈ পৰিছে। কাৰণ আজিৰ যুৱসমাজেই কালিলৈ দেশৰ সু-নাগৰিক। আজিৰ যুৱসমাজ মানে আমি উচ্ছৃংখল হৈছো। সকলোৱে আমাক সমালোচনা কৰিছে। কিন্তু মাত্ৰ কেইজনমান ব্যক্তিৰ বাহিৰে আন কোনেও ইয়াৰ অন্তৰালত লুকাই থকা কাৰণবোৰ বিশ্লেষণ কৰাৰ প্ৰয়োজন বোধ কৰা নাই। আজিকালি ভব্য-গব্য কেতবোৰ ব্যক্তিয়েই ইয়াৰ প্ৰধান কাৰণ হিচাপে গভীৰতালৈ সোমাই যোৱা হয়, তেন্তে ই আমাৰ দৃষ্টিত অধিক স্পষ্টৰূপত প্ৰতিফলিত হ'ব যে যুৱসমাজৰ উচ্ছৃংখলতাৰ ৰেখাডাল উৰ্দ্ধগামী কৰাত এই বিষয়টো কেতিয়াও প্ৰধান কাৰণ হ'ব নোৱাৰে। বৰ্তমান যুৱসমাজৰ অভিভাৱকসকলৰ অভিভাৱকত্ব উচ্ছৃংখলতাক বৃদ্ধি কৰাৰ ক্ষেত্ৰত সমানেই দায়ী। অপ্ৰিয় হ'লেও অনিয়ন্ত্ৰিত অভিভাৱকত্বৰ এই অনাকাংক্ষিত সত্যটো আমি স্বীকাৰ কৰিবলৈ বাধ্য।

কেৱল ব্যৱসায়ীক দৃষ্টিৰে নিৰ্মিত কৰা ছবি, অশ্লীল আলোচনী, নিচাযুক্ত দ্ৰব্যৰ অবাধ প্ৰচলন আদি দিশসমূহ আজিৰ যুৱসমাজক উচ্ছৃংখলতাৰ জৰীৰে বান্ধি ৰখাত কিমান দূৰ সফল হৈছে তাৰ এক অৰ্থপূৰ্ণ বিশ্লেষণ হয়তো আজি কোনেও দাঙি ধৰিব নোৱাৰিব। আজিকালি শিক্ষানুষ্ঠানসমূহত নতুন ছাত্ৰ-ছাত্ৰীৰ লগত পৰিচয় হোৱাৰ আহিলাও 'ৰেগিং' নামৰ এক সামাজিক ব্যাধিৰ অবাধ প্ৰচলন সৰ্বজনবিদিত। কোনোবাই যদি কয় ৰেগিঙৰ মাধ্যমেৰে অহা এই যুৱ-উচ্ছৃংখলতাৰ বাবে দায়ী কৰ্মসংস্থাপনহীনতা তেন্তে মৰাশালিৰ মৰাশইও সাৰ পাই উঠিব। আমাৰ দেশৰ বিধানমণ্ডলৰ মাজত আমাৰ জনপ্ৰতিনিধিসকলৰ উচ্ছৃংখল চৰিত্ৰই যুৱ প্ৰজন্মৰ বাবে এক অশুভ প্ৰেৰণাৰ ৰূপ লৈছে।

গতিকে আজিৰ যুৱ-সমাজ উচ্ছৃংখল হোৱাৰ বাবে কৰ্মসংস্থাপনহীনতাক দোহাই দি ঘৰতে হাত সাৰতি বহি থাকিলে নহ'ব। কিয়নো এই যুৱ সমাজেই কালিলৈ দেশক নিয়ন্ত্ৰণ কৰিব লাগিব। ☆

---

# দুজন ভদ্ৰলোকৰ অবিবেচক কাণ্ড

তেগমণি প্ৰধান
স্নাতক ২য় বৰ্ষ

কলেজত এটা মান ক্লাচ কৰি মেচ অভিমুখে যাত্ৰা কৰিছোহে। এনেতে মোৰ দৃষ্টি ৰাস্তাৰ মাজ-মজিয়াত ৰৈ থকা দুজন ভদ্ৰলোকৰ ফালে গ'ল। ভদ্ৰলোক দুজনে ৰাস্তাৰ মাজ-মজিয়াত নিজৰ নিজৰ নতুন মডেলৰ ভান দুখন ৰখাই উচ্চস্বৰত কিবা-কিবি কৈছে। প্ৰথমে মই ততে্ই ধৰিব পৰা নাছিলো। অলপ দূৰ আগুৱাই গৈ ভদ্ৰলোক দুজনৰ নিচেই ওচৰ পোৱাত কথাটো বুজি পালো। এজন ভদ্ৰলোকৰ গাড়ীয়ে আনজন ভদ্ৰলোকৰ গাড়ীৰ পিছৰ লাইটটো ভাঙি দিয়ে। লগে লগে দুই ভদ্ৰলোকৰ মাজত বাক-বিতন্দা আৰম্ভ হয়। এজনে আনজনৰ দুখ উনুকিয়াই গালি পাৰিবলৈ ধৰে। তেওঁলোকৰ এজনেও নিজৰ দোষ স্বীকাৰ নকৰে। এনেতে গাড়ীৰ তীব্ৰ মাতত মই উচপ খাই উঠিলো। কেওফালে চাই দেখিলো গোটেই ঠাইডোখৰ যান-জঁটৰ সৃষ্টি হৈছে। কিন্তু মহাপুৰুষ দুজনৰ এইবিলাকৰ প্ৰতি কোনো কাণসাৰেই নাই। মাথো নিজৰ নিজৰ বৰ্জোৱা যুক্তি বিনিময় কৰাতহে ব্যস্ত। এনেতে দেখিলো দুজন পুলিচ বিষয়া আহি তাত উপস্থিত হৈছে। মই তাত ৰৈ নাথাকি মোৰ গন্তব্য স্থানলৈ আগবাঢ়িলো।

মেচলৈ উভতি আহোতো মোৰ মনত অনেক প্ৰশ্নৰ উদ্ভৱ হৈছিল। ভাবিবলৈ বাধ্য হ'লো যে আমাৰ মানুহৰ মাজত নূন্যতম শিষ্টাচাৰকণো নাইকীয়া হৈছে। সেই ভদ্ৰলোক দুজনৰ কোনো এজনে নিজৰ দোষ স্বীকাৰ কৰাহেঁতেন কাজিয়াৰ ওৰ পৰিলেহেঁতেন। আমি নিজৰ দোষ স্বীকাৰ কৰিবলৈ ইমান টান পাওঁ কিয় ? আমি নিশ্চয় পাহৰি যাওঁ যে নিজৰ দোষ স্বীকাৰ কৰাটো এজন প্ৰকৃত ভদ্ৰলোকৰ পৰিচয়। মনতে ভাবিলো মানুহৰ বহিঃ ৰূপটো দেখিয়েই আচলতে ভদ্ৰলোকৰ ধাৰণাটো আনিব নালাগে। ☆





# প্ৰতিবিম্ব

বিজিত টিপমীয়া
স্নাতক ২য় বৰ্ষ

কাৰো বাবে কোনো ৰৈ নাথাকে ক'তো
আৰম্ভণিৰ সকলো স্মৃতি লৈ
মই এদিন গুচি যাম
বুকুৰ ভিতৰৰ সপোনবোৰ সজীৱ কৰি।
মই ইয়াৰ পৰা গুচি গ'লে
প্ৰথমে মই তোমাকেই হেৰুৱাম
তাৰ পাছত এখন বহল হৃদয়
য'ত তোমালোক থাকা
মোৰ প্ৰিয় সুহৃদ আৰু ভালপোৱা গানবোৰ।
কাৰো বাবে কোনো ৰৈ নাথাকে ক'তো
গৈ থাকোতে হঠাৎ আমি এদিন এৰা এৰি হ'ম
জীৱনৰ বাটত, যৌৱনৰ আলি দোমোজাত
ই কোনো নতুন কথা নহয়
জীৱনক বিচাৰি গ'লে জীৱনৰ বাটত
হেৰুৱাব লাগিব অন্য এক জীৱন।
তোমাক এৰি আহি নিসংগতাৰ অচিন যাত্ৰা পথত
বিচাৰিব লাগিব আন কাৰোবাক।
তোমাক এৰি অহাৰ পাছত
উচুপি উঠিব মোৰ অকণমাণি আকাশখনি
পাৰ হ'ব কত উজাগৰি ৰাতি
সুখ-দুখক জুখিব লাগিব স্মৃতিৰ তুলাচনীত।
কোনে জানে দুখবোৰ ক'ত ৰৈ থাকে জীৱনৰ
সুখ-দুখৰ মাজতেইটো জীৱন
সুখ আছে বাবেই স্মৃতি আছে, স্মৃতিৰ বুকুত প্ৰেম
গোটেই জীৱন মানুহে স্মৃতিকেই সাঁচিব পাৰে
যি বাঢ়ি যায় কিন্তু কমি নাযায়
পুৰণি হ'লেও নিঃশেষ নহয়।
মোৰ বাবে তুমিওতো ৰৈ নাথাকা
তোমাৰোতো এটি সেন্দুৰীয়া পথ আছে
সোঁৱৰণীৰ বাট কাটি আমি অহৰহ গৈ থাকোঁ
গৈ থাকে অনাদি অনন্ত
সময়ৰ বুকুত এৰি অলেখ সহযাত্ৰীৰ খোজ।





# জীৱনৰ দাপোন

জুৰি কোঁৱৰ

ধূলি খেদা ল'ৰালিয়ে
পাখি মেলা কৈশোৰক উৰুৱাই
দুহাত মেলি আদৰিলে সখীয়তী যৌৱনমতীক
সপোন ৰঙীন সাজেৰে
তাই যেতিয়া বৰ এজনী হ'ল
সোঁৱৰণীৰ ডাষ্টবিনত অনাদৰে পৰি ৰ'ল
হাতৰ মুঠিত লুকাই ৰখা
যোল্লটা বসন্তৰ ৰঙীন আবেলিবোৰ,
পখিলা খেদি খেদি কৰা নিৰ্দোষ ধেমালিবোৰ
জোনাক ভৰা চোতালত সাধু শুনি শুনি
পোৱা মৰমৰ নিশ্চয়তাবোৰ।
সিহঁতবোৰৰ ওপৰত এতিয়া পাহৰণিৰ
এখন বহল দলিচা ;
যাৰ ওপৰেদি
ভগ্ন স্বপ্নবোৰৰ, উজাগৰী ৰাতিবোৰৰ
অবাধ অহা-যোৱা,
দুখবোৰ এতিয়া তাইৰ জীৱন লগৰী
নিঃসংগ মুহূৰ্তৰ একান্ত সঁহাৰি
জীয়াই থকাৰ প্ৰেৰণা আৰু জীৱনৰ আশীৰ্বাদ ;
আৰু,
এই দুখৰ বাসস্থানেই
তাইৰ জীৱনৰ ৰঙীনবোৰৰো
একমাত্ৰ কবৰস্থান।।

# বৰ্তমান

সীমা বনীয়া
স্নাতক ১ম বৰ্ষ

এতিয়া চৌদিশ জুৰি আছে
মৃত্যুৰ কৰধ্বনি আৰু সন্ত্ৰাসৰ তত্ত্বাৱধান।
য'ত লুকাই আছে হিংস্ৰ নৰখাদকৰ
লোলুপ সজাগতা।
বুভুক্ষাৰ লেলিহান শিখাই
মেৰাই ধৰা উত্তাল যৌৱন
কেঁচা ৰক্ত বুকুৰেদি বয়
নৱজাত শিশুৰ মনত উৎপীড়নৰ সৃষ্টি
এই নদীৰ ভয়াবহ বানে উটুৱাই নিয়ে
প্ৰতিটো আশা, প্ৰতিটো পল
নগৰ-চহৰ, পাহাৰ-অৰণ্য
দেহৰ ঘামেৰে লুণীয়া হোৱা
ভস্মীভূত কৰা হ'ল
ভাতৃ সুহৃদয় কৰাল মৰা তেজে
উহ্ বৰ অসহ্য, স্বপ্ৰাত্তৰ যেন মৰিশালীৰ
প্ৰতিটো নিশা মৃত্যুদীপ্ত আৰ্তনাদ
নিতে সন্ধান কৰিব লগা হ'ল
নতুন প্ৰত্যাশাৰ ....
জোনাক ৰাতিও ভয়াবহ সন্ধিক্ষণত
ইতিহাস নিন্দানিত হয় শঙ্খধ্বনিও
কেনিনো গতি কৰো আমি .... ?
মাথো জীয়াই থকাৰ বাবে
দুচকুৰ সপোন মাথো পোহৰ চোৱাৰ
সেউজবুলীয়া নৱ শিশুৰ হৃদয়ৰ আকুল প্ৰাৰ্থনা শুনাৰ।



# Peace

Kalyan Konwar
BA 2nd Year

Every one seems to want peace
But a problem arises
They are deprived of it !

Engaged in creating violence
From dawn to dark
Peace loves its importance !
The more I think about it.
But fail to bind its existence !
Wonder how people ignorant it ?
Though men are source of all knowledge.
But seems, they are ignorant
For their unawareness.

Each day new full of violence
As if life would not run without it,
That thrilling the human life.
Those striking violence sufficient for them
Not real challenge to over come ;
And luck of real courage in their hearty,

Men, yet in search of actual peace
But dark powers in mind,
Lead to destructive courage







# তুমি

দেৱজিৎ বড়া
স্নাতক ১ম বৰ্ষ

সাগৰৰ সমস্ত নীলাবোৰ যেন
থুপ খাই আছে তোমাৰ দুচকুত
হেঁপাহৰ মণিকোঠা
উদুলি-মুদুলি আজি।
মনে মনে সাজিবা নেকি মনৰ নতুন কাৰেং
সজাইছা-পৰাইছা হৃদয়ৰ গোপন কক্ষত অযুত আশা
কোনেনো পঢ়িব আজি
তোমাৰ বুকুৰ আশাদীপ্ত অলিখিত ভাষা।
তুমি আজি নতুন দিনলিপি
মোক সুধিবাচোন
কিয় চাওঁ তোমাৰ সপোনৰ দাপোন
হয়তো তুমিয়েই মোৰ
হৃদয়ৰ অতিকে আপোন....



# স্বপ্ন ভংগ

মাধুৰ্য্য ফুকন
স্নাতক ৩য় বৰ্ষ

তুমি মোক ভৱাই তুলিছা
ভাগি ছিগি খহি পৰা ছবিখনৰ কথা
প্ৰাচীন কালৰে পৰা পৰি থকা ....
ভাগি পৰা আশাৰ সপোনবোৰৰ কথা
যাৰ অস্তিত্ব এতিয়া মূৰ্তমান ....।
হেৰাই গৈছে মাথো অবিৰামভাৱে।।
আজি মই পুনৰ তোমাক দেখিলো
তোমাৰ মধুৰ সেই অতীজৰে সৌন্দৰ্যতা
তোমাক দেখিলেই আপোন আপোন লগা
নাই আজি সেই মাদকতা।
আছে মাথো তুমি বহন কৰিব নোৱাৰা
এসাগৰ পানীসম বেদনা।
তোমাক হেৰুৱালো মই
মোৰ দুবাহুৰ পৰা
হেৰুৱালো জীৱনৰ উৎসাহ আৰু সৎসাহস।।
নাই ....
আজি আৰু সময় নাই
তোমাৰ ওঠৰ তপত চুমাত
হেৰুৱা প্ৰেমৰ মাদকতা নাই
আছে মাথো এবুকু অসফল প্ৰেমৰ....
আসক্তি সনা বেদনা।
সেয়েহে তুমি নিজকে কেতিয়াও ...
মনালিছা বুলি নাভাবিবা।

# প্ৰতীক্ষা

ৰূপজ্যোতি বড়া
স্নাতক ২য় বৰ্ষ

আহিনৰ কুঁৱলী ফালি
মোৰ লাহি ধানৰ সেউজ বাটেদি
বুকুত শৰতৰ বতৰা লৈ... তুমি আহিবা বুলি
মই বৈ আছো হৃদয়ৰ দুৱাৰ খুলি।

জুইৰ ধুমুহা, তেজৰ বৰষুণে
ধুৱলি-কুঁৱলী কৰি আছে মোক
পেটৰ জ্বালাই সহিব নোৱাৰে কবিতাৰ অনুভূতি।
দুখৰ হমুনিয়াহে সাজে দুখৰ পাহাৰ
তুমি আহিলে বগৰী ফুলিব
জোনাকে জগাব মোৰ ওঠৰ হাঁহি
কবিতাৰ শৰীৰত ফুলিব
মনোহৰ লাৱনি শব্দৰ স্তৱক।
সোণৰ খনি বুকুত সাৱটি
তুমি আহিবা বুলি
মই বৈ আছো আশাৰ এটি মিঠা সপোন লৈ।

# হৃদয়ৰ বতৰা

ভৱজ্যোতি গগৈ
উঃ মাঃ ১ম বৰ্ষ

মৃদু মলয়াৰ পৰশত,
হালি জালি নাচি থকা
এপাহি ধুনীয়া কপৌ ফুল।

হৃদয়ৰ গোপন কোণত
ৰাখিছো আলফুলে,
মেৰিয়াই সাৱতি।

মোৰ প্ৰাণৰ আবেগ,
উঠে সাৰপাই
উশাহত তোমাৰ।

বাগৰি যায়
লুইতৰ বানৰ দৰে
প্ৰেমৰ মিঠা অনুভূতি।



# উকা চিঠি

অনাদি টায়ে
স্নাতক ৩য় বৰ্ষ

তোমাৰ ওচৰলৈ কিয় যাওঁ ?
তোমাৰ চকুলৈ কিয় চাওঁ ?
জানোচা অকণমান মৰম পাওঁ !
অজানিতে দুখ কৰিলো তোমাক গম নিদিয়াকৈ
কাৰণ মই তোমাক ভালপাওঁ।
কিন্তু, ভয় লাগে তোমাক ক'বলৈ
কিজানিবা, মোৰ এই কোমল হৃদয়খন
চকুৰ দৃষ্টিকোণতেই ভাঙি যায়
এতিয়া সকলো তোমাক এৰিলো
মোক নিৰাশৰ বুজনি
কটু তোমাৰ সমালোচনা
বা অকণমান মৰমৰ সঁহাৰি
বহু আশাৰে বাট চাওঁ
য'তেই হৃদয় ঢালো
তাতেই দেখো চকুলো
এতিয়া তুমিয়েই কোৱাচোন
মই বাৰু কি কৰো ?



# অনুভৱ

জুনটি দত্ত
স্নাতক ৩য় বৰ্ষ

আজিকালি মোৰ হৃদয় বৰ অস্থিৰ
এক অদম্য হেঁপাহ
পোৱা-নোপোৱা বিচাৰি উলিওৱাৰ
প্ৰতি মুহূৰ্ততে অনুভৱ কৰে
কিছুমান অলিখিত শব্দৰ মায়াজাল
হাতৰ মুঠিতে আবদ্ধ কৰি ৰাখিব খোজে
সমস্ত পৃথিৱী
কল্পনাৰ মানসপটত সাজিব খোজে
প্ৰেমৰ সৌধ
বিষাদৰ এটি এটি অশ্ৰুকণাৰে
জীয়াই থাকিব বিচাৰে তোমাৰেই আশাত
সময়ৰ ছন্দত বাজি উঠা জীৱন ৰাগিনীৰ
প্ৰতিটো ক্ষণতে গঢ়ি তুলিব বিচাৰে
এক অন্তহীন যাত্ৰা ....
মোৰ পৰা তোমাৰ হৃদয়লৈ
হিয়াৰ কহুঁৱা ডৰা
আজীৱন ৰাখিব বিচাৰে শুকুলাকৈয়ে
য'ত বাঁহ লয় মোৰ নীলাৰঙী সপোনবোৰে।

# What is life ?

*Punam Maskara*
*H. S. 2nd Year*

Man comes into this world without his consent and leaves it against his will. On earth he is misjudged misunderstood. In infancy he is an angel, in boyhood he is a devil, in manhood he is a fad. If he is a poor man he has to brave his neck of what he is and if he is rich he has all the luck in the world and is a croak.

If he is an intelegent being he is considered too smart and if he is dull he has no value at all.

If he goes to church he is a hypocrite and if he stays away he is a sinful man.

If he gives charity or does a good turn it is for advertisement if he does not he is stingy and mean.

If he steps out he is temperamental fanatic and a miser.

Before he comes in to the world every body wants to kill him, before he goes out everybody wants to kick him.

If he dies young there was a great future.

Before him, So everyone do your duty and be fearless.

Use your own commonsense and if you do a mistake it is better than doing nothing.

Keep smiling as nobody wants to hear about your troubles, since they have wagonloads of their own.







# বেদনাহলললৈ নিমন্ত্ৰণ

সাগৰপ্লাৱন টিপমীয়া
স্নাতক ২য় বৰ্ষ



আপুনি হ'ব বিচাৰিছে নেকি ?
বেদনা হলৰ এনিশাৰ অতিথি
যদিহে বিচাৰিছে নিসংকোচে আহক
মনত ৰাখিছে নহয় ঠিকনাটো
সোণাৰি ভবানীপুৰৰ তিনিআলিৰ চুকৰ
ঠিকনা পাহৰিছে যদি সুধিব পাৰে
কাষতে থকা দোকানখনৰ বসলদাক
বেদনা হলৰ সুখৰ উৎসবোৰ ক'ত থাকে—

আহক মহাশয়, এদিন আহক
মই জানো, আপুনিও ইতিমধ্যে হাৰিছে
যৌৱনৰ আলিদুমোজাৰ জীৱনৰ জুৱাত

আপুনি আহিলেই
মাধুৰ্যই আপোনাক আদৰণি জনাব এটি গীতেৰে,
"বিচৰা মৰম দিবানে মৰমী মোক"
যিটো গীত সি প্ৰায়েই গায়
তাৰ পাছত সি মিচিকৈকৈ হাঁহিব
আপোনাক দেখুৱাই
যিটো হাঁহিৰ অৰ্থ আপুনি হয়তো নুবুজিব,

হঠাৎ পৰিবেশটো সলনি হ'ব
হাতত জ্বলন্ত চিগাৰেটেৰে এইয়া অমৃত
গভীৰ শান্ত কণ্ঠৰে সি আপোনাক সুধিব
আপুনি বিচৰাটো নেপাই ভাগৰিছেনে ?
বুকুৰ পৰা বুকুলৈ বিয়পি পৰা দুখবোৰ জুখি চাইছেনে ?
আচৰিত নহ'ব !
সিও এদিন বিচৰাটো নেপাই দুখবোৰ জুখিছে
চিগাৰেটৰ ধোঁৱাৰ কুণ্ডলীৰ পাকত।
তাতে আপুনি লগ পাব
সদায় হাৰি হাৰি জিকিব খোজা
সাগৰ নামৰ এজন দুৰ্ভগীয়া কবিক
খিলখিল হাঁহিৰে আপোনাক আদৰণি জনালে
আপুনিও কিন্তু নাহাঁহিব
আপুনিতো নাজানে সি যে দুখতহে হাঁহে
সি যে সুখবোৰ ইতিমধ্যে কাৰোবাক দিছে

বেদনাহললৈ আহিলে
আপুনি লগ পাব অজয়, অমৰ আৰু জিতুৰ দৰে
জীৱনৰ মধুৰ সপোন দেখা কেইজনমান মহান প্ৰেমীকক
শান্ত, দীপাঞ্জিতে অতিথি সৎকাৰ কৰিব
একাপ চাহ বৰ সাদৰে খুৱাব
ইয়ালৈ অহা ধুনীয়া ছোৱালীবোৰক
যিকাপ চাহ সিহঁতে সদায় খুৱাই।

# প্ৰতিচ্ছবি

হিৰেশ্বৰ দাস
স্নাতক ১ম বৰ্ষ



মোৰ হিয়াৰ শূন্যতাৰ দাপোনত
সন্তৰ্পণে আঁকি ল'লো
তোমাৰেই প্ৰতিচ্ছবি
উজ্জ্বলি উঠা এখনি মুখ।
লাজুকীয়া মুখৰ হাঁহি
যেন মেঘে ঢকা দুপৰৰ বেলি
ৰঙা নীলা তুলিকাৰে
বোলাব খোজা
তোমাৰ প্ৰতিছায়া
চকা মকা পোহৰত
উম দিওঁ কলিজাত
নতুন প্ৰত্যয়ৰ।
নিজান পৰত আঁকিছো
অবিকল তোমাৰেই প্ৰতিচ্ছবি
মোৰ শূন্যতাৰ
হিয়াৰ মাজত।







# চহৰৰ প্ৰসন্ধ্যা

আকাশদ্বীপ ৰজাফুকন
স্নাতক ২য় বৰ্ষ

চহৰবোৰ ....
কোনে ক'লৈ যায় / কাৰ কি ব্যাপাৰ / কোনেও নাজানে ;
অহৰহ গাড়ী-মটৰৰ আহ-যাহে সৃষ্টি কৰা যান-জঁট
শৃংখলাহীন দোকান-পোহাৰ
চকু চাট মৰা বিজুলী-বাতিৰ সমাহাৰ।
মিউনিচিপলিটিৰ ৰুল-ৰেগুলেচনক উপেক্ষা কৰি,
কোনোবা ধনী দালালে থিয় কৰোৱা সু-উচ্চ দালানবোৰ ;
এইবোৰে যেন সাধাৰণ মানুহৰ প্ৰমূল্যক বিদ্ৰূপ কৰিছে,
কুটিল হাঁহি মাৰি ইজিপ্তৰ 'অজিয়ামনদিয়াচ'ৰ দৰে ;
গৌৰৱ কৰি কৈছে "মোৰ উচ্চতাক চোৱা ...."
সেই দালালবোৰ আমাৰ মাজৰে ;
তেওঁলোকে বাতানুকুল জীৱন কটাইছে।
কংক্ৰীট পদ্‌পথৰ নলাবোৰৰ খেচনিত উচ্ছিষ্ট আহাৰৰ সন্ধানত
কেইটামান গৰাকীহীন কুকুৰ আৰু উদণ্ডীয়া গৰু,
নিজৰে পৰিচয় পাহৰা কেইটামান পগলা ভিক্ষাৰী
অসহ্য !
মানৱসৃষ্ট বিৰতিহীন শব্দৰ প্ৰাবল্য ;
যি শব্দত চহৰৰ চৰাইবোৰে বোলে নিজৰ মাতকে পাহৰিব এদিন,
সচেতন বিজ্ঞানী মহলৰ আশংকা এয়া।
কিন্তু আমি মানুহবোৰে / কেতিয়াবাই পাহৰি পেলাইছো
আমাৰ মানৱীয় মাত-কথাবোৰ .... ।



# কুৱাৰি

*(এগৰাকী বৃদ্ধাৰ আত্মকথাৰে)*

মনালিছা ৰাজকোঁৱৰ
উঃ মাঃ ২য় বৰ্ষ

পোৱা-নোপোৱাৰ হিচাপ লৈ থাকোতেই
পাৰ হৈ গ'ল সময়,
মনৰ তুলাচনীৰে জুখি চাওঁতে
নোপোৱাৰ ওজন বেছি ওলায়।
কালৰ গ্ৰাসত বিদীৰ্ণ হৈ যোৱা
মোৰ মনৰ স্মৃতিবোৰ
জীপাল হৈ উঠে,
তুমি নিৰৱে শুই থকা সেই
বাঁহৰ কামিৰে ঘেৰা ঘৰটো দেখিলে।
ট্ৰেপিজিয়ামৰ দৰেই মোৰ
বৰ্তমান জীৱন,
এযোৰ কোণ সমান্তৰাল হ'লেও
আনযোৰ কোণ নহয় ;
বেবিলনৰ শূন্যোদ্যানৰ দৰেই
মনৰ অনুভূতিবোৰ শূন্যত ওপঙি ৰয়।
ঘৰ সাজিব জানিলেও—
মাৰলি বান্ধিব নাজানিলো ;
ভেঁটিটোও থৰক-বৰক,
সেয়েহে কিজানি উজুটি খালো।
জীৱনটোত কেৱল মৰিচীকাৰ
পাছে পাছে কুকুৰ ল'ৰ দিলো ;
তথাপি সুখৰ কোলাত,
মূৰ থবলৈ কিঞ্চিত সময় নাপালো।
সেয়ে, জীৱনৰ পিছদুৱাৰৰ মুখত বৈ
ভাবিছো কামিৰে ঘেৰা ঘৰটিত
কেতিয়া পাম তোমাৰ দৰে,
সুখ-নিদ্ৰাত একান্ত হ'বলৈ।
য'ত তুমি আৰু মই
দুখ আৰু সুখৰ,
প্ৰাপ্তিৰ আৰু অপ্ৰাপ্তিৰ
অন্বেষণত মনৰ কুৱাৰী পুৰোৱাত ব্ৰতী হয়।

# তোমাৰ হাত দুখনে স্পৰ্শ কৰিব পাৰে

জিনামণি গগৈ
স্নাতক ২য় বৰ্ষ

তোমাৰ হাত দুখনে স্পৰ্শ কৰিব পাৰে
আকাশ আৰু পৃথিৱীৰ সকলো সুন্দৰতা,
তোমাৰ হাত দুখনে স্পৰ্শ কৰিব পাৰে
নৈ-জান-সাগৰৰ সকলো নিৰ্মলতা,
তোমাৰ হাত দুখনে স্পৰ্শ কৰিব পাৰে
নিষ্পাপ পোহৰৰ অৰুণাভ আত্মীয়তা।
অথচ, তুমি বাৰে বাৰে নগ্ন হ'ব খোজা
তোমাৰ নগ্নতাত ৰক্তাক্ত হয়
মাতৃৰ হৃদয়, তাপসী অনুভৱ।
হে পীয়ুষ পুত্ৰ কুশলী মানুহ।
তুমি ফুলৰ দৰে পবিত্ৰ হোৱা,
অমৃতৰ দৰে মধুৰ হোৱা
আৰু
তোমাৰ স্পৰ্শৰে বঢ়াই তোলা
স্নেহ সৰ্বস্ব জীৱনৰ অবিৰাম মাদকতা।



# তোমাৰ বাবে ....

পুলক গগৈ
স্নাতক ২য় বৰ্ষ



তুমি দিয়া ফুলৰ পুলিটো
আলফুল হাতেৰে গুজি দিছো মাটিৰ কোমল পৰশত
লাহে লাহে ঠন ধৰি উঠিছে তোমাৰ মোৰ দৰেই
মাটি আৰু পুলিটোৰ কি নিবিড়ি সম্বন্ধ
তোমাৰ মোৰ প্ৰেমৰ সাক্ষী স্বৰূপে এটি কলি পেলাইছে।



# তোমাৰ মাজেৰে তেওঁ

যমুনা কোঁৱৰ

উৰুলীৰ ধ্বনিৰ স'তে ওৰণি টানি
বৰঘৰত সোমোৱাৰ বহু আগতেই
তাহানিৰ সেই সোণোৱালী শৈশৱতেই,
ভঁৰালৰ পাছফালে মাৰ বং সনা ফটাকানিৰ
টোপোলাটোৰে তোমাক মাতিছিল— 'মা'। সেয়ে
মমতাৰ সাগৰত জোৱাৰ তুলি আজি
গৌৰৱৰ ঢৌবোৰ উফন্তি উঠিছে আৰু
তোমাৰ মুখত চিটিকি পৰিছে ৰান্ধনি বেলিটিৰ
ৰঙীণ ফাকু।
তাৰ মুখৰ সেই প্ৰথম কান্দোনে তোমাৰ
হৃদয়ত ধালিছে অমৃতৰ বৰ্ষা।
তাৰ তিৰবিৰাই থকা দুচকুৰে
চটিয়াই দিছে শইচ সোণোৱালী আবেগ।
তাৰ তেজফুটু-তেজফুটু গাল দুখন
ধাকি দিছা আঁচলটোৰে।
আঙুলি ধৰি শিকাইছা জীৱন নামৰ পথটোত
খোজ কাঢ়িবলৈ। জীৱনৰ পাঠশালত শিকাইছা
পৃথিৱীৰ কথা যেনে— পানী আৰু মাটি, মাটি আৰু
আকাশ, জোন-তৰা-বেলি-দিন-ৰাতি-আন্ধাৰ-পোহৰ
বতাহ-ধুমুহা আৰু যে কত কি পাঠ।

— অকলশৰীয়া বৃদ্ধ পিতৃ-মাতৃসকললৈ





# এটা নষ্টালজিক্ পদ্য

ৰূমীশ্যামলীমা বড়া

তুলসী তলত চাঁকি জ্বলিলেই
অধীৰভাৱে বাট চাওঁ তই অহালৈ
তোৰ স'তে
শৈশৱৰ ভালপোৱা
তোৰ বুকুতে থৈ আহিলো
মোৰ ল'ৰালিক।
সোণগুটিৰ ঝনঝননিৰ মাজে মাজে
মা-খুড়ী-পেহীহঁতৰ কাঁচিৰ
কিচ্-কিচ্ শব্দৰ তালত
মই জঁপিয়াইছিলো ফৰিঙৰ পাছত।
বৰ কৌশলেৰে বাবুয়ে সৰকাইছিল
মালতী বায়ে লুকাই ৰখা
বৰটেঙা আৰু জলফাইৰ টোপোলা



ৰুবু, মামুহঁতৰ ইংগিত পালেই
দৌৰিছিলো নবাৰ মাজেৰে
কেঁচা নবাৰ আঁচোৰত
কলাফুল ৰাঙলী হৈছিল
পিছে, মালতী বাইৰ অভিশাপ
আমাৰ বাবে আশীৰ্বাদেই আছিল
মাৰ ৰঙা চকুৰ আঁৰত দেখিছিলো
মৰমৰ শাসন।
যেতিয়া চাৰিদিন এন্ধাৰ কোঠাত
আবদ্ধ হ'লো
এবুকু দুখ লৈ আঁতৰি আহিলো
সমনীয়াৰ কাষৰ পৰা।
আঘোণ তই আহিলেই
পথাৰখনে মোক হাতবাউল দিয়ে
তাতে সিঁচৰতি হৈ আছে
মোৰ সপোনবোৰ ....।



# আকৌ কুকুৰ

তেগমণি প্ৰধান

আকৌ এদল
কুকুৰৰ জন্ম হ'ল,
এই দল কুকুৰ হ'ল
একৈশ শতিকাৰ নিষ্ঠুৰতা,
নিশংসতাৰ জলন্ত প্ৰতীক।
মানুহৰ তেজৰ গোন্ধই
এই দল কুকুৰক বলিয়া কৰে,
আৰু প্ৰায় উন্মাদ কৰি তোলে।
ইহঁতৰ ৰক্তপিপাষু বনৰীয়া আচৰণত,
মহাত্মাৰ বাণী ধুলিত উৰুৱাই দিয়ে,
এইদল কুকুৰে নুভুকে ,
কামোৰেহে ....
যাৰ বিষাক্ত কামোৰত বিষময় হয়,
কোনো হিন্দু নাইবা মুছলমানৰ পৰিয়াল,
ইহঁতৰ বিষাক্ত কামোৰত
কতজন গৃহহাৰা হয়, কতজন পিতৃ-মাতৃহাৰা হয়।
ইহঁতৰ বিৰুদ্ধে মাত দিয়া মানুহৰ সংখ্যা তেনেই কম
কাৰণ প্ৰত্যেকৰে আছে মাথো মৃত্যুভয়,
এই মানৱৰ ওপৰত মানৱৰ ত্ৰাসলীলাই
কবিৰ হৃদয়, শিল্পীৰ হৃদয় আনকি
ভগৱানৰ হৃদয়ও ঝংকাৰিত কৰি তোলে,
কিন্তু, কোনো সহানুভূতি, কোনো দুখ
পৰিস্ফুত নহয়,
এই অত্যাচাৰীৰ মুখবোৰত
কাৰণ এইদল কুকুৰও অমূল্য বৰুৱাৰ দিনৰ
কুকুৰৰ দৰেই নিশৃংসতা আৰু বৰ্বৰতাৰ জলন্ত প্ৰতীক।

— গুজৰাটত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ আলমত।

# মোৰ অনুভৱত নিজান বিহুলতা



বাবুল ভৰলুৱা
স্নাতক ৩য় বৰ্ষ

ওঁঠ আৰু হৃদয়ৰ পৰা ৰসাল ফল যেন এটি শব্দ
সৰিছে
ৰঙৰ পোহাৰ মেলি ফুলি উঠিছে শব্দটি
আৰম্ভ কৰিছে মোৰ সৈতে
জীৱন যাপন।
পাপ নতুবা পূণ্যৰ কথা আচলতে মই ভবা নাই
কাৰণ
ইহঁতে প্ৰতিদিনেই সলাইছে নিজস্ব সংজ্ঞা।
এই শব্দটিয়ে যদি কঢ়িয়াই আনিছে
পাপ নতুবা পূণ্যৰ নিজস্ব গোন্ধ
সেই কথা মই নাজানো
কেৱল জানো
প্ৰেমৰ সুগন্ধময় সেউজীয়া পথাৰ আৰু
শিলক চুম্বন কৰি উপত্যকাৰ মাজেৰে বৈ অহা
জুৰিটিৰ আৰদাৰৰ কথা
মই জানো আৰু
নিঃসংকোচে ক'ব পাৰো
কিদৰে যাতনাত মাতাল জীৱনে
সুৰংগৰে বাট কাটি কাটি বিচাৰি ফুৰিছে প্ৰিয়জনৰ
চকুযোৰ।
পাপ নতুবা পূণ্যৰ দৰে বিতৰ্কিত শব্দৰ কথা বাদ দি।
আৰু ক'ব পাৰো
কেনেকৈ আহি আছো
হেঙুলা চৈ দিয়া নাও এখনত
আহি আছো কেনেকৈ
অনুভৱৰ হাতত হাত থৈ
আৰু
মোৰ অনুভৱে যদি স্পৰ্শ কৰিছে
পাপ নতুবা পূণ্যৰ
শৰীৰ
তেনেহ'লে সেই অৰ্থহীন কোলাহলৰ কথা মই নেজানো
কেৱল চালিজাৰি চাইছো
মোৰ জীৱনৰ পথ পৰিক্ৰমাত লগ পোৱা এটি শব্দৰ
চৰিত্ৰ
কেৱল অনুভৱ কৰিছো এতিয়া
মোৰ অনুভৱত নিজান বিহুলতা।



# গতি

অনুজ চাংমাই
স্নাতক ২য় বৰ্ষ

যন্ত্ৰচালিত নাৱৰ দৰে পানীত খলকনি তুলি
হো-হোৱাই অগ্ৰগতি হোৱা জীৱনবোৰ,
সিহঁতে পানীৰ গভীৰতা গমিব পাৰিবনে ?
অথবা আকাশচুম্বী উচ্চতাত উৰা বিমান যাত্ৰীবোৰ,
সিহঁতে পখীৰ লয়লাস উড়নৰ আনন্দ পাবনে ?
মটৰচাইকেলেৰে প্ৰতিযোগিতা চলোৱা যাত্ৰীবোৰ,
সিহঁতে মাৰাথান দৌৰৰ দৰে আত্মগৌৰৱ লভিবনে ?
যন্ত্ৰৰ মাধ্যমেৰে লভা সুউচ্চ গতি,
সেয়াই আজিৰ প্ৰগতি।
তাত জানো আছে প্ৰকৃত শাৰীৰিক গতি ?
যন্ত্ৰৰ সহায়েৰে লভা প্ৰগতিৰ গতিয়ে
আমাক আত্মবিভোৰ কৰিছে,
আমি পাহৰিছো আপোন সত্বাক
শ্বাশত গতিক।





# প্ৰিয়া

বিৰাজপ্ৰতিম গগৈ
স্নাতক ১ম বৰ্ষ

তুমি প্ৰেম নে,
সাগৰৰ
ওপৰলৈ ভাঁহি অহা জোৱাৰ ?

তোমাৰ দেহৰ পুৰতি পুৰতি গোন্ধই
চাৰিও দিশে বোৱাই তুলিছে
অস্তিমিতৰ প্ৰেমৰ সঁফুৰা।

তোমাৰ মায়াবী চকুৰ চাৱনীত
মৰহিব ধৰা সপোনে
বিচাৰি পাই উত্তৰহীন বহুতো প্ৰশ্ন।

তোমাৰ প্ৰতিডাল 'শৰ'তে
ডেউকাহীন পক্ষীৰ দৰে
পৰিছেহি প্ৰেমৰ অটল গহ্বৰত।

তোমাৰ প্ৰতিটো স্পৰ্শতে
বিচাৰি পাওঁ
অশেষ সহানুভূতিৰ ভাষা।

তোমাৰ অন্তৰৰ সান্নিধ্যই
ভৱাই তোলে
ভাবিব নোৱাৰো কিছুমান কল্পনা।





# সাঁকো

দেৱব্ৰত লাহন
স্নাতক ২য় বৰ্ষ

গঢ়িব খোজা সাঁকো ডাল
পুনৰ ভাঙি যায়
হিংসাৰ বহ্নিত ছিন্নমূল
এই সাঁকো আজি
বিভীষিকাময় চৌদিশে মাথো এটি শব্দ
মৃত্যু ....
হৃদয়খন সৰি পৰি উটি গ'ল হিংসাৰ নদীত
মানৱতা, উদাৰতা ধ্বংস হ'ল নৃশংসতাৰ বলিশালত
উজাই আহি বৈ বৈ ভাহিছে
হিয়া ভগা মাতৃৰ কৰুণ বিননি
ভটিয়াই উটি গ'ল হাঁহি,
সংশয়ৰ গৰাহত ,
বিশ্বাসৰ অভাৱত
থমকি ৰ'ব খোজে খোজ
সাঁকোডালৰ সোমাজত
এই সাঁকোডাল প্ৰায় ভাঙো ভাঙো।
শোষণৰ তীক্ষ্ণ প্ৰহাৰত
সন্মুখত অন্ধকাৰ আজি
স্থবিৰ ভৰি সাঁকোৰ ওপৰত
পিচুৱাৰ শকতি নাই
খহি পৰিছে জীৱন, নিৰ্মম জলস্ৰোতত।

# প্ৰিয়াৰ চিঠিৰ ভাষা



শংকৰ উপাধ্যায়
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

কিছুদিনৰ মূৰত তোমাৰ চিঠিখন পালো
চিঠিৰ ভাজে ভাজে লাজুক লাজুক হৈ উঠিছে,
তোমাৰ দেহ-মনৰ কপৌ ফুলীয়া সুগন্ধি পখিলা
অজান তৃষ্ণাই আলোড়িত কৰিছে হেৰাব খোজা মোৰ সপোন
আলিংগন কাতৰ হেপাহেৰে লুকুৱাই থৈছো
তোমাৰ বাবে এবুকু জোনাকৰ শিহৰণ।

প্ৰতি শব্দতে পাইছো তোমাৰ চিনাকিৰ ওম
স্মৃতিৰ কি যে মমতাময়ী অনুৰাগ।
যেন ফাগুনৰ পিছত আহিছে বহাগ
অথবা নিৰ্জন প্ৰান্তত শুনিছো তোমাৰ অবুজনীৰ ৰাগ।

'তুমি' উজ্জীৱিত আবেগৰ বৰ্ণৰে লিখা
অভিমানীহৃদয়ৰ প্ৰেমময় কথা—
নিবিড়তা ভাঙি সংযমহীন হৈ পৰিছো
পঢ়ি পঢ়ি নিজকে বৰ্ণময় কৰিছো কিছুক্ষণ
সপোনৰ ঢৌ খেলি তৃষাৰ ৰূপালী নৈ
হৃদয়ৰ মোহনালৈ আহিছে বৈ।

চিঠিখনৰ ভাষাৰ সংবেদনে কাণে কাণে কয়
চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ হয়—
এদিন শুগন্ধি ফুলো ডালত লেৰেলি শুকায়।

'তোমালৈ' চিঠিখন লিখিম মই—
আকাশৰ তৰা গণি গণি—
হ'ব, বুলি নিশ্চয় এদিন নতুন সপোনৰ আৰম্ভণি।

# শংকা

আঞ্জুম আৰা হক
উঃ মাঃ ২য় বৰ্ষ



বোমাৰ গাজনিত
কম্পিত আকাশ পাতাল
প্ৰভাতি পুৱাৰ সোণোৱালী
আদিত্যৰ আভাত
প্ৰলেপ বাৰুদৰ ধোঁৱাৰ।
পখিৰ কাকলি বিলুপ্ত আজি !
ভাহিছে দশোদিশে
মাথো এটি ঝংকাৰ—
'যুদ্ধ কৰো আহা।'
ক্ষেপণাস্ত্ৰৰ হুংকাৰত
আলোড়িত চৌদিশ
নিৰ্দোষীজনৰ হিয়া ভেদ্য
এ. কে. ৪৭ৰ গুলীত।

ফুলৰ সুৱাসত
কেঁচা তেজৰ গোন্ধ,
সুলভ মূল্যত
ৰক্তৰ গোটমৰা চেকুৰা।
মেঘাচ্ছন্ন আকাশত
বিচ্ছিন্ন অংগ,
নিশ্বাসৰ লগৰী
হত্যাৰ ভাবুকি।
কি যে বিভৎস !
জীৱনৰ প্ৰথম পুৱাত
চিনাকি, শস্য-শ্যামলা
আই বসুন্ধৰাৰ,
প্ৰাকৃতিক ভাৰসাম্য
ৰক্ষাৰ প্ৰয়াসত,
পৰিণতি কৰুণ।





# তোমালৈ ক্ষমাৰে ....

নাৰায়ণ তেলী
স্নাতক ৩য় বৰ্ষ (কলা)

সমন্ধৰ এনাজৰী
সময়ৰ সোঁতেৰে
সমন্বয়ৰ ঢোলেৰে
সজাব নোৱাৰিলো
সোণজনী ক্ষমা কৰিবা।

সময় বৰ নিষ্ঠুৰ
সততাৰ কঠোৰ বান্ধোন
সৌন্দৰ্যৰ কালচকৰীত
সপোনৰ মৰিচিকাত
সোঁৱৰিম মোৰ দোষ
সোণজনী ক্ষমা কৰিবা।



সুগন্ধিৰ শেষ ৰাত্ৰি
সুবাহ যৌৱনৰ বিস্মৃতি
সোঁৱৰিম দুভাগ ৰাতি
সোঁৱৰণিত তোমাৰ স্মৃতি
সোণজনী ক্ষমা কৰিবা।

# তোমাৰ বাবে

মুকুল বৰুৱা
স্নাতক ৩য় বৰ্ষ



তোমাৰ বাবে।
কেৱল তোমাৰ বাবে।।
প্ৰতিক্ষণ,
প্ৰতিপল,
প্ৰতিদিন,
মোৰ প্ৰেমৰ উৎকণ্ঠা।
দুচকুত চিলমিলাই
অনন্ত প্ৰহৰীৰ দৰে
এখনি মৃন্ময় ছবি।।
তুমি আহিলে
মোৰ হৃদয়ত বাথৌ নৃত্য।
নৃত্যৰত আঙুলি
কেতিয়াবা ভূমুকিতো মাৰিয়ে তুমি
নিৰুদ্দেশ হৈ পৰা,
সুদীৰ্ঘ প্ৰতীক্ষাত
অধীৰ হওঁ মই
পখিলা পাখিৰ দৰে
অনুভৱৰ মৃদু আঘাতত
মিঠা আৱেশ।।
এইদৰে।
মোৰ তৃষ্ণাৰ পিয়লাত
ঢালি দিয়া তুমি
প্ৰেমৰ মদিৰা।।

# সোণাৰি মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰাক্তন অধ্যক্ষকেইজনৰ চমু সাক্ষাৎকাৰ

-ঃ প্ৰশ্নসমূহ ঃ-

১) নাম
২) ঠিকনা
৩) আপোনাৰ জন্ম ক'ত আৰু কেতিয়া ?
৪) প্ৰাথমিক শিক্ষা ক'ত ?
৫) মাধ্যমিক শিক্ষা ক'ত, কোন স্কুলত আৰু কেতিয়া প্ৰৱেশিকা উত্তীৰ্ণ হয় ?
৬) কোন কলেজৰ পৰা আৰু কেতিয়া আপুনি স্নাতক মহলা উত্তীৰ্ণ হয় ?
৭) কোন চনত কোনখন বিশ্ববিদ্যালয়ৰ পৰা আপুনি স্নাতকোত্তৰ মহলা উত্তীৰ্ণ হয় ?
৮) সোণাৰি মহাবিদ্যালয়ত শিক্ষকতা কৰাৰ আগতে আপুনি ক'ৰবাত শিক্ষকতা কৰিছিল নেকি ?
৯) কোন চনত আপুনি সোণাৰি মহাবিদ্যালয়ত যোগদান কৰিছিল ?
১০) সোণাৰি মহাবিদ্যালয়ত শিক্ষকতা কৰি থকা সময়ত আপুনি মহাবিদ্যালয়ৰ কি কি দায়িত্বত আছিল জনাবনে ?
১১) আপুনি কি কি সামাজিক অনুষ্ঠানৰ লগত জড়িত ?
১২) সামাজিক স্বীকৃতি ?
১৩) জীৱনৰ সাফল্য ?
১৪) গ্ৰন্থ প্ৰকাশ ?
১৫) সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা জড়িত ব্যক্তি হিচাপে আপোনাৰ অংশগ্ৰহণকালীন সময় আৰু বৰ্তমান সময় সম্পৰ্কে আপোনাৰ ধাৰণা কি ?
১৬) সোণাৰি মহাবিদ্যালয়ৰ লগত জড়িত আপোনাৰ ব্যক্তিগত স্মৰণীয় মুহূৰ্ত বা ঘটনাটো কি ?
১৭) মহাবিদ্যালয়ৰ ভৱিষ্যত উত্তৰণৰ বাবে বহুমূলীয়া পৰামৰ্শ কি কি ?

-ঃ উত্তৰসমূহ ঃ-

১) **শ্ৰী সুৰেশ দাস**
২) সোণাৰি, ৱাৰ্ড নং ৭, পোঃ অঃ সোণাৰি
৩) বনমালি চাহ বাগিচাত, ইং ২৭ ছেপ্টেম্বৰ, ১৯৪২ চনত।
৪) বনমালি বাগিচা প্ৰাথমিক বিদ্যালয়।
৫) ধেমাজী দিচাংপানী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৫৮ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ।
৬) গুৱাহাটী কটন কলেজৰ পৰা ১৯৬২ চনত স্নাতক পৰীক্ষাত উত্তীৰ্ণ।





৭) গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৭ চনত ৰাজনীতি বিজ্ঞান বিষয়ত স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ।
৮) ধেমাজী দিচাংপানী উচ্চ মাধ্যমিক বিদ্যালয়ত ১৯৬৭ চনত এবছৰৰ বাবে আৰু ১৯৬৮ চনৰ পৰা ১৯৭০ চনলৈ দুবছৰৰ বাবে সোণাৰিৰ ভগৱতী প্ৰসাদ বৰুৱা সৌৰৱণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰা হৈছিল।
৯) ১৯৭০ চনত সোণাৰি মহাবিদ্যালয়ত যোগদান কৰা হয়।
১০) ১৯৭৩ চনৰ পৰা ১৯৯৬ চনৰ ৩১ অক্টোবৰ পৰ্যন্ত উপাধ্যক্ষ হিচাপে আৰু ১৯৯৬ চনৰ ১ নৱেম্বৰৰ পৰা ২০০০ চনৰ ৩১ জানুৱাৰী তাৰিখলৈকে অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰা হয়।
১১) বৰ্তমান সোণাৰি জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি, সোণাৰি নাট্যসমাজৰ কাৰ্যকৰী সভাপতি, সোণাৰি সংগীত মহাবিদ্যালয়ৰ কাৰ্যকৰী সভাপতি আৰু চৰাইদেউ জিলা ক্ৰীড়া সন্থাৰ আজীৱন সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা হৈছে।
১২) উল্লেখযোগ্য নাই।
১৩) মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠা আৰু প্ৰতিষ্ঠাৰ সুদীৰ্ঘ ২৭ বছৰৰ পিছত অধ্যক্ষ হিচাপে মোৰ কাৰ্যকালতেই পোন প্ৰথমবাৰৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা স্বীকৃতি হাচিল কৰি মহাবিদ্যালয়খনিৰ বাবে নৱম পৰিকল্পনাৰ অধীনত বিভিন্ন শিতানত মুঠ ১২ লাখ টকাৰ অনুদান লাভ কৰিব পৰাটোকে জীৱনৰ সাফল্য বুলি গণ্য কৰোঁ।
১৪) গ্ৰন্থ প্ৰকাশ এই পৰ্যন্ত নাই।
১৫) সেই সময়ত মানুহৰ ধ্যান-ধাৰণা, চিন্তা, মানসিকতাত কৃত্ৰিমতা নাছিল। শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যি মধুৰ সম্পৰ্ক আছিল তাক আজিকালি কৃত্ৰিমতা সানি পেলোৱা হৈছে যেন অনুমান হয়। সকলো যেন আত্মকেন্দ্ৰিক হৈ পৰিছে। সেই সময়ত শিক্ষানুষ্ঠান এখনৰ উন্নতিৰ বাবে সকলোৱে ত্যাগ স্বীকাৰ কৰিবলগা হৈছিল আৰু সেয়ে ত্যাগৰ মনোভাৱ গঢ়ি উঠিছিল। কিন্তু আজিকালি সেই মনোভাৱৰ প্ৰয়োজনীয়তা নোহোৱাত অনুষ্ঠানটিৰ প্ৰতি থকা মৰমত কৃত্ৰিমতা আহি পৰিল। আনকি অনুষ্ঠানখনিৰ স্বাৰ্থত আমি নিজ নিজ আদৰ্শক ত্যাগ কৰি একগোট হ'বলৈ কুণ্ঠাবোধ কৰা হ'লো।
১৬) ১৯৭০ চনৰ ৫ আগষ্ট দিনটোত সোণাৰি মহাবিদ্যালয় প্ৰতিষ্ঠা আৰু দ্বিতীয়তে, সেই দিনটোতে মহাবিদ্যালয়তে মোৰ পৰিবাৰৰ লগত প্ৰথম পৰিচয় হোৱাৰ ঘটনাটোৱেই মোৰ জীৱনৰ মধুৰ ও স্মৰণীয় ঘটনা।
১৭) ছাত্ৰ-ছাত্ৰী শিক্ষক শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ মাজত সমন্বয় গঢ়ি তোলাটো নিতান্ত প্ৰয়োজন। যুগৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ উপকাৰত অহা বৃত্তিমুখী পাঠ্যক্ৰম প্ৰবৰ্তন কৰাৰ ব্যৱস্থা কৰা প্ৰয়োজন। জ্ঞানৰ মন্দিৰ স্বৰূপ মহাবিদ্যালয়খনিৰ সৌন্দৰ্য অটুট ৰখাৰ প্ৰতি চকু ৰখা প্ৰয়োজন। নিজ ঐতিহ্যৰে পূৰ্ণ মহাবিদ্যালয়খনিৰ চৌহদটিৰ সৌন্দৰ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি দৃষ্টি ৰাখি এটি সুস্থ পৰিবেশত শিক্ষা গ্ৰহণৰ সুবিধা দিবলৈ ছাত্ৰ একতা সভাই প্ৰয়োজন হ'লে এটি নতুন বিভাগ স্থাপন কৰি সেই দায়িত্ব অৰ্পন কৰিলে মহাবিদ্যালয়খনিৰ ভৱিষ্যত উত্তৰণত যথেষ্ট সহায়ক হ'ব। মহাবিদ্যালয় কতৃপক্ষৰ লগত সকলো ক্ষেত্ৰতে ছাত্ৰ-ছাত্ৰীসকলৰ পূৰ্ণ সহযোগ যে অনুষ্ঠানটিৰ উন্নতিৰ মূল ছাবি-কাঠি সেই কথা সদায়ে মনত ৰখা প্ৰয়োজন।

১) **শ্ৰী ৰবিন চন্দ্ৰ কোঁৱৰ**
২) পাৰ্বতিপুৰ, পোঃ অঃ সোণাৰি, জিলাঃ- শিৱসাগৰ, অসম
৩) মোৰ জন্ম মাহমৰা কোঁৱৰ গাঁৱত, ১৯৪১ চনত।
৪) খাৰঘৰীয়া ডবা এল. পি. স্কুলত (বৰ্তমান মধ্য ইংৰাজী বিদ্যালয়)
৫) ধেমাজী দিচাংপানী উচ্চ ইংৰাজী বিদ্যালয়ত (বৰ্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়) মাধ্যমিক শিক্ষা গ্ৰহণ কৰোঁ। ১৯৫৮ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হওঁ।
৬) শিৱসাগৰ কলেজৰ পৰা ১৯৬২ চনত মই স্নাতক মহলাত উত্তীৰ্ণ হওঁ।
৭) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৯ চনত মই স্নাতকোত্তৰ মহলাত উত্তীৰ্ণ হওঁ।

৮) সোণাৰি মহাবিদ্যালয়ত শিক্ষকতা কৰাৰ আগতে মই ধেমাজি দিচাংপানী উচ্চ ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰিছিলো।

৯) ১৯৭০ চনত মই সোণাৰি মহাবিদ্যালয়ত যোগদান কৰিছিলো।

১০) সোণাৰি মহাবিদ্যালয়ত ইংৰাজী বিষয়ৰ প্ৰবক্তা ৰূপে যোগদান কৰি পিছলৈ সেই বিভাগৰে মূৰব্বীৰ দায়িত্বত থকাৰ উপৰি ১৯৯৬ চনৰ নৱেম্বৰ মাহৰ পৰা উপাধ্যক্ষৰ দায়িত্বত আৰু ২০০০ চনৰ ফেব্ৰুৱাৰী মাহৰ ১ (এক) তাৰিখৰ পৰা ২০০১ চনৰ ৩১ জানুৱাৰীলৈকে এবছৰ অধ্যক্ষৰ দায়িত্বত আছিলোঁ।

১১) মই সোণাৰি শাখা সাহিত্য সভা, সোণাৰি বাণিজ্য মহাবিদ্যালয় ——প্ৰধানতঃ এই দুটা অনুষ্ঠানৰ লগত জড়িত।

১২) উল্লেখযোগ্য কোনো সামাজিক স্বীকৃতি মই এতিয়ালৈকে লাভ কৰা নাই।

১৩) বিভিন্ন সময়ত প্ৰতিকূল পৰিস্থিতিৰ সন্মূখীন হ'ব লগা হোৱা সত্ত্বেও বিবেকৰ নিৰ্দেশ মানি সৎ পথৰ পৰা বিচলিত নহৈ সৎ চিন্তাক সাৰথি কৰি 'মাথাৰ ওপৰে মানুষ সত্য' আৰু 'Live and let live' (জীয়াই থাকা আৰু (আনকো) জীয়াই থাকিবলৈ দিয়া) এনে ধৰণৰ ধাৰণাৰে জীৱনটোক পৰিচালিত কৰিবৰ বাবে প্ৰয়োজনীয় মানসিক প্ৰস্তুতি এতিয়ালৈকে অটুত ৰাখিব পৰাটোৱেই মোৰ জীৱনৰ সাফল্য বুলি মই অনুভৱ কৰোঁ।

১৪) বৰ্তমানলৈকে মোৰ কোনো গ্ৰন্থ প্ৰকাশ হোৱা নাই।

১৫) ১৯৭০ চনৰ ৫ আগষ্ট অৰ্থাৎ সোণাৰি মহাবিদ্যালয়ৰ জন্ম লগ্নৰ পৰা ২০০১ চনৰ ৩১ জানুৱাৰীলৈকে এই সুদীৰ্ঘ তিনিটা দশক জুৰি অনুষ্ঠানটিৰ সৈতে মই জড়িত হৈ থকা সময়ছোৱা মোৰ বাবে আছিল অদম্য উৎসাহ, অন্তহীন আশা আৰু অণুপ্ৰেৰণাৰে ভৰ পূৰ। সেই সময়ত শিক্ষানুষ্ঠানৰ দৰে সামাজিক অনুষ্ঠানবিলাকৰ সৈতে জড়িত প্ৰায়বিলাক ব্যক্তিৰ ক্ষেত্ৰতেই এটা কথা পৰিলক্ষিত হৈছিল সেইটো হৈছে— তেখেতসকল আন্তৰিকভাৱে জড়িত হোৱাৰ লগতে অনুষ্ঠানটিৰ সৰ্বাংগীন উন্নতিৰ প্ৰতি দায়বদ্ধ আছিল। কিন্তু মোৰ বোধেৰে বৰ্তমান সময়ত সমাজ জীৱনৰ সকলো স্তৰতে এনেধৰণৰ 'দায়বদ্ধতা'ৰ অভাৱ ঘটিছে।

১৬) ২০০০ চনৰ ১ ফেব্ৰুৱাৰীৰ দিনা সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ৰূপে দায়িত্বভাৰ গ্ৰহণ কৰা মুহূৰ্তটো।

১৭) মহাবিদ্যালয়খনিৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান বিকাশৰ বাবে প্ৰয়োজনীয় বিভিন্ন বিষয়ৰ অধিক সংখ্যক গ্ৰন্থ ক্ৰয় কৰি গ্ৰন্থাগাৰটিৰ সৰ্বতোপ্ৰকাৰ উন্নতি সাধনৰ লগতে আধুনিক জগতৰ সৈতে খাপ খুৱাকৈ অন্যান্য বিষয়সমূহৰ উপৰি বৃত্তিমুখী কিছুমান বিষয়ৰ শিক্ষাদানৰ ব্যৱস্থা কৰাটো বাঞ্ছনীয় বুলি বিবেচনা কৰোঁ।

## প্ৰাক্তন অধ্যক্ষা স্বৰ্গীয়া কমলাৱতী (দাস) শইকীয়া বাইদেউৰ চমু পৰিচয়

স্বৰ্গীয়া কমলাৱতী (দাস) শইকীয়া বাইদেউৰ জন্ম হয় ১৯৪৪ চনৰ ১ চেপ্তেম্বৰত নগাঁৱৰ ৰহাত। ৰহা বুনিয়াদী বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা সাং কৰি ৰহা হাইস্কুলৰ পৰা ১৯৬০ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তেখেতে ১৯৬৫ চনত গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ পৰা 'শিক্ষা' বিষয়ত সন্মানসহ স্নাতক মহলা উত্তীৰ্ণ হৈ ১৯৬৯ চনত গুৱাহাটী বিশ্ববিদ্যালৰ পৰা স্নাতকোত্তৰ মহলা উত্তীৰ্ণ হয়। সোণাৰি মহাবিদ্যালয়ত যোগদান কৰাৰ আগতে স্বৰ্গীয়া বাইদেৱে ১৯৬৪ চনত ৰহা মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰিছিল। ১৯৭০ চনৰ ৯ চেপ্তেম্বৰ তাৰিখে কোনোবা এতি শোভ ক্ষণত বাইদেৱে শিক্ষা বিভাগৰ প্ৰবক্তা হিচাপে সোণাৰি মহাবিদ্যালয়ত যোগদান কৰিছিল। পাছত ২০০১ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা স্বৰ্গীয়া বাইদেৱে মৃত্যু পৰ্যন্ত অধ্যক্ষা পদত অধিস্থিত হৈ আছিল। মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন বিকাশৰ বাবে অশেষ পৰিশ্ৰম কৰা স্বৰ্গীয়া বাইদেউ ছাত্ৰ একতা সভাৰ সভাপতি, আলোচনী বিভাগৰ উপদেষ্টা, উপাধ্যক্ষ, অধ্যক্ষ আদি গুৰুত্বপূৰ্ণ পদত অধিস্থিত হৈছিল। ইয়াৰোপৰি তেওঁ অসম লেখিকা সন্থাৰ উপ-সভানেত্ৰী, অসম মহিলা কৰ্মচাৰী পৰিষদৰ উপ-সভানেত্ৰী, চৰাইদেউ জিলা মহিলা সমিতিৰ সভানেত্ৰী, অগপ চৰাইদেউ জিলা মহিলা গোটৰ সভানেত্ৰী আদি গুৰু দায়িত্ব দক্ষতাৰে পালন কৰিছিল। যোৱা ২০০৪ চনৰ ৩১ মাৰ্চ তাৰিখ বুধবাৰৰ দিনা এইগৰাকী বাইদেউৰ অকাল বিয়োগ ঘটে। এগৰাকী ধৈৰ্যশীল, কষ্টসহিষ্ণু, উৎসাহি, স্পষ্টবাদী কমলা বাইদেউৰ মৃত্যুত সকলো থাকিও আমি যেন নিঃসহায় দিশহাৰা। স্বৰ্গীয়া কমলাৱতী দাস বাইদেউ কৰ্মস্পৃহা, তেখেতৰ উৎসাহি মন, অগ্ৰণী চিন্তাধাৰাৰ বাবে তেখেত আমাৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ল। ☆





# সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তথা সোণাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰী তপন কুমাৰ গগৈৰ লগত এটি অন্তৰংগ মুহূৰ্ত

আঁত ধৰোতা ঃ- শ্ৰীযুত ৰঘুনাথ কুাগয়ুং (প্ৰবক্তা, অসমীয়া বিভাগ), অমৃত কুমাৰ গুৰুং (সম্পাদক, আলোচনী বিভাগ)

বিশেষ সহযোগিতাত ঃ- সুৰেশ ফুকন, মাধুৰ্য ফুকন, বিজিত কোঁৱৰ।



○ নমস্কাৰ।

☆ নমস্কাৰ।

? অসমৰ ছাত্ৰ সংগঠনবোৰৰ ভিতৰত সৰ্ববৃহৎ আৰু সৰ্বগ্ৰহণযোগ্য ছাত্ৰ সংগঠন হিচাপে যিদৰে এচামে সদৌ অসম ছাত্ৰ সন্থাৰ স্বীকৃতি দিব বিচাৰে— সিদৰে এচামে স্বীকৃতি দিব নিবিচাৰে, এই সম্পৰ্কত আপোনাৰ মতামত কি ?

☆ আছু এক অৰাজনৈতিক ছাত্ৰ সংগঠন। সদৌ অসম ছাত্ৰ সন্থাত সকলো জাতি-জনজাতি আৰু ধৰ্মাৱলম্বী মানুহ থাকিব পাৰে। আছুত এটা জনগোষ্ঠীৰে ছাত্ৰ-ছাত্ৰী নাথাকে। আছুৱে সদায় অসম আৰু অসমীয়াৰ কাৰণে মাত মাতি আহিছে। এই ক্ষেত্ৰত কোনে আমাক স্বীকৃতি দিছে বা নাই দিয়া, ভাল পাইছে বা নাই পোৱা— এইটো আছুৰ কাৰণে ডাঙৰ কথা নহয়। আমাৰ কথা হ'ল অসম আৰু অসমীয়াৰ স্বাৰ্থ সুৰক্ষিত হ'ব লাগে।

? বিদেশী বিতাৰণকে প্ৰধান 'ইছ্যু' হিচাপে লৈ সদৌ অসম ছাত্ৰ সন্থাৰ আত্ম প্ৰকাশ ঘটে। কিন্তু বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ হিচাপে ১৯৭১ চনৰ ২৫ মাৰ্চ বাছি লোৱাৰ কাৰণ কি ?

☆ আচলতে আছুৰ আত্মপ্ৰকাশ বিদেশী বিতাৰণৰ পৰা নহয়। লক্ষ্মীনাথ বেজবৰুৱাহঁতৰ দিনৰ পৰা 'অসম ছাত্ৰ সন্মিলন' আছিল, মাত্ৰ 'সন্থা' নামটোহে শেহতীয়াকৈ দিয়া হৈছে। কালক্ৰমত ইয়েই 'সদৌ অসম ছাত্ৰ সন্থা' হয়। বিদেশী বিতাৰণৰ আগতো খাদ্য আন্দোলন, ভাষা আন্দোলন, তেল শোধনাগাৰ আন্দোলন আদি হৈছিল ; কিন্তু ব্যাপকভাৱে অসমৰ অস্তিত্ব ৰক্ষাৰ কাৰণে বিদেশী বিতাৰণ আন্দোলনটো ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ হৈছিল। ভিত্তি বৰ্ষ হিচাপে প্ৰথমে ১৯৫১ চনটো লোৱা হৈছিল যদিও আলোচনা মৰ্মে ১৯৭১ চনৰ ২৫ মাৰ্চতো লোৱা হয়।

? শেহতীয়াকৈ কাগজে-পত্ৰে অত্যাধিক আলোচিত বিষয়টো হ'ল অসমীয়া কোন ? খিলঞ্জীয়া অসমীয়া, থলুৱা অসমীয়া আৰু অসমৰ ভূমিপুত্ৰ কোনবোৰ ? এই ক্ষেত্ৰত আছুৰ দৃষ্টিভংগী কি ?

☆ অসমীয়াৰ প্ৰসঙ্গত আমি নৃ-তত্ত্ববিদ আৰু বিভিন্ন ব্যক্তিৰ কাষ চাপিছিলোঁ। ইয়াণ্ডাবু সন্ধি (১৮২৬) ৰ আগত অহা মানুহখিনি অসমীয়া হ'ব পাৰে। ১৯৫১ চনত ভাৰতৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী প্ৰস্তুত কৰিছিল, গতিকে সেই সময়ত থকা মানুহখিনিও অসমীয়া হ'ব পাৰে। যিবিলাক

জিলাত নাগৰিক পঞ্জী নাছিল তেওঁলোকৰ কাৰণে ১৯৫২ চনৰ ভোটাৰ তালিকাখন লব পাৰোঁ। ১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰে। সেই চনটোও অসমীয়াৰ সংজ্ঞা সমাধানৰ সূত্ৰ হ'ব পাৰে। কিন্তু আলোচনামৰ্মে— ১৯৭১ চনৰ ২৫ মাৰ্চটো ধৰা হ'ল।

? অসম সাহিত্য সভাৰ পিছতে অসমৰ দ্বিতীয় সৰ্ববৃহৎ জাতীয় অনুষ্ঠান হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ অসমৰ থলুৱা ভূমিপুত্ৰ বা খিলঞ্জীয়া জনগোষ্ঠীৰ প্ৰতি দায়িত্ব আৰু কৰ্তব্য অসীম বুলি আমি ভাবোঁ। কিন্তু প্ৰায়ে শুনা যায়— অসমৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনজাতি বা থলুৱা ভূমিপুত্ৰসমূহৰ সমস্যা সমাধানৰ বেলিকা সদৌ অসম ছাত্ৰ সন্থা বৰ বেছি তৎপৰ নহয়; আনকি বহু সময়ত জনগোষ্ঠীসমূহৰ সমস্যা সমাধানৰ বেলিকা আওকাণ কৰা দেখা যায় বুলি জনগোষ্ঠীয় সংগঠনসমূহে ক'ব খোজে, এই ক্ষেত্ৰত আপোনাৰ মতামত কি ?

☆ আছু বিভিন্ন জনগোষ্ঠীৰ সমন্নয়ত গঠিত। প্ৰত্যেক জনগোষ্ঠীৰে জাতীয় সংগঠন আছে। তেওঁলোকে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে আৰু আমি সহযোগ কৰি আহিছোঁ। ভাষা-সংস্কৃতিৰ বেলিকাও তেওঁলোকে যি উন্নয়নমূলক পদক্ষেপ লৈছে তাক আমি সমৰ্থন আৰু সহযোগিতা কৰি আহিছোঁ। অকল আছুৱে অসম বচাব নোৱাৰে; অসমৰ উন্নতি সাধিব নোৱাৰে; এই ক্ষেত্ৰত জনগোষ্ঠীসমূহৰ সমৰ্থন সহযোগিতাৰ সম্পূৰ্ণ প্ৰয়োজন। আছুৱে আগতে ভুল কৰিব পাৰে। কিন্তু সেই ভুলবোৰ আমি সংশোধন কৰিবলৈ যত্ন কৰিছোঁ। মাননীয় সৰ্বানন্দ সোণোৱাল আৰু সমুজ্জ্বল ভট্টাচাৰ্যৰ কাৰ্যকালৰ পৰাই জনগোষ্ঠীয় সমস্যা সমাধানত অধিক গুৰুত্ব দি আহিছে আজিৰ তাৰিখলৈকে।

? হাজাৰজনে প্ৰশ্ন কৰিলেও আমি ভাবোঁ— অসমৰ জাতীয় সমস্যাৰ সমাধানৰ ক্ষেত্ৰত আটাইতকৈ সৰৱ ভূমিকা পালন কৰা অগ্ৰণী অনুষ্ঠানটোৱে হ'ল সদৌ অসম ছাত্ৰ সন্থা। তথাপিও সঘনাই উত্থাপিত প্ৰশ্নটো হ'ল— অসমৰ সমাজ সংস্কৃতি আৰু অৰ্থনৈতিক বুনিয়াদ ভাঙি থানবান কৰা বানপানী আৰু গৰাখহনীয়াৰ নিচিনা জ্বলন্ত সমস্যাটো ভাৰতৰ ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰিবলৈ ভাৰত চৰকাৰক আছুৱে সৈমান কৰিব পাৰিব লাগিছিল। যদিও আজিকোপতি কৰিব পৰা নাই। মাজে মাজে ভাৰত চৰকাৰে গৰাখহনীয়া আৰু বানপানীৰ সমস্যাটো ভাৰতৰে ৰাষ্ট্ৰীয় সমস্যা বুলি ক'ব খোজে যদিও বাস্তৱ ক্ষেত্ৰত কাৰ্যকৰী ৰূপায়ন দেখা নাযায়। এই ক্ষেত্ৰত আপোনাৰ মতামত কি ?



☆ এই সমস্যাটো সমাধানৰ কাৰণে বহুতবাৰ আন্দোলন কৰা হৈছে। চেমিনাৰ অনুষ্ঠিত কৰা হৈছে। বহু চৰকাৰ আহিল, গ'ল। কিন্তু সমস্যা সমাধান নহ'ল। মাননীয় প্ৰধানমন্ত্ৰী ড° মনমোহন সিং যেতিয়া অসমলৈ আহিছিল— আমি প্ৰতিবাদ কৰা কথা কৈছিলোঁ। তাৰ ফলত যোৱা ৫/৫/০৫ তাৰিখে ত্ৰিপাক্ষিক বৈঠকৰ ভাৰত চৰকাৰে আহ্বান কৰে। এই আলোচনাতে প্ৰধানমন্ত্ৰী ডাঙৰীয়াই বানপানী আৰু গৰাখহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে স্বীকৃতি দিয়ে। তেওঁলোকে সদ্যহতে এখন 'টাস্ক ফৰ্চ' গঠন কৰিছে আৰু তাৰ পৰা প্ৰতিবেদনৰ ভিত্তিতে কামত আগবাঢ়িব।

? ব্ৰহ্মপুত্ৰ খান্দি ইয়াৰ পানী বাহিৰলৈ ওলিয়াই অসমৰ বানপানীৰ সমস্যাটো সমাধান হ'ব বুলি ভাৰত চৰকাৰে ক'ব খোজে। কিন্তু এই ক্ষেত্ৰত আছুৰ ভূমিকা বিপৰীত ইয়াৰ কাৰণ কি ?

☆ কেন্দ্ৰীয় চৰকাৰে নদী সংযোগী বুলি এটা ব্যৱস্থা কৰিছে। তেওঁলোকৰ উদ্দেশ্য ভাৰতত ডাঙৰ নদীবোৰ একত্ৰীকৰণ কৰা। ভূটান বৰ্ডাৰৰ কাষেদি মানাসহৈ ব্ৰহ্মপুত্ৰৰ পানীখিনি তেওঁলোকে অন্যৰাজ্যলৈ ওলিয়াব বিচাৰিছে। আমাৰ প্ৰশ্ন হ'ল— অসমৰ কৃষকৰ কাৰণে কিমান পানীৰ আৱশ্যক হ'ব এই সম্পৰ্কে কোনোবাই Researce কৰিছেনে ? আচলতে এইটো এটা বিজেপিৰ চক্ৰান্তহে। ৰাজস্থান আদি ঠাইত পানীৰ নাটনিৰ কাৰণে ব্ৰহ্মপুত্ৰৰ পানীৰে পুৰাব খুজিছে; কাৰণ সেইবোৰ ৰাজ্য বিজেপিৰ ভোট বেংক। গতিকে আমি প্ৰতিবাদ কৰিছো।

? দেখা গৈছে যে চৰকাৰে বনানীকৰণ আৰু বন সংৰক্ষণৰ অজুহাতত থলুৱা জনগোষ্ঠীসমূহ উচ্ছেদ কৰি আহিছে। আনহাতে অসমৰ সীমামূৰীয়া অঞ্চলবোৰৰ বা গোলাঘাটৰ ডি-চেক্টৰৰ মাটিবোৰ ইতিমধ্যে পৰ্য্যায়ক্ৰমে নগা, অৰুণাচলী আৰু বাংলাদেশী বিলাকে দখল কৰি স্থায়ী ভাৱে বাস কৰিবলৈ লৈছে। এই ক্ষেত্ৰত থলুৱা জনগোষ্ঠীখিনিক— যিসকলৰ বাসস্থানৰ অভাৱ— সেইসকলক অসমৰ সীমামূৰীয়া ঠাইবোৰক পুনঃসংস্থাপন দিলে অসমৰ মাটিও সংৰক্ষিত হ'ব আৰু থলুৱা জনগোষ্ঠীসমূহো সংস্থাপিত হ'ব। এই ক্ষেত্ৰত এনে পদক্ষেপ লবৰ বাবে আছুৱে চৰকাৰক হেঁচা দিব নোৱাৰে নেকি ?

☆ আমি বনাঞ্চল সংৰক্ষণৰ দাবী জনাইছোঁ কিন্তু যিবোৰ মাটি এনেয়ে পৰি আছে, যিবোৰ মাটি ৯৯ বছৰৰ বাবে চাহ বাগিচাৰ নামত লিজত লৈছিল— অথচ ম্যাদ উকলিল— এইবোৰ মাটিত বানপানীত ক্ষতিগ্ৰস্ত মানুহবোৰৰ সংস্থাপন





কৰিব লাগে। এয়ে নহয়, চৰকাৰৰ এটা স্পষ্ট ভূমি নীতি থাকিব লাগে। অসমীয়া মানুহখিনিক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্ৰাঃ চাহ জনজাতিক মাটিৰ পট্টা দিব লাগে, খিলঞ্জীয়া অসমীয়াৰ হাতত আজি মাটিৰ অধিকাৰ নাই, গতিকে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

? আমগুৰি তৈলক্ষেত্ৰৰ দায়িত্ব বিদেশী কোম্পানীক দিব খোজাত অসমৰ সৰ্বত্ৰে প্ৰতিবাদৰ জোৱাৰ উঠিছে। A.I.S.F. (All India Students' Federation)-এ এই ক্ষেত্ৰত অগ্ৰণী আৰু সৰৱ ভূমিকা গ্ৰহণ কৰা দেখিছোঁ। কিন্তু আছুক এই ক্ষেত্ৰত সৰৱ হোৱা দেখা নাই যেন লাগে। আপোনাৰ মতামত ?

☆ আছুৱে নিজা কাৰ্যসূচীমতে কাম কৰে। আমগুৰি তৈলক্ষেত্ৰতো কনেৰ' কোম্পানীক দিব বিচৰাত আমি প্ৰতিবাদ কৰিছোঁ। শিৱসাগৰ জিলা ছাত্ৰ সন্থাক তাৰ কাৰণে দায়িত্ব দিছোঁ আৰু তেওঁলোকে দায়িত্ব পালন কৰি প্ৰতিবাদী কাৰ্যসূচী লৈছে।

? AASU - মূলতঃ ছাত্ৰ সংগঠন। অতি শেহতীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ উন্নয়নৰ বেলিকা AASU -ৱে কি কি পদক্ষেপ গ্ৰহণ কৰিছে ? লগতে শৈক্ষিক দিনপঞ্জীৰ সম্পৰ্কে ক'ব নেকি ?

☆ ছাত্ৰানুষ্ঠান হিচাপে শৈক্ষিক দিশতে আছুৱে মনোনিৱেশ কৰিব লাগিছিল যদিও অসমৰ ৰাজনৈতিক দলবিলাকৰ ব্যৰ্থতাৰ কাৰণে ৰাজনৈতিক সমস্যাৰ বিষয়টোও আছুৱে চাবলগীয়া হৈছে। আমি জানো— আমাৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য হৈছে শৈক্ষিক দিশত মনোনিৱেশ কৰা। সেয়ে অসমৰ আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সুৰক্ষিত কৰিবৰ কাৰণে সন্দিকৈ কলেজৰ অধ্যাপক শ্ৰীযুত বসন্ত ডেকাছাৰৰ নেতৃত্বত এখনি শৈক্ষিক দিনপঞ্জী প্ৰস্তুত কৰিছিলো আৰু সেয়া ৰাজ্য চৰকাৰেও গ্ৰহণ কৰি কাৰ্যকৰী ব্যৱস্থা হাতত লৈছে। কাৰ্যকৰী কৰিছে নে নাই কৰা সেয়া নিৰীক্ষণৰ দায়িত্ব কিন্তু সমূহ



ৰাইজৰ। লগতে বিশ্ববিদ্যালয়ত আমি Job Oriented Course আৰু নতুন বিষয় সংযোগ কৰি অধ্যয়নৰ সুবিধা কৰিবৰ কাৰণেও দাবী জনাইছোঁ। সৰ্বোপৰি শিক্ষানুষ্ঠানৰ পৰিচালনা সমিতিত ৰাজনৈতিক ব্যক্তি প্ৰৱেশৰ পৰা মুক্ত কৰিব লাগে। শিক্ষক নিযুক্তি আৰু বিত্তীৰ ক্ষমতা পৰিচালনা সমিতিক দিব লাগে বুলিও আমি দাবী জনাইছোঁ।

? অসম সেনা আৰু অসম উন্নতি সভা গঠনৰ মূলতে কি ? অসমীয়া সেনাৰ ঠাইত অসম সেনা নামাকৰণৰ কি তাৎপৰ্য্য থাকিব পাৰে ?

☆ আছুৱে দুটা অৰাজনৈতিক সংগঠন জন্ম দিছেঁ— 'অসম উন্নতি সভা' আৰু 'অসম সেনা'। অৰাজনৈতিকভাৱে থাকি ভালপোৱা অসমৰ নিবনুৱা যুৱক-যুৱতীক লৈ অসম উন্নতি সভা গঠন কৰা হৈছে। এই সভাৰ দায়িত্ব হ'ল— অসমৰ নিবনুৱা যুৱকসকলক কি দৰে অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তুলিব পাৰি। বিভিন্ন বিষয়ৰ বিশেষজ্ঞক লৈ নিবনুৱাসকলক সংস্থাপিত কৰাৰ উদ্দেশ্যেৰে অসম উন্নতি সভা গঠন কৰিছিলোঁ আৰু সেয়ে ১০০ শতাংশ চাকৰি সংৰক্ষণৰ পোষকতা কৰিছোঁ। ২০০৪ চনৰ ডিচেম্বৰৰ ডিব্ৰুগড়ৰ জাতীয় অভিবৰ্তনত অসম সেনা জন্ম দিয়া হয়। এতিয়াই প্ৰস্তুতি পৰ্য্যায়তে আছে আৰু অসম সেনা প্ৰস্তুতি সমিতিৰ আহ্বায়ক হিচাপে মাননীয় প্ৰবীন বড়ো ডাঙৰীয়াক দায়িত্ব অৰ্পণ কৰা হৈছে। অসম সেনাই অসমৰ সকলো সমস্যা, সাংস্কৃতিক ক্ষেত্ৰত যদি বিকৃত মানসিকতাই গা কৰি উঠে তাৰ প্ৰতিবাদ কৰা হ'ব আৰু অসম সেনাই ১০০ শতাংশ থলুৱা অসমীয়াৰ চাকৰি সংৰক্ষণৰ দাবী তুলিব আৰু সুৰক্ষিত অসমৰ দাবী কৰিব।

○ ধন্যবাদ।

☆ ধন্যবাদ।


English Section
"Dream, Dream, Dream
Dreams transform into thoughts
And thoughts result in action."
Dr. APJ Abdul Kalam

# English Section

## জোনৰ ধূসৰ পোহৰত এখোজ .......

